
ৰঙিয়া
কলেজ
আলোচনী
FIGHT FOR
সংখ্যা

# ৰঙিয়া মহাবিদ্যালয়ৰ মুখ-পত্ৰ

বছৰেকীয়া প্ৰকাশ

দশম সংখ্যা

১৯৭৮—'৭৯

সম্পাদক—
কন্দৰ্প কুমাৰ কলিতা

তত্বাৱধায়ক—
অধ্যাপক উমেশ চন্দ্ৰ গোস্বামী

বেটুপাত—

দেবেন ডেকা

অঙ্গ সজ্জাত—

কন্দৰ্প কুমাৰ কলিতা

সবিতা লহকৰ

সম্পাদনা সমিতি—

অধ্যাপক উমেশ চন্দ্ৰ গোস্বামী (তত্ত্বাৱধায়ক)

অধ্যক্ষ—বীৰেন্দ্ৰ নাথ বৰদলৈ (সভাপতি)

অধ্যাপক—অমৰেন্দ্ৰ শৰ্ম্মা (সদস্য)

শ্ৰীভগীৰথ শৰ্ম্মা (সদস্য)

শ্ৰীহৰেশ্বৰ বড়ো (সদস্য)

শ্ৰীসবিতা লহকৰ (সদস্যা)

শলাগৰ শৰাই এই সকললৈ—

উপাধ্যক্ষ—নীল কান্ত মহন্ত, অধ্যাপক—আব্দুল ৰেজ্জাক, জ্যোতিষ চৌধুৰী।

ছাত্ৰ বন্ধু—চাহাবুদ্দিন, আবুতাহেৰ, মজিদ, আবেদ, দেবেন, ৰবীন, পদ্ম, খৰ্গেশ্বৰ, দিনদয়াল, ৰমেশ বড়ো, ভগেন, পিযুচ, প্ৰদীপ, যীৰদত্ত।

প্ৰাক্তন সাধাৰণ সম্পাদক—তৰুণ দত্ত লহকৰ, মোচাৰেফ হুচেইন।

প্ৰাক্তন ছাত্ৰ—অনন্ত কুমাৰ ডেকা, বিবেকানন্দ অধিকাৰী, প্ৰবীন কলিতা (অধ্যাপক); অনিমা ঠাকুৰীয়া।

ছাত্ৰী বান্ধৱী—বিজু, অনিমা, কৰিমা, নুৰ আচমা, নিৰদা, কল্পনা, অঞ্জলী, অনুপমা, গীতালী জাহানাৰা।

বন্ধুবৰ—জ্যোতিষ মহন্ত, মুকুল ডেকা, প্ৰদীপ দত্ত, মনোৰঞ্জন শৰ্ম্মা।

লগতে—বালি প্ৰেছৰ কৰ্ম্মীবৃন্দ

আৰু

এই সংখ্যাৰ লিখক লিখিকা সকললৈ

# অশ্ৰু-অঞ্জলি নিবেদিছো

এই সকলৰ মৃত্যুত—

ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ— চাহজাহান আলী



মহাবিদ্যালয়ৰ অধ্যাপক - নিৰঞ্জন তালুকদাৰ

অকৃত্ৰিম অসমপ্ৰেমেৰে উচ্ছাসিত হৈ—কিছু স্বাৰ্থন্বেষী জাতীয়তাবাদী নেতাৰ জৰীত ধৰি বল নিদিয়া আন্দোলনত বৰ্ব্বৰ চি আৰ-পি-ৰ গুলিত নিৰ্ম্মম ভাবে মৃত্যু বৰণ কৰা— শহীদ নগেন, বিনোদ, সুনন্দ, যতীন, খৰ্গেশ্বৰ, দিলিপ হুজুৰী।

অসমৰ অহিংস আন্দোলনৰ বলি— শহীদ মদন ডেকা, জন্মেজয় নাথ, আতৰ আলী, মাধৱ বৰ্মন।

প্ৰাক্তন মন্ত্ৰী—এম. চি, চাগলা, সাহিত্যিক—বেনুধৰ শৰ্মা, অধ্যাপক—পুণ্ডৰীকাক্ষ ভৰালী, কণ্ঠশিল্পী— মহম্মদ ৰফি, সৰ্ব্বহাৰাৰ লিখক— জা পল ছাৰ্ত্ৰে (Jean Pual Sartre), কথাছবি জগতৰ উজ্জ্বল তৰা

উত্তম কুমাৰ

আৰু

ফেচিবাদ বিৰোধী সংগ্ৰামী মাৰ্চাল- টিটো'ৰ মৃত্যুত।

## ....এই সংখ্যাৰ পাতে পাতে....


● সম্পাদকীয়—(ক)

● সাক্ষাৎ প্ৰসঙ্গ—(ট)

★ প্ৰবন্ধ—

নাৰী-মুক্তি আন্দোলন সম্পৰ্কে আলোচনা— (১)

ডাৰউইনবাদ আৰু সমাজ বিকাশ— (১৪)

সাহিত্য আৰু সাহিত্যিকৰ সামাজিক দায়বদ্ধতা— (২৬)

বড়ো সকলৰ ঐতিহ্য 'খেৰাই নৃত্য'ত ইয়াৰ প্ৰকাশ—(৩৮)

ভাৰতৰ ৰাষ্ট্ৰযন্ত্ৰ আৰু শোষিত জনগণৰ পথ— (৪৪)

ইতিহাসৰ এটি অবিস্মৰণীয় নাম স্তালিন— (৬৯)

❋ গল্প—

ৰহিম ককাৰ মৃত্যুত (৮)

এটা নতুন উপলব্ধি— (২০)

দেৱাল ভঙাৰ প্ৰতিশ্ৰুতিৰে— (৩৩)

মৰীচিকাৰ পম খেদি— (৫২)

নতুন দিন আহিছে— (৬২)

● কবিতা—

প্ৰতীক্ষা— (১৯)

শিল্পীলৈ— (২৫)

মই কবিতা লিখিম— (২৫)

সংকেত— (৩২)

নৱাগতলৈ— (৩৭)

ইপ্সিত সেই নতুন সূৰ্য্য— (৩৭)

পৰিবৰ্ত্তন— (৪৩)

মোৰ দুখন ছবিত— (৫১)

"আৰুনো কিমান দিন ?" (৫১)

কুন্‌লুন্— (৬২)

মুখাবোৰ খুলি পেলোৱা— (৬৮)

সেই পোহৰ ৰক্ত সূৰ্য্যৰ— (৭৪)

বিভিন্ন সম্পাদকৰ প্ৰতিবেদন— (৭৫)


# সম্পাদকীয়

### প্ৰবাহমান বিশ্বত কি ঘটিছে—

প্ৰবাহমান বিশ্বত বহু উল্লেখযোগ্য ঘটনাই ঘটি আছে। কৰবাত ভূইকঁপ কৰবাত নিউক্লিয়াৰ বিস্ফোৰণ। বিজ্ঞানৰ আধুনিকতম আবিষ্কাৰ ইত্যাদি। কিন্তু আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনাটো, যিটো বৰ্ত্তমানত পৃথিৱীৰ চুকে কোণে সকলো ঠাইতে ঘটিব ধৰিছে, সেইটো হ'ল ক্ৰমে তীব্ৰতৰ হৈ অহা পূঁজিবাদী ভণ্ডামি আৰু বৈজ্ঞানিক সমাজতন্ত্ৰৰ মাজৰ সংঘৰ্ষ। পূঁজিবাদী নাভিকমলত জন্ম লোৱা সাম্ৰাজ্যবাদৰ বুঢ়াবাঘটোৱেও আজি মৃত্যুৰ আশঙ্কাত গোজৰিব ধৰিছে। অৱশ্যে ঠায়ে ঠায়ে এই বুঢ়া বাঘটোৱে সোণৰ খাৰু হাতত লৈ বহু বাটৰুৱাক আকৰ্ষণ কৰিবলৈ কৰা প্ৰচেষ্টা আমাৰ পৰিলক্ষিত হৈছে। জাতীয়তাবাদো আজি দুবিধ। দুয়োবিধক চিনাক্তকৰণ কৰাটো অলপ কঠিন হয়। কিন্তু বিংশ শতাব্দীৰ সচেতন জনতাই অলপ চেষ্টা কৰিলেই দুয়োবিধ জাতীয়তাবাদক গোলকৰ দুই মেৰুৰ ব্যৱধানত দেখা পাব। প্ৰথমবিধ, প্ৰকৃত জাতীয়তাবাদ; এইবিধৰ যি কোনো সাম্ৰাজ্যবাদীৰ সৈতে অহিনকুল সম্বন্ধ। এইবিধ জাতীয়তাবাদ এটা জাতিৰ সংখ্যাগৰিষ্ঠ সৰ্ব্বহাৰাৰ মুক্তিৰ পক্ষপাতী। তাৰ বাবে ই সমাজতন্ত্ৰক গাণ্ডীৱ হিচাবে লৈ ই যি কোনো সাম্ৰাজ্যবাদী জাতিৰ সৈতে কুৰুক্ষেত্ৰ এখনত যুজিবলৈ প্ৰস্তুত। এই জাতীয়তাবাদৰ শত্ৰু কোনো এটা বিশেষ জাতি নহয়। ইয়াৰ শত্ৰু হ'ল এটা শ্ৰেণী যিটো শ্ৰেণীৰ কলাগুৰু ৰাভাৰ ভাষাত কোনো জাত কুল নাই,

যিয়ে সদায় মাত্ৰ মুনাফা আৰু বিলাসিতাৰ চিন্তাতে মগ্ন।

আনবিধ জাতীয়তাবাদ হ'ল অনুন্নত পুঁজিবাদৰ বীৰ্যৰে, সাম্ৰাজ্যবাদৰ নলত জন্ম লোৱা নলজাতক জাতীয়তাবাদ ( Test Tube Nationalism ) যেতিয়া এটা জাতিৰ অনুন্নত পুঁজিপতি, সদাগৰবোৰে আন এটা জাতিৰ উন্নত পুঁজিপতিৰ সৈতে চলোৱা প্ৰতিযোগিতাত মুখেৰে ফেন বাহিৰ হয়, তেতিয়া ই শিয়ালৰ দৰে আহি নিজেই শোষণ কৰা মানুহৰ লগত মিছিকালি পাতে। উদ্দেশ্য উন্নত পুঁজিপতিৰ জাতিটোৰ সৈতে এখন যুদ্ধ। বদলে মান মাতি অনাৰ দৰে এইবিধ জাতিয়তাবাদেও পিচ দুৱাৰেদি কোনো শক্তিশালী সাম্ৰাজ্যবাদী গোষ্ঠীৰ দয়া ভিক্ষা কৰে। শেনচকুৱা সাম্ৰাজ্যবাদী সকলে এনেকুৱা ভিক্ষাদানত অতি আনন্দিত আৰু ব্যস্ত হৈ পৰে। বেচি দূৰলৈ যোৱাৰ দৰকাৰ নাই, আমাৰ অসমতে আজি এইবিধ জাতীয়তাবাদৰ কঠিয়াই গজালি মেলিছে।

আফগানিস্থানকৈলেও আজি মাৰ্কিন সাম্ৰাজ্যবাদে পাকিস্থানৰ বিধাতা জিয়াউল হকৰ সৈতে লগ লাগি বিশ্বশান্তিত কিছুমান ছদ্ম সমস্যাৰ (pseudoproblem)ৰ সৃষ্টি কৰিবলৈ ব্যৰ্থ প্ৰচেষ্টা কৰিব ধৰিছে। আফগানিস্থানত কৰা হস্তক্ষেপৰ বাবে বহুতো ভাৰতীয় বুৰ্জোৱা পণ্ডিতে ৰাচিয়াক সাম্ৰাজ্যবাদী, যুদ্ধপ্ৰিয় দেশ বুলি দোষাৰোপ কৰিছে। মানৱতাৰ খাতিৰত ভাৰতে যেতিয়া বাংলাদেশৰ সৃষ্টিত অংশগ্ৰহণ কৰিছিল তাৰ বাবে ভাৰত সাম্ৰাজ্যবাদী আৰু যুদ্ধপ্ৰিয় হৈ পৰিছিল জানো? নিৰীহ ভিয়েটনামীৰ তেজেৰে হাত ৰঙা কৰি শ্বাহক পুতলা কৰি ইৰাণৰ তেলেৰে উদৰপূৰ কৰি, ছাডাট, বেগিনক শিখণ্ডী কৰি শত শই মুক্তিকামী পেলেষ্টাইনীক হত্যা কৰি ক্ষুদ্ৰ দেশ কিউবাৰ ৰক্তপান কৰিবলৈ গৈ ভঙা দাঁত লৈ উভতি আহি, পৃথিৱীৰ সকলো অনুন্নত দেশতে শোষণৰ মকৰাজাল পাতি, আফগানিস্থানৰ হৈ টোকা চকুপানী-খিনিক ঘৰিয়ালৰ বুলি নিশ্চয় সকলো সুস্থ মগজুৰ মানুহেই স্বীকাৰ কৰিব। মাৰ্কিন গণতন্ত্ৰত বিমুগ্ধ পণ্ডিতসকলে সেই গণতান্ত্ৰিক দেশৰে দলিত নিগ্ৰো সকলৰ আৰ্তনাদলৈ দিয়া কলা কাণখন অস্ত্ৰোপ্ৰচাৰ কৰাৰ সময় আহি পৰিছে সমুদ্ৰগম্ভীৰ কণ্ঠৰ বিপ্লৱী নিগ্ৰো গায়ক পল ৰবছনৰ নাম "American Encyclopaedia" আমেৰিকান এনচাইক্লোপেডিয়াৰ পৰা উঠাই দিয়াটোও নিশ্চয় সেই দেশৰ গণতন্ত্ৰৰ আন এটা নিদৰ্শন।



পুঁজিবাদৰ সংকট—

বিশ্বৰ সাম্প্ৰতিক পৰিস্থিতি অনুধাৱন কৰিলে এইটো সহজেই অনুমান হয় যে বৰ্তমান যুগটো হৈছে পুঁজিবাদী শিবিৰৰ গভীৰ সংকটৰ যুগ। এই দেশবোৰৰ বেছি সংখ্যক মানুহৰ ক্ৰয় ক্ষমতা নাইকীয়া হৈ পৰিছে। উৎপাদিত সামগ্ৰীৰ বজাৰ সঙ্কুচিত হৈ পৰিছে; কল-কাৰখানাবোৰৰ দুৱাৰ লাহে লাহে বন্ধ হৈ যাব ধৰিছে; উৎপাদনৰ ক্ষমতাৰ অপব্যৱহাৰ হৈছে; ছাটাই শ্ৰমিকৰ সংখ্যা দিনে দিনে বাঢ়ি গৈছে। এই দেশবোৰত নিবনুৱা সমস্যাই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে।

পৃথিৱীৰ ভিতৰত উন্নত পুঁজিবাদী দেশ আমেৰিকাত এই সংকট সমূহ তীব্ৰতৰ হৈ পৰিছে। নিবনুৱাৰ সংখ্যা আমেৰিকাত এক কোটি হৈছেগৈ ১৯৮০ চনৰ শেষত। একেদৰেই নিবনুৱা সমস্যাই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে পশ্চিম ইউৰোপৰ পুঁজিবাদী দেশসমূহত। এই বছৰত ফ্ৰান্সত নিবনুৱাৰ সংখ্যা হৈছেগৈ ১৪ লাখ, বৃটেইন আৰু পশ্চিম জাৰ্মানীটো নিবনুৱাৰ সংখ্যা ক্ৰমে ক্ৰমে ১৭ লাখ ১৩ লাখ ৫১ হাজাৰ হৈছে গৈ। এচিয়াৰ আটাইতকৈ উন্নত পুঁজিবাদী দেশ জাপানটো নিবনুৱাৰ সংখ্যাই ৫০ লাখৰ সীমা চুইছে গৈ। নিবনুৱা সমস্যাৰ উপৰিও পুঁজিবাদী দেশবোৰত বৰখাস্ত, ছাটাই, লে অফ, লক আউট আদি নিত্য নৈমিত্তিক ঘটনা। ইয়াৰ ফলস্বৰূপেই পুঁজিবাদ মৰণমুখী হৈ পৰিছে। শ্ৰমিক আৰু পুঁজিপতিৰ মাজৰ বিৰোধ ক্ৰমাৎ আজি শ্ৰেণীসংগ্ৰামৰ ৰূপ লৈছে। শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত দেশে দেশে গঢ়ি উঠিছে সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ সুদৃঢ় সংগ্ৰাম। পৃথিৱীৰ বুকুৰ প্ৰথম সমাজতান্ত্ৰিক ৰাষ্ট্ৰ ছোভিয়েট ৰাচিয়াকে আৰম্ভ কৰি সুদীৰ্ঘবছৰ মাৰ্কিন সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ৰক্তক্ষয়ী সংগ্ৰাম কৰি জয়লাভ কৰা ভিয়েটনামতে শেষ কৰি ইতিমধ্যে তেৰখন ৰাষ্ট্ৰত সমাজতন্ত্ৰ প্ৰতিষ্ঠা হৈছে। সমাজতন্ত্ৰ প্ৰতিষ্ঠা নোহোৱা দেশবোৰতো ক্ৰমাৎ সমাজতন্ত্ৰৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিছে। দুৰ্নীতি নিপীড়ন, নিষ্পেষণ, শোষণ, দমনৰ বিৰুদ্ধে জনতাৰ হাতত থকা একমাত্ৰ হাতীয়াৰ হ'ল সমাজতন্ত্ৰ।

ভাৰতবৰ্ষ কোন পথত—

ভাৰতবৰ্ষতো আজি পুঁজিবাদৰ স্বাভাৱিক সংকটসমূহ ঘনীভূত হৈছে। স্বাধীনতাৰ পিছতো টাটা, বিড়লাকে আদি কৰি দেশৰ ধনীসকলে ধনৰ

পাহাৰ সাজিছে আৰু লাখে লাখে মানুহ দুৰ্ভিক্ষ, অভাৱ আৰু অনাটনৰ গৰাহত পৰিছে। এইখিনিতেই আমাৰ ভাৰতীয় গণতন্ত্ৰৰ কীৰ্ত্তি। অন্ন, বস্ত্ৰ আৰু শিক্ষাৰ দাবীত ঠায়ে ঠায়ে গঢ়ি উঠা গণতান্ত্ৰিক আন্দোলনক লাঠি আৰু বুলেটেৰে দমোৱা হ'ল, আমাৰ গণতান্ত্ৰিক চৰকাৰৰ দ্বাৰা। তেলেংগানাৰ বিদ্ৰোহী কৃষকৰ ক্ষোভৰ ধ্বনিক নেহেৰুৰ গণতান্ত্ৰিক চৰকাৰে বেয়নেটৰ খোচেৰে স্তব্ধ কৰি দিলে। ভাত কাপোৰৰ দাবীত আন্দোলন কৰিবলৈ যোৱা কিশোৰ ছাত্ৰ গজেন ইংটি আৰু পুতুল শইকীয়াৰ তেজেৰে ভুৰ বন্ধাৰ মাটি ৰক্তাক্ত হ'ল। কিন্তু এই নৃশংস হত্যাকাণ্ডবোৰে শ্ৰমিক ধৰ্মঘট, ছাত্ৰ আন্দোলন আৰু শিক্ষকৰ ধৰ্মঘট আদিলৈ দুগুণ উৎসাহ হে আগবঢ়ালে। পূঁজিপতি জমিদাৰৰ কুটুম ত্ৰিশ বছৰীয়া কংগ্ৰেছ দলৰ সান্দহ খোৱা বালি তল যাবৰ উপক্ৰম হ'ল। জনতা জীয়াই থকাৰ অধিকাৰ সাব্যস্ত কৰিবৰ বাবে কৰা আন্দোলনে নেহেৰুকন্যা ইন্দিৰাৰ বাপতি সাহোন ভাৰত চৰকাৰৰ গাদী খন কপাই তুলিলে। দেউতাকৰ তেলেংগানাৰ দমননীতিত জীয়েৰেও দীক্ষা লৈ গণতন্ত্ৰৰ মুখত এটা চিৰস্থায়ী কলংক সানি ১৯৭৫ চনৰ ২৫ তাৰিখে 'ইমাৰজেন্সী' ঘোষণা কৰিলে। গণতান্ত্ৰিক আন্দোলনবোৰ নিৰ্ম্মমভাৱে মষিমূৰ কৰি দিয়াৰ প্ৰচেষ্টা চলিল। হেজাৰে হেজাৰে বিৰোধী ৰাজনৈতিক দলৰ নেতা আৰু কৰ্মীক জেলত ভৰাই শাৰীৰিক পীড়ণ, আনকি হত্যাও কৰা হ'ল। এই সময়তে যুৱৰাজ এজনৰ আৱিৰ্ভাৱে মানুহক আৰু সন্ত্ৰাসিত কৰি তুলিলে। বল জোৰেৰে হেজাৰ হেজাৰ মানুহক বন্ধ্যাকৰণ কৰা হ'ল। যুৱৰাজৰ উদ্যমত শই শই গৰীব মানুহৰ ঘৰ বোলাৰেৰে মষিমূৰ কৰি তাত "মাৰুতি" নামৰ গাড়ীৰ ফেক্টৰী স্থাপিত হ'ল। শ্ৰমজীৱী জনগণ চৰম দাৰিদ্ৰতাৰ কবলত পৰিল। আনহাতে দেশনেত্ৰী ইন্দিৰাৰ অনুগ্ৰহতেই টাটা, বিড়ালা প্ৰমুখ্যে ২০ টা বৃহৎ পুঁজিপতিৰ মুনাফাৰ পৰিমাণ ইমাৰজেন্সীৰ ভিতৰত ৬০০ কোটি হলগৈ।

শ্বাসৰুদ্ধকাৰী ইমাৰজেন্সীৰ বিৰুদ্ধে যোৱা ৭৭'ৰ নিৰ্ব্বাচনত জনগণে ইন্দিৰাৰ চৰকাৰৰ পতন ঘটালে; নবজাত জনতা পাৰ্টিক সাদৰি ললে। দেশত কিছু গণতান্ত্ৰিক বাতাবৰণৰ সৃষ্টি হ'ল। কিন্তু অৰ্থনীতিৰ ক্ষেত্ৰত জনতা চৰকাৰে পূৰ্ব্বৰ কংগ্ৰেছী চৰকাৰৰ নীতিকেই অনুসৰণ কৰিলে।



চৰণ সিঙৰ জনস্বাৰ্থ বিৰোধী কেন্দ্ৰীয় বাজেটেই তাৰ জ্বলন্ত প্ৰমাণ। নেতৃত্বৰ খোৱা-কামোৰা আৰু সাম্প্ৰদায়িকতাৰ আগমনে জনতা চৰকাৰৰ পতন মাতি আনিলে। যি সময়ত পশ্চিমবঙ্গ, কেৰালা আৰু ত্ৰিপুৰাত শ্ৰমিক কৃষকসকলৰ পাৰ্টি "মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ" বামপন্থী চৰকাৰে শ্ৰমজীৱী জনগণৰ স্বাৰ্থত উন্নতো উন্নয়ণমূলক কাম কৰি (নিৰনুৱাক বেকাৰ ভাট্টা দিয়া, স্কুল সমূহত বিদ্যামূলীয়াকৈ দুপৰীয়াৰ আহাৰ যোগান) তাৰ দুখীয়া জনসাধাৰণক কিছু পৰিমাণে আৰ্থিক সকাহ দিলে। সেই সময়ত ভাৰতৰ অন্যান্য ৰাজ্যৰ চৰকাৰবোৰৰ পতন ঘটিছিল। জনতা চৰকাৰৰ পতনত স্বৈৰাচাৰী শক্তিবোৰে আকৌ মূৰ দাঙি উঠে, সাম্প্ৰদায়িক শক্তিসমূহেও গা কৰি উঠে। জাতি ধৰ্ম্ম ভাষাৰ নামত এই শক্তিবোৰে শ্ৰমজীৱী জনগণৰ ঐক্য বিনষ্ট কৰাৰ আপ্ৰাণ চেষ্টা কৰি আছে। লোকসভাৰ মধ্যকালীন নিৰ্ব্বাচনত এই স্বৈৰাচাৰী আৰু সাম্প্ৰদায়িক শক্তিৰ বিৰুদ্ধে বামপন্থী দলবোৰৰ ঐক্য এক বলিষ্ঠ পদক্ষেপ।

পূঁজিবাদী দেশ ভাৰতবৰ্ষত নানাবিধ সমস্যাই দেখা দি ইয়াৰ উন্নতিত হেঙাৰ দিছে। ভাৰতবৰ্ষৰ শতকৰা ৪০ ভাগ মাটি মাত্ৰ পাঁচ জন মানুহৰ হাতত আৰু দেশৰ সমস্ত অৰ্থ ৭৫ টা পুঁজিপতিৰ হাতত স্তুপীকৃত হৈছে। দেশৰ অৰ্থনীতি এওঁলোকেই নিয়ন্ত্ৰণ কৰিছে। সাম্ৰাজ্যবাদী শোষক গোষ্ঠীয়েও ভাৰতবৰ্ষৰ ওপৰত অবাধ লুণ্ঠন আৰম্ভ কৰিছে। এই তিনিশত্ৰুৰ (জমিদাৰ, পুঁজিপতি, সাম্ৰাজ্যবাদী শোষকৰ) স্বাৰ্থতেই চালিত হৈছে ভাৰতবৰ্ষৰ শাসনযন্ত্ৰ। ৬০ কোটি জনগণৰ দেশ ভাৰতবৰ্ষৰ প্ৰায় ৩৫ কোটি মানুহৰেই ক্ৰয়ক্ষমতা নাই। এওঁলোকৰ মাহেকীয়া ক্ৰয়ক্ষমতা ৩০ টকাৰো কম। বুৰ্জোৱা পণ্ডিত ডি. আৰ গ্যাডগিল বি, এন, গাঙ্গুলী ডি কে আৰ ভি ৰাও আদিৰ ৰিপোৰ্টত প্ৰকাশ যে 'ভাৰতৰ ৪০,০০০ মানুহে তেজ বিক্ৰী কৰি জীৱিকা নিৰ্ব্বাহ কৰে আৰু ১০লাখৰ ওপৰ হৈছে ভিক্ষাৰী।"

(Ajit Ray—Economics and Politics of Garibi Hatao, page-5)

আনহাতে সমাজতান্ত্ৰিক দেশবোৰৰ অগ্ৰগতিয়ে বিশ্বত বিস্ময়ৰ সৃষ্টি কৰিছে। ভাৰতৰ স্বাধীনতাৰ দুই বছৰ পিচত সমাজতন্ত্ৰ প্ৰতিষ্ঠা হোৱা পৃথিৱীৰ ভিতৰত জনবহুল বহু জাতিক দেশ চীনত আজি খাদ্যৰ অভাৱ নাই। ভাৰতবৰ্ষৰ বৰ্তমান খাদ্য উৎপাদন ১১ কোটি টন আন-

হাতে চীনৰ ২৬ কোটি টন। চীনে বৰ্ত্তমান বিদেশলৈ চাউল ৰপ্তানি কৰে; অথচ ভাৰতবৰ্ষত ৬০% মানুহেই দুবেলা দুমুঠি খাবলৈ নেপায়। সমাজতান্ত্ৰিক দেশ উত্তৰ কোৰিয়াত চাউলৰ কিলো ২৪ পইচা সমাজতান্ত্ৰিক দেশ উত্তৰ ভিয়েটনামে যুদ্ধৰ মাজতো প্ৰতি কেজিত ৩৭ পইচাকৈ চাউল যোগন ধৰিব পাৰিছিল। গোটেই বিশ্বৰ মুঠ উৎপাদনৰ শতকৰা ৪৫ ভাগ উৎপাদন কৰে ১৩ খন সমাজতান্ত্ৰিক ৰাষ্ট্ৰই। সমাজতান্ত্ৰিক শিবিৰৰ ঘোৰ শত্ৰুজনেও আজি স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে সমাজতান্ত্ৰিক দেশৰ জনগণ সমস্যামুক্ত। একমাত্ৰ সমাজতান্ত্ৰিক দেশবোৰতহে মানুহে মানুহ হিচাবে বাচি থকাৰ অধিকাৰ পাইছে।

অসমৰ বৰ্ত্তমান আৰু ভবিষ্যত—

বৰ্ত্তমান অসমৰ বিদেশী বিতাড়ণ আন্দোলনৰ গুৰি ধৰোতা নেতাবৃন্দও যই আগতে কৈ অহা নললজাতক জাতীয়তাবাদেৰে দীক্ষিত হোৱাৰ প্ৰমাণ হ'ল তেওঁলোকৰ ঘোৰ কমিউনিষ্ট বিদ্বেষী মনোভাৱ। এইবিধ জাতীয়তাবাদে সদায় সমাজতন্ত্ৰ বিলুপ্ত কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰে। কিন্তু শেহত ই বুৰঞ্জীৰ বায়ত পুঁজিবাদৰ সৈতে অচল হৈ পৰি অতীতৰ গড়খাৱৈত যাদুঘৰৰ বস্তু হৈ পৰি থাকে। বুৰঞ্জীয়ে এই ৰাই দিছিল হিটলাৰক, মুছোলীনিক আৰু বহুতক। অসমতো আজি সমাজতন্ত্ৰত বিশ্বাসী কমিউনিষ্ট সকলক কবৰ দিবলৈ অশেষ চেষ্টা চলি আছে। তেওঁলোকৰ একমাত্ৰ দোষ, বিদেশী বিতাড়ণৰ আন্দোলনটো মানৱীয় দৃষ্টিভঙ্গীৰে জুকিয়াই চোৱাটো। আন্দোলনৰ নেতৃবৰ্গই ছদ্মবেশত কমিউনিষ্ট সকলক মাৰ-ধৰ, হত্যাও কৰিছে। ব্যাখ্যা দিছে কোনোবা দুৰ্বৃত্তৰ দৌৰাত্ম্য বুলি। এই ক্ষেত্ৰত আন্দোলনৰ নেতাসকলে অৰ্নেষ্ট হেমিংওৱেৰ এষাৰি কথা মনলৈ অনা উচিত। তেওঁ কৈছিল - "A man can be destroyed but not defeated"। মানুহ এজনক হত্যা কৰিব পাৰি কিন্তু পৰাজিত নহয়। আলোচনী এখন জ্বলাব পাৰি কিন্তু তাৰ সৈতে লিখক সকলৰ ভাববোৰো যি সকলে জ্বলাই, ভষ্মীভূত কৰিব পাৰিম বুলি ভাৱে তেওঁলোকে চূড়ান্ত বান্দৰামিৰ পৰিচয় দিয়ে। মানুহ এজনক মৰাটো এটা উদ্ভাগুলি কিন্তু মানুহজনৰ লগতে মানুহজনৰ আদৰ্শটোও যি সকলে নিঃশেষ কৰি দিব পাৰিম বুলি ভাৱে, সেইটো



চৰম কাণ্ডজ্ঞানহীনতা। সমাজতন্ত্ৰত বিশ্বাসী ছাত্ৰবন্ধু মদন, আহৰ আলী, জন্মেজয় আৰু শিক্ষক মাধৱ বৰ্ম্মনক মাৰি শেষ কৰিব পাৰিছে। কিন্তু তেওঁলোকৰ আদৰ্শ সমাজতন্ত্ৰক জানো কবৰ দিব পাৰিছে ? কমিউনিষ্টৰ গতিক কেতিয়াও ৰোধ কৰিব নোৱাৰে। কাণ্ডজ্ঞানহীন দেশ প্ৰেমিক (?) সকলে এই কথা জানি থোৱা ভাল। কোনো গণতান্ত্ৰিক সংগঠনৰ কাৰ্য্যালয়ত বান্দৰৰ দৰে জাক পাতি সোমাই আৰি থোৱা ফটোৰ ঠুনুকা কাচবোৰ ভঙা, কিতাপৰ কিছু পৃষ্ঠা ফলা নিশ্চয় কিছু শক্তিৰ পৰিচয়, কিন্তু লগতে ই এন্টিডাৰউইনবাদবাদৰ (মানুহৰ পৰা বান্দৰৰ উৎপত্তি) তথ্যও হয়।

মানুহে অভিজ্ঞতাৰ পৰা অতি সোনকালে শিকে। নিজ জাতি বা ধৰ্ম্মৰ নামত সকলো মানুহে ধমনীত কিছু উত্তলা শিহৰণ অনুভৱ কৰে। তাৰেই সুযোগ গ্ৰহণ কৰি বিদেশী বিতাড়ণৰ আন্দোলনৰ নেতাসকলে বহুসংখ্যক মানুহকে আকৃষ্ট কৰিছিল। কিন্তু বহুমানুহেই এই "হঠাৎ পেট্ৰিয়ট" সকলৰ পেট্ৰিয়টিজিমত সন্দেহ কৰি আন্দোলনৰ পৰা আতৰি গৈছে। চাহবাগিছাৰ বনুৱাক মৰম কৰাৰ দোহাইদি চাহবাগানৰ ইংৰাজ মালিক সকলক কোটি কোটি টকা লুটি নিবলৈ দিয়া কাৰ্য্যই জাতীয়তাবাদীহঁতৰ জাতীয়তাবাদৰ মুখা খুলি দিছে। আজীৱন অসমীয়া সাহিত্য চৰ্চ্চা কৰি অহা চৈয়দ আব্দুল মালিকক 'সংখ্যলঘুৰ চোৰাংচোৱা" পদলৈ উন্নীত কৰালে বৰ্ত্তমান আন্দোলনৰ সাহিত্য সংস্কৃতি ৰক্ষক সকলে। বড়ো কৃষক হাবিৰাম আৰু বিহুৰামৰ বুকুৰ তেজেৰে ৰাঙলী হৈ থোৱা ফুলুংচাপৰিক ঢাকি ৰাখিব খুজিছিল উত্তৰ পূৰ্ব্বাঞ্চলৰ বৃহৎ অসমীয়া জাতিৰ সংগঠক সকলে। অসম সাহিত্য সভাৰ মাজ মজিয়াত যেতিয়া বৰ্ত্তমান আন্দোলনৰ স্বনাম ধন্য নেতা এজনে জ্যোতিপ্ৰসাদৰ—

আমি আগে বাঢ়ি ডিঙি পাতি পাতি
তেজেৰে বলিশাল যামে বোলাই।

গীতফাকিৰ শুধৰণী কৰি গালে—

আমি আগে বাঢ়ি ডিঙি কাটি কাটি
তেজেৰে বলিশাল যামে বোলাই।

কোনো এজন সংস্কৃতি ৰক্ষকে (নে ভক্ষকে ?) মহান শিল্পীজনাৰ সৃষ্টিক ৰক্ষা কৰিবলৈ আগবাঢ়ি নাহিল। জ্যোতিপ্ৰসাদ আজি জীয়াই থকা

হেতেন নিশ্চয় কিছুমান লাচিতৰ পিতনৰ পৰা হাত সাৰি যাব নোৱাৰিলে হেতেন। আন্দোলনৰ অত্যুৎসাহৰ দুই এটা ৰাৰ্থ্যক "সাপ্তাহিক কলাখাৰ" খনে আঙুলিয়াই দিয়া বাবে ই জুইত ভস্মীভূত হব লগা হ'ল আন্দোলনৰ কটাঘাত "সাপ্তাহিক কলাখাৰ" খনে কিছু পোৱণি তোলাত অহিংস মানৱ সকলে দিন দুপৰতে গুৱাহাটীৰ মাজমজিয়াত সাংবাদিক পণ্ডিত হীৰেন গোহাঁইক প্ৰহাৰ কৰিলে। উদ্দেশ্য কিছু শাৰীৰিক আক্ৰমণৰ দ্বাৰা মানুহক ভীতি প্ৰদৰ্শন কৰি মনে মনে ৰখা। পিছে আন্দোলনৰ গণতান্ত্ৰিক নেতাসকলে জনা উচিত আছিল যে মাৰ ধৰৰ দ্বাৰা আদেশ শুনোৱা নীতি কিছু পোহনীয়া জন্তুৰ ওপৰতহে প্ৰযোজ্য। মানুহ অৱশ্যে সম্পূৰ্ণই বেলেগ।

থোৰতে কবলৈ গলে, এই সাম্প্ৰতিক বিদেশী বিতাড়ণৰ আন্দোলনে অতি কৌশলৰে অসমীয়া জাতিক মৃত্যুমুখলৈ ঠেলি দিছে। আবেগ আৰু উত্তেজনাই কেতিয়াও কোনো জাতিক মুক্তিৰ সন্ধান দিব নোৱাৰে। ই সদায় বুমেৰাং হৈ আহি জাতিটোকহে আঘাত কৰে। অসমীয়া জাতি সিদিনাহে মুক্ত হব যিদিনা অসমৰ সংখ্যাগৰিষ্ঠ অৰ্দ্ধনগ্ন বুভুক্ষ জনতাই ঐক্যবদ্ধ হৈ কিছুমান নৰৰূপী অক্টোপাচৰ বিৰুদ্ধে সমুখ সমৰত অৱতীৰ্ণ হব। কাৰণ এই অক্টোপাচ সকল কলাগুৰুৰ ভাষাত যিবিলাক ধনী, জমিদাৰ, হাকিম, পুজিপতি, চাহবাগিচাৰ মালিক তেওঁলোকে এই বাপতি সাহোনীয়া সম্পত্তি অসমৰ কৃষ্টি, সংস্কৃতি, উপহাস আৰু আমোদৰ উপকৰণ বুলি ইতিকিং কৰি নিষ্ঠুৰ আনন্দ লভে। কিন্তু তেওঁলোক জানো অসমীয়া? তেওঁলোক জানো ভাৰতৰ নাগৰিক? তেওঁলোক অসমীয়াও নহয় ভাৰতৰ নাগৰিকো নহয়? পৃথিৱীৰ আন আন দেশৰ সেই একে শোষক সম্প্ৰদায়ৰ তেওঁলোক, যাৰ জাতি নাই, দেশ নাই, কেৱল সুবিধাবাদী মুনাফাখোৰ, চোৰাংবজাৰী। তেওঁলোকৰ ৰচনা কেৱল ভুৱা আৰু ফাঁকি। ........................"

প্ৰাচীৰেও কথা কয়—

চীনৰ মহান জনগণতান্ত্ৰিক বিপ্লৱীসকলে জন্ম দিয়া সাহিত্য চৰ্চ্চাৰ এক অভিনৱ মাধ্যম প্ৰাচীৰ পত্ৰিকা। ই সম্প্ৰতি বিশ্বত অতি জনপ্ৰিয় হৈ পৰিছে। সেয়া আছিল ১৯৭৬ চন। আমাৰো কলেজৰ এচাম তৰুণৰ উদ্যমত আমাৰ কলেজত প্ৰথমবাৰৰ বাবে প্ৰাচীৰ পত্ৰিকা



"বিকাশ"ৰ জন্ম হয়। ইয়াৰ জৰিয়তে দুখিৰ সমাজৰ প্ৰগতি কামনা কৰা আমাৰ ছাত্ৰ লিখকসকলে সাহিত্য চৰ্চ্চা কৰাৰ সুযোগ পাইছে। কোনো বন্ধু কবিয়ে লিখিলে—

তুমি জানানে বন্ধু—
এই জুই কেতিয়া নুমাব?
নুমাব সেইদিনা—
যিদিনা দেশৰ শোষিতই—
হাতত ৰঙা পতাকা লৈ
ভিয়েটনামৰ হো-চি-মিনক
অনুসৰণ কৰিব।
(সেই পোহৰ সমাজবাদৰ)

বুভুক্ষ জনতাৰ বুকুত জ্বলা ক্ষুধাৰ জুই কেতিয়া নুমাব তাৰ ইংগিত দিলে "বিকাশ"ত প্ৰকাশিত "সেই পোহৰ সমাজবাদৰ" কবিতাই।

নতুন আশা নতুন উদ্যমৰে পৰিপুষ্ট নৱাগত সকলৈ আদৰণি জনালে বিকাশে

তোমাৰ উশাহে—
পুৰি চাই কৰি দিয়া
শোষণকাৰীৰ ধনেৰে সজা
গগনচুম্বী সৌধবোৰ—।
(নৱাগতালৈ)

এনেকৈয়ে বিকাশে পুজিবাদী ভাৰতৰ সমস্যাৰ মাজত বুৰি থকা ছাত্ৰ সকলৰ সাহিত্য চৰ্চ্চা তথা প্ৰতিবাদৰ সুবিধা কিছু দিলে। আশা ৰাখিলো ভৱিষ্যতেও যাতে ইয়াত শোষিত পৰিয়ালৰ ছাত্ৰ সকলৰ ক্ষোভ আৰু নতুন সমাজ গঢ়াৰ প্ৰতিশ্ৰুতিৰ ইয়াত প্ৰতিধ্বনি উঠিব।

ব্যক্তিগত দু-আষাৰ—

শেহত মই কেইশাৰীমান ব্যক্তিগত কথাৰে মোৰ সম্পাদকীয়ৰ মোখনি মাৰিব খুজিছো। প্ৰথমতে মই অতি আক্ষেপেৰে এখন আবেদন পত্ৰৰ কথা কও যিখন আবেদন পত্ৰত এই আলোচনী খনত এটা বড়ো মাধ্যমৰ শাখা খোলাৰ বাবে অনুৰোধ কৰা হৈছিল। আবেদন পত্ৰখনৰ সপক্ষে প্ৰায় চাৰে তিনিশ ছাত্ৰৰ চহী সংগ্ৰহ হোৱাৰ পিছতো কলেজ কৰ্তৃপক্ষই

আজি বৃহৎ অসমীয়া জাতি গঠনৰ সময়ত ৰড়ো শাখাৰ বাবে অনুমতি নিদিয়াত মই নিতান্তই দুখিত। দ্বিতীয়তে মাজতে এবাৰ কলেজৰ কতৃপক্ষই যেতিয়া এই আলোচনীখনৰ অতি ধৈৰ্য্য সহকাৰে ৰচিত প্ৰবন্ধ সমূহ সময়োপযোগী নহয় বুলি আলোচনী খন বন্ধ কৰে তেতিয়া মই হঠাৎ আকৌ ইমাৰজেন্সীৰ কলংকিত দিনবোৰ ঘুৰি অহা যেন পালো। বহু প্ৰতিবাদৰ পিছত অৱশ্যে কলেজ কতৃপক্ষই অলপ সদয় হৈ আলোচনীখন ছপাৰ বাবে দিয়া মহান অনুমতিৰ বাবে মই তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ।

আলোচনীখন সম্পাদনা কৰি উলিওৱাত কিছু অনিচ্ছাকৃত ভুল ক্ৰুটি হৈ যাব পাৰে। তাৰ বাবে পাঠকসকলৰ ওচৰত মই ক্ষমা ভিক্ষাৰী। শেষত আলোচনীখন সম্পাদনা কৰি উলিওয়াত বিশেষভাবে সহায় কৰা অধ্যাপক, অধ্যাপিকা আৰু বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি সম্পাদকীয়ৰ সামৰণি মাৰিলো।

ছাত্ৰশক্তি জিন্দাবাদ
শ্ৰীকন্দৰ্প কুমাৰ কলিতা
সম্পাদক
ৰঙিয়া কলেজ আলোচনী



# সাক্ষাৎ প্ৰসঙ্গ

## অধ্যাপক—গণেশ দাসদেৱৰ সৈতে এটি সাক্ষাৎকাৰ

[গণেশ দাস আৰ্য্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক। শ্ৰীদাস অসমৰ উঠি অহা প্ৰগতিশীল সাহিত্যিক সকলৰ ভিতৰত অন্যতম্। সাম্প্ৰতিক কালছোৱাত জাতীয় অস্তিত্ব ৰক্ষাৰ নামত অসমৰ কিছুমান খাতৰি কাকতে বিকৃত আৰু উদ্দেশ্য প্ৰণোদিত খাতৰি পৰিবেশন কৰি অসমত কমিউনিষ্ট বিদ্বেষ, জাতিবিদ্বেষ, আৰু সম্প্ৰদায়িকতাৰ বিষ বিয়পাই দিছে। এনেবোৰ অশুভ লক্ষণ নিৰাময় কৰিবলৈ যুক্তি নিৰ্ভৰ, তথ্যনিষ্ঠ, মানৱতাবাদী সাংবাদিকতাৰ প্ৰয়োজন অনুভব কৰি অসমৰ কেইজনমান সমাজ সচেতন, সৎ, প্ৰগতিশীল, গণতান্ত্ৰিক শিল্পী-সাহিত্যিকে এখন নতুন অসমীয়া দৈনিক কাকত প্ৰকাশ কৰিবলৈ উঠিপৰি লাগিছে। শ্ৰীযুত গণেশ দাস এই নতুন দৈনিক কাকত খনৰ পৰিচালনা সমিতিৰ সম্পাদক। এটি সাক্ষাৎকাৰৰ বাবে দাস দেৱক মই লগ ধৰিছিলো। বহুত ব্যস্ততাৰ মাজতো তেখেতে মোৰ প্ৰশ্নকেইটাৰ উত্তৰ দিয়া বাবে তেখেতক আলোচনী সম্পাদনা সমিতিৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

—সম্পাদক—

? বোলছবি আৰু সমাজৰ মাজত কেনেধৰণৰ সম্পৰ্ক আছে বুলি আপুনি ভাবে।

• সমাজৰ মানুহে যদি বোলছবি চায়, চাই তৃপ্তি পায় আৰু সেই তৃপ্তিৰ বাবে পইচা খৰছ কৰে, টিকট এখনৰ বাবে কেবা ঘণ্টা সময় লাইনত থিয় হৈ থাকে, মাৰপিট কৰি হলেও টিকট এখন লয়। স্কুল কলেজৰ ল'ৰা ছোৱালীয়ে ক্লাছ নকৰি চিনেমাহলত সোমাই থাকে, নিম্ন মধ্যবিত্ত পৰিয়ালৰ গৃহিনীয়ে সুযোগ পালেই গিৰিয়েক চিনেমা এখন

চোৱাৰ কথা কয়, কাৰখানাৰ শ্ৰমিক এজনেও গোটেই দিনটো হাড়ভগা পৰিশ্ৰম কৰাৰ পিছত Night Show চাবলৈ যায়. কোন হলত কি ছবি চলি আছে তাৰ খবৰ ৰহুতেই ৰাখে. দিনে ৰাতি মাইক বা ৰেডিওৰ মাধ্যমত চিনেমাৰ গানকে শুনোৱা কয় ডেকা-গাভৰু বহুতে বোলছবিৰ নায়ক-নায়িকাৰ পোছাক পৰিচ্ছদ অনুকৰণ কৰে, তেতিয়া আমি কব লাগিব সমাজ আৰু বোলছবিৰ মাজত এটা ওচৰ সম্পৰ্ক আছে। এই সম্পৰ্ক সুস্থ নহবও পাৰে। চিনেমা হল নথকা ঠাইৰ বহুতো কৃষক-বনুৱা বা দুখীয়া শ্ৰেণীৰ বাইজৰ বোলছবিৰ লগত প্ৰত্যক্ষ সম্পৰ্ক নাথাকিলেও তেওঁলোকৰ নিজৰ ল'ৰা-ছোৱালীৰ মাধ্যমেৰে তাৰ সোৱাদ পায়। মাটি বন্ধকত থৈ চহৰলৈ পঢ়িবলৈ পঠিওৱা ল'ৰা জনক চিনেমা চাবলৈ পইচা যোগান ধৰিব লগা হয়।

? নাটক বা থিয়েটাৰ আৰু বোলছবিৰ মাজৰ মৌলিক পাৰ্থক্যবোৰ কি ?

॰ বোলছবিৰ নায়ক-নায়িকা দৰ্শকৰ পৰা বিচ্ছিন্ন হৈ থাকে, তেওঁলোকৰ মাজত কোনো আত্মীয়তা নাই। এই নায়ক-নায়িকাবোৰ এটা যন্ত্ৰই পৰ্দাৰ ওপৰত পেলাই দিয়া বিভিন্ন পৰিবেশৰ ছবি। আনহাতে থিয়েটাৰ বা মঞ্চাভিনয়ত দৰ্শক আৰু অভিনেতাৰ মাজত এটা জীৱন্ত সম্পৰ্ক গঢ়ি উঠে দৰ্শকৰ কলা কলা মুৰবোৰ. হাঁহি আৰু চকুপানী আৰু বিভিন্ন সময়ৰ প্ৰতিক্ৰিয়াবোৰ অভিনেতাই দেখা পায়। দৰ্শকৰ অনুভূতিৰ মাজত গভীৰ ভাবে সোমাই যোৱা এটা স্পৃহা আহি পৰে আৰু বিনিময়ত নাটকৰ দৃশ্যবোৰ হৈ পৰে প্ৰাণবন্ত। চেক্সপীয়েৰৰ Othello ই ডেচ-ডিমোনাক হত্যা কৰি যেতিয়া শেষত কৈ উঠে—"Soft you; a word or two before you go—……—then must you speak of one that love not wisely but two well" তেতিয়া এই Othello ভাও লোৱা অভিনেতাজনে দৰ্শকৰ অনুভূতিৰ মাজত সোমাই যোৱাৰ সুযোগ পায়

? এজন ভাল মঞ্চ অভিনেতা—ভাল বোলছবি অভিনেতা হব পাৰেনে ?

০ মঞ্চৰ অভিনেতাৰ বোলছবিৰ অভিনেতাৰ পৰা মানসিক আচৰণ ( attitude ) বহুত বেলেগ। মঞ্চাভিনয়ত দৰ্শকো এটা চৰিত্ৰ হৈ পৰে। বোলছবিত সেইটো সম্ভৱ নহয়। টুকুৰা টুকুৰা কিছুমান দৃশ্য অসংখ্য পৰিবেশত বিভিন্ন সময়ত চেলুলয়ডত ধৰি ৰাখি পাছত লেবোৰেটৰীত এটা দৃশ্যৰ লগত আন এটা দৃশ্য জোৰা দি আন কাৰোবাৰ কণ্ঠেৰে সজাই পৰাই যি এটা তৈয়াৰী বস্তু ( finished product ) কৰা হয় সি নাট্যাভিনয়ৰ পৰা সম্পূৰ্ণ বেলেগ। মঞ্চত এক চেকেণ্ডৰ ভিতৰত কেচা চুলি বগা কৰাৰ সুযোগ নাই, বোলছবিত আছে। বোলছবিত অভিনেতাই ঘোঁৰাত, হাতীত, ৰেলত উঠিব পাৰে মঞ্চাভিনয়ত নোৱাৰে। বোলছবিৰ অভিনেতাই যেনেকৈ ভাল মঞ্চাভিনেতা হব নোৱাৰে তেনেকৈ মঞ্চাভিনেতাইও ভাল বোলছবিৰ অভিনেতা হব নোৱাৰে। উৎপল দত্তৰ দৰে



অভিনেতা উভয়তে কৃতকাৰ্য্য হোৱাৰ কাৰণ মই এই বুলিয়ে কও যে বোলছবি আৰু মঞ্চত তেওঁৰ দৰে অভিনেতাই দুটা বিভিন্ন আৰ্ট হিচাপে লৈছে—এটাৰ পৰা আনটোলৈ যোৱাৰ কথা নহয়, দুয়োটাতে দক্ষতা অৰ্জন কৰাটোহে কথা।

? বৰ্ত্তমান ভাৰতৰ বোলছবিবোৰে ব্যৱসায়িকতাৰ চুৰান্ত শিখৰত উপনিত হৈছে বুলি আ'পুনি ভাবে নেকি।

০ হয়, ভাবো। টকা অৰ্জন কৰাটোৱে অধিকাংশ বোলছবি প্ৰযোজক আৰু পৰিচালকৰ মূল উদ্দেশ্য। এই ছবিবোৰৰ মাধ্যমেৰে বৈজ্ঞানীক ভিত্তিত কোনো সামাজিক চেতনা জাগ্ৰত কৰাৰ প্ৰয়াস দেখা নেযায়।

? "বোলছবি সাহিত্যৰ দৰে কেতিয়াও নিৰপেক্ষ হব নোৱাৰে, ই শোষক নাইবা শোষিতৰ শ্ৰেণীস্বাৰ্থ ৰক্ষা কৰে।" —এই ক্ষেত্ৰত আ'পোনাৰ মন্তব্য কি।

• সাহিত্য সম্পূৰ্ণ নিৰপেক্ষ বুলি মই কব নোখোজো। লিখক সকলৰ অলপ হলেও Commit ment থাকে। উদাহৰণ স্বৰূপে বিশ্ব মহাযুদ্ধৰ পিছত যুদ্ধৰ বিৰুদ্ধে যিবোৰ কবিতা লিখা হৈছে সেইবোৰত এটা বিশ্বজনীন আবেদন থাকিলেও কবি সকলৰ যুদ্ধৰ বিৰুদ্ধে নিশ্চয় এটা Commit ment আছে। বোলছবি আৰু সাহিত্য দুয়োটাই আৰ্ট। এই আৰ্ট জীৱনক লৈ আৰু জীৱনৰ এটা সামাজিক মূল্য আছে। যি মূল্য প্ৰতিষ্ঠাৰ বাবে সাহিত্যিকৰ লক্ষ্য হব এক শোষণহীন শ্ৰেণীহীন সমাজ গঢ়া। বেছিভাগ বোলছবিৰ বিষয় বস্তু আঙ্গিক আৰু চৰিত্ৰ অংকনে শোষক শ্ৰেণীৰ স্বাৰ্থহে ৰক্ষা কৰিছে, শোষিতৰ নহয়। শোষিতক নিচাগ্ৰস্ত কৰি ৰখাত এই বোলছবিবোৰৰ বৰঙণি কম নহয়।

? বোলছবিয়ে বৰ্ত্তমান ভাৰতৰ জনগণৰ চেতনা জাগ্ৰত কৰিছে নে জনগণক কাণি খুৱাই শুৱাই ৰাখিছে।

॰ আগৰ উত্তৰতে কৈছো যে বেছিভাগ আমাৰ বোলছবিয়ে জনসাধাৰণক নিচাগ্ৰস্ত কৰি ৰাখিছে। "জয় সন্তোষী মা" বোলা ছবিখন চাই বহুতে চিনেমা হলৰ ভিতৰতে প্ৰসাদ বিতৰণ কৰা কথা আমি শুনিছো। এই ছবিবোৰত গাওঁৰ হোজা খেতিয়কৰ ল'ৰাই কোটি পতিৰ ছোৱালীক বিয়া কৰোৱা দেখিছো. মৰি যোৱা মানুহজন বাচি উঠা আদি অবাস্তৱ কথাবোৰো দেখিছো। নিপীড়িত দুৰ্দ্দশাগ্ৰস্ত জনসাধাৰণৰ মনত কিবা এটি অতিপ্ৰাকৃতিক শক্তিয়ে (Super natural power) তেওঁলোকৰ দুৰ্দ্দশা মোচন কৰাত সহায় কৰিব বুলি বিশ্বাস আনি দিয়াত এই বোলছবিবোৰৰ বৰঙণি কম নহয়। ফলস্বৰূপে এই জনসাধাৰণে তেওঁলোকৰ দুৰ্দ্দশাৰ প্ৰকৃত কাৰণ বিচাৰি নেপায়।

? বোলছবি পৰিচালক মৃণাল সেনৰ বিষয়ে আপোনাৰ ধাৰণা কেনেকুৱা।

০ মৃণাল সেনৰ বিষয়ে ধাৰণা মোৰ স্পষ্ট নহয়। তেওঁৰ যি দুই এখন ছবি চাইছো সেইবোৰত জনসাধাৰণক নিচাগ্ৰস্ত কৰি বাস্তৱ অৱস্থাৰ পৰা দূৰত ৰখাৰ বা অতি বাস্তৱ দৃশ্যৰ অৱতাৰণা কৰাৰ অথবা টকা অৰ্জন

কৰাৰ প্ৰয়াস নাই। সত্যজিৎ ৰায়, তপন সিংহ আৰু মৃণাল সেনৰ দৰে বিশ্ববিখ্যাত পৰিচালকৰ বোলছবিবোৰে সৰ্বসাধাৰণ ৰাইজক আবেদন কৰিব নোৱাৰাটো দুৰ্ভাগ্য।

? চাৰ্লিচ্যাপ্লিনক বৰ্ত্তমান যুগৰ সৰ্বশ্ৰেষ্ঠ বোলছবি পৰিচালক বুলি আপুনি ভাবেনে।

○ বিশ্বৰ বোলছবি জগতৰ এইজন প্ৰযোজক, পৰিচালক নিসন্দেহে এজন মহান শিল্পী। তেওঁৰ "The Kid', "Gold Rush", "The Circus", City Lights", "Modern Times",' The Great Dictator', Lime-Light" আদি ছবিৰ টেক্‌নিক বা শিল্পকাৰ্য্যৰ কথা উল্লেখ নকৰিলেও সেইবোৰৰ সামগ্ৰিক আবেদনত ফুটি উঠিছে মহান শিল্পী এজনৰ এক বিৰাট মানৱ প্ৰেম। শোষিতৰ প্ৰতি থকা তেওঁৰ স্নেহ আন এজন বিশ্বৰ শ্ৰেষ্ঠ শিল্পী প'ল ৰবচনৰ দৰে গভীৰ। সাম্ৰাজ্যবাদী মাৰ্কিন যুক্তৰাষ্ট্ৰই চেপলিনৰ ৰাজনৈতিক মতবাদ সহ্য কৰিব নোৱাৰি যুক্তৰাষ্ট্ৰৰ পৰা বাহিৰ কৰি দিছিল। আনহাতে কুইন এলিজাবেথে তেওঁক নাইট উপাধিৰে সন্মানিত কৰিছিল।

? বৰ্ত্তমান ভাৰতৰ যুবসমাজৰ মাজলৈ বোলছবিয়ে (বিশেষকৈ হিন্দী বোলছবিবোৰে) এক ভীষণ উশৃঙ্খলতা কঢ়িয়াই আনিছে। কথাটো সত্যনে? যদি সত্য হয় ইয়াৰ প্ৰতিকাৰৰ উপায় কি।

○ কথাটো কিছু পৰিমাণে সঁচা। যুৱসমাজৰ উশৃঙ্খলতাৰ আন বহুতো কাৰণ থাকিলেও হিন্দী বোলছবিও এটা। কিছুবছৰ আগতে চীনদেশীয় বোলছবি এখনৰ এটা দৃশ্য চোৱা মনত পৰে। প্ৰায় এশজনীমান ধুনীয়া গাভৰুৱে এটা নৃত্য কৰিছিল। তেওঁলোকৰ শৰীৰৰ অনাবৃত্ত অংগ-প্ৰত্যঙ্গবোৰে একেটা লয়লাসত নাচিছে। এটি সুন্দৰ সমন্বয়, এটি সুন্দৰ ছন্দ। দৰ্শকৰ পৰা কোনো বিকৃত চিঞৰ শুনা নাছিলো। আমাৰ বোলছবিবোৰ যৌন আবেদনেৰে পৰিপূৰ্ণ। বিভিন্ন দৃশ্যৰ মাজত নায়িকাৰ অনাবৃত্ত অঙ্গক ঢাকি ৰাখিবলৈ কৰা প্ৰচেষ্টাই কোমল মতীয়া ডেকা-গাভৰুৰ মনত যোন মাদকতাৰ সৃষ্টি কৰে। প্ৰায় প্ৰত্যেকখন হিন্দী ছবিতে থকা মাৰপিত আদিয়ে যুবক যুৱতীক উশৃঙ্খল হবলৈ কিছুপৰিমানে হলেও উৎসাহ যোগায়।

বৰ্ত্তমান সময়ৰ বোলছবিবোৰ আমাৰ সমাজ ব্যৱস্থাৰে উপদ্ৰব্য ( By Product )। কেৱল আমাৰ দেশতে নহয় শ্ৰেণীবিভক্ত সমাজ ব্যৱস্থা'ৰ যি কোনো দেশৰে আৰ্ট বা বোলছবিত এনেকুৱা প্ৰতিফলন দেখা হেৰ যায়। গতিকে প্ৰতিকাৰৰ উপায় বিচাৰিবলৈ হলে আমি প্ৰথমতে সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তনৰ কথাহে চিন্তা কৰিব লাগিব।

? অসমৰ বৰ্ত্তমান বোলছবিবোৰৰ মাজত আপুনি কি প্ৰৱনতা দেখা পাইছে।

○ অসমীয়া বোলছবিবোৰ চাই এটা বস্তু ভাল লাগে সেয়া হ'ল - শালীনতাবোধ। কিন্তু অসমীয়া ছবিৰ দৰ্শক কম। ছবিবোৰে এতিয়াও সকলো দিশত পৰিপূৰ্ণতা লাভ কৰিব পৰা নাই। কোনো নহয় কোনো এটা দিশত দুৰ্বলতা চকুত পৰে। তথাপি অসমীয়া বোলছবিয়ে আজি কিছু বছৰৰ ভিতৰত এটা স্থিৰ গতি লৈছে বুলি আমি কব পাৰো।

শ্ৰীগণেশ দাস
গুৱাহাটী
৯-৩-৮১



# প্ৰবন্ধ

## নাৰী-মুক্তি আন্দোলন সম্পৰ্কে আলোচনা

সৱিতা লহকৰ
স্নাতক প্ৰথম বাৰ্ষিক
ক্ৰমাংক—৫৩

সমাজ বিকাশৰ প্ৰতিটো স্তৰতেই নাৰী আৰু পুৰুষৰ সংঘবদ্ধ প্ৰচেষ্টাৰ সমানেই প্ৰয়োজন হৈছে। নাৰীৰ উন্নতি অবিহনে পুৰুষৰ উন্নতি অথবা পুৰুষৰ উন্নতি অবিহনে নাৰীৰ উন্নতি অসম্ভৱ। সমাজৰ উন্নতি হবলৈ হলে নাৰী আৰু পুৰুষ উভয়ৰে উন্নতি হব লাগিব। এই ক্ষেত্ৰত আমি মহান নেতা মাও-চে-টুঙৰ তাৎপৰ্য্যপূৰ্ণ উক্তি এষাৰ মনত পেলাব পাৰো—

"নাৰী তুমি অৰ্দ্ধ আকাশ ."

নাৰী সমাজক আগবঢ়াই নিবৰ বাবেই পৃথিবীৰ দেশে দেশে আজি নাৰী মুক্তি আন্দোলন গঢ়ি উঠিছে। এই নাৰী মুক্তি আন্দোলন সমূহ সুক্ষ্মভাবে লক্ষ্য কৰিলে দুটা পৰস্পৰ বিপৰীতমুখী ধাৰা পোৱা যায়। এটা বুৰ্জোৱা ধাৰা আৰু আনটো সমাজবাদী বা প্ৰগতিশীল ধাৰা। বুৰ্জোৱা ধাৰাটোৰ গুৰি ধৰোতা সকল হ'ল সমাজৰ উচ্চ শ্ৰেণীৰ মহিলাসকল। আনহাতে এই মেত্ৰীসকলক পৰিচালনা কৰে বুৰ্জোৱা পুঁজিপতি শ্ৰেণীয়ে।

এই ধৰণৰ নাৰীমুক্তি আন্দোলনে মূলতঃ পুৰুষসকলকে নাৰীসকলৰ প্ৰধান শত্ৰু হিচাপে চিহ্নিত কৰি পুৰুষ আৰু নাৰীৰ সম্ভাব্য যৌথ সংগ্ৰাম ব্যৰ্থ কৰিবলৈ চেষ্টা কৰে। ইয়াৰ দ্বাৰা তেওঁলোকে বিশ্বৰ নাৰী তথা সমস্ত শোষিত-নিষ্পেষিত মানুহৰে মূল শত্ৰু সমূহৰ পৰা নাৰী সমাজৰ দৃষ্টি আতৰাই আনিবলৈ অবিৰাম চেষ্টা কৰে। পৃথিবীৰ বিভিন্ন সাম্ৰাজ্যবাদী শক্তিৰ নিয়ন্ত্ৰণাধীন সম্মিলিত ৰাষ্ট্ৰসংঘই এই উদ্দেশ্য সফল কৰিবৰ বাবেই ১৯৭৫ চনটোক আন্তৰ্জাতিক নাৰী বৰ্ষ হিচাপে ঘোষণা কৰিছিল। দেশে দেশে বিভিন্ন কাৰ্য্য-সূচীৰে নাৰী বৰ্ষ উদ্‌যাপন কৰা হয়। এই কাৰ্য্য-সূচীৰ অন্তৰ্ভুক্ত আছিল— মেলা, প্ৰদৰ্শনী, ফেচন শ্ব', কলা প্ৰদৰ্শনী, ৰন্ধন প্ৰতিযোগিতা, মেল-মিটিং, চিনেমা আদি। এই অনুষ্ঠান সমূহ প্ৰধানতঃ ডাঙৰ ডাঙৰ নগৰ চহৰৰ উচ্চ শ্ৰেণীৰ তথাকথিত অভিজাত পৰিয়ালৰ মহিলা সকলৰ মাজতে আবদ্ধ হৈ আছিল। অৱশ্যে এওঁলোকৰ মাজৰে

কিছুসংখ্যক মহিলাই দুই এখন গাওঁলৈ গৈ ৰাস্তা-ঘাট নিজে পৰিস্কাৰ কৰি, জন্মনিয়ন্ত্ৰণ আদিৰ বিষয়ে গাওঁৰ মহিলাসকলক শিক্ষা দিবলৈও চেষ্টা কৰিছিল। পিচে তেওঁলোকৰ কাম-কাজত আন্তৰিকতাৰ সলনি প্ৰতিষ্ঠা লাভৰ মোহহে আছিল বুলি সন্দেহ হয়। ফলত গাওঁবাসীয়ে মনত চমক এটা অনুভৱ কৰাৰ বাহিৰে আন একো নহ'ল। অথচ এইবোৰ কামৰ বাবেই অকল অসমতে চৰকাৰী হিচাপ-মতেই ৬·৯৭ লাখ টকা ব্যয় হৈছে। নাৰী বৰ্ষ পালন কৰি গাওঁৰ দুখীয়া খেতিয়কৰ ঘৰৰ জীয়ৰী বোৱাৰী বা নগৰৰ শ্ৰমিক মহিলাখিনি কিমানদূৰ উপকৃত হ'ল-নহ'ল সেইটো খতিয়ান নিদিলেও প্ৰত্যেকেই জানে। কিন্তু গোটেই বিশ্বজুৰি যেতিয়া নাৰীবৰ্ষৰ বিভিন্ন কাৰ্য্য-সূচীয়ে উখল-মাখল লগাই আছিল, ঠিক সেই সময়তে আমাৰ ভাৰতবৰ্ষৰ উত্তৰ অঞ্চলত দুগৰাকী নাৰী বলপূৰ্ব্বকভাৱে সতী-দাহ প্ৰথাৰ বলি হব লগীয়া হোৱাৰ মৰ্মন্তুদ কাহিনী কেইজনে জানে? যি ঘৃণনীয় সতী দাহ প্ৰথা আজিৰ পৰা প্ৰায় ডেৰশ বছৰ আগতেই উঠাই দিয়া হ'ল, সেই প্ৰথা এতিয়াও চলি আছে বুলি বিশ্বাস কৰিব পাৰিবনে? কিন্তু কথাটো নিষ্ঠুৰভাৱে সত্য ঠিক তেনেদৰেই সত্য, অসমত আজিলৈকে বৰপেটাৰ কীৰ্ত্তন ঘৰত নাৰীয়ে প্ৰৱেশাধিকাৰ নোপোৱাটো ৰাজস্থানী সমাজৰ যৌতুক প্ৰথা অ জিও ছোৱালী বিয়া দিয়াৰ প্ৰধান সমস্যা হৈ আছে। উত্তৰ প্ৰদেশৰ মুচলিম মহিলাই বৰ্ত্তমানো ওৰণি বা বোৰ্খাৰে মুখ ঢাকিহে বাহিৰত চলা-ফিৰা কৰিব পাৰে। আনকি আজি ইৰাণ দৰে এখন অত্যাধুনিক ৰাষ্ট্ৰতো ধৰ্মীয় নেত ৰহমতুল্লা খোমেনিয়ে বোৰ্খাৰ প্ৰচলন বাধ্যতা মূলক কৰিবলৈ চেষ্টা চলাইছিল (যদিও ইৰাণ মহিলাসকলৰ প্ৰবল আন্দোলনত সেই চেষ্ট সফল নহ'ল)।

গতিকে দেখা গ'ল বুৰ্জোৱা নাৰী মুক্তি আন্দোলনৰ দ্বাৰা নাৰীসকল প্ৰকৃততে মুক্ত হব নোৱাৰে। আন্তৰ্জাতিক নাৰী বৰ্ষ নাইৰ নাৰী দশক ঘোষণা কৰিও নাৰী সমস্যা সমাধান কৰা নেযায়। তেনেহলে আমাৰ পথ কি? আমাৰ পথ নিশ্চিতভাৱে সেই টোৱেই, যিটো ইতিহাসৰ বিখ্যাত দাৰ্শনিক মাৰ্ক্স আৰু এঙ্গেলচে দেখুৱাই গৈছে আৰু চীন, চোভিয়েটৰ নাৰীয়ে যি পথেৰে তেওঁলোকৰ স্বাধীনতা অৰ্জ্জন কৰিছে অৰ্থাৎ আমি নাৰীসকলে প্ৰকৃত স্বাধীনতা লাভ কৰিবলৈ হলে সমাজতান্ত্ৰিক পথেৰে আগবাঢ়িব লাগিব। আমাৰ সংগ্ৰামৰ পৰা পুৰুষ সকলক বিছিন্ন নকৰি নাৰী মুক্তি আন্দোলন, গণতন্ত্ৰ আৰু সমাজবাদৰ বাবে কৰা গণ আন্দোলন সমূহৰ মাজৰ সম্পৰ্ক যাতে সুদৃঢ় হয় তাৰ বাবেহে কাম কৰিব লাগিব। প্ৰকৃততে কবলৈ হলে গণতান্ত্ৰিক সমাজবাদী আৰু শ্ৰমিক আন্দোলন নাৰী মুক্তি আন্দোলনৰ সৈতে অঙ্গাঙ্গী ভাৱে জড়িত এটাক বাদ দি আনটো আগবঢ়া সম্ভৱ নহয় দুয়োটা আন্দোলন পৰস্পৰ সহযোগিতাৰে সম্ভৱ আৰু সফল হব পাৰে।

নাৰী মুক্তি আন্দোলন সম্পৰ্কে আলো-



চনা কৰিবলৈ যাওঁতে ইতিহাসৰ বিভিন্ন স্তৰত নাৰী সকলৰ স্থান কেনেকুৱা আছিল আৰু বৰ্ত্তমান কেনেকুৱা হৈছে সেই বিষয়ও আলোচনা কৰা প্ৰয়োজন। মানৱ ইতিহাসৰ বিকাশৰ প্ৰথম স্তৰ অৰ্থাৎ আদিম সাম্যবাদী সমাজ ব্যৱস্থাত নাৰীসকলক পুৰুষসকলতকৈ কোনো-গুনে হেয় কৰা নহৈছিল। নাৰী পুৰুষ উভয়ে দলবদ্ধ ভাৱে ফলমূল, গছৰ শিপা আদি খাদ্য সংগ্ৰহ কৰি আৰু পশু-পক্ষী আদি চিকাৰ কৰি জীৱন নিৰ্ব্বাহ কৰিছিল। দলবদ্ধভাৱে খাদ্য সংগ্ৰহ কৰা হেতুকে কোনো ধৰণৰ উদ্বৃত্ত বস্তুৰ সৃষ্টি হোৱা নাছিল, আৰু উদ্বৃত্ব সৃষ্টি নোহোৱা বাবে সমাজত কোনোৱে কাৰো ওপৰত প্ৰভাৱ বিস্তাৰকৰিব পৰা নাছিল। ফলত কোনো প্ৰকাৰৰ শোষণ চলিব পৰা নাছিল। আদিম সাম্যবাদী সমাজ ব্যৱস্থাৰ শেষৰ ফালে যেতিয়া জনসংখ্যা বৃদ্ধি হৈ আহিল আৰু ফলমূল, জীৱজন্তু আদি হ্ৰাস পাই আহিল তেতিয়া ইটো দলৰ লগত সিটো দলৰ সংঘৰ্ষ আৰম্ভ হ'ল। ফলস্বৰূপে বিজিত আৰু বিজেতা দুট শ্ৰেনীৰ সৃষ্টি হ'ল। বিজেতা শ্ৰেণীয়ে বিজিত শ্ৰেণীক দাস হিচাবে চলাবলৈ ধৰিলে। এনেদৰে দাস সমাজ ব্যৱস্থাৰ জন্ম হ'ল। দাস সমাজ ব্যৱস্থাত দাস সকলৰ লগতে নাৰী সকলৰ অৱস্থাৰো শোচনীয় অৱনতি ঘটিল। তেওঁলোক বাহিৰৰ মুক্ত সমাজখনৰ পৰা ঘৰৰ ভিতৰৰ অন্ধকাৰলৈ পৰ্য্যৱসিত হ'ল। তেওঁলোকৰ কাম কাজ বোৰো ঘৰৰ ভিতৰত আবদ্ধ হৈ পৰিল! মানুহে কৃষি কাৰ্য্য আৰু পশু পালন কৰিবলৈ শিকাৰ লগে লগে খাদ্য সংগ্ৰহৰ প্ৰয়োজনীয়তাও নোহোৱা হ'ল। নাৰী সকলক উৎপাদনমুখী কাম কাজত অংশ লবলৈ নিদিয়াৰ বাবে তেওঁলোকে সম্পূৰ্ণৰূপে পুৰুষৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিব লগা হ'ল। ইয়াৰ পিচত সামন্তবাদী সমাজব্যৱস্থাত যেতিয়া এমুঠিমান মানুহৰ হাতত ভূ-সম্পত্তি কেন্দ্ৰীভূত হ'ল, তেতিয়া নাৰী সকলৰ অৱস্থা অধিক শোচনীয় হৈ পৰিল। তেওঁলোক শোষিত, বঞ্চিত মানুহৰ শ্ৰেণীভুক্ত হৈ পৰে। ভোগৰ আহিলা আৰু সন্তান উৎপাদনৰ যন্ত্ৰ হিচাপে নাৰীসকলক চিহ্নিত কৰা হয়। আনকি সমাজৰ ভূ-স্বামী সকলে তেওঁলোকৰ ইচ্ছামতে যেই কোনো ছোৱালীক ধৰি লৈ গৈ ৰক্ষিতা হিচাপে ৰখাটো আইন সন্মত বুলি ধৰিলোৱা হয়। এনেদৰে সামন্তবাদী সমাজত নাৰীৰ স্থান অধিক নিম্নমুখী আৰু দুখলগা হৈ পৰে। ইয়াৰ পিচত ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰী সকলৰ কিছু অংশক যদিও কিছু কিছু বাহ্যিক সুবিধা যেনে শিক্ষা লাভৰ সুবিধা, জীৱিকা অৰ্জনৰ সুবিধা, সম্পত্তিৰ অধিকাৰ আদি দিয়া হ'ল তথাপিও তেওঁলোক প্ৰকৃততে শোষণ মুক্ত নহ'ল। বুজন সংখ্যক নাৰীয়ে সমাজৰ বিভিন্ন প্ৰকাৰৰ বাধা নিষেধৰ বাবে আৰু অন্যান্য কিছুমান কাৰণত এই সুবিধা-বোৰ লাভ কৰিবলৈ সক্ষম নহ'ল। মুষ্টিমেয় কিছু সংখ্যক নাৰীয়ে এই সুবিধাবোৰ লাভ কৰিলে যদিও তেওঁলোকৰ ওপৰতো দুমুখীয়া শোষণ চলিয়েই থাকিল। এহাতে পুৰুষৰ শোষণ আৰু আনহাতে সমস্ত মেহনতী মানুহৰ

ওপৰত চলা বুজো'ৱা জমিদাৰ পুজিপতিৰ শোষণ নাৰীৰ ওপৰতো সমানেই অব্যাহত থাকিল। নাৰীসকল পুৰুষৰ দ্বাৰা শোষিত হোৱাৰ বাবে সমাজ ব্যৱস্থাকে প্ৰধানতঃ দায়ী কৰিব লাগিব। ইয়াৰ উপৰিও ধৰ্মীয় আদি প্ৰভাব আছেই। পুৰুষসকলে সদায় ভাবে যে নাৰী মানেই তেওঁলোকৰ তলতীয়া। শিক্ষিত বুদ্ধিজীবি সকলৰ ক্ষেত্ৰতো অৱচেতন মনত এই ধৰণৰ ভাবধাৰা দেখা যায়। ইয়াৰ কাৰণ হ'ল সমাজত চলি অহা ৰীতি নীতি বোৰৰ মানুহৰ ওপৰত পৰা গভীৰ প্ৰভাব। বিখ্যাত হিন্দু দাৰ্শনিক মনুৱে তেওঁৰ "মনুবিধি"ত স্পষ্টভাবেই লিখিছে—"In childhood the woman must be subject to her father, in youth to her husband, and when her lord is dead, to her son. A woman must never be independent." এই উক্তিটোৰ অৰ্থ এনেদৰেই কৰিব পাৰি যে নাৰী সকল আজীৱন শোষিত হৈ থকা উচিত। আনকি স্বামীৰ অবৰ্ত্তমানত নিজ পুত্ৰৰ অধীন হৈ থাকিব লাগিব। আন এঠাইত মনুৱে কৈছে নাৰী সকলৰ মুখ্য কাম হ'ল পুৰুষসকলক দেৱতা হিচাপে পূজা কৰাটো। আনহাতে বৰ্ত্তমানো প্ৰচলিত কিছুমান নীতি বাক্যৰ পৰাও নাৰী সমাজ কেনেদৰে শোষিত হৈ আহিছে ভালদৰে বুজিব পাৰি। উদাহৰণ স্বৰূপে "লাউ ডাঙৰ হলেও পাতৰ তল।" এইবোৰ ধ্যান ধাৰণা সমাজত চলি অহাৰ বাবেই পুৰুষসকলে নিজকে নাৰীসকলতকৈ উচ্চ বুলি ধাৰণা কৰে আৰু নাৰী সকলৰ পৰা সন্মান পোৱাটো তেওঁলোকৰ প্ৰাপ্য বুলি ভাবে। সেইবাবে এই ধ্যান ধাৰণাৰ ওপৰত সামান্যতম আঘাত পৰিলেই তেওঁলোক ক্ৰুদ্ধ হৈ উঠে। অথচ নাৰী সকলকো যে তেওঁলোকে সমানেই সন্মান কৰিব লাগে সেইটো এবাৰলৈও অনুভৱ নকৰে। পুৰুষৰ শোষণ চলি থকাৰ আন এটা কাৰণ হ'ল নাৰীসকলৰ হীনমন্যতা ভাৱ। নাৰীসকলেও সদায় ভাবে যে তেওঁলোক পুৰুষসকলতকৈ নিকৃষ্ট আৰু পুৰুষসকল চৰিত্ৰহীন, লম্পট হলেও তেওঁলোকক সন্মান কৰাটো নাৰী জাতিৰ কৰ্ত্তব্য।

পুৰুষৰ শোষণৰ ওপৰিও বিশ্বৰ মেহনতী মানুহ সকল যি সকলৰ দ্বাৰা শোষিত হৈছে সেই একেই সাম্ৰাজ্যবাদী পুজিপতি জমিদাৰ শ্ৰেণীয়ে নাৰীজাতিকো সমানে শোষণ কৰি আছে। যদিও আটাইতকৈ শেষত অৰ্থাৎ দ্বিতীয় মহাসমৰৰ পিচৰ পৰাহে নাৰী-শ্ৰমিক সকলক ব্যপকভাবে কামত নিযুক্তি দিয়া হয়; অন্যায় অবিচাৰৰ ক্ষেত্ৰত তেওঁলোকেই প্ৰথম বলি হবলগীয়া হয়। বেচিভাগ কৰ্ম খণ্ডতে নাৰী সকলে পুৰুষৰ সমানেই কাম কৰিব লগা হয় অথচ তেওঁলোকে পাৰিশ্ৰমিক কম পায় কেতিয়াবা শিশু শ্ৰমিকতকৈও। কৰা দিনটো বিভিন্ন কৰ্ম্মখণ্ডত কঠোৰ পৰিশ্ৰম কৰাৰ পিচত ঘৰখনৰ যাৱতীয় কাম কাজৰ ভাৰো তেওঁলোকেই বহন কৰিব লগা হয়। তাৰোপৰি বহুতো নাৰী শ্ৰমিকে তেওঁলোকৰ ওপৰ-ৱালাৰ পৰা অভদ্ৰ ব্যৱহাৰ পায়, কৰ্মখণ্ডলৈ আহোতে যাওঁতে ৰাষ্টাত জোৰ জুলুম আৰু কদৰ্য্য, নিৰ্লজ্জ্য আচৰণো তেওঁলোকে সহ্য কৰিব লগীয়া হয়। আনহাতে লম্পটপুৰুষৰ অসভ্যালিৰ ভয় আছেই। মুঠতে নাৰী হোৱাটোৱে তেওঁলোকৰ বাবে অভিশাপ স্বৰূপ হৈ পৰে।

পুঁজিবাদী সমাজব্যৱস্থাত নাৰীসকল অৰ্থনৈতিক ভাবে পৰাধীন। তেওঁলোকে প্ৰত্যেক ক্ষেত্ৰতে পুৰুষসকলৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়। ব্যক্তিগত ভাবে উপাৰ্জন কৰা ধনখিনিও আনকি তেওঁলোকে নিজৰ ইচ্ছামতে ব্যয় কৰিব নোৱাৰে। যিমানেই উচ্চ শিক্ষিতা নহওঁক স্বামী অথবা পিতৃৰ বিনানুমতিত যি কোনো কাম কৰিব তেওঁলোকে নোৱাৰে। আনহাতে পুঁজিবাদী সমাজত নাৰীসকল কাৰিকৰী শিক্ষা লাভৰ পৰা একপ্ৰকাৰ বঞ্চিত হোৱা বাবে তেওঁলোকে পৰ্য্যাপ্ত পৰিমানে নিয়োগৰ সুবিধাও নেপায়। পুঁজিবাদী সমাজ ব্যৱস্থাত নামমাত্ৰ নাৰীকহে কাৰিকৰী শিক্ষা দান কৰা হয়। আমেৰিকাৰ দৰে উন্নত পুঁজিবাদী দেশত এক বুজন অংশ নাৰীক বাধ্যতামূলকভাৱে Public School অত শিক্ষা লবলৈ দিয়া হয়। ফলস্বৰূপে তেনেবোৰ দেশত নাৰীসকল Clerical Proletariat ত পৰিণত হব লগীয়া হৈছে। আনহাতে সমাজবাদী ৰাষ্ট্ৰ ৰাচিয়াত নাৰী সকলক পৰ্য্যাপ্ত পৰিমানে কাৰিকৰী শিক্ষাৰ সুবিধা দিয়া হয়। ফলত ৰাচিয়াত আজি শতকৰা ৭৩ গৰাকী মহিলা ডাক্তৰ, শতকৰা ৩০ গৰাকী ইঞ্জিনিয়াৰ। তাৰোপৰি বিচাৰক হিচাপেও বুজন সংখ্যক মহিলাই কাৰ্য্যনিৰ্বাহ কৰি আছে। ৰাচিয়াত মহিলা ৰেল চালকো আছে। মুঠতে সকলো কামকাজত নাৰীসকলে পুৰুষৰ সমানে সুযোগ সুবিধা পাইছে। আনহাতে সমাজতান্ত্ৰিক মহাচীনতো আজি বিভিন্ন কাৰিকৰী দিশত মহিলা কৰ্মীসকল জড়িত হৈ আছে। তাত বেজি তৈয়াৰ কৰা ক'ৰখানাৰ পৰা আনবিক গৱেষণাগাৰ পৰ্য্যন্ত মহিলা শ্ৰমিক নিয়োজিত হৈ আছে। মহাচীনত ৮ নং নাৰী বাহিনী বুলি মহিলা শ্ৰমিকৰ এটা সুকীয়া সংগঠনেই আছে। ইয়াৰ বিপৰীতে ভাৰতীয় মহিলাসকলৰ বুজন অংশ এতিয়াও অশিক্ষিতা। কাৰিকৰী শিক্ষা দূৰতেই থাওক, তেওঁলোকক সাধাৰণভাবে শিক্ষিতাও কৰি তোলা হোৱা নাই। ৬ষ্ঠ পৰিকল্পনাইও এইটো স্বীকাৰ কৰি লৈছে যেঃ—

(ক) বুনিয়াদী শিক্ষা (ক্লাচ ১ ৫)

'বৰ্ত্তমান শিক্ষা লব নোৱাৰা ল'ৰা-ছোৱালীৰ সৰহসংখ্যকেই হ'ল ছোৱালী, অনুসূচীত জাতি আৰু জনজাতিৰ ল'ৰা-ছোৱালী আৰু মাটিহীন কৃষি-শ্ৰমিকৰ দৰে অন্যান্য দুৰ্ব্বল অংশবোৰৰ ল'ৰা-ছোৱালী" [অনুচ্ছেদ ৬, ৪(V)]। [প্ৰাথমিক বিদ্যালয়ত ভৰ্ত্তি হোৱা ৬—১১ বছৰ বয়সসীমাৰ ভিতৰৰ ছাত্ৰ-ছাত্ৰীৰ পাৰ-ম্পৰিক ভৰ্ত্তিৰ হাৰ হ'লঃ—১৯৭৭ আৰু '৭৮ চনত ১০০% ছাত্ৰ আৰু মাত্ৰ ৬৮% ছাত্ৰী। '৭৩—'৭৪ চনত এই হাৰ আছিল ১০০% ল'ৰা আৰু ৬৫% ছোৱালী]

খ) মজলীয়া শিক্ষা [ ক্লাচ VI—VIII ]

## গল্প

# 'ৰহিম কাকা'ৰ মৃত্যুত

চৈয়দ আবু তাহেৰ হুছেইন
প্ৰাক্-বিশ্ববিদ্যালয় (২য় বাৰ্ষিক)

গুৱাহাটী-ধুবুৰী এক্সপ্ৰেছখন যেতিয়া ধুবুৰী ট্ৰেন্সপোৰ্ট অফিচত ৰাখিলে, মই বিচৰা ঠিক মানুহজনকে হঠাৎ পাই গ'লো। সেয়া ৰজত খুড়া। বহুদিন হ'ল মা-মই দুয়ো ডিব্ৰুগড়ত আছোগৈ। খুড়াহঁতকে চাই যাওঁ বুলি আহিলো।

খুড়া যেন খুব ব্যস্ত ভাবে কৰবালৈ গৈছে তেনেকুৱা লাগিল। মইয়ে মাত দিলো—

ঃ খুড়া! খুড়াই পিছফাললৈ ঘূৰি চালে।

ঃ অ' দীপক দেখোন। এইখন গাড়ীতে আহিলা হবলা? মই উত্তৰ দিলো। কুশল বাৰ্ত্তা লোৱাৰ পিছত খুড়াই কলে—

ঃ তুমি যোৱা দীপক। মই হস্পিতেলৰ পৰা আহোগৈ। সেই যে, ৰহিম—তোমালোকৰ ৰহিম কাকা—তেওঁক আব্দুল জমিদাৰৰ গুণ্ডাই খুব মৰিয়ালে। অৱস্থা হেনো ভাল নহয়। মই খবৰ এটা কৰি আহো।

মোক কোনো কথা কোৱাৰ সুযোগ নিদি খুড়া গ'লগৈ। খুড়া যেন খুব চিন্তিত। খুড়াৰ এইটো নতুন ৰূপ মই আজি হঠাতে আবিস্কাৰ কৰিলো।

ৰজত খুড়া। দেউতাৰ মৃত্যুৰ পিছৰ এইজন খুড়াৰ যত্নতে ডাঙৰ দীঘল হ'লো। অতিপাত পৰিশ্ৰমী এইজন খুড়া মোৰ আদৰ্শ স্বৰূপ। খুড়া যেনে খুড়ীজনী আৰু ল'ৰা ছোৱালীহঁতো ঠিক তেনেকুৱাই। সেয়ে ডিব্ৰুগড়ৰ পৰা আহিলে বেছ কিছুদিন নথকা কৈ যাবৰ ইচ্ছা নেযায়।

দুপৰীয়া খুড়া আহিল। এইখিনি সময়ৰ ভিতৰতেই যেন খুড়াৰ বয়স বহুত বাঢ়ি গ'ল। মই ভিতৰি ভিতৰি কিবা এটা বেয়া খবৰৰ কাৰণে প্ৰস্তুত হৈ ৰ'লো।

ঃ ৰহিম কাকাৰ খবৰ কি খুড়া? মই যেন সেই এটা প্ৰশ্নৰ উত্তৰকে বিছাৰি আছিলো ইমান পৰলৈকে। খুড়াই একো নেমাতি ওচৰতে থকা মূঢ়াতো টানি আনি বহি পৰিল। মোকো বহিবলৈ কলে। ৰহিলো।

ঃ আপোনাক দেখো খুব চিন্তান্বিত যেন দেখাইছে খুড়া। মই যেন ৰহিম কাকাৰ একো নহওক বুলিয়ে প্ৰশ্নটো কৰিলো।

ঃ চিন্তা কৰা নাই দীপক, কেৱল অন্তৰত অত্যন্ত দুখ পাইছো। বেচেৰা ৰহিমে গোটেই জীৱনটোৱে সংগ্ৰাম কৰি গ'ল—দুবেলা দুমুঠি খাই জীয়াই থকাৰ দাবীত, আৰু ইয়াৰ বাবে অশেষ কষ্ট স্বীকাৰ কৰি গ'ল। কিন্তু তেওঁ ভাগৰি পৰা নাছিল। খুড়াৰ অজানিতে নীলা চকুহালেৰে দুধাৰী তপত চকুলো বৈ আহিছিল। মই বুজি পোৱা নাছিলো খুড়াই এইবোৰ কি কৈছে। মই অধৈৰ্য্য হৈ পৰিছিলো খুড়াৰ পৰা আশা কৰা পিচৰ কথাবোৰ শুনিবলৈ। খুড়াই হাতেৰে চকুহটা মচিলৈ আকৌ কলে—ৰহিমে আমাক অৰ্থাৎ আমাৰ দৰে সৰ্বহাৰা শ্ৰেণীক জীয়াই থকাৰ অনুপ্ৰেৰণাৰে দি গ'ল এটি স্বত সিদ্ধ বিজ্ঞান সন্মত পথ। যি পথেৰে বাট বুলিবলৈ আমাক লাগিব অসীম ধৈৰ্য্য, সাহস ঐক্য আৰু....॥

মই বুজি পালো যে ৰহিম কাকা আৰু এই সংসাৰত জীয়াই থকা নাই। আৰু সেয়ে খুড়াই দুখতে অধীৰ হৈ পৰিছে।

ঃ তাৰ মানে ৰহিম কাকা মৰিল নেকি? মই সুধিলো।

ঃ অ' দীপক ৰহিম গ'লগৈ। মই হস্পিতেল পোৱাৰ আগতেই ৰহিম ঢুকাল!

ঃ পিচে খুড়া আব্দুল মহাজনক এৰেষ্ট কৰিলেনে? খুড়াই মোৰ প্ৰশ্ন শুনি শোকৰ মাজতে এটি বিদ্ৰূপৰ হাঁহি মাৰি কলে—তুমি ইমান সহজ পাইছানে যে, আব্দুল মহাজনৰ দৰে এজন ভদ্ৰলোকক পুলিচ বিভাগে ইমান সোনকালে বিচাৰি পাব। 'ৰক্ষকেই ভক্ষক' বুলি আজিৰ সমাজত এযাৰ কথা আছে নহয় তাৰে সৎব্যৱহাৰ কৰিছে তেওঁলোকে। তেওঁলোকে কেৱল এৰেষ্ট কৰিব পাৰে তোমাৰ মোৰ, ৰহিমৰ দৰে মানুহক। যাক ইসাজ আহাৰৰ পিছত সিসাজ আহাৰৰ চিন্তাই মগজু পংগু কৰি পেলাইছে। যাৰ ধন আছে তাৰ সন্মান আছে, তেওঁ সাংঘাতিক দোষ কৰিলেও এইখন সমাজে শাস্তি দিব নোৱাৰে। তেওঁৰ বাবে আইন, আদালত, জেল-জৰিমণা একো নাই—বুজিছা দীপক!

খুড়াই সন্মুখৰ তামোলৰ কৰণীখন মোৰ পিনে আগবঢ়াই দি আকৌ আৰম্ভ কৰিলে অতি দুখেৰে, কৃষক বন্ধু ৰহিম আলীৰ জীৱন ইতিহাসৰ কৰুণ স্মৃতিবোৰ; আৰু তাৰ লগে লগে কৈ গৈছে তেখেতৰ অভিজ্ঞতাৰ পৰা বৰ্ত্তমান সমাজ ব্যৱস্থাৰ পৰিণতি— বুৰ্জোৱা শাসন ব্যৱস্থাত পুলিচ বিভাগে যে শ্ৰমিক-কৃষক মেহনতী জনগণৰ বিৰুদ্ধে কাম কৰে। ধনীক শ্ৰেণীয়ে একচেতিয়া পুঁজিপতি সাম্ৰাজ্যবাদী-সামন্তবাদী শোষণৰ পৰা জনসাধৰণক পাহৰাই ৰাখে ভাষা, ধৰ্ম, জাতি সম্প্ৰদায়ৰ নামত।

বহুত বছৰৰ পৰাই বগুৰীবাৰী অঞ্চলৰ ৰাইজকো জমিদাৰ আব্দুল মহাজন, মাষ্টাৰ নিবেন শৰ্মা, পি ডব্লিও বিভাগৰ ইঞ্জিনিয়াৰ অচ্যুত ভূঞা, ডাঃ ৰমেশ বড়োই পাহৰাই ৰাখিছে আৰু ৰাখিবলৈ অহৰহ চেষ্টা কৰি আছে তেওঁলোকে কৰা শোষণ নিপীড়নৰ পৰা। আৰু মই ৰজত কলিতাও পাহৰি

গৈছিলো মাটিগিৰি আব্দুল মহাজনৰ মাটিত খেতি কৰি পেট পুহিবলৈ পায়। জানা দীপক আমি সকলোৱে পেটৰ তাড়নাত পৰি সেই-চাম মানুহৰ শোষণৰ হাতিয়াৰ ৰূপে কাম কৰি আহিছো বৰ্ত্তমান এই সমাজ ব্যৱস্থাত।

শুনা দীপক, সমাজবিৰোধী গুণ্ডা আব্দুল মহাজনৰ এটি বিভৎসকাণ্ড। ৰহিম আৰু মই তেতিয়া আব্দুল মহাজনৰ মাটি ঠিকালৈ খেতি কৰি আছো। ঠিক তেনেতে এদিন গধুলি আব্দুল মহাজনে মোক ৰহিমৰ ঘৰলৈ মাতি লৈ গ'ল। লগত আৰু দুই তিনিজন ঘৰুৱা চাকৰ লৈছিল। মহাজনে গৈ ৰহিমক অকথ্য ভাষাৰে গালি পাৰি পাৰি পিচত মোৰ দ্বাৰা ৰহিমৰ গাখীৰতি গাইজনী লৈ আহিছিল। ৰহিমে মাথো নীৰৱে চাই আছিল। নাচাই উপায়ো নাই। তাৰজানো আব্দুল মহাজনৰ বিৰুদ্ধে থিয় হবৰ শক্তি আছে? কাৰণ বিৰুদ্ধাচাৰণ কৰিলেই লগত নিয়া চাকৰ কেইটাৰ দ্বাৰা ৰহিমক উপযুক্ত শাস্তি দিয়া হব। সেয়েহে ৰহিমে অশেষ কাকুতি মিনতি কৰিও উপায় নাপাই অশ্ৰুসিক্ত চকুহালেৰে নিৰৱে চাই থাকিল জমিদাৰ আব্দুল মহাজনৰ তাণ্ডৱ লীলা। অৱশেষত মহাজনৰ নিৰ্দ্দেশ অনুযায়ী অনিচ্ছাকৃত ভাবে মই ৰহিমৰ গোহালিৰ পৰা গাইজনী খেদি লৈ আহিছিলো মহাজনৰ গোৱালীলৈ।

আব্দুল আলী ৰহিমহঁতৰ ওচৰ চুবুৰীয়া গাৱৰে বাসিন্দা। আব্দুল আলীক সেই অঞ্চলৰ মানুহে আব্দুল মহাজন বুলিয়ে জানে। অতি অৱস্থাবান মানুহ আব্দুল আলী মহাজন। সেই অঞ্চলৰ প্ৰায়বোৰ মাটিয়ে গৰীব মানুহৰ পৰা বুদ্ধিৰে কমদামত কিনি লৈছে মহাজনে। তাৰোপৰি চৰকাৰৰ বিজাৰ্ভত থকা চাৰিভাগৰ তিনিভাগ মাটিয়ে মহজিদ,মন্দিৰ, ভূৱা ফাৰ্ম্ম, স... বায় আদিৰ নামত ৰাখি নিজৰ ভড়াল টনকীয়া কৰিছে। যোৱা বছৰ নগৰত মাটি কিনি দুমহলীয়া বিল্ডিং সাজি ভাড়াত দিছে। অল... পতে এখন সেউজীয়া ৰঙৰ বিদেশী গাড়ী কিনিছে। ডাঙৰ লৰা দুটাক উচ্ছ-শিক্ষাৰ বাবে দিল্লীত পঢ়াইছে। বাকী কেইটাক প্ৰত্যেক বিষয়তে একেটাকৈ শকত পৰিমাণৰ দৰমহা দি ঘৰুৱা শিক্ষক ৰাখি ওচৰৰে হাইস্কুলত পঢ়াইছে। মাজে সময়ে আব্দুল মহাজনে খুলশালীয়েকৰ নামত ইঞ্জিনিয়াৰ অচ্যুত ভূঞাৰ দিহা পৰামৰ্শৰে হাজাৰ হাজাৰ টকাৰ দুই এটি ঠিকাও কৰে। আব্দুল মহাজনে ঠায়ে ঠায়ে মহজিদ মন্দিৰ আদি অন্যান্য ৰাজহুৱা অনু... ঠানত দুই এশ টকা দি চেলা চামুণ্ডা সকলৰ মুখত সমাজ সেৱক নামো পাইছে। ওচৰে পাজৰে সভাই সমিতিয়ে সভাপতিৰ আসন গ্ৰহন কৰি অসমীয়া জাতিৰ উন্নতিৰ হকে বক্তৃতা দিয়ে। অসমীয়া সকলৰ হোৱা বৰ্ত্তমান সমস্যাবোৰৰ বাবে উদ্বেগ প্ৰকাশ কৰে। বক্তৃতাৰ মাজত "আমি অসমীয়া নহওঁ দুখীয়া' ৰাইজৰ ইত্যাদি দুই এফাঁকি কবিতা গায় বহুৱা সজায়।

ৰহিম আছিল বগুৰীবাৰী অঞ্চলৰ সহজ সৰল খেতিয়ক। পিচত তেওঁ বগুৰীবাৰী অঞ্চলৰ এজন জনপ্ৰিয় কৃষক নেতা হৈ পৰিছিল। ঘৰ-সংসাৰ বুলিবলৈ ছোৱালী দুজনী আৰু লৰা এটা। ডাঙৰ ছোৱালী চকিনাই ক্লাচ নাইনলৈ পঢ়ি খৰছৰ অভাৱত পঢ়া এৰি ঘৰত বহি আছে। তাৰ তলৰজনী ৰেজিনাই তৃতীয়মান শ্ৰেণীত পঢ়ি আছে। একমাত্ৰ লৰা হামিদ চাৰিবছৰীয়া। তাকলৈ ৰহিমে মাজে সময়ে ৰঙীন কল্পনা কৰে। ৰহিমৰ মাটি বুলিবলৈ ঘৰৰ ভেটিটোৰ বাহিৰে অলপো ৰেছি নাই। আব্দুল মহাজনৰ মাটিত ঠিকাকৈ খেতি কৰি কোনোমতে পৰিয়ালটোৰ ভৰণ-পোষণ দিছে। খেতিৰ কাম কম হলে অইনৰ তাত দিন হাজিৰা কৰে। তাৰোপৰি ৰহিমৰ জীৱিকাৰ অন্য এক পথ আছিল অতি মৰমৰ কাজলী গাইজনী। সন্তানক খুৱাই বাকীবোৰ গাখীৰখিনি বিক্ৰী কৰি তেল নিমখক্ষন কিনি আনিছিল। তাৰো-পথ বন্ধ কৰি দিছিল জমিদাৰ আব্দুল মহাজনে। ৰহিমৰ অন্তৰ চুৰ্ণ বিচুৰ্ণ হৈ গৈছিল শিশু হামিদৰ কান্দোন শুনি– "ৰাবা, আমাৰ গাইজনী কিয় নিলে, মই আৰু গাখীৰ খাবলৈ নেপাম?" ৰহিমে অনুভৱ কৰিছিল— আজি অসমত কিমান শিশুৱে চিঞৰি কান্দিছে— এনেকুৱা জমিদাৰবোৰৰ অত্যাচাৰত। কিন্তু, কিন্তু পাষণ্ড দানব আব্দুল মহাজনে কাঢ়ি নিয়ে তাৰ সন্তানলৈ আন সন্তানৰ মুখৰ আহাৰ। এজন আল্লাৰে সৃষ্টি দুইটা শিশু। তেনেহলে কিয় আজি এই বৈষম্য, তেনেহলে কিয় এনেকুৱা আজিৰ মানুহৰ চিন্তাধাৰা, ধৰ্ম্ম-কৰ্ম......??? ৰহিমৰ ঘৃণা উপজিছিল মহাজনে কৰা আচৰণৰ প্ৰতি। অন্তৰত জ্বলি উঠিছিল তীব্ৰ দাবানল। কিন্তু উপায় নাছিল কেৱল অনুৰোধ কৰাৰ বাহিৰে। ডাঙৰ ছোৱালী চকিনাৰ অসুখত চিকিৎসাৰ বাবে মহাজনৰ পৰা ৭০ টকা আনিছিল-ধান তিনিমোন দিয়াৰ প্ৰতিশ্ৰুতিৰে। খৰাংবতৰৰ বাবে খেতি ভাল নোহোৱাত ধান তিনিমোণ দিব নোৱাৰিলে। এয়ে হ'ল ৰহিমৰ বাবে অমাৰ্জনীয় দোষ। আৰু ইয়াৰে সুযোগ লৈছিল অসমপ্ৰেমী সমাজসেৱক, কুখ্যাত জমিদাৰ আব্দুল আলী মহাজনে। আব্দুল মহাজনৰ অন্তৰৰ নিভৃত কোণটো অকনো দয়া উপজা নাছিল গৰীব-নীৰহ খেতিয়ক এজনৰ ঘৰৰ পৰা বলপূৰ্ব্বক ভাবে গাইজনী কাঢ়ি নিবৰ বাবে। কুণ্ঠাবোধ কৰা নাছিল ৰহিমক চোৰ বুলি অপবাদ দি অযুক্তিকৰ মিছা কথা কবলৈ। মহাজনে অনুভব কৰিব পৰা নাছিল যে ৰহিমৰ সন্তান আৰু নিজৰ সন্তানৰ কান্দোনৰ অৰ্থ যে এক। চকিনাই ভায়েক হামিদৰ মুখলৈ চাই আৰু বাপেকৰ অৱস্থালৈ চাই আল্লাৰ দোহাই দি মহাজনৰ ভৰিত ধৰিছিল গাইজনী এৰি যাবলৈ। মহাজনে লথিয়াই দিছিল "আতঁৰ হৈ যা গৰুচোৰৰ জীয়েক চৰিত্ৰাহীনা ছোৱালী"। ৰহিমে বুজি পাইছিল যে ধনীক শ্ৰেণীৰ শোষণৰ আগত ভাষা, ধৰ্ম্ম, জাতি, একো ৰক্ষা হব নোৱাৰে, অক্টোপাচৰ দৰে সিহঁতৰ আগত সকলো নিচিহ্ন হৈ যায়। শ্ৰেণী বিভক্ত এই পুঁজিবাদী সমাজ ব্যৱস্থাত ৰহিমৰ দৰে কোনো মানুহে ধনীক শ্ৰেণীৰ শোষণৰ পৰা হাত সাৰি যাব নোৱাৰে।

পিচদিনা এই ঘটনাই বগুৰীবাৰী অঞ্চলৰ সকলো ঠাইতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি

কৰিছিল। বগুৰীবাৰী অঞ্চলৰ গৰীব ছাত্র-যুবক শ্ৰমিক-কৃষকে গৰিহণা দিছিল জমিদাৰ আব্দুল মহাজনৰ বৰ্বৰ অত্যাচাৰৰ বাবে। কিন্তু মহাজনৰ চেলা-চামুণ্ডা সকলে কৃষক-শ্ৰমিক সকলক এনেদৰে বুজাবলৈ চেষ্টা কৰিছিল যে ৰহিমৰ গাতহে সকলো দোষ। ৰহিম এজন কুখ্যাত চোৰ। চোৰক শাস্তি দিবই লাগে। মহাজনে বৰ ভুল কাম কৰিছে পুলিচক গটাই চুটকামান দি ভালদৰে চুকোৰ দিব লাগিছিল, যাতে ভৱিষ্যতে আৰু এনেকুৱা কাম নকৰে। মহাজনৰ লগতো চুপতি কৰে, ইমান সাহস বেটাৰ। তাৰ মাজৰ পৰাই মাষ্টৰ নিৰেণ শৰ্ম্মা, ঠিকাদাৰ কুমুদ লস্কৰ আদি আব্দুল মহাজনৰ মুখ মিঠা বন্ধুৱে হিন্দু হোৱা মানুহবোৰৰ মাজত প্ৰচাৰ কৰিছিল যে ৰহিমে মহাজনৰ গাইজনী চোৰ কৰি আনিছিল। মহাজনে ৰহিম একেজাতিৰ বুলিহে পুলিচত গটাই নিদি নিজে ধমকি দি গাইজনী লৈ আহিছে। মহাজনে হেনো এই চোৰক প্ৰশ্ৰয় দিলে। অ-জাতিৰ লোক হলে কেতিয়াও এৰি নিদিলেহেঁতেন। এই মুচলিম সবে পবিত্র ৰামৰাজ্য কলুষিত কৰি তুলিছে। এইদৰে কু-চক্ৰান্তকাৰী লোক সকলে বগুৰীবাৰী ৰাইজৰ মাজত সংঘৰ্ষৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল, যাৰ দ্বাৰা অধিক লাভ হব ধনীক শ্ৰেণীৰ। কিন্তু এইবোৰ বক্তৃতাত বগুৰীবাৰী অঞ্চলৰ ৰাইজে সহাৰি দিয়া নাছিল, গৰীব জনগণৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হোৱা নাছিল। তেওঁলোকে বুজি পাইছিল যে খোৱা-পিন্ধা, শিক্ষা দীক্ষাৰ সমস্যাক বাদ দি কেতিয়াও ভাষা, ধৰ্ম্ম, জাতিৰ সমস্যাই জীৱন-মৰণ সমস্যা হব নোৱাৰে। এইবোৰ সমস্যাই সমাজত প্ৰবেশ কৰে তেতিয়াহে যেতিয়া শ্ৰমিক-কৃষক-ছাত্র-যুবকে পুঁজিপতি-জমিদাৰৰ বিৰুদ্ধে আগবাঢ়ি আহে শোষণৰ কবলৰ পৰা মুক্তি পাবলৈ—।

ৰহিমৰ ওপৰত বগুৰীবাৰী অঞ্চলৰ ৰাইজৰ দৃঢ় বিশ্বাস যে ৰহিমে কেতিয়াও চোৰ নকৰে। ৰহিমে সৰুৰে পৰা পথাৰত হাড়ভঙা শ্ৰম কৰি নানা ঘাট-প্ৰতিঘাতৰ মাজেৰে আজি ইমানখিনি বয়সত ভৰি দিছে। কোনো দিনেই শুনা নাই চোৰ কৰা বুলি। ই মিছা, তেনেই মিছা। ৰহিমক আমি কেতিয়াও মুচলিম বুলি ঘৃণা কৰিব নোৱাৰো। আমি মুচলিম বুলি ঘৃণা কৰিলেও সিহঁতে আমাক হিন্দু বুলি ঘৃণা নকৰে। ঘৃণা কৰে যিসকল মানুহে দিনক দিনে আমাৰ শ্ৰমশক্তিক শোষণ কৰি প্ৰচুৰ ধনৰ মালিক হৈছে, নিৰীহ জনগনৰ ওপৰত যিবোৰ মানুহে অত্যাচাৰ কৰে সৰ্ব্বহাৰা শ্ৰেণীৰ স্বাৰ্থত আঘাত হানে, ভাতৃৰ আগত ভনীয়েক, গিৰিয়েকৰ আগত ঘৈণীয়েকক অপমান কৰে। তেনেবোৰ মানুহকে ৰহিমে ঘৃণা কৰে। —এইবোৰ সকলো জমিদাৰ আব্দুল মহাজন, মাষ্টাৰ নিৰেন শৰ্ম্মা, ইঞ্জিনিয়াৰ অচ্যুত ভূঞা, ডাঃ ৰমেশ বড়োৰ চালাকি। মিছাতে নিৰ্দোষী মানুহ এজনক অপবাদ দিছে।

খুড়াই দীঘলকৈ হুমুনিয়াহ এটি কাঢ়ি লৈ মোক কলে বুজিছা দীপক, মই ভালদৰে জানো যে ইয়াৰ কাৰণ অন্য আছিল। জমিদাৰ, ৰক্তপিপাসু আব্দুল মহাজনে চৰকাৰী



ৰিজাৰ্ভত থকা ১৭০০ বিঘা মাটি ভূৱা নামজাৰি কৰি ৰাখিছিল ধৰ্মানুষ্ঠান, ফাৰ্ম আদিৰ নামত আৰু তাৰ পৰা হোৱা উপাৰ্জনৰ চাৰিভাগৰ তিনিভাগ মহাজনৰ আৰু এভাগ চেলা-চামুণ্ডা সকলৰ ভড়াললৈ যায়। এই কথা ৰহিমে ভালদৰে জানিছিল। ৰহিমে এই অন্যায়ৰ বিৰুদ্ধে থিয় দিয়াৰ বাবে গোপন মেল মিটিং কৰিছিল। গৰীব কৃষক মধ্যবিত্ত মানুহক জমিদাৰৰ বিৰুদ্ধে এক কৰাৰ কাৰণে চেষ্টা কৰিছিল। কোনোবা বিশ্বাসঘাটকৰ মুখে গম পাই জমিদাৰ আব্দুল মহাজনে খংতে জ্বলি উঠিছিল। তাৰ পিছত ৰহিমৰ ওপৰত মহাজনৰ অত্যাচাৰ চলিল অমানবীয় অসহনীয় ভাবে। আজি কি ৰহিমৰ গাইজনী লৈ আহি ৰহিমকে চোৰ বুলি অপদস্থ কৰা, হালবাবলৈ যাওঁতে পথাৰৰ পৰা গতিয়াই দিয়া, পোহনীয়া গুণ্ডাৰ দ্বাৰা গাভৰু জীয়েক চকিনাৰ ওপৰত অত্যাচাৰ কৰা। তাৰোপৰি ৰহিমৰ সহযোগী মকিব, মুকুট, কৃষ্ণ, প্ৰদীপহঁতৰ ওপৰতো চলিল অত্যাচাৰ। ইমানতো সন্তুষ্ট হোৱা নাছিল চয়তান পশুতুল্য কুখ্যাত জমিদাৰ আব্দুল মহাজন। বজ্ৰকঠোৰ হাতেৰে ৰহিমৰ জীৱন শেষ কৰাৰ বাবে পিচত গুণ্ডা লগাই দিছিল। এই জমিদাৰৰ গুণ্ডাই যোৱাকালি ৰহিম কদম তলি গাৱৰ পৰা ঘৰলৈ আহোঁতে বাট আগচি ধৰি ৰহিমৰ ওপৰত নিৰ্মম অত্যাচাৰ কৰিছিল। ৰহিমে জীৱন ৰক্ষাৰ বাবে চিঞৰি দিছিল … …। গাৱৰ মানুহ আহি ৰহিমক অজ্ঞান অৱস্থাত পাই ধুবুৰী হস্পিটেললৈ প্ৰেৰণ কৰিছিল। ৰহিমৰ সৰ্ব্বশৰীৰ তেজেৰে ৰাঙলী হৈ পৰিছিল। মূৰৰ কেইবা ঠাইতো বেয়াকৈ আঘাত কৰিছিল জমিদাৰৰ গুণ্ডাবোৰে। হস্পিটেলত কিছু সময়লৈ জ্ঞান উভতি আহিছিল, কিন্তু শৰীৰত অত্যন্ত তেজৰ দৰকাৰ হৈছিল। হস্পিটেলত ৰহিমৰ বাবে এটোপা তেজো নাছিল, অৱশেষত তেজৰ অভাৱত ৰহিম ঢুকাল। খুড়াৰ মাতবোৰ সৰু হৈ পৰিছিল, চকু দুটা সেমেকি উঠিছিল।

ঃ কিন্তু গুণ্ডাহঁতৰ বিচাৰ কি হব খুড়া? গুণ্ডা জমিদাৰ, ভণ্ড সমাজসেৱক আব্দুল আলীক পুলিচে কিয় ধৰিব পৰা নাই, চৰকাৰে তেনেহলে পুলিচৰ শান্তিৰক্ষাৰ নামত প্ৰহসনে কৰিছে নেকি ??

মই উত্তেজনাত অধীৰ হৈ পৰিছিলো। খঙত গাৰ নোম ডাল-ডালকৈ থিয় হৈছিল। শৰীৰৰ ডেকা তেজবোৰ যেন দ্ৰুত গতিৰে চলাচল কৰিছিল। জমিদাৰ আব্দুল মহাজনে কৰা অন্যায়ৰ বিৰুদ্ধে যেন এইমাত্ৰ মই বিদ্ৰোহ কৰিম। ধনীক শ্ৰেণীয়ে শ্ৰমিক কৃষক-ছাত্র যুবকৰ ওপৰত কৰা অত্যাচাৰৰ কথা মই খুড়াৰ পৰা উপলব্ধি কৰিব পাৰিছিলো। সেয়ে মই অস্থিৰ হৈ পৰিছিলো…… —।

কিন্তু ৰজত খুড়া! তেখেতৰ দেখোন মোৰ দৰে অৱস্থা হোৱা নাই। ধীৰ, স্থিৰ, খুড়াই মোক সাধু কোৱাৰ দৰে কৈ গৈছে— এই ৰক্ত পিপাসু দানৱবোৰৰ শাস্তিৰ বিচাৰ হব এখন শোষণ মুক্ত সমাজত। য'ত মানুহে মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰ পাব, ধনী দুখীয়াৰ য'ত চিন-চাবেই নাথাকিব তেনে এখন সমাজতহে ……………।

হঠাত শ্লোগানৰ ধ্বনি আহি আমাৰ কাণত পৰিছিল। বাটলৈ ওলাই আহি দেখো —অসংখ্য জনতাৰ এক বিৰাট মিছিল আগবাঢ়ি আহি আছে—আগে আগে সেয়া ৰহিম কাকাৰ শৱদেহ কঢ়িয়াই আনিছে।

'গুণ্ডা জমিদাৰ আব্দুল মহাজনৰ বিচাৰ লাগে।' 'কৃষক নেতা ৰহিমৰ মৃত্যুৰ ন্যায়িক তদন্ত লাগে'।

মিছিল আহি খুড়াৰ ঘৰৰ সন্মুখ পালে। খুড়া আৰু মই একে কোবে গৈ ৰহিম কাকাৰ শৱদেহলৈ লক্ষ্য কৰি দৃঢ় প্ৰতিজ্ঞা কৰিলো আমিও যুঁজিম দেহেকেহে পুজিপতি, শোষণকাৰী জমিদাৰৰ বিৰুদ্ধে। সৰ্ব্বহাৰা শ্ৰেণীৰ মুক্তিৰ বাবে আমিও দৰকাৰ হলে ৰহিম কাকাৰ দৰে কলিজাৰ তেজ দিম। জমিদাৰৰ অত্যাচাৰ নিপাত হওঁক—।

প্ৰবন্ধ

# ডাৰউইনবাদ আৰু সমাজ বিকাশ

শ্ৰীবীৰদত্ত কলিতা
স্নাতক ২য় বাৰ্ষিক

১৮৫৯ চনৰ কোনোবা এটা শুভ মুহূৰ্ত্তত এঘাৰমাহ দহ দিনৰ অক্লান্ত পৰিশ্ৰম আৰু গৱেষণাৰ ফলশ্ৰুতি হিচাবে প্ৰকাশ পালে বিশ্বৰ যুগান্তকাৰী পুথিখন, "THE ORIGIN OF SPACIES"। লিখক চাৰ্লচ ডাৰউইন। চকুৰ পচাৰতে হেজাৰবোধিক কিতাপ বিক্ৰী হ'ল। প্ৰত্যেকজন ইংৰাজবাসীৰ মুখে মুখে কেৱল মাত্ৰ কিতাপখনৰ কথা। সমগ্ৰ বিশ্বতে কিতাপখনে এটা বিপ্লৱৰ ঢল বোৱাই দিলে। অৱশ্যে ইয়াৰ প্ৰতিক্ৰিয়া অকল অনুকূলে থকা হলেতো খুব ভাল কথা আছিল। সেয়াওতো অসম্ভৱ। ৰক্ষণশীল মহল আতংকিত হ'ল। চকুৰে সৰিয়হৰ ফুল দেখিলে। প্ৰগতিশীল আৰু ৰক্ষণশীল উভয় দলতে এই গ্ৰন্থখনিয়ে এক বিপৰীতধৰ্মী প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি দিলে। আৰম্ভ হ'ল বিভিন্ন যুক্তি-তৰ্ক, বাক-বিতণ্ডা। বান্দৰ জাতীয় প্ৰাণীৰ পৰা মানুহৰ সৃষ্টি হ'ব, ইটো কল্পনা কৰিব নোৱাৰা কথা।

তেওঁলোকৰ মূৰ আচন্দ্ৰাই কৰিবলৈ ধৰিলে। কেনেকৈ এনেকুৱা নাশুনা নাশ্ৰুত দিব আৰু বিধৰ্মী কথাবিলাকৰ প্ৰতিৰক্ষা দিব পৰা যায়। হেজাৰ বছৰে যিটো সম্প্ৰদায়ে অবাধে এটা মতবাদ প্ৰচলন কৰি আৰু তাৰ ভিত্তিত গঠিত সমাজ ব্যৱস্থাৰে শোষণ-নিপীড়ণ কৰি বাচি আছে আজি সেইটো নাইকীয়া হৈ যাব,— ইমান সহজতে সিহঁতে হব দিব নোৱাৰে। কিতাপখন ধৰ্মযাজক সকলে নাকচ কৰিবলৈ ব্যতিব্যস্ত হৈ পৰিল। তেওঁলোক উঠিপৰি লাগিল যুক্তিতৰ্কৰ দ্বাৰা ডাৰউইনৰ বিৱৰ্তনৰ সূত্ৰক মিছা বুলি প্ৰমাণিত কৰিবলৈ। অতদিনে মানুহৰ বিশ্বাস, জন্ম ৰহস্য সম্পৰ্কে যিবিলাক ধ্যান ধাৰণা সেই সকলোবিলাক ভূৱাবাদকে ওলোটাই দিলে ডাৰউইনৰ বিৱৰ্ত্তনবাদে। ডাৰউইনৰ বিৱৰ্ত্তনৰ সূত্ৰই ৰক্ষণশীল দলৰ ধ্যান-ধাৰণা আৰু বিশ্বধীক্ষাৰ বীজ নষ্ট কৰি দিলে। অকল এইখিনিতেই শান্তি নহ'ল। আলোচনা চলিল যুটিয়াভাবে ধৰ্মযাজক আৰু ডাৰউইনপন্থীসকলৰ মাজত। বিৱৰ্ত্তনবাদৰ সূত্ৰৰ সমালোচনা কৰিবলৈ অক্সফোৰ্ড বিশ্ববিদ্যালয়ত বহিল "BRITISH ASSOCIATION OF THE Advancement of Science ৰ এখন যুটিয়া সভা। অক্সফোৰ্ডৰ বিচপ চেমুৱেল উইলবাৰ ফোৰ্চে ডাৰউইনৰ মতবাদক চোকাভাষাৰে সমালোচনা কৰিলে। ইয়াৰ ওপৰি ডাৰউইনৰ তীব্ৰ সমৰ্থক হাক্সলীকো সমালোচনা কৰি অৱজ্ঞাসূচক ঠাট্টাৰে প্ৰশ্ন কৰিলে "হাক্সলীৰ মাক বান্দৰৰ পৰা উৎপত্তি হ'লনে দেউতাক?' উত্তৰত হাক্সলীয়ে বিচপ এজনক পুৰ্ব্ব পুৰুষ বুলি মানি লোৱাতকৈ বান্দৰ এটাকে আদি পুৰুষ বুলি মানি লব বুলি কলে।

অকল ৰক্ষণশীল দলেই নহয়, কিছুমান বিজ্ঞানীৰ মনতো সন্দেহ ওপজিছিল ডাৰউইনৰ বিৱৰ্ত্তন সম্পৰ্কে। ডাৰউইনে বিভিন্ন যুক্তি আৰু তৰ্কৰে দেখুৱাই দিলে প্ৰাণী জগতৰ তথা মানৱ সমাজৰ বিকাশৰ গুৰিতে বিৱৰ্ত্তন বাদ। ফলত ৰক্ষণশীলৰ মুখ ভোটা হ'ল আৰু ডাৰউইনে তীব্ৰ দ্বন্দ্বত জয়লাভ কৰিলে। বিৱৰ্ত্তনবাদৰ ঐতিহাসিক দৃষ্টি কোণৰ পৰা চালে অকল ডাৰউইনে বিৱৰ্ত্তনবাদৰ একমাত্ৰ বাটকটীয়া বুলি শ্ৰেষ্ঠত্ব দাবী কৰিব নোৱাৰে। কিন্তু বৈজ্ঞানিকভাৱে গৱেষণা আৰু বিচাৰ বিশ্লেষণ কৰি এক নতুন আৰু যুগান্তকাৰী তত্ত্বত উপনীত হব পৰাতো ডাৰউইনৰ জীৱনৰ এক গৌৰৱময় কৃতিত্ব। বিৱৰ্ত্তনবাদৰ ইতিহাস বিচাৰি গলে আমি যাব লাগিব সুদূৰ অতীতলৈ। বিৱৰ্ত্তনবাদৰ জন্মদাতা হল গ্ৰীক চিন্তাশীল এমপোদো ক্লিচ। ইয়াৰ উপৰি থেলচে (খৃঃ পূঃ ৬২৪ - ৫০৮) হেৰাকলিটাচ আৰু এৰিষ্টটল আদিও আছিল বিৱৰ্ত্তনবাদৰ গুৰিধৰোঁতা! অৱশ্যে তেওঁলোকৰ মাজত বিৱৰ্ত্তন সম্পৰ্কে এক বৈজ্ঞানিক গৱেষণাযুক্ত তত্ত্বৰ অভাব আৰু আধা কল্পনা প্ৰসূত ভাৱধাৰা আৰু ভাৱবাদী দৰ্শনৰ প্ৰভাৱ পৰিলক্ষিত হৈছিল। ইয়াৰ পাছত ক্ষান্ত হৈ ৰল কিছুদিনলৈ বিৱৰ্ত্তনবাদ সম্পৰ্কে উপযুক্ত চিন্তাধাৰা। শ শ বছৰ পিছত পুণৰ আৰম্ভ হ'ল ইউৰোপীয় বিজ্ঞানী সকলৰ মাজত প্ৰাণী আৰু বিশ্ব জগতৰ মাজত বিৱৰ্ত্তন সম্পৰ্কে চিন্তাধাৰা। এওঁবিলাকৰ ভিতৰত ডাৰউইনৰ ককাদেউতাক এৰাচ্মাছ ডাৰউইনও আছিল অন্যতম। তাৰ পাছতে আৰম্ভ কৰি দিলে চাৰ্লচ ডাৰউইনে বিৱৰ্ত্তন সম্পৰ্কে বিভিন্ন চিন্তাচৰ্চা আৰু গৱেষণাৰ। প্ৰামান্য যুক্তি দেখুৱাবৰ বাবে তেওঁ ওলাল 'বিগল' জাহাজত ৫ বছৰ ধৰি বিশ্বৰ প্ৰান্তৰে প্ৰান্তৰে। বহু কষ্ট আৰু গৱেষণাৰ ফল হিচাবে মানৱ সমাজৰ আগত দাঙি ধৰিলে সেই বিশ্ববিখ্যাত যুগান্তকাৰী বিৱৰ্ত্তন সূত্ৰ। ডাৰউইনৰ বিৱৰ্ত্তনৰ সূত্ৰবোৰ আছিল কঠিন। সেয়ে ইয়াক বুজাৰ ক্ষেত্ৰত আৰু এটা সহজবোধ্য স্তৰলৈ লৈ গ'ল—মেন্দেলে। মেন্দেলৰ বংশ পৰম্পৰা

নীতিয়ে (LAW OF HERIDITY) প্রকৃতভে মানুহক বুজাই দিলে বংশৰ পাৰম্পৰিক বিকাশৰ নিয়ম কেনেকৈ মানৱ সমাজৰ বিকাশ হয়।

১৯০৯ চনত ইংলণ্ডত জন্ম গ্রহণ কৰা চাৰ্লচ ডাৰউইনৰ দেউতাক আছিল ৰবাৰ্ট ডাৰউইন। দেউতাকৰ ইচ্ছা আছিল চাৰ্লচ ডাৰউইনক ডাক্তৰ কৰিবলৈ। কিন্তু ডাৰউইনৰ চিকাৰী আৰু প্রাকৃতিক জগত অধ্যয়ণ প্রবৃত্তিয়ে তেওঁক লৈ গ'ল বিশ্বৰ এজন শ্রেষ্ঠ বিজ্ঞানীৰ শাৰীলৈ। তাৰ পাছতো গ'ল দেউতাকৰ ইচ্ছামতে ধৰ্মযাজক হোৱাৰ আশাৰে। কিন্তু ডাৰউইনৰ ধৰ্ম্ম যাজক হোৱা নহ'ল। তেওঁ হ'ল বিবৰ্ত্তনবাদৰ এজন যুগমীয়া বিজ্ঞানী। সকৰে পৰা স্পৃহা আছিল প্রকৃতি আৰু প্রাণী জগতৰ উৎপত্তি সম্পৰ্কে জানিবলৈ। তেওঁৰ আন্তৰিক স্পৃহাই বিচাৰিলে এই জীৱ জগতৰ উৎপত্তি আৰু বিকাশৰ নিয়ম সমূহ। সেয়েহে তেওঁ ওলাল ১৮৩১ চনৰ ২৭ ডিচেম্বৰত। ২২ বছৰীয়া যুৱক ডাৰউইন ওলাই আহিল জীৱ জগতৰ প্রাকৃতিক ৰহস্যৰ সন্ধান বিচাৰি। সুদীৰ্ঘ পাচ বছৰ ধৰি তেওঁ বিশ্বৰ বিভিন্ন প্রান্তৰে প্রান্তৰে ঘুৰি আহি জীৱজগতৰ সম্পৰ্কে থকা জ্ঞান স্পৃহাক বাস্তৱিক ৰূপ দিলে "THE ORIGION OF SPACIES"ত।

ডাৰউইনে বিভিন্ন গৱেষণাৰ পাছত তিনিটা সূত্ৰত উপনীত হ'ল। প্রথমতে তেওঁৰ সূত্ৰই আৱিস্কাৰ কৰিলে যে প্রতিটো জীৱৰে দ্রুত গতিত বংশ বিস্তাৰ কৰাৰ এক অন্তৰ্নিহিত শক্তি আছে। দ্বিতীয়তে তেওঁ দেখিলে যে প্রত্যেক বিধ প্রাণীৰে যদিও বংশ বৃদ্ধিৰ প্রবল ইচ্ছা আছে কিন্তু ইয়াক প্রত্যেক প্রাণীয়ে সম্ভৱ কৰি তুলিব পৰা নাই। ডাৰউনৰ সূত্ৰৰ দ্বাৰা এইটো স্পষ্ট হয় যে যদিও প্রাণীসমূহে বংশ বিস্তাৰ কৰিবলৈ উঠিপৰি লাগে তথাপি সিহঁতৰ এই বংশ বিস্তাৰ সম্ভৱ নহয়। ডাৰউইনে দেখিলে যদিহে প্রাণী জগতে সমানে বংশ বিস্তাৰ কৰিব পাৰিলেহেঁতেন তেনেহলে বিশ্বৰ প্রাণীয়ে নধৰা হ'লহেঁতেন। সেয়ে তেওঁ প্রাণী সমূহৰ বংশ বিস্তাৰত হোৱা বাধা সমূহৰ আতিগুৰি বিচাৰি পালে যে সমগ্র বিশ্বৰ প্রাণী তথা গছ গছনিত এক তীব্ৰ সংগ্রামত নিয়োজিত হৈ আছে। এই সংগ্রাম জীৱন ধাৰণৰ সংগ্রাম (Struggle For Existance) প্রত্যেকটো জীৱই থকাৰ বাবে পৰিবেশ তথা পাৰিপাৰ্শ্বিকতা আৰু আন প্রাণী আৰু জীৱসমূহৰ লগত সংগ্রামত লিপ্ত হবলগা হয়। এই বিলাক প্রত্যেক্ষ পৰীক্ষা নিৰীক্ষা চলাইছিল ডাৰউইনে বিভিন্ন প্রাণী আৰু গছ গছনি আৰু পকৃতিৰ মাজত। সেয়েহে ডাৰউইনে এটা সিদ্ধান্তত উপনীত হৈছিল যে প্রাণী সমূহৰ মাজত জীৱন ধাৰণ তথা বংশ পৰম্পৰা বিস্তাৰৰ সংগ্রাম অহৰহ চলিব ধৰিছে।

ডাৰউইনৰ ৩য় সূত্ৰটো হ'ল— প্রত্যেকটো জীৱৰ অৰ্থাৎ বালিচাহী এটাৰ পৰা প্রকাণ্ড হাতীলৈকে সকলোবিলাক জীৱৰ কিছুমান চাৰিত্রিক তথা শাৰিৰিক বৈশিষ্ট আছে। প্রত্যেকটো জীৱৰে অঙ্গ প্রত্যঙ্গ আদিৰ বিশেষ বিশেষ পৰিবৰ্ত্তন আৰু প্রভেদ দেখা যায়।



সূত্ৰটোৰ পৰা এইটো স্পষ্ট ভাবে ওলাই পৰে যে প্রত্যেকটো জীৱে বিভিন্ন পৰিবেশ আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত খাপখাই জীৱন নিৰ্ব্বাহ কৰে। পৰিবেশৰ লগত জীৱন নিৰ্ব্বাহ কৰিবলৈকে জীৱ জগতে কৰিব লগা হয় সংগ্রাম। অৰ্থাৎ পৰস্পৰৰ দ্বন্দই সিহঁতক সক্ষমতাৰ শাৰীলৈ উধাও হোৱাত সহায় কৰে। এয়ে হ'ল ডাৰউইনৰ দ্বিতীয় সিদ্ধান্ত "SURVIVAL OF THE FITTEST"। জীৱৰ পৃথকীকৰণ আৰু পৰিবেশৰ জীৱন সংগ্রাম জীৱ-জগতক সহায় কৰে সিহতৰ বংশ পৰম্পৰা নীতি মানি চলিবলৈ। তুমুল সংগ্রাম চলে জীৱৰ মাজত। এই সংগ্রাম সুক্ষ্ম। ইয়াক সহজে ধৰিব নোৱাৰি। এই সংগ্রামত যিবিলাক প্রণীয়ে বাচি থাকিবলৈ সক্ষম হয় সেইবিলাক বাচি থাকে আৰু অক্ষম বিলাক কালৰ গৰ্ভত লীন হৈ যায়।

ডাৰউইনে মানুহৰ ক্ষেত্রটো একে বিৱৰ্ত্তনৰ গতিধাৰা দেখিবলৈ পাইছিল সেয়েহে যুক্তি দৰ্শাইছিল মানুহৰ জন্মৰ আতিগুৰি ক'ত? মানুহ মানুহ হিচাবে পৃথিবীলৈ অহা নাই। নতুবা ভগবানেও মানুহক জনম দিয়া নাই। ডাৰউইনৰ বিৱৰ্ত্তনবাদে মানবৰ জন্মৰ ইতিহাসৰ ধ্যান ধাৰণাৰ এক কথাত আধ্যাত্মিক দৰ্শনৰ মূলতত্ত্ববিলাক উভালি পেলালে। তাৰ ফলশ্রুতি হিচাবে ডাৰউইনৰ ওপৰত চলিছিল বিভিন্ন সমালোচনা। এবিধ সাধাৰণ জীৱই যে কেবাশ নিযুত বছৰৰ পাছত বিৱৰ্ত্তনৰ ফলস্বৰূপে মানুহৰ শাৰীলৈ উঠিব পাৰিলে এই কথা পোন প্রথমে দেখুৱাই দিলে ডাৰউইনৰ বিৱৰ্ত্তনবাদে। অৱশেষত ডাৰউইনে তিনিবছৰীয়া কঠোৰ পৰিশ্রমেৰে লিখি উলিয়ালে মানুহৰ উৎপত্তিৰ আতিগুৰি—"The descent of Man and selection in realation to sex" এই কিতাপখনৰ তথ্যপাতি সংগ্রহ কৰোতে ডাৰউইনৰ চল্লিশ বছৰ সময় লাগিছিল।

অৱশেষত এটা যুগৰ অৱসান ঘটিল। বিৱৰ্ত্তনবাদৰ আংশীক ফলশ্রুতি হিচাপে মানুহৰো বিৱৰ্ত্তনৰ ৰূপৰেখা তথা বিকাশৰ নিয়ম সমূহ দেখুৱাই দিলে ডাৰউইনে। পুৰণি ধ্যান ধাৰণাক দ্বিখণ্ডিত কৰি প্রতিষ্ঠা কৰিলে এক বৈজ্ঞানিক প্রণালীৰে সমাজ বিকাশৰ নিয়ম। আধুনিক সমাজৰ পৰা পুৰণি নিয়মনীতিক বহিভূত কৰা হ'ল। সংগ্রামেই জীৱন আৰু জীয়াই থকাৰ আহিলা। গতিকে মানুহৰ মাজতো জীৱন ধাৰণৰ অবিৰত সংগ্রাম অহৰহ চলিব ধৰিছে। ডাৰউইনৰ বিৱৰ্ত্তনবাদৰ ভিত্তিত আবিস্কৃত হ'ল মানৱ সমাজৰ বিকাশৰ নিয়ম। আৰম্ভ হ'ল বস্তুবাদী দৃষ্টি ভঙ্গীৰে মানব সমাজৰ বিকাশৰ বিচাৰ বিশ্লেষণ। বিভিন্ন দাৰ্শনিকৰ মতবাদ তথা তত্বক খণ্ড খণ্ড কৰি সমাজ বিকাশৰ নিয়ম সমূহ বস্তুবাদী দৃষ্টিভঙ্গীৰে দেখুৱাই দিলে পোন প্রথম বাৰৰ বাবে মহান কাৰ্লমাৰ্ক্সে।

বিৱৰ্ত্তনবাদৰ বাবে ডাৰউইনে যেনেকৈ বিভিন্ন ৰক্ষণশীল মহলৰ কটু সমালোচনাৰ সন্মুখীন হব লগাত পৰিছিল ঠিক তেনেকৈ আৰম্ভ হ'ল মাৰ্ক্সৰ ওপৰতো আক্রমণ। ইউৰোপে কমিউনিজমৰ ভূত দেখিলে মাৰ্ক্সৰ সামাজিক নিয়ম সমূহৰ বস্তুবাদী বিচাৰ

দ্বন্দৰ মাজেৰে বিকাশ হয়। ই এক বৈজ্ঞানিক সামাজিক নিয়ম। যুগান্তকাৰী বিপ্লব আনিলে মাৰ্ক্সৰ সমাজ বিকাশৰ বিশ্লেষণে। মানৱ সমাজ জাগৰিত হ'ল নতুন আশা আৰু উদ্দীপনাৰে অৰ্থাৎ জীয়াই থকাৰ সংগ্ৰামত জয়ী হবলৈ যি পথৰ প্ৰয়োজন তাৰ অনুসন্ধান দিলে পোন প্ৰথমে মাৰ্ক্সৰ সমাজ বিকাশৰ বিশ্লেষণে। আদিম সাম্যবাদী সমাজ ব্যৱস্থাৰ পৰা ধনতান্ত্ৰিক সমাজ-ব্যৱস্থালৈ চলা মানুহৰ জীৱন ধাৰণৰ সংগ্ৰাম তথা শ্ৰেণী সংগ্ৰামক স্পষ্ট ৰূপে দেখুৱাই দিলে মাৰ্ক্সবাদে, আৰু এই শোষণৰ অৱশ্যম্ভাৱী পৰিণতিও দেখুৱাই দিলে মাৰ্ক্স, তেওঁৰ সতীৰ্থ এঙ্গেলচ আৰু লেনিনে।

এইদৰেই আৰম্ভ হ'ল বিৱৰ্ত্তনবাদৰ ওপৰত ভিত্তি কৰি মানৱ সমাজত চলি থকা শ্ৰেণী সংগ্ৰাম আৰু শ্ৰেণী শোষণ উচ্ছেদৰ নিয়মৰ আলোড়ন। সামাজিক ক্ষেত্ৰত পোন প্ৰথম-বাৰৰ বাবে মাৰ্ক্সে দেখুৱাই দিলে মানৱ সমাজৰ দুটা শ্ৰেণী —এটা শোষক আৰু আনটো শোষিত। শোষক শ্ৰেণীয়ে শোষিতৰ ওপৰত অত'দিনে বিভিন্ন পথেৰে শোষণৰ মাধমাৰ মাৰি আছে। কিন্তু আজি ধনতন্ত্ৰৰ সংকটৰ সময় আহি পৰিছে। ধনতান্ত্ৰিক সংকটৰ অৱশ্যম্ভাৱী পৰিণতি হিচাবে দেখা দিছে বিভিন্ন সমস্যা। একশ্ৰেণীৰ মানুহ আজি পশুতকৈও অধম হিচাবে জীয়াই থাকিব লগা হৈছে। আনহাতে শোষক শ্ৰেণীয়ে—শোষিত শ্ৰেণীয়ে চিন্তা কৰি পাব নোৱাৰা সমস্ত সুখ ভোগ কৰি আছে। এই দুই শ্ৰেণীৰ পাৰস্পৰিক দ্বন্দ্ব হিচাবে আজি সমাজত দেখা দিছে তীব্ৰ শ্ৰেণী সংগ্ৰাম। মানুহে আজি আৰু বৈ নেথাকে। সকলোৱে মানুহ হিচাবে বাচি থাকিব বিচাৰে আৰু এই আশা-আকাঙ্খাকে লৈ আজি শোষিত শ্ৰেণী আগবাঢ়ি আহিছে মাৰ্ক্সৰ সামাজিক পৰিবৰ্ত্তনৰ নিয়ম সমূহক শিৰত লৈ। তেওঁলোকৰ আশা জীয়াই থকাৰ, এখন শ্ৰেণীহীন শোষণ মুক্ত সমাজ ৰচনা কৰাৰ। গতিকে দেখা যায় যে এই সমাজ ব্যৱস্থাৰ বিৰুদ্ধে শোষিত শ্ৰেণীৰ বিপ্লৱেই অন্তিম পৰিণতি। ●

* ডঃ ভূৱনমোহন দাসৰ "বিৱৰ্ত্তনৰ পথত মানৱ" পুথিৰ সহায় লৈ লিখা হৈছে।

"সামন্ত তান্ত্ৰিক আৰু অভিজাতৰ দ্বাৰা শাসিত সমাজত মুষ্টিমেয় মানুহৰ শিক্ষাৰ ওপৰত জোৰ দিয়া হয়। কিন্তু গণতান্ত্ৰিক আৰু সমাজতান্ত্ৰিক সমাজত গণশিক্ষা আৰু সকলোৰে বাবে শিক্ষাৰ সুযোগৰ ওপৰত জোৰ দিয়া হয়।"

—কোঠাৰী আয়োগ



# কবিতা

## প্ৰতীক্ষা

শ্ৰীলক্ষ্মী নাথ
স্নাতক, ১ম-বাৰ্ষিক

আজি এই সুপ্ৰভাতত
আকাশত উৰিছে
এজাক চৰাই
নানা ৰৰণৰ।
প্ৰভাতি সূৰ্য্যটোৱে—
নানা ৰহন সানিছে।
মাজত, শুভ্ৰ ৰৰফাবৃত
সেয়া—হিমালয়।
ওপৰত, ক'লা এন্ধাৰ ঠেলি—
সিঁচৰিত হৈ পৰা সূৰ্য্যৰ
ৰাঙলি কিৰণ।
তলত সেয়া—
সূৰ্য্যৰ কিৰণত তিৰ্‌বিৰোৱা,
নিয়ৰ মুকুতা পিন্ধা—
সেউজীয়া গছ লতিকা।
তাৰে তলত—
এমখা মুমুৰ্ষ মানুহ
সিহঁতে আগ্ৰহেৰে লক্ষ্য কৰিছে
সৌ উৰণীয়া চৰাইবোৰ—
জীয়াই থকাৰ প্ৰেৰণাত।
আকাশত—
অলক্ষিতে আৱিৰ্ভাৱ হ'ল
এজাক শগুনৰ,
এছাটি ক'লামেঘে
সূৰ্য্যটো আৱৰি পেলালে,
সিহঁতক হিমালয়ে
প্ৰতাৰণা কৰিলে
সেউজীয়া গছবোৰ
লঠঙা হ'ল।
সন্ত্ৰাসত সিহঁতে চকু মুদিছে
তথাপি, জীৱনৰ লালসা পাহৰি
এচাম মানুহ আগবাঢ়িছে—
সিহঁতে চাব খোজে
ক'লা ডাৱৰে
সূৰ্যৰ কিৰণ কেনেকৈ
আৱৰে—।
সিহঁতে পণ কৰিছে—
আগুৱাই যোৱাৰ।
বজ্ৰ কঠোৰ হাতৰ মুঠিবোৰ
সূৰ্য্যৰ ৰাঙলি কিৰণত
মিলি যাব।
কাম্য সিহঁতৰ
সেই দিনটো। ★★

প্ৰাচীৰ পত্ৰিকা 'বিকাশ'ৰ পৰা

গল্প

# এটা নতুন উপলব্ধি

শ্ৰীকন্দৰ্প কুমাৰ কলিতা
স্নাতক মহলা, ১ম বাৰ্ষিক

অৱশেষত প্ৰণিতাৰ ৰুগীয়া দেউতাক ব্ৰজেন মহন্তৰ কথামতে প্ৰণিতাই সমাজসেৱক(?) বুলি খ্যাত নৰেন ডেকাৰ লগত সেইদিনা নিশাই যোৱাৰ সিদ্ধান্ত কৰিছিল। বিনা চিকিৎসাই তিলতিলকৈ মৃত্যুৰ মুখলৈ আগবাঢ়ি যোৱা মাক দেউতাক আৰু অনাহাৰে অৰ্দ্ধাহাৰে থকা ভায়েক ভনীয়েকহঁতৰ শুকাই যাব ধৰা মুখলৈ তাই আৰু চাই থাকিব নোৱাৰে। ঘৰখনৰ উচ্চ শিক্ষিতা ছোৱালী তাই। ঘৰখনৰ এই মৰ্মান্তিক দৃশ্য তাইৰ বাবে অসহনীয়। সেয়েহে তাই দেউতাকৰ বন্ধু নৰেন ডেকাৰ লগত যোৱাৰ সিদ্ধান্ত কৰিছিল– তাইৰ ঘৰখনৰ মানুহ খিনিক জীয়াই ৰখাৰ হেপাহেৰে। ইমানদিনে অফিচৰ দুৱাৰে দুৱাৰে কিমান ঘূৰি ফুৰিলে, ক'ত ইণ্টাৰভিউ দিলে। কিন্তু কোনো ধৰণৰ চাকৰি এটা তাই যোগাৰ কৰি লব নোৱাৰিলে। এই সংকটৰ সময়ত তাইৰ দেউতাকৰ বন্ধু নৰেন ডেকাই এটা চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দি প্ৰণিতাক লৈ যাব খুজিছিল। মাক দেউতাক, ভায়েক, ভনীয়েকহঁতৰ পৰা বিদায় লৈ তাই সিহঁতৰ পদুলিমুখত ৰাখি থোৱা নৰেন ডেকাৰ টেক্সীখনত বহি পৰিছিল। তেতিয়া পৃথিৱীৰ বুকুলৈ এন্ধাৰ নামিছিল। নিশাৰ এন্ধাৰ ভেদ কৰি টেক্সীখনে দুৰন্ত গতিৰে আগ বাঢ়িছিল চহৰৰ একাৰেকা উপপথেৰে............।

ব্ৰজেন মহন্ত। চহৰৰ উপকণ্ঠ অঞ্চলৰ কুমাৰপাৰা গাৱঁৰ নিবাসী। এখন অৰ্দ্ধ স্বীকৃতি প্ৰাপ্ত হাইস্কুলৰ সহকাৰী শিক্ষক হিচাপে তেখেতে তেখেতৰ কৰ্ম্ম জীৱনৰ পাতনি মেলে। শিক্ষকতা কৰি পোৱা দৰমহা খিনিৰে কিবাকৈ পৰিয়ালটোৰ ভৰণ পোষণ দিয়াৰ উপৰিও লৰা ছোৱালী কেইটাক শিক্ষা দীক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল। এনেকৈয়ে তেখেতৰ দিনবোৰ অতিবাহিত হৈছিল। এসময়ত ডাঙৰ জীয়েক প্ৰণিতাই বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লাভ কৰিছিল। তেতিয়া ব্ৰজেন মহন্ত বৃদ্ধ হৈ পৰিছিল। ঘৰখনৰ কিছু দায়িত্ব প্ৰণিতাই পালন কৰিবলগীয়া হৈছিল। বহুত চেষ্টা কৰিও এটা চাকৰি যোগাৰ কৰিব পৰা নাছিল। তাই হতাশ হৈ পৰিছিল। ঘৰখনৰ এনে এক সংকটৰ সময়তে দেউতাক ব্ৰজেন মহন্তৰ যক্ষ্মা আৰম্ভ হৈছিল। বেমাৰ চিকিৎসা কৰিবৰ বাবে ব্ৰজেন মহন্তই তেখেতৰ বন্ধু জমিদাৰ তথা সমাজসেৱক (?) নৰেণ ডেকাৰ পৰা এহেজাৰ টকা ধাৰ লৈছিল। এহেজাৰ টকা অতি অলপ দিনতে শেষ হৈ গৈছিল। উপযুক্ত পথ্যৰ অভাৱত ব্ৰজেন মহন্ত ৰোগমুক্ত হব পৰা নাছিল। দিনে দিনে তেখেতৰ শৰীৰ জীৰ্ণ শীৰ্ণ হৈ গৈছিল। ঘৰখনৰ কথা চিন্তা কৰি কৰি প্ৰণিতাৰ অকাল বৃদ্ধা মাকজনীও ৰোগাক্ৰান্ত হৈ পৰিছিল। ঘৰখনৰ ডাঙৰ ছোৱালী হিচাবে ৰুগীয়া মাক-দেউতাকক চিকিৎসা কৰা, সৰু ভায়েক-ভনীয়েকহঁতক ভৰণ পোষণ দিয়াৰ দায়িত্ব উচ্চ শিক্ষিতা প্ৰণিতাৰ ওপৰতেই পৰিছিল। অথচ তাই কৰ্মসংস্থানহীন। দেউতাকৰ পেঞ্চনৰ টকা আৰু প্ৰণিতাই টিউচন কৰি পোৱা টকাৰে অতি কষ্টেৰে সিহঁতৰ দিনবোৰ বাগৰি গৈছিল।

ধাৰলৈ অনা টকাখিনিৰ বিনিময়ত নৰেণ ডেকাই ব্ৰজেন মহন্তৰ মাটি তিনিবিঘা নিজৰ নামত লিখি লৈছিল। সমাজসেৱক বুলি খ্যাত নৰেণ ডেকাই ইমানতো সন্তুষ্ট থাকিব পৰা নাছিল। মহন্ত পৰিয়ালৰ সংকটৰ সুযোগ লৈ আৰু নতুন ফন্দি পাতিছিল নৰেণ ডেকাই। এদিনাখন নিশা সি উপস্থিত হৈছিল ব্ৰজেন মহন্তৰ ঘৰত। বহুদিনৰ মূৰত বন্ধু নৰেণ ডেকাক পাই কিছু ভাল লাগিছিল ব্ৰজেন মহন্তৰ। পৰিয়ালটোৰ দুৰ্দশাৰ কথাবোৰ নৰেণ ডেকাৰ আগত বিবৰি কৈ মনৰ দুখ পাতলাইছিল ব্ৰজেন মহন্তই। এয়া আছিল নৰেণ ডেকাৰ বাবে সোণালী সুযোগ। বন্ধু পৰিয়ালৰ দুখত ম্ৰিয়মান হৈ দেখুৱাইছিল নৰেণ ডেকাই। সি মহন্ত পৰিয়ালটোক পুনৰ উজ্জীবিত কৰাৰ প্ৰতিশ্ৰুতি দিছিল। প্ৰতিশ্ৰুতি দিছিল ব্ৰজেন মহন্তৰ উচ্চশিক্ষিতা সুন্দৰী কৰ্মসংস্থানহীন গাভৰু জীয়েক প্ৰণিতাক মাত্ৰ দুদিনৰ ভিতৰতেই চাকৰি এটা যোগাৰ কৰি দিব বুলি। প্ৰণিতাক সেইদিনা নিশাই চহৰলৈ লৈ গৈ কোনোবা অফিচাৰ বন্ধুৰ লগত চিনাকী কৰাই দিব বুলি কৈছিল আৰু প্ৰণিতাক নিবলৈ ব্ৰজেন মহন্তৰ অনুমতি বিচাৰিছিল। দাৰিদ্ৰতাৰ তাড়নাত পৰি জৰ্জৰিত হোৱা ব্ৰজেন মহন্তই নভবা নিচিন্তাকৈয়ে সন্মতি দি পেলাইছিল নৰেণ ডেকাৰ কথাত। জীয়েকক অনুৰোধ কৰিছিল নৰেণ ডেকাৰ লগত চহৰলৈ যাবলৈ। উচ্চ শিক্ষিতা সুদৰ্শনা গাভৰু প্ৰণিতায়ো এই কথা দকৈ ভাবি নেচাই সন্মত হৈছিল নৰেণ ডেকাৰ লগত যাবলৈ। তাই এটা চাকৰি পাব মাত্ৰ দুদিনৰ ভিতৰতে। ৰুগীয়া মাক দেউতাকৰ মুখত তাই দৰৱ তুলি দিব পাৰিব, এমুঠি আহাৰ দিব পাৰিব। ফটা-ছিঙা কাপোৰ পিন্ধি

অনাহাৰে অৰ্দ্ধাহাৰে দিন কটোৱা ভায়েক ভনীয়েকহঁতে পেট-ভৰাই আহাৰ খাবলৈ পাব। আগত ভবিষ্যতৰ কথা ভাবি প্ৰণিতাই উৎফুল্লিত হৈছিল। তাই গুচি গৈছিল নৰেণ ডেকাৰ লগত।

• • • •

চহৰৰ একাবেকা উপ-পথেৰে নৰেণ ডেকাই টেক্সীখন চলাই নিছিল দুৰন্ত গতিৰে। তাৰ গন্তব্য স্থান আছিল চহৰৰ বিখ্যাত (?) হোটেল 'হোটেল ময়ুৰ'। তেতিয়া নিশা প্ৰায় ন বাজি গৈছিল। 'হোটেল ময়ুৰ'ৰ সন্মুখত টেক্সীখন ৰৈ গৈছিল। টেক্সীৰ পৰা নামি নৰেণ ডেকাই প্ৰণিতাক লৈ গৈছিল হোটেলৰ ওপৰ মহলালৈকে।

'হোটেল ময়ুৰ'। এটা দুমহলীয়া ঘৰ। চহৰৰ এখন বিখ্যাত (?) হোটেল 'হোটেল ময়ুৰ'। সাধাৰণ মানুহৰ বাবে ইয়াত স্থান নাই। বিখ্যাত বিখ্যাত (?) ধনী মানুহ সকলৰ বাবেহে এই হোটেলৰ দুৱাৰ খোলা থাকে। নিশাৰ এন্ধাৰৰ আৰে আৰে এইখন হোটেলৰে ওপৰ মহলালৈ নৰেণ ডেকাই প্ৰণিতাক লৈ গৈছিল। প্ৰণিতাক ওপৰ মহলাৰ এক নম্বৰ ৰুমটোত বহিবলৈ কৈছিল নৰেণ ডেকাই। কোঠালীৰ ভিতৰত সোমায়েই প্ৰণিতাই চহৰৰ বিখ্যাত ব্যৱসায়ী আগৰৱালা বাবু, চহৰৰ খ্যাতনামা ডাক্তৰ ডাঃ হৰিশ ডেকা, পুলিচ বিভাগৰ উচ্চ পদস্থ বিষয়া গোস্বামী, অসমত ৯৯% জন অসমীয়াই চাকৰি পাব লাগে, অসমীয়া জাতিৰ উন্নতি কৰিবলৈ হলে বঙালী বিহাৰীবোৰক খেদিব লাগে বুলি সভাই সমিতিয়ে লেক্চাৰ দি ফুৰা অসমীয়া জাতিৰ প্ৰেমিক বাসৱ কলিতাক কোঠাটোৰ ভিতৰত বহি থকা দেখি আচৰিত হৈছিল। এইসকল ব্যক্তিক চহৰৰ উপকণ্ঠ অঞ্চলৰ সকলোৱে চিনি পায়। সকলোৱে এইসকল ব্যক্তিক সমাজ সেৱক বুলিয়েই জানে। বহুতেই ভাবে ৰাজহুৱা স্বাৰ্থৰ বাবে এওঁলোকে কৰিব নোৱাৰা কাম একোৱেই নাই। গতিকে এইসকল ব্যক্তিৰ মাজলৈ প্ৰণিতাক নিশা ন'বজাত কিয় আনিবলগা হ'ল প্ৰণিতাই একো বুজি নেপালে। প্ৰণিতাই এইসকল ব্যক্তিক চিনি পায় যদিও একো আলোচনা নকৰি নীৰৱে বহি থাকিল।

অলপ সময়ৰ পিচতে এজন ৬০ বছৰীয়া বৃদ্ধই তেওঁলোকৰ প্ৰত্যেকৰে আগত ভাত, মাছ, মঙহ, দামী মদ আদি নানা ধৰণৰ খাদ্যসম্ভাৰ পৰিবেশন কৰিলেহি। "খোৱা মা —চিন্তা কৰি কি লাভ?" বুলি এটি হুমুনিয়াহ কাঢ়ি বৃদ্ধজনে প্ৰণিতাৰ ফালে কৌতুকলী দৃষ্টিৰে চাই আঁতৰি গ'ল। হঠাৎ সম্বিত ঘূৰাই পাই প্ৰণিতাই পৰিবেশটো বুজিবলৈ চেষ্টা কৰিলে। কোঠালীটোৰ ভিতৰত থকা আটাইবোৰ মানুহেই খোৱাত ব্যস্ত হ'ল। প্ৰণিতাই কিন্তু খাব নোৱাৰিলে। তাইক কিয় 'হোটেল ময়ুৰ'লৈ অনা হ'ল— এই চিন্তাই তাইৰ মনত ভিৰ পাতিলে। ৰুগীয়া মাক দেউতাকৰ মৰণ কাতৰ বিভৎস চিঞৰ, অনাহাৰী ভায়েক-ভনীয়েকহঁতে এমুঠি অন্নৰ বাবে কৰা আৰ্ত্তনাদবোৰ তাইৰ কাণৰ পৰ্দাত বাজি উঠিল। তাই অস্থিৰ হৈ পৰিল! খোলা খিৰিকীখনেৰে তাই বাহিৰৰফালে চাই থাকিল। হঠাৎ তাইৰ মনটো ভয় আৰু শংকাত কঁপি উঠিল। 'হোটেল ময়ুৰ'ৰ তলৰ মহলাৰ পৰা এজনী গাভৰু ছোৱালীক ওপৰ মহলাৰ ৩নং কোঠালৈ এজন মানুহে টানি নিয়া দৃশ্যই তাইক শংকিত কৰি তুলিলে।

সকলোৱে খোৱা পৰ্ব্বৰ ওৰ পৰিল। হোটেল বয় এজনে সন্মুখৰ পৰা বাচনবোৰ লৈ গৈছিল। "আপুনি দেখোন একো নাখালেই" বুলি প্ৰণিতাক কৈছিল হোটেল বয় জনে। 'খোৱাৰ ইচ্ছা নাই' বুলি উত্তৰ দিছিল প্ৰণিতাই। হোটেল বয় জনে সকলোবোৰ বস্তু লৈ গৈছিল প্ৰণিতাৰ সন্মুখৰ পৰা। তাৰ কেই মুহুৰ্ত্তমান পিচতেই 'আপুনি মোৰ লগত আহক বাইদেউ" বুলি প্ৰণিতাক হোটেল বয় জনে কৈছিলহি। অনিচ্ছাস্বত্বেও বিনা প্ৰতিবাদে প্ৰণিতাই হোটেল বয় জনৰ পাচে পাচে গৈছিল। হোটেল বয় জনে প্ৰণিতাক চাৰি নম্বৰ ৰুমটোলৈ লৈ গৈছিল। কোঠাটোত জলাই থোৱা লাইটটোৰ ক্ষীণ পোহৰত কোঠাৰ ভিতৰত সজাই থোৱা বিচনাখন চকুত পৰিছিল প্ৰণিতাৰ। টেবিলত সজাই থোৱা বিদেশী দামী মদৰ বটলবোৰো তাইৰ চকুত পৰিছিল। প্ৰণিতাক বিচনাত বহিবলৈ কৈ হোটেল বয়জন ওলাই আহিছিল। কেইমুহুৰ্ত্তমান পিচতে কোঠাটোত প্ৰবেশ কৰিছিল জমিদাৰ নৰেন ডেকা। কোঠাটোৰ ভিতৰত সোমায়েই দুৱাৰখন বন্ধ কৰি দি 'সমাজ সেৱক' নৰেণ ডেকাই মদৰ বটল এটা তুলি লৈছিল। এক প্ৰবল শংকাত প্ৰণিতাৰ মনটো দুৰু দুৰুকৈ কঁপি উঠিছিল। তেতিয়াহে তাই বুজিবলৈ সক্ষম হৈছিল কিয় তাইক 'হোটেল ময়ুৰ'লৈ অনা হৈছে। তাইৰ বুজিবলৈ অকনো অসুবিধা নহ'ল যে তাইৰ দৰে দুখীয়া ঘৰৰ অনেক অসহায় ছোৱালীক ৰাতিৰ এন্ধাৰত হোটেললৈ বা আন ঠাইলৈ চল-চক্ৰান্ত কৰি মাতি আনি দিনৰ পোহাৰত ভদ্ৰতাৰ মুখাপিন্ধা সমাজৰ শিৰমুকুটা ভদ্ৰলোক সকলে সিহঁতৰ কামনা চৰিতাৰ্থ কৰে। তাই খঙত জ্বলি পকি উঠিল। একে জাপে বিচনাৰ পৰা উঠি তাই দুৱাৰখন খুলি বাহিৰ ওলাবলৈ চেষ্টা কৰিলে। কিন্তু বেচেৰীৰ চেষ্টা ব্যৰ্থ হৈ গ'ল। মদ খাই উন্মত্ত হোৱা নৰেণ ডেকাই তাইক সাৱটি ধৰিলে। জোৰ পুৰ্ব্বক ভাবে প্ৰণিতাক বিচনালৈ টানি নিলে পিতৃ বন্ধু আৰু "সমাজসেৱক' নৰেণ ডেকাই। তাৰ পিচত ..................?

এজনৰ পিচত এজনকৈ আগৰৱালা, ডাঃ ডেকা, গোস্বামী, কলিতাবাবুহঁতে ৪নং কোঠালৈ গৈ নিজৰ কামনা চৰিতাৰ্থ কৰিছিল। প্ৰণিতা একেবাৰে অবশ হৈ পৰিছিল। ভদ্ৰতাৰ মুখা পিন্ধা সেই ভদ্ৰলোকসকলৰ ওপৰত তাইৰ ঘৃণা উপজিছিল। এনেকুৱা জঘণ্য আচৰণৰ চৰম শাস্তি কি হব পাৰে তাই ভাবিবলৈ ধৰিলে। এনেতে 'সমাজসেৱক' গুণ্ডা জমিদ ৰ নৰেণ ডেকাই প্ৰণিতাৰ হাতত টকা এশ গুজি দিছিল। টকাশ নৰেণ ডেকাৰ গালৈ সজোৰে দলিয়াই দি উগ্ৰমূৰ্ত্তি ধাৰণ কৰি প্ৰণিতাই প্ৰশ্ন কৰিছিল—"গুণ্ডা জমিদাৰ—

এয়ে নেকি তই মোক দিব খোজা চাকৰি? লাজ নালাগে তোৰ বন্ধুপুত্ৰী এজনীক চাকৰি দিম বুলি প্ৰতিশ্ৰুতি দি মাতি আনি এনে জঘণ্য আচৰণ কৰিবলৈ?" প্ৰণিতাই বহুত কিবা কিবি কব খুজিও আৰু একো কব নোৱাৰিলে। নৰেণ ডেকাই তাইক গতিয়াই হোটেলৰ পৰা বাহিৰ কৰি দিলে।

তেতিয়া নিশা এক বাজিছিল। ফেঁচাটিৰ নিউ নিউ শব্দই নিশাৰ গভীৰতাৰ সংকেট দিছিল। নিশাৰ নিস্তব্ধতা ভঙ্গ কৰি দীঘল দীঘল উকি কেইটামান মাৰি ট্ৰেইন এখন পাৰ হৈ গৈছিল প্ৰণিতাৰ ওচৰেৰে। এক তীব্ৰ ঘৃণা অন্তৰত লৈ প্ৰণিতাইও আগ-বাঢ়িছিল ঘৰ অভিমুখে—তাইৰ জীৱনটোৰ কথা চিন্তা কৰি। তাই চিন্তা কৰিছিল যুগে যুগে তাইৰ দৰে শোষণ, বঞ্চনা, লাঞ্চনাৰ বলি হৈ অহা গাভৰু সকলৰ কথা। তাইৰ মানস পটত বাৰে বাৰে ভাঁহি উঠিছিল ভদ্ৰতাৰ মুখা পিন্ধা সেই ভণ্ড ভদ্ৰলোক নৰেণ ডেকা-ইঁতে তাইৰ ওপৰত কৰা জঘণ্য অত্যাচাৰৰ কথা। নৰেণ ডেকাইঁতৰ পাশবিক কাৰ্য্যৰ চৰম শাস্তি কি হব পাৰে? কেতিয়া তাইৰ দৰে দুখীয়া ঘৰৰ অসহায় ছোৱালীবোৰে এনে ধৰণৰ অত্যাচাৰৰ পৰা মুক্তি পাব? কেনেকৈ এই মুক্তি সম্ভৱ হব পাৰে? হঠাতে তাইৰ মনত পৰিছিল অবিনাশে সুযোগ পালেই তাইক কোৱা কথাবোৰ—"শ্ৰেণী বিভক্ত এই পুজিবাদী সমাজ ব্যৱস্থাত ধনীক শ্ৰেণীয়ে সাধাৰণ মানুহৰ ওপৰত, খাটি খোৱা মানুহৰ ওপৰত অহৰহ নিপীড়ন চলায়। দুখীয়া খেতি-য়ক আৰু মজদুৰৰ পুত্ৰ-কন্যাও এই নিপীড়নৰ বলি হয় অবধাৰিত ভাবে। দুখীয়া খাটি-খোৱা শ্ৰেণীয়ে এই নিপীড়ন, শোষণৰ বিৰুদ্ধে যুজিবলৈ সংগঠিত হব লাগিব। এই পঁচা সমাজব্যৱস্থা ভাঙি এখন শ্ৰেণীহীন শোষণমুক্ত সমাজ গঢ়াই হব লাগিব খাটিখোৱা শ্ৰেণীৰ লক্ষ্য—'য'ত মানুহে মানুহ হিচাপে বাচি থকাৰ অধিকাৰ পাব'।"


প্ৰণিতাৰ এতিয়া বুজিবলৈ অকনো কঠিন নহ'ল যে তাইৰ বন্ধু অবিনাশৰ কথাবোৰ সম্পূৰ্ণ সত্য। শ্ৰেণীহীন শোষণমুক্ত সমাজখন গঢ়াৰ বাবে আজি ভাৰতৰ জণগণ সংগঠিত হব ধৰিছে। সাম্ৰাজ্যবাদী শোষক, দেশীয় জমিদাৰ, পুজিপতি, ভণ্ড ভদ্ৰলোক সকলৰ বিৰুদ্ধে ভাৰতীয় জনগণে আজি সংগঠিত ভাবে থিয় দিবলৈ শিকিছে। প্ৰণিতাইও এই বৃহৎ অংশ খাটিখোৱা মানুহৰ মাজতে নিজক বিলাই দিবলৈ সংকল্প গ্ৰহণ কৰিলে। তাই জনগণক বুজাই দিব কেনেকৈ তাইৰ দৰে নিঃসহায় গাভৰুবোৰ ভণ্ড ভদ্ৰলোক সকলৰ কামনাৰ বলি হব লগা হয়। সংগঠিত জন-গণৰ মিচিলৰ মাজত প্ৰণিতা হেৰাই গৈছিল—এটা নতুন উপলব্ধিৰে— এখন নতুন সমাজ গঢ়াৰ প্ৰয়াসেৰে—।

* * *

# EDITORIAL BOARD



From Left to right.
Sitting U. C. Goswami (Prof in-charge) N. K. Mahanta (Vice Principal) A. Sarma (Prof-Member) H. Baro (Member) S. Lahkar (Member)
Standing—B Sarma (Member) K Kalita (Editor) B. N. Bardaloi (President) is not seen at the picture.



# শিল্পীলৈ

বিজু কলিতা
স্নাতক ১ম বাৰ্ষিক

শিল্পী,
তোমাৰ তুলিকাত
এয়া কিহৰ ছবি ?
স্নানৰতা নগ্ন গাভৰুৰ ?
ওহো—এই ছবি তুমি নেআঁকিবা
এয়া সময় নহয় ।
এয়া তোমাৰ মূল্যহীন ছবি ।
আজিৰ এই সমাজৰ বাবে
ইয়াৰ মূল্য ক'ত জানা ?
ইয়াৰ মূল্য বিৰাজমান—
তিনিমহলীয়া অট্টালিকাৰ
সু-সজ্জিত ক্লাব ঘৰৰ মজিয়াত—
মছগুল হৈ থকা—গাহৰি জাকৰ মাজত ।
শিল্পী !
এই নগ্ন ইতিহাসবোৰ
ভাঙি চিঙি তুমি চুৰমাৰ কৰি দিয়া— ।
তুমি আঁকা —
এটা নতুন ৰক্তিম সূৰ্য্য —
যাৰ পোহৰত উদ্ভাসিত হব
শ্ৰমজীৱি জনগণৰ ছবি । ☆

# মই কবিতা লিখিম

শ্ৰীনৃপেন নাথ
স্নাতক ১ম বাৰ্ষিক

মই কবিতা লিখিম,
কলিজাৰ তপত তেজেৰে ।
হেজাৰ হৃদয়ৰ নোপোৱাৰ আৰ্ত্তনাদকলৈ,
মই কবিতা লিখিম ।
হাঁহি হেৰাই যোৱা ওঁঠবোৰকলৈ,
শুকাই যোৱা ওঁঠবোৰকলৈ,
মই কবিতা লিখিম ।
মোৰ কবিতাৰ পৰিধি হব—
দিগন্ত বিয়পা ।
এখন ভূ-ত্বক হব
মোৰ কবিতাৰ পটভূমি—
য'ত হেজাৰ আগ্নেয়গিৰি
উদ্গিৰণৰ প্ৰতীক্ষাত ।
সহস্ৰ বুভুক্ষ জনতাৰ হৃদয়ত
গুজৰি গুমৰি থকা
অব্যক্ত, অলিখিত ভাষাই হব
মোৰ কবিতাৰ ভাষা । ☆☆

প্ৰাচীৰ পত্ৰিকা 'বিকাশ'ৰ পৰা ।

## প্ৰবন্ধ

# সাহিত্য আৰু সাহিত্যিকৰ সামাজিক দায়বদ্ধতা

শ্ৰীপ্ৰদীপ কুমাৰ শৰ্মা
২য় বাৰ্ষিক স্নাতক মহলা (সন্মান)

"সাহিত্য আৰু সাহিত্যিকৰ সামাজিক দায়বদ্ধতাৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে দুটা কথা সহজেই দৃষ্টিগোচৰ হয়—সাহিত্য কি আৰু সাহিত্যিকৰ সমাজৰ প্ৰতি দায়িত্ব আছে নে নাই আৰু আছে যদি কেনেকুৱা হোৱা উচিত? খুব সুক্ষ্মভাবে আৰু বৈজ্ঞানিক পদ্ধতিৰে বিশ্লেষণ কৰিলেহে ইয়াৰ এটা সু-সিদ্ধান্ত পাব পাৰি।

সংস্কৃত আলংকাৰিক পণ্ডিত সকলে 'সাহিত্য'ৰ সংজ্ঞা দি গৈছে। সংস্কৃত পণ্ডিত সকলৰ মতে 'সাহিত্য' শব্দটো 'সহিত' শব্দৰ পৰা উদ্ভৱ হৈছে। 'সহিতস্য ভাবঃ সাহিত্যম্' —অৰ্থাৎ শব্দ আৰু অৰ্থৰ পাৰস্পৰিক সু-সংহত মিলনেই সাহিত্য। মুঠতে সাহিত্য হবলৈ হলে সি কিবা এটি অৰ্থ বা ভাব প্ৰকাশ কৰিব পাৰিব লাগিব। কিন্তু সংস্কৃত পণ্ডিত সকলৰ 'সাহিত্য' বিষয়ক উক্ত সংজ্ঞা কিমানদূৰ গ্ৰহনযোগ্য সেইটো বিচাৰ্য্যৰ বিষয়।

বৰ্ত্তমান কালৰ সাহিত্য গভীৰ ভাবে আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰিলে 'সাহিত্য'ৰ সংজ্ঞা আমি আন প্ৰকাৰে বাখ্যা কৰিব লগীয়া হয়। সাহিত্য সৃষ্টিৰ বাবে ভাব আৰু ভাষাৰ অতীৱ প্ৰয়োজন। মানুহৰ জীয়াই থকাৰ সংগ্ৰামৰ আন আন উপদানবোৰৰ লগতে ভাষাৰ সৃষ্টি হৈছিল। গতিকে ভাষাৰ মাধ্যমত মানুহ তথা সমাজৰ আবেগ, অনুভূতি আৰু চৰিত্ৰৰ যি কলাগত চিত্ৰ ৰূপায়িত হয়, সেয়ে সাহিত্য। ইয়াৰ পৰা এইটো কথা স্পষ্টৰূপে দেখা যায় যে যদি সাহিত্যই মানুহ আৰু সমাজৰ ৰূপ প্ৰতিফলিত কৰে, ই একোখন সমাজৰ বাবে দাপোন স্বৰূপ। ই বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি। কিন্তু সংস্কৃত পণ্ডিত সকলৰ ৰচিত সাহিত্যত কিছুমান ৰহস্যঘন, মানবীয় আবেগ-অনুভূতিৰ উৰ্দ্ধ কল্পচিত্ৰহে ৰূপায়িত হৈছে, যিবোৰে বৰ্ত্তমানেও জন-মানসক অন্ধবিশ্বাসৰ গভীৰ সাগৰৰ মাজত বুৰাই ৰাখিছে। গতিকে প্ৰকৃত সাহিত্য হবলৈ হলে ই জন সমাজৰ বাস্তৱ সত্বাক ৰূপায়িত কৰিবই লাগিব।

যদি প্ৰশ্ন উত্থাপিত হয়—যে সাহিত্যিক সকলৰ সমাজৰ প্ৰতি, জনসাধাৰণৰ প্ৰতি দায়িত্ব বা কৰ্ত্তব্য আছে নে নাই, তেতিয়া তাৰ উত্তৰ একে-আষাৰতে, নিশঙ্কচিত্তে, দ্বিধাহীন ভাবে কব পাৰি 'আছে' বুলি। এখন সমাজৰ ভুল-ক্ৰটীবোৰ উমুক্তা কৰি সমাজখনৰ পৰিবৰ্ত্তন সাধনৰ ক্ষেত্ৰত সাহিত্যিক সকলৰ নিশ্চয় গুৰুত্বপূৰ্ণ ভূমিকা আছে। Ezra pound এ সাহিত্যিক সকলৰ দায়িত্ব সম্পৰ্কে - Literature doss not exist in vacuum. Writers must have a definite social function, exactly proportional to their ability as writers This is their main use." সাহিত্যিক সকলৰ সামাজিক দায়বদ্ধতা সম্পৰ্কে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চতুৰ্বিংশতি সংখ্যা আলোচনীৰ সম্পাদকীয়ত কৈছে—

Being a part of the intelligentsia, the writers must keep in mind that they have a duty towards society-that is-towards the broad masses. under the rule of the bourgeoisie, the masses are left ignorant and in agony. The writers have to accomplish the task of educating and enlightening the ignorant, exploited masses and thus to help them in 'pushing history forward,' i,e to bring about the change in the society's economic base. Social history is the history of calss struggles. In the dilectical process of history, change in society is an inevitability. it will be a total change-radical change. And who will bring about this radical change? Definitely it is the exploited masses-the peasants and the working people. It is a historical fact. To deny it is to deny history. to deny history is to support the idealists. Therefore the writers, keeping this well in their mind, should serve the cause of the exploited masses.

সম্পত্তিৰ ওপৰত ব্যক্তিগত মালিকনা স্বত্ব সৃষ্টি হোৱা কালৰে পৰা সমাজত আমি দুটা শ্ৰেণীৰ উদ্ভব হোৱা দেখা পাও। সেই শ্ৰেণী দুটা হ'ল শোষক শ্ৰেণী আৰু শোষিত শ্ৰেণী। এই দুটা শ্ৰেণীৰ ধ্যান-ধাৰণা আবেগ অনুভূতি চিন্তা চৰ্চা পৰস্পৰ ধৰ্মী। গতিকে শ্ৰেণী বিভক্ত সমাজত সাহিত্য কেতিয়াও নিৰপেক্ষ হব নোৱাৰে। সমাজৰ যিকোনো এটা শ্ৰেণীক লৈ এই সাহিত্যৰ সৃষ্টি হয়। কাৰণ শ্ৰেণী বিভক্ত সমাজৰ সাহিত্যিকসকল সমাজৰ যিকোনো এটা শ্ৰেণীৰ অন্তভূৰ্ক্ত হবই লাগিব— হয় শোষকৰ নহয় শোষিতৰ। সাধাৰণতে সাহিত্যিকৰ মানসিকতা যি শ্ৰেণীৰ অন্তভূৰ্ক্ত সাহিত্যও সেই শ্ৰেণীৰ দৰ্শন, চিন্তা-চৰ্চা আদিৰ বাহক হৈ পৰে। এই ক্ষেত্ৰত যি সকল সাহিত্যিকে শোষিতৰ পক্ষে কলম নধৰি, নিজকে নিৰপেক্ষ সাহিত্যিক বুলি জাহিৰ কৰে

তেওঁলোকে বাস্তৱত প্ৰতিক্ৰিয়াশীল সাহিত্যিকৰ ভূমিকাহে পালন কৰে। আনহাতে যি সকলে, জনসাধাৰণৰ এক বৃহৎ অংশ শোষিতৰ পক্ষলৈ শোষিত জনগনক শোষকৰ ঘৃননীয় শোষণ চক্ৰৰ পৰা মুক্ত কৰিবলৈ অগ্ৰসৰ হয়, প্ৰচণ্ড গন-সংগ্ৰাম গঢ়ি তুলিবলৈ জনসাধাৰনক ইন্ধন যোগায়-তেওঁলোকেই প্ৰগতিশীল সাহিত্যিক।

বুৰ্জোৱা মানসিকতাত উটি-ভাঁহি ফুৰা কিছু সাহিত্যিকে কয় সাহিত্যৰ পৰিবৰ্ত্তন নাই, ইয়াৰ পৰিবৰ্ত্তন হব নোৱাৰে। অপৰিবৰ্ত্তনীয় সাহিত্যত পৰিবৰ্ত্তনশীল মানৱ জীৱনৰ সুখ-দুখ, আবেগ-অনুভূতি, শোষণ নিপীড়ন আদিৰ ছবি থাকিব নেলাগে, সাহিত্য হ'ল একমাত্ৰ উপলব্ধিৰ বস্তু। বুৰ্জোৱা সাহিত্যিক সকলৰ এই ধৰণৰ চিন্তা— এক তৰল চিন্তা।

বুৰ্জোৱা মানসিকতা সম্পন্ন সাহিত্যিক সকলৰ এই ধৰণৰ যুক্তিলৈ আওকান কৰি আমি কওঁ যে সাহিত্য-সমাজধৰ্মী, ই ব্যক্তি ধৰ্মী নহয়। সাহিত্য সদায় উদ্দেশ্যধৰ্মী। কিন্তু ই মানুহৰ আনন্দৰ আহিলা নহয়। সাহিত্যৰ উদ্দেশ্য হ'ল— সমাজৰ নিষ্পেষিত, প্ৰপীড়িত জনগণৰ মুক্তিৰ পথ নিৰ্দ্দেশিত কৰা। সাহিত্যিক সকল যিখন সমাজত বাস কৰে, তেওঁলোকে যি আহাৰ-পানীৰ দ্বাৰা পৰিপুষ্ট হয়, যি সমাজত থাকি তেওঁলোকে সাহিত্য-সৃষ্টি কৰে; সেই সমাজক উলাই কৰি, সেই সমাজক আতঁৰাই ৰাখি সৃষ্টি কৰা সাহিত্যই কেতিয়াও জন-মানসত ৰেখাপাত কৰিব নোৱাৰে।

সাহিত্যৰ উদ্দেশ্য হ'ল সমাজৰ বিভিন্ন লোকৰ লগত পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰি সকলোৰে বোধগম্য কৰি সামাজিক চিত্ৰ ৰূপায়িত কৰা। ইয়াৰ মাধ্যমতেই সাহিত্যিকে বৰ্ত্তমান সমাজৰ বুকুত ভৱিষ্যত সমাজৰ পৰিবৰ্ত্তনৰ দিশ নিৰ্ণয় কৰিব লাগিব। সমাজত থাকি কোনেওঁ সমাজৰ পৰা মুক্ত নহয়, কোনেও বিচ্ছিন্ন হৈ থাকিব নোৱাৰে। গতিকে এখন সমাজত বাস কৰা সাহিত্যিকৰ লিখনীত তেওঁ বাস কৰা সমাজৰ অৰ্থনৈতিক সংকট, ৰাজনৈতিক বিভীষিকাৰ ছবি প্ৰস্ফুটিত নোহোৱাটো অপৰিপক্কতাৰ পৰিচায়ক মাথোন। প্ৰচলিত সমাজ ব্যৱস্থাই জনসাধাৰণৰ ওপৰত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে সেই কথা যদি সেই সমাজত বাস কৰা সাহিত্যিকৰ হাতত মূৰ্ত্ত হৈ নুঠে তেন্তে তেওঁক পলায়নবাদী আখ্যা দিবলৈ কোনেও সংকোচ কৰা উচিত নহ'ব।

সামাজিক ইতিহাসৰ পাত মেলিচালে দেখা যায় যে যুগে যুগে সাহিত্যই এক শ্ৰেণী মানুহৰ শ্ৰেণী স্বাৰ্থ ৰক্ষা তথা শোষণৰ আহিলা হিচাবে ব্যৱহৃত হৈ আহিছে। সমাজৰ বৃহৎ অংশৰ লোকৰ সুখ-দুখ, হাঁহি-কান্দোন, আবেগ, অনুভূতি আদিক আওকান কৰি মুষ্টিমেয় কেইজনমান লোকৰ চাহিদাহে সাহিত্যই পূৰণ কৰি আহিছে— অতীতত, যেতিয়া সমাজত সামন্তবাদী সমাজ ব্যৱস্থাৰ প্ৰচলন আছিল তেতিয়া সামন্ত যুগৰ সামাজিক চিত্ৰ সাহিত্যত ৰূপায়িত হোৱা নাছিল। সেই সময়ৰ সাহিত্যই সামন্ত প্ৰভূসকলৰ শ্ৰেণীগত দৃষ্টিভংগীৰহে প্ৰতিনিধিত্ব কৰিছিল। সেই যুগৰ সাহিত্যই ভূমিদাস সকলৰ নিৰক্ষৰতা, অজ্ঞতা আদি নানা অভাৱ অভিযোগৰ চিত্ৰ ফুটাই তুলি ইয়াৰ সমাধানৰ পথ প্ৰদৰ্শন কৰাৰ পৰিবৰ্ত্তে, জমিদাৰ শ্ৰেণীৰ জীৱনধাৰা, বিলাসিতা, কামনা-বাসনা আদিকহে সাহিত্যত ৰূপায়িত কৰিছিল। এই যুগতেই ভূমিদাস সকলৰ ওপৰত অবাধ শোষণ আৰু লুণ্ঠন চলাই থাকিবৰ বাবে ঈশ্বৰ, ধৰ্ম্ম, পাপ, পূণ্য আদি কিছুমান অবাস্তৱ বিষয় বস্তুক লৈ সাহিত্যৰ সৃষ্টি কৰি জন সাধাৰণৰ মনত কিছুমান কু-সংস্কাৰৰ বীজ ৰোপন কৰে। অজ্ঞ জনসাধাৰণে অতি সহজে এই কু-সংস্কাৰৰ প্ৰভাৱত পৰে, আৰু ইয়াৰ পূৰ্ণ-সুযোগ গ্ৰহন কৰি জনসাধাৰণক অন্ধকাৰৰ মাজলৈ ঠেলি দিয়ে সামন্তপ্ৰভূ সকলে যাতে তেওঁলোকে নিজৰ অৱস্থাৰ কথা বুজি নেপায় আৰু কেতিয়াও প্ৰতিবাদৰ থল উলিয়াব নোৱাৰে।

সামন্তবাদৰ পৰা পুজিবাদলৈ সমাজ-ব্যৱস্থাৰ উত্তৰণৰ পিছত সাহিত্যই মোট সলালে। পুজিবাদী সমাজব্যৱস্থাত সাহিত্যই এক নতুন ভাব ধাৰা অৱলম্বন কৰিলে। সামন্তবাদী সমাজৰ ধৰ্মপ্ৰৱনতা, অন্ধবিশ্বাস, সামন্ত প্ৰভূসকলৰ মিছা ভেম আৰু ফোপোলা আভিজাত্যৰ ঠাই পুজিবাদী সমাজৰ যুক্তি প্ৰৱনতা, ধৈৰ্য্য, ক্ষমা, মানৱতা, আদিয়ে দখল কৰিলে। সাহিত্য জগতলৈ এই পৰিবৰ্ত্তনৰ সোঁত বোৱাই পুজিপতি শ্ৰেণীয়ে। পুজিবাদে মানুহৰ চিন্তাধাৰাৰ পৰিবৰ্ত্তন সাধন কৰি সাহিত্যত যুক্তিবাদ আৰু মানৱতাবাদৰ প্ৰতিষ্ঠা কৰি এক নৱজাগৰণৰ সৃষ্টি কৰে। কিন্তু পুজিবাদী সমাজৰ এই যুক্তিবাদ, মানৱতাবাদ আৰু স্বাধীনতা হ'ল পুজিৰ স্বাধীনতা, ব্যক্তিগত ধন-সম্পত্তি সংৰক্ষনৰ স্বাধীনতা। পুজিবাদী সমাজৰ যুক্তিবাদ আৰু স্বাধীনতাই মানুহক ব্যক্তিকেন্দ্ৰিক কৰি তোলে। ব্যক্তিকেন্দ্ৰিকতাই এক স্বকীয়া মূল্যবোধৰ সৃষ্টি কৰে আৰু এই মূল্যবোধক ভিত্তি কৰিয়েই পুজিবাদী বা বুৰ্জোৱা সাহিত্যৰ উদ্ভৱ হয়। গতিকে বুৰ্জোৱা সাহিত্যই বুৰ্জোৱাৰ শ্ৰেণীগত দৃষ্টিভংগী, বাস্তৱবোধৰ প্ৰতিফলন কৰে।

পুজিবাদৰ বিকাশৰ লগে লগে সাহিত্যত দুটা পৰস্পৰ বিপৰীতধৰ্মী চিন্তাৰ জন্ম হয়। বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা আৰু নিষ্ঠুৰ বাস্তৱ-বোধে ভাৱ বিলাসী বুৰ্জোৱা সাহিত্যৰ বিপৰীতে এক সমাজবাদী আৰু প্ৰগতিশীল সাহিত্যৰ সূচনা কৰে। প্ৰগতিশীল সাহিত্য চিন্তাই সমাজৰ এক বৃহৎ অংশ শ্ৰমজীৱি মেহনতী লোকৰ মুক্তিপথ দাবী কৰি আহিছে আৰু আনটো দলে পুজিবাদী সমাজব্যৱস্থাক জীয়াই ৰখাৰ হকে ওকালতি কৰি আহিছে। আগতেই উল্লেখ কৰি অহা হৈছে যে— সাহিত্যই মুষ্টিমেয় কেইজনমান লোকৰ স্বাৰ্থ পূৰণত ব্যস্ত নেথাকি, সমাজৰ বৃহৎ অংশৰ মুক্তিৰ পথ প্ৰদৰ্শন কৰিব লাগিব। গতিকে সমাজক যেতিয়া পুজিবাদৰ কুফলবোৰে— অবাধ লুণ্ঠন, জনসাধাৰণৰ ওপৰত অত্যাচাৰ, নানাধৰণৰ ব্যাভিচাৰ আদিয়ে আৱৰি ধৰিব, তেতিয়া সাহিত্যিক সকলে এইবোৰৰ বিপৰীতে থিয় হৈ, ইয়াৰ বিৰুদ্ধবাদী সাহিত্যৰ সৃষ্টি কৰি জনসাধাৰণক সুস্থভাৱে পৰিচালনা কৰা সাহিত্যিক সকলৰ এক গভীৰ দায়িত্ব আৰু মহান কৰ্ত্তব্য।

উনৈশ শতিকাৰ আৰম্ভনীতে সাহিত্যত ৰোমাণ্টিক প্ৰভাৱ পৰিলক্ষিত হয়। ৰোমাণ্টিক

কবি সাহিত্যিক সকলৰ হাতত 'প্ৰাকৃতিক সৌন্দৰ্য্য', মানব প্ৰেম', 'কল্পলোকৰ সৃষ্টি' আদি কিছুমান বিষয় বস্তুৱে প্ৰাধান্য লাভ কৰে। ৰোমান্টিক কবি সাহিত্যিক সকলে সমাজৰ বাস্তব ক্ৰিয়াৰ পৰা আতৰি গৈ সাহিত্যৰ জৰিয়তে প্ৰকৃতিজগত আৰু স্বৰ্গলোকৰ কল্পনাত আশ্ৰয় লৈছে। জন্মান্তৰবাদ, অতীন্দ্ৰিয়বাদ আদিৰ সৃষ্টি কৰি বাস্তবতাৰ পৰা পলায়ন কৰিছে। কিন্তু এই যুগতেই কবি টমাচ মুৰে ৰোমাণ্টিক প্ৰভাৱৰ পৰা মুক্ত হৈ থাকি ভৱিষ্যতৰ এখন শোষণহীন, সাম্যবাদী সমাজৰ ছবি অংকিত কৰি গৈছে। থিক সেইদৰে যুগজয়ী নাট্যকাৰ শেক্সপীয়েৰে সামন্তবাদী সমাজৰ ভাঙোনমুখী ৰূপটো প্ৰতিফলিত কৰি গৈছে তেওঁৰ নাটৰ জৰিয়তে। King Zear নাটকত নতুন আৰু পুৰণি দুয়োখন সমাজকে তুলনামূলক ভাবে দাঙি ধৰা হৈছে। সামন্ত প্ৰভুসকলৰ পাৰস্পৰিক হিংসা, কাজিয়া, ক্ষমতাৰ দ্বন্দ, অবিশ্বাস আদি শেক্সপীয়েৰৰ প্ৰতিখন বুৰঞ্জীমূলক নাটকতে পৰিস্ফুট হৈছে। সেয়েহে পিছৰ যুগৰ এজন পোপে আক্ষেপ কৰি কৈছিল যে— শেক্সপীয়েৰে ৰাজশক্তি তথা সামন্ত প্ৰভুসকলক প্ৰতিনিধিত্ব কৰাৰ পৰিবৰ্ত্তে জনসাধাৰণৰ অনুভূতি আৰু মনস্তত্বকহে ৰূপায়িত কৰিছে।

'অসম সাহিত্য সভা'ৰ ৰঙিয়া অধিবেশনত আলোচনা চক্ৰৰ সভাপতি শ্ৰীচগন লাল জৈনে কৈছিল— "শ্ৰেষ্ঠ আৰু প্ৰকৃত সাহিত্য কেতিয়াও উদ্দেশ্যবিহীন হব নোৱাৰে। বৰ্ত্তমান সমাজত থকা দুখ-দৈন্য-বিষাদ-নিৰাশা অভাব-অভিযোগ আদি দূৰ কৰি তাৰ ঠাইত যথাসম্ভব সুন্দৰ, সুখময়, শান্তিপূৰ্ণ সমাজ এখন গঠন কৰাই সাহিত্যৰ মূল উদ্দেশ্য। ·······সাহিত্য আচলতে সমাজ আৰু জীৱনৰ অভিব্যক্তি। ব্যক্তিগত প্ৰতিভা আৰু সামাজিক চেতনাৰ সংযোগত এনে (প্ৰকৃত) সাহিত্যৰ সৃষ্টি হয়। তেওঁ আৰু কৈ গৈছে— 'আমাৰ জীৱন কেনেকুৱা মাত্ৰ সেইখিনি দেখুৱাই দিয়াই তাৰ উদ্দেশ্য নহয়; আমাৰ জীৱন কেনেকুৱা হোৱা উচিত তাৰো ইঙ্গিত প্ৰকৃত সাহিত্যই দিব লাগিব। সেই কাৰণে দৈনন্দিন জীৱনত ঘটা ঘটনাৰ বাহিৰেও যি সাহিত্যত আমাৰ ভৱিষ্যত জীৱনৰ আশা-আকাংখা আৰু সংকল্পও প্ৰতিফলিত হয়, সেই সাহিত্যহে আমাৰ জীৱনৰ আচল সাহিত্য।'' সাহিত্যিক সকলৰ সমাজৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্ত্তব্যৰ প্ৰসংগত তেখেতে কৈ গৈছে—"সাহিত্যিক সকল মানৱ সমাজৰ সাংস্কৃতিক প্ৰহৰী, অগ্ৰদূত, সচেতক আৰু ভৱিষ্যস্ৰষ্টা। আধুনিক যুগৰ সকলো দোষ-দুৰ্গুনৰ প্ৰতি সমাজক সাবধান কৰি দি নতুন জীৱন নতুন যুগৰ সন্ধান দিয়াই তেওঁলোকৰ কৰ্ত্তব্য। এই প্ৰসংগতে আলোচনা চক্ৰৰ অন্যতম সহযোগী অধ্যাপক শশী শৰ্ম্মাই কয় যে বৰ্ত্তমান বিশ্বৰ সমূহ পুজিবাদী ৰাষ্ট্ৰৰে শিক্ষা ব্যৱস্থাক বুৰ্জোৱা শ্ৰেণীয়ে নিয়ন্ত্ৰণ কৰি বেছি সংখ্যক লোকক শিক্ষা লাভৰ পৰা বঞ্চিত কৰি বৰ্বৰতাৰ অন্ধকাৰ গহ্বৰলৈ ঠেলি দি অবাধ শোষণ আৰু লুণ্ঠনৰ সুযোগ গ্ৰহণ কৰিছে। গতিকে জন-সমাজক বিপ্লৱৰ জৰিয়তে মানৱীয় মৰ্য্যদা লাভত সহায় কৰিব পাৰিলেহে সাহিত্যিক সকলে প্ৰকৃত দায়িত্ব বহন কৰা হব।"

এচাম পণ্ডিতে 'কলা কলাৰ বাবে' বা art for art's sake নীতিৰ অনুকূলে জয়-ঢোল বজোৱা আমি সকলোৱে শুনি আহিছো। কিছুমান সাহিত্যিকে প্ৰচলিত সমাজ ব্যৱস্থাৰ লগত খাপ খাব নোৱাৰিলেও ইয়াৰ বিকট ৰূপটো সাহিত্যত চিত্ৰিত কৰিবলৈ সাহস নকৰে। এওঁলোকে পুৰণি সমাজব্যৱস্থাক ভাঙি নতুন সমাজ এখন তৈয়াৰ কৰাৰ কথা ভাবে। এই 'ভাব'তেই শেষ, ইয়াৰ বেছি আন একো কৰিব নোৱাৰে। এইচাম সাহিত্যিকেই 'কলা কলাৰ বাবে' বা art for art's sake ৰ দৰে অন্তঃসাৰশূণ্য বন্ধ্যা নীতিৰে সাহিত্যৰ উদ্দেশ্য নিৰ্দ্ধাৰণ কৰিছে। 'কলা কলাৰ বাবে' বা 'কলা কৈবল্য' নীতিৰ বিষয়ে ডঃ মহেশ্বৰ নেওগে কৈছে এক শ্ৰেণীৰ লোকে art for art's sake বা কলা কৈবল্য — এনে এটা বিপজ্জনক নীতি আৰ্ট জগতত থিয় কৰে। তেওঁলোকে কয় জীৱনৰ লগত আৰ্ট বা সাহিত্যৰ যেনে কি সম্বন্ধ নেথাকক আৰ্টৰ চৰম অৱস্থিতি আৰ্টৰ ওপৰতে আৰু আৰ্টৰ কাৰণেইহে। স্বৰূপ কথাত এনে মত সম্পূৰ্ণৰূপে ভুল। আৰ্ট, সাহিত্য সদায় জীৱনৰ ওপৰত প্ৰতিষ্ঠিত হৈ আহিছে। কোনো ডাঙৰ সাহিত্যিক আৰ্টিষ্টেই জীৱনৰ পৰা আতৰি আৰ্টকে একমাত্ৰ লক্ষ্য কৰি সাহিত্য সৃষ্টি কৰা নাই। এই art for art's sake নীতি জন্ম হয়বে পৰা সময় আগবঢ়াৰ লগে লগে দি ক্ৰমে ফুটুকাৰ ফেন হৈ উৰি যোৱাৰ উপক্ৰম হৈছে।" বৰ্ত্তমান কিছুমান সাকিত্যিকৰ হাতত art for life's sake নীতি প্ৰতিফলিত হৈছে। জীৱনৰ লগত আৰ্টৰ সমন্বয় হলেহে আৰ্টৰ সাৰ্থকতা উপলব্ধি কৰিব পাৰি। জৰ্জ বাৰ্নাৰ্ডশ্ব', গেল্‌ছ্‌ৱৰ্ডি আদিয়ে সাহিত্যত art for life's sake নীতি সাহিত্যত প্ৰতিপন্ন কৰি সমাজৰ সমালোচনা কৰাৰ উপৰিও সমাজৰ সংস্কাৰ সাধন কৰিবলৈও প্ৰয়াস কৰিছে।

এইটো নিষ্ঠুৰ ভাৱে সত্য যে বৰ্ত্তমান যুগৰ, শেষৰ এই তিনিটা দশকৰ সাহিত্য এটা ব্যৱসায়ত পৰিনত হৈছে। বৰ্ত্তমান সময়ৰ গতিধাৰা লক্ষ্য কৰিলে দেখা যায় যেন সাহিত্যিক সকলৰ সমাজৰ প্ৰতি কৰণীয় একোৱে নাই। বৰ্ত্তমান যুগৰ কিছুমান সাহিত্যিকে জনসমাজক ভাল লগাবৰ কাৰণে কিছুমান অতি বাস্তব, নিম্নৰুচিসম্পন্ন সাহিত্য সৃষ্টি কৰি সাহিত্যৰ নামত ভণ্ডামি কৰি আহিছে। এই শ্ৰেণীৰ তথাকথিত সাহিত্যিক সকলে সামাজিক প্ৰগতিমূলক সাহিত্য সৃষ্টি কৰাৰ পৰিবৰ্ত্তে ডেকা-গাভৰুৰ মন উতলোৱা বিকৃত যৌন চিত্ৰ কিছুমান ৰূপায়িত কৰি সাহিত্যক কলুষিত কৰিছে।

গতিকে বৰ্ত্তমান সমাজৰ নীচতা, ভণ্ডামি অৰ্থনৈতিক আৰু সামাজিক জীৱনৰ ওপৰত চলা অবাধ শোষণ-নিষ্পেষণলৈ লক্ষ্য কৰি আমি কওঁ যে সাহিত্য আৰু সাহিত্যিকসকল উদ্দেশ্যবিহীন হব নোৱাৰে। সমাজৰ সংস্কাৰ সাধন কৰিবলৈ, এখন শোষণমুক্ত, শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা কৰিবলৈ সাহিত্যিক সকলৰ নিশ্চয় এক গুৰুদায়িত্ব আৰু কৰ্ত্তব্য আছে।

# সংকেত

এম. চুলেমান আলী
প্ৰাক্তন ছাত্ৰ

ৰোৱাংহোৰ সোঁতে পলাস পেলালে চীনত
দুখ আঁতৰিল। সুখৰ বাতৰি। নিকা কৰিলে পথ।
সেউজ বিপ্লৱ প্লাৱিত হ'ল। ৰক্ত বিপ্লৱ প্ৰহৰী হ'ল।
"সাৱধান! সাৱধান!" প্ৰহৰীৰ চিঞ্ঁৰত
বিশ্ব জাগৃত হ'ল।
কিন্তু মোৰ প্ৰিয়াই আজি শুই আছে।
শুনা নাইনে ডিনামাতইৰ শব্দ?
ভগ্ন শিলৰ টুকুৰাবে আক্ৰোৰ আঁচল ভৰিল।
পৰ্ব্বত আতঁৰিল। দিগন্তত চকু পৰিল।
নিৰীহ নামৰিয়! বোডেচিয়াৰ মইনাহঁতৰ
কপাল ফাটিল। তেজ ওলাল।
নীল নদী ৰঙা হ'ল
বিশ্ব জাগৃত হ'ল।
আৰু কলী মোজাম্বিক?
তাই প্ৰতিশোধত বলী হ'ল।
ৰঙা তেজ নিগৰি সাগৰত পৰি
নীলা পানী ৰঙা হ'ল।
বিশ্ব জাগৃত হ'ল।
শীত-তাপ নিয়ন্ত্ৰিত শীতল যুদ্ধত—
বগা হাতী আৰু চপৰাৰ গবাগবি
বগা হাতী গুলি খালে—
(অৱশেষত) ভিয়েটবাই সাৰ পালে
মুক্তিৰ গান গালে
বিশ্বই শুনিলে...... ।
আৰু তুমি—!
নিবোকা নিস্পন্দন কিয় ???
উঠা মৰমী! উঠা! আৰুনো কিমান শুবা?
ভাৰতী লেতেৰা হৈছে—নিকা কৰা,
ব্ৰহ্ম, গঙ্গা, সিন্ধু ফেঁনে ফোঁটোকাৰে বাঢ়িছে
তাৰে পথালি পেলোৱা। ❋



গল্প

# দেৱাল ডাৱৰ প্ৰতিশ্ৰুতিৰে

নিতা ডেকা বি-এ (অনাৰ্চ)
প্ৰাক্তন ছাত্ৰী

'মাজনী তোৰ হ'লনে? অ' নিতা, নিতা তোৰ হ'লনে চিলোৱা?',—দেউতাকৰ চিঞৰত সম্বিত ঘুৰাই পালে অজানিতা ৰাজখোৱাই। তাই পাহৰিয়েই গৈছিল কিমান সময় দেউতাকৰ একমাত্ৰ ফিচিকি যোৱা চোলোটো চিলাই কৰিবলৈ লৈ স্থবিৰ হৈ বহি আছিল। ঠায়ে ঠায়ে ফিচিকি নাইকীয়া হোৱা দেউতাকৰ এই চোলাটো তাই কেইদিনমান আগতে মাত্ৰ চিলাই কৰি দিছিল। আজি তাইক আকৌ চিলাবলৈ দি দেউতাক গৈছিল কিনা উখুহা চাউলৰ ভাত আৰু মচুৰ ডাইল, আলু পিটিকাৰে মাকে যতনাই দিয়া আহাৰখিনি গিলিবলৈ পাকঘৰ নামৰ চালিখনলৈ। অজানিতাৰ কিন্তু দেউতাকলৈ খং উঠিছিল বেজি লগালেই উঠি অহা, ঘাম লাগি লাগি ফুৰ ফুৰীয়া হোৱা চোলাটো সদায় চিলাবলৈ দিয়া বাবে দেউতাকৰ প্ৰতি উঠা খংটোৱে অজানিতাক ভাবিবলৈ বাধ্য কৰালে উৱলি যোৱা চোলাটোৰ দৰে সিহঁতৰ জৰাজীৰ্ণ ঘৰখনৰ কথা।

নতুনকৈ পতা স্কুলখনত সোমোৱা আজি তাইৰ প্ৰায় এমাহ হ'ব। উপায় বিহিন অজানিতাক মাত্ৰ এডাল লাখুটি, এটি মাত্ৰ আশ্ৰয় লাগে, যি লাখুটিত ভৰদি তাই মানসিক অশান্তি বোৰৰ পৰা কিছুপৰিমানে হলেও হাত সাৰি থাকিব পাৰিব। সীমিত উপাৰ্জ্জনেৰে চালিত সিহঁতৰ সাতজনীয়া পৰিয়ালটিৰ তাইয়ো এজনী উপাৰ্জ্জনক্ষম গাভৰু। তাইৰ একমাত্ৰ ককায়েক অবিনাশক এদিন দেউতাকে চহৰত ৰাখি পঢ়ুৱাইছিল। কিন্তু মাত্ৰ দুটা বছৰ কলেজত পঢ়ি অবিনাশ গুছি আহিল আৰু সোমাই পৰিল ওচৰ পাজৰৰ চাহ বাগানৰ মজদুৰ সকলৰ মাজত। অত্যন্ত মেধাবী ল'ৰা অবিনাশৰ মতে—"শিক্ষা দীক্ষাৰ কোনো মূল্য নাই যদিহে অনুভূতি হীন হয়।" অবিনাশৰ মতে—অন্যায় অবিচাৰেৰে ভাৰাক্ৰান্ত এইখন সমাজৰ উপৰিও আৰু এখন সমাজ আছে—যিখন সমাজত মানুহে পশুৰ নিচিনাকৈ জীৱন নিৰ্ব্বাহ কৰি আছে। সেইখন সমাজক সি জগাই তুলিব, বুজাই দিব যে সমাজত সিহঁতৰ

নিচিনা শ্ৰমিক মজদুৰবো জীয়াই থকাৰ অধিকাৰ আছে। সেয়েহে নিত্যান্তই প্ৰয়োজন নহ'লে অবিনাশ ঘৰলৈ নাহে। চাৰিমাহ, ছমাহৰ মূৰত হঠাৎ ৰাতি কেতিয়াবা অবিনাশ আহি ওলাই আৰু ৰাতিৰ ভিতৰতে গুচি যায়গৈ। অবিনাশ ক'ত থাকে, কি কৰে আজি কালি আৰু দেউতাকে জানিব নিবিচাৰে। অৱশ্যে প্ৰথম অৱস্থাত এই পথৰ পৰা ঘূৰাই আনিবলৈ দেউতাকে চেষ্টাৰ ত্ৰুটি কৰা নাছিল।

তেতিয়া অজানিতা আছিল হাইস্কুলীয়া ছাত্ৰী। ককায়েকে দেউতাক মাকক দিয়া দুখ বেজাৰৰ উপশম ঘটাবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছিল হাইস্কুলীয়া জীৱনতে অজানিতাই।

বহুতৰ মতে সৰ্ব্ব সাধাৰণ ছোৱালীতকৈ অজানিতা ৰাজখোৱা ব্যতিক্ৰম। যি বয়সত অইন ছোৱালীয়ে কৃষ্ণ চূড়াৰ ফুলৰ দৰে ৰঙীন কল্পনাৰ মাজত বুৰ গৈ আছিল সেই বয়সত অজানিতা ৰাজখোৱাই কিন্তু কল্পনা কৰিছিল পঙ্কিলতাৰে ভৰা এইখন সমাজৰ ঠাইত এখন সুন্দৰ সমাজ গঢ়াৰ, য'ত তাইৰ দৰে দুখীয়া নিচলা বোৰেও জীয়াই থকাৰ প্ৰেৰণা পায়। অৱশ্যে তাইৰ জীৱনটো যে 'নিৰস' কল্পনাৰেই ভৰাল মাত্ৰ আছিল এনে নহয়; কিন্তু অভাৱ অনাটনে জুৰুলা কৰা অজানিতাৰ সেইবোৰ লৈ ব্যতিব্যস্ত হৈ থকাৰ সময় নাছিল।

নিম্ন মধ্যবিত্ত ঘৰৰ ছোৱালী অজানিতা। সেয়েহে তাই বহু কষ্টেৰে পঢ়া-শুনা কৰিব লগাত পৰিছিল। যিখন ঘৰক দুবেলা দুমুঠি খোৱাৰ চিন্তাই জুৰুলা কৰিছিল, সেইখন ঘৰৰ ছোৱালী হৈ কলেজত পঢ়িবলৈ তাই মাত্ৰ আগবাঢ়িছিল মনৰ উৎসাহ আৰু প্ৰেৰণাত।

ইকনমিক্চ (Economics)ত অৰ্নাচসহ তাই বি,এ পাচ কৰি শিক্ষিত নিৰনুৱাৰ হাৰ বৃদ্ধি কৰাৰ বাহিৰে আজি তাই একো কৰিব পৰা নাই। যি প্ৰেৰণাই তাইক উচ্চ শিক্ষাৰ প্ৰতি ধাউতি আনি দিছিল সি আজি আৰু তাইৰ নাই। চাকৰি বিচাৰি বিচাৰি পোৱা অভিজ্ঞতাই তাইক তিতা কেহাঁ লগালে। উপায়বিহীন অজানিতাই শেষত গৈ নতুন কৈ হোৱা স্কুল খনতে সোমাবলৈ বাধ্য হ'ল।

অজানিতাৰ বেছিকৈ বেয়া লাগে বয়সতকৈ বেছি বুঢ়া যেন হোৱা মাক-দেউতাক হাললৈ। মাকৰ বেদনাসিক্ত চকুহাল আৰু দেউতাকৰ চিন্তাক্লিষ্ট মুখখনলৈ চাবলৈকে তাইৰ ভয় লাগে। কলিতে লেৰেলি যাব খোজা ভায়েক-ভনীয়েক হালৰ জীৱনৰ বাবে দায়ী যেন একমাত্ৰ তায়ে। গধুলী যেতিয়া দেউতাক পাম্প নোহোৱা, মামৰে ধৰা, বেল নিদিলেও চলি যোৱা চাইকেলখন লৈ ঘৰলৈ ঘূৰে তেতিয়া প্ৰায়ে অগ্নিশৰ্ম্মা হৈ আহে। ককায়েকে কয়—"দেউতাকহঁতৰ নিচিনা টকা-পইচা নোহোৱা মানুহবোৰৰ হেনো তালু তপত হৈয়ে থাকে।" ক্লাচ নাইনত পঢ়া ভায়েকটোৱে কয়—"আমাক খুৱাব-পিন্ধাব লাগে কাৰণে দেউতাৰ ইমান খং।" প্ৰত্যুত্তৰ হিচাপে কি কব তাই ভাবি নাপায়।

হঠাৎ কেতিয়াবা ককায়েক আহি ওলায়। সৰ্ব্বাঙ্গ সুন্দৰ সমাজ গঢ়াৰ দৃঢ় আশাত ইমান বছৰে সভা সমিতি গঠন কৰি মজদুৰ,



শ্ৰমিকক জগাই তুলি ঘূৰি ফুৰা ককায়েকলৈ তাইৰ কেতিয়াবা বৰ খং উঠে। ককায়েকৰ আগত যদিও তাই তৰ্কৰ খাটিত বহু কথাই কয়—তথাপি পিছমুহূৰ্ত্ততে তাই ভাবিবলৈ বাধ্য হয়— ক'ত্তা! ককায়েকেতো একো ভুল কথা কোৱা নাই। ককায়েকৰ মতে—"সম্মানবোধ লজ্জন কৰিব নোৱাৰা ক্ষয়িষ্ণু মধ্যবিত্ত পৰিয়ালবোৰ হেনো ক্ৰমান্বয়ে আৰু নিম্নমুখী হব।" হয়ও অৱশ্যে—।

গমিৰি মৌজাৰ বিখ্যাত পৰিয়ালবোৰৰ ভিতৰত কচুজান গাওঁৰ সিহঁতৰ ৰাজখোৱা পৰিয়ালটিও আছিল ধনে-জনে ৰজনজনাই থকা উচ্চ মৰ্য্যদা সম্পন্ন পৰিয়াল। এই বিখ্যাত ৰাজখোৱা পৰিয়ালৰে পূৰ্ব্বপুৰুষৰ জীয়াৰী সাদৰীক বিবাহ কৰাইছিল কলা-সংস্কৃতিৰ সাধক প্ৰখ্যাত আগৰৱালা পৰিয়ালৰ আদি পুৰুষে। তেতিয়া আছিল আহোম শাসনৰ অৱসান আৰু ইংৰাজ শাসনৰ পাতনিৰ সন্ধিক্ষণৰ সময়। আজি প্ৰায় ডেৰশ বছৰৰ পিচত সেই বিখ্যাত ৰাজখোৱা পৰিয়ালৰ অস্তিত্ব মাত্ৰ ধিমিকি ধিমিকি জ্বলি আছে। ৰজাঘৰীয়া ৰাজখোৱা বংশ মৰ্য্যদাৰ গৌৰৱেৰে গৌৰৱান্বিত সিহঁতৰ পূৰ্ব্বপুৰুষৰ মুখ বাগৰি বাগৰি কুহুপি কুহুপি জীয়াই থকা বংশ পৰিয়ালৰ কাহিনী শুনিছিল ককাকৰ মুখৰ পৰা। ককাকৰ মুখত যিদিনা তাই এইবোৰ সাধুকথা শুনাৰ দৰে শুনিছিল —তেতিয়া তাই অজানিতে আত্মতুষ্টিত ফুলি উঠিছিল। ককাকৰ মুখলৈ চাই তাই দেখিবলৈ পাইছিল সোতোৰা গালৰ ওপৰেৰে বাগৰি অহা ককাকৰ দুসোঁতা চকুলো। সেই দিনা তাই বুজা নাছিল ককাকৰ সেয়া অতীত ৰোমন্থনৰ আনন্দ বিগলিত অশ্ৰুনে ৰৰ্ত্তমানৰ অভাৱ অনাটনে জুৰুলা কৰা বেদনাসিক্ত চকুলো।

ককাকে চকুপানী টুকি টুকিয়েই কৈছিল—'সেই ৰজাঘৰীয়া বংশৰ ল'ৰা হৈ অবিনাশ আজি কিয় অনাই-বনাই ঘূৰি ফুৰিব লগীয়া হ'ল?' এতিয়াহে যেন তাই ককাৰ চকুপানীৰ অৰ্থ বুজিব পাৰিছে আৰু তাই যেন ককাকক ক'ব— "মানুহ শ্ৰেণী সংগ্ৰামৰ মাজেদিয়ে আগবাঢ়িছে বিকাশৰ পথত। পলমকৈ হ'লেও সমাজ সচেতনতা এদিন আহিবই।"

সোন পুৰিলে উজ্জ্বল হোৱাৰ দৰে এইখন সমাজত নানান থকা খুন্দা খাই তাই বহুখিনি বুজি উঠিবলৈ সক্ষম হ'ল। তাই এতিয়া আৰু স্থবিৰ হৈ বহি নাথাকে। যি ভুল শিক্ষা লৈ তাই ডাঙৰ হ'ল সেই ভুল তাই তাইৰ পিচৰ চামক কৰিব দিব নোৱাৰে। তাই তাইৰ গাওঁখনৰ, স্কুলখনৰ প্ৰত্যেকটো শিশুক বুজাই দিব তাইৰ দৰে দুখীয়া, প্ৰপীড়িত, ভিকহুবোৰ যুগে যুগে কেনেদৰে লাঞ্চিত হৈ আহিব লগা হৈছে। 'শিশুৱে দেশৰ ভৱিষ্যৎ' বুলি শিশু জাতিৰ ওপৰত মৰা চাইনবৰ্ডখনৰ তাই সদ্ব্যৱহাৰ কৰিব। অনুন্নত গাওঁবোৰত থকা হেজাৰ হেজাৰ দুখীয়া শিশু জানো শিশু নহয়? এই অনুন্নত সমাজৰ শিশুবোৰকে, তাই জগাই তুলিব, সিহঁতৰ হতুৱাই তাই আজিৰ এই সমাজখনত দেখা দিয়া ধনী-দুখীয়াৰ মাজত থকা বৃহৎ প্ৰাচীৰ

খন ভাঙি চুৰমাৰ কৰি দিব, সমাজত থকা তথা কথিত সভ্য সকলৰ মুখাবোৰ খুলি দিব পাৰিব। সিহঁতক প্ৰত্যেককে তাই একোখন শানিত অস্ত্ৰ একো একোপাত হাতিয়াৰ কৰি গঢ়ি তুলিব, যি অস্ত্ৰই, যি হাতিয়াৰে এই বৃহৎ প্ৰাচীৰ ভেদ কৰি প্ৰপ্ৰীড়িত নিষ্পেষিত সৰ্ব্বহাৰা শ্ৰেণীটোক জীয়াই তুলিব।

অজানিতাই যেন চিন্তাটো কৰি এক প্ৰচণ্ড শক্তি লাভ কৰিলে। তাই যেন তাইৰ ককায়েকৰ কামৰ কাৰণে নতুনকৈ গৌৰব অনুভব কৰিলে। আৰু তাই নিজেও সমাজ বন্ধনৰ শিকলি ছিঙিবলৈ নতুনকৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। তাইৰ কণ্ঠত বাজি উঠিল সহস্ৰ-শ্ৰমিক কৃষকৰ মিছিলৰ আৱাজ দেৱাল ভঙাৰ চেপা উত্তেজনালৈয়ে তাই চিঞৰি উঠিল— হৈছে দেউতা, হৈছে।



"নিৰক্ষৰতা দূৰীকৰণ এনে এক সৰ্ত যাক বাদ দি ৰাজনীতিৰ কথা কোৱা অনন্তৱ। ৰাজনীতিৰ বাহিৰৰ এজন অশিক্ষিত লোক ৰাজনীতিৰ চাৰিবেৰৰ ভিতৰত সোমালে তেওঁক স্বাক্ষৰিক কৰি তুলিব লাগিব। ইয়াক বাদ দি ৰাজনীতি হ'ব নোৱাৰে, যি হয় সেয়া গুজৱ, জিৰণিৰ সাধু আৰু কুসংস্কাৰ ... ...।"

ভি-আই-লেনিন।



## নৱাগতলৈ

শ্ৰীপ্ৰসন্ন নাথ
স্নাতক, ১ম বাৰ্ষিক

ইমান ৰঙা!
ইমান উজ্জ্বল !!
ইমান তীব্ৰ !!!
তিমিৰাচ্ছন্ন নিশাৰ অৱসান
এয়া, অৰুণ উদয়ৰ পূৰ্ব্বাভাস
দিনমণি,
তোমাক স্বাগতম্।
তোমাৰ জন্ম—
সৌ সুউচ্চ শৈল শিখৰত।
তোমাৰ দৃষ্টি—
বিস্তীৰ্ণ।
শকতি তোমাৰ অসীম।
তোমাৰ দৃষ্টিৰে
থাপা এখনি ৰাজ্য—
শান্তি মৈত্ৰীৰ।
উচ্চ-নীচ ভেদাভেদৰ
য'ত নাই অৱশেষ।
তোমাৰ উত্তাপে
পুৰি ছাঁই কৰি দিয়া—
শোষণকাৰীৰ ধনেৰে সজা
গগনচুম্বী সৌধবোৰ।
হে সূৰ্য্য!
তোমাৰ সাহেৰে আজি
আমিও সাহসী।
আমি তোমাৰেই সহযাত্ৰী—
বিনাশিবলৈ এই কালৰাত্ৰী। ★

★ প্ৰাচীৰ পত্ৰিকা 'বিকাশ'ৰ পৰা।

## ইপ্সিত সেই নতুন সূৰ্য্য

শ্ৰীপবিত্ৰ কুমাৰ শৰ্ম্মা
প্ৰাক্-বিশ্ববিদ্যালয়
১ম বাৰ্ষিক

এই বাটেৰেই
আমাৰ ইপ্সিত সেই নতুন সূৰ্য্য
নামি আহিব বসুধাৰ বুকুলৈ।
জৰাজীৰ্ণ কুটীৰৰ পিৰালীত বহি
মাতৃত্বৰ দাবী কৰা নাৰীৰ
মুখমণ্ডল হৈ পৰিব আৰক্ত—ৰক্তিম।
বোকোচাৰ শিশুটিয়ে সাৰ পাব।
বিপ্লৱৰ দাবানল জ্বলি উঠিব,
কৃষকৰ বজ্ৰমুঠি হৈ পৰিব—
কঠোৰৰ পৰা কঠোৰতৰ।
নাঙলৰ ফালৰ তীব্ৰতাত
সাৰ পাব ৰিক্ত পৃথিবী।
এই বাটেৰেই নামি আহিব সূৰ্য্য।
ইপ্সিত সেই নতুন সূৰ্য্য।

# বড়ো সকলৰ ঐতিহ্য

## 'খেৰাই নৃত্য'ত ইয়াৰ প্ৰকাশ

শ্ৰীবদন স্বৰ্গীয়াৰী
২য় বাৰ্ষিক, বি-এ (অনাৰ্চ)

**অসমৰ আদিম অধিবাসী বড়োসকল—** বড়ো সকল তিব্বত বৰ্মী সকলৰ পৰা অহা মঙ্গোলীয় গোষ্ঠীৰ লোক বুলি নৃতত্ববিদসকলে স্বীকাৰ কৰিছে। অসমৰ আদিম অধিবাসী বড়ো সকল কোন সময়ত অসমত প্ৰবেশ কৰিছিল এই কথাত বুৰঞ্জী নিমাত যদিও মহাভাৰত, পুৰাণ আদি ধৰ্ম্ম গ্ৰন্থত 'কিৰাত' সকলৰ কথা উল্লেখ থকা হেতু ঠিৰাং কৰা হৈছে যে খৃঃ পূঃ হাজাৰ হাজাৰ বছৰ পূৰ্ব্বৰে পৰাই অসমত বড়ো সকল তেওঁলোকৰ নিজস্ব ভাষা সংস্কৃতি আৰু ৰীতি নীতিৰ মাধ্যমেৰে অতি প্ৰভাৱশালীৰূপে; সগৌৰৱে ৰাজত্ব কৰি আহিছিল। অসমৰ পুৰণি নগৰ, নদী ঠাই আদিৰ বড়ো শব্দেৰে নামাকৃত নামবোৰে বড়ো সকলক অসমৰ আদিম অধিবাসী বুলি প্ৰতীয়মান কৰে, সন্দেহ নাই। দৈজ' পুৰত (তেজপুৰ) বান বজাৰ ৰাজত্ব, হিড়িম্বাপুৰত (ডিমাপুৰ) ঘটোৎকচ ভগদত্তৰ ৰাজত্ব, প্ৰাগজ্যোতিষপুৰত নৰকাসুৰ (নাৰখো)ৰ ৰাজত্ব ইয়াৰ ঐতিহাসিক নিদৰ্শন। বড়ো ভাষা, সংস্কৃতিয়ে যে সেই সময়ত ৰাজকীয় মৰ্য্যাদা লাভ কৰিছিল, ই নিশ্চিত। বড়ো সকলৰ সংস্কৃতিৰ প্ৰসাৰতা কেৱল অসমতে সীমাবদ্ধ হৈ থকা নাছিল, ই সুদূৰ কাশ্মীৰ; দ্বাৰকা পৰ্য্যন্ত বিয়পি পৰিছিল।

সেই সময়ত আৰ্য্য গোষ্ঠী আৰু অনাৰ্য্য মঙ্গোলীয় বড়োসকলৰ মাজত সংস্কৃতিৰ সংমিশ্ৰণ হোৱা নাছিল। বড়ো সকলৰ ভাষা সংস্কৃতি স্বকীয়া আছিল। বৰ্ত্তমান অসমত ৰাজকীয় ৰূপ লোৱা ভাষা সংস্কৃতিত বড়ো সকলৰ প্ৰভাৱ আছে যদিও তেওঁলোকৰ ভাষা-সংস্কৃতি সেই ভাষা সংস্কৃতিৰ লগত লীন হৈ যোৱা নাই। অসমীয়া ভাষা শতকৰা ৫০ ভাগ বড়ো শব্দেৰে প্ৰভাৱিত যদিও (প্ৰফুল্ল দত্ত গোস্বামীৰ মতে) ই সংস্কৃত মূলক সুৰ বিশিষ্ট ভাষা। বড়ো ভাষাৰ সৈতে ইয়াৰ সামঞ্জস্য বহুত দূৰত। আনহাতে অধ্যাপক শ্ৰীযোগেশ দাসে উল্লেখ কৰিছে "উত্তৰ পশ্চিমেদি আৰ্য্যসকল ভাৰতত সোমাইছিল। তেওঁলোকৰ পূৰ্বে পশ্চিম ভাৰতৈল আহিছিল অষ্ট্ৰিক ভাষী সকল আৰু দ্ৰাবিড় সকল। এই তিনিও জাতিৰ সংমিশ্ৰণৰ ফলতেই উদ্ভৱ হৈছিল হিন্দু কৃষ্টিৰ ……

……হিন্দু কৃষ্টিৰ উদ্ভৱৰ সময়ত পূৰ্ব কালে মঙ্গোলীয় কিৰাত সকলৰ উপস্থিতি অনুভূত হৈছিল" বৰ্ত্তমান অসমত দলদোপ হেন্দোলদোপ সৃষ্টি কৰা আৰ্য্য হিন্দু সংস্কৃতিত মঙ্গোলীয়-কিৰাত-বড়ো সকলৰ সংস্কৃতিৰ প্ৰৱেশ ঘটিছে যদিও তেওঁলোকৰ সংস্কৃতি আজিও স্বকীয়া হিচাবেই বৰ্ত্তি আছে। বড়ো সকলৰ ওপৰত বহুবাৰ ৰাজনৈতিক আৰু সাংস্কৃতিক ধুমুহা বৈ গৈছে। বড়ো সংস্কৃতি হাজাৰ বিপদ আৰু বাধা বিঘিনিৰ সন্মুখীন হৈ আহিব লগাত পৰিছিল যিয়ে আজি বড়ো সকলৰ সামাজিক, ভাষা-সাহিত্যৰ বিকাশত প্ৰধান অন্তৰায় হিচাবে থিয় দিছে

খেৰাই নৃত্যঃ—'খেৰাই নৃত্য' বড়ো-কছাৰী সংস্কৃতিৰ এক অবিচ্ছেদ্য অঙ্গ। খেৰাই নৃত্যক বড়ো সকলৰ ঐতিহ্যৰ বাহন বুলি কব পাৰি। 'খেৰাই' শব্দৰ অৰ্থ হৈছে 'পূৰ্ব্ব পুৰুষৰ বন্দনা'। এই বন্দনা সূচক নৃত্যৰ লগত বড়ো সকলৰ ঐতিহাসিক কথা, কাহিনী, কলা-কৃষ্টি ধৰ্মীয় বিশ্বাস, সামাজিক ৰীতি-নীতি আদি নিবিড় ভাবে জড়িত হৈ আছে।

সাধাৰণতে 'বাথৌ' পূজা উৎসৱৰ সময়ত পূজাস্থলীত খেৰাই নৃত্য প্ৰদৰ্শন কৰা হয়। শিৱ বা পৰমাত্মাৰ প্ৰতীক শিজু গছ সোঁমাজত থাপন কৰি তাৰ চাৰিও দিশে বৃত্তাকাৰে 'পঞ্চতত্ব' নিহিত বাথৌ বেদী সজোৱা হয়। খেৰাই নৃত্য পূৰ মুৰা হৈ বাথৌ বেদীৰ সন্মুখত প্ৰদৰ্শন কৰা হয়। এই দিশ-নীতি খেৰাই নৃত্যত পূৰা মাত্ৰাই মানি চলা হয়। খেৰাই নৃত্যত পাচোটা মুদ্ৰাৰে নৃত্যৰ সকলো ভাৱ পৰিস্ফুট কৰা হয়। এই মুদ্ৰা কেইটা হ'ল মুখমণ্ডল, হাত, ভৰি, বক্ষ আৰু মূৰৰ চালনা। অৱশ্যে খেৰাই নৃত্য মুদ্ৰাপ্ৰধান নহয়, ৰস প্ৰধানহে।

খেৰাই নৃত্য সংগীতত ব্যৱহৃত বাদ্যবোৰ হৈছে খাম (মাদল), চিফুং (পঞ্চসুৰ বিশিষ্ট বাঁহী) জথা (এযোৰ তাল) চেৰ্জা (বেহেলা) গংগনা (গগনা) আৰু জাবখ্ৰীং (বহুত তাল বা জুৰি থকা এবিধ বাদ্য। বাদকবোৰে নৃত্য পালি সকলৰ সৈতে মুকলিকৈ সহযোগ কৰে। নাৰীয়ে গুৰি মাধ্যমৰূপে নৃত্য প্ৰদৰ্শন কৰে যদিও পুৰুষেও নাৰীৰ সৈতে নৃত্যত একেলগে অংশ গ্ৰহন কৰিব পাৰে।

খেৰাই নৃত্যৰ কাহিনী বড়ো সকলৰ নিজস্ব সংস্কৃতিৰ আধাৰত গঢ়ি উঠা। ওজাপালি, নাম, কথাকলি, ভাৰত নাট্যম্ আদি নৃত্যৰ কাহিনীবোৰ ৰামায়ণ মহাভাৰত আদি কাব্যৰ আলমত গঢ়ি উঠে। কিন্তু খেৰাই নৃত্যত কোনো কাব্যৰ আলম লোৱা নহয়।

খেৰাই নৃত্যত গীতি কাহিনীবোৰ একোটি মাধ্যমেৰে বিভিন্ন চৰিত্ৰৰ নৃত্য অভিনয় কৰি এলানিকৈ প্ৰদৰ্শন কৰা হয়। এই গীতি নৃত্যত 'দৌদিনি' বা 'দেওধনি'য়ে গুৰি ধৰে। "দেওধনিয়ে বাদক পালিৰ সহায়ত সংগীতৰ তালে তালে মৌন গতিৰে বিভিন্ন চৰিত্ৰাভিনয় আৰু নৃত্য ৰূপায়িত কৰে" (গিৰিন্দ্ৰ ব্ৰহ্ম দৈমাৰী) নৃত্য গীতিত হুকুৰিটাৰ বেছি বিভিন্ন কাহিনী নৃত্যৰূপৰ এছোৱা এছোৱাকৈ প্ৰদৰ্শন কৰা হয়। এই কাহিনী নৃত্যৰূপবোৰে বড়োসকলৰ ঐতিহ্য কেনেদৰে প্ৰকাশ কৰিছে তাক সংক্ষেপ তলত উল্লেখ কৰা হ'ল।

ঐতিহ্য -খেৰাই নৃত্যৰ আৰম্ভণিতে 'দৌৰি লিংহৰনাই' (দেউৰী আহ্বান নৃত্য), দৌৰি মৌচানায়' (দেউৰীনৃত্য), 'লহিজাম ৰনাম (নৈবেদ্য থাপন), 'দৌদিনি মৌচানায়' (দেওধনি নৃত্য), 'খেৰাই জাগায়নায়' (নৃত্য সূচনা) আৰু 'বাথৌ খুলুমনায়' ( বাথৌ সেৱা ) আদি নৃত্যৰূপৰ মাধ্যমেৰে 'বাথৌব্ৰাই' বা শিব্ৰাই'ৰ নামত 'দেমগ্ৰাই' (বন্দনা) কৰি লোৱা হয়। এই বন্দনা সূচক নৃত্যৰ দ্বাৰা অতীতৰ পৰাই যে বড়োসকলে 'বাথৌ' অথবা 'শিব' পূজা কৰি আহিছিল তাৰ প্ৰমান পোৱা যায়। তাহানিৰ বড়ো ৰজা বাণ, নৰকাসুৰ আৰু দেওধনি সাবিত্ৰী, বেউলা, মঙ্গোলী, ঠেঙ্গামালী সকলে বাথৌ বা শিবৰ আৰাধনা কৰি দৈৱশক্তিৰ অধিকাৰী হোৱা কথা এইখিনিতে মনত পেলাব পাৰি। বিয়েই নহওঁক "ইয়াৰ পাছতে আৰম্ভ হয় দেওধনি আৰু পালি (পালি) সকলৰ মাধ্যমত বিভিন্ন নৃত্যৰ খণ্ডীয় প্ৰদৰ্শন 'মৌছাগাংনায়' (—গিৰিন্দ্ৰ ব্ৰহ্ম দৈমাৰী)। নৃত্য বিৰতিৰ মাজে মাজে ঐতিহ্যপূৰ্ণ বড়ো বীৰ বীৰাঙ্গনা, ঠাই, নদী, নগৰ আদিৰ বৰ্ণনা কৰি গীত গোৱা হয়।

'বীন চাঙ্গ্ৰী মৌচানায়,' 'ঢাল লানা মৌচানায়, থুংগ্ৰি চিবনায়, থুংগ্ৰি বুজাবনায়' আদি নৃত্যত বড়োসকলৰ অতীত বীৰত্ব আৰু যুদ্ধ কৌশলৰ পৰিচয় পোৱা যায়।

চিকাৰ কৰা প্ৰথা বড়ো সকলৰ অতি প্ৰিয় আছিল। জন্তু চিকাৰ কৰা, মাছমৰা চৰাই চিকাৰ কৰা, (জালমায় ?) পিপৰাৰ বাহ পাৰা আদি ক্ৰমে "মৈ গাওনায়' 'নাগুৰনায়' দাওথুৰ গাওনায়' 'খৈজেমা হান্‌নায় আদি নৃত্যত পৰিস্ফুত কৰা হয়।

বড়োসকল প্ৰধানতঃ কৃষিজীৱি। জীৱন ধাৰণৰ ক্ষেত্ৰত অতীতৰ পৰাই তেওঁলোকে খেতিৰ ওপৰতে নিৰ্ভৰ কৰি আহিছে। কৃষি কাৰ্য্যত তেওঁলোক আগবঢ়া আছিল। হাবি জঙ্গলবোৰ মুকলি কৰি খেতি কৰা, ভুই ৰোৱা, খৰি কটা, গাহৰী পোহা, পাৰ পোহা আদি বড়োসকলৰ কৃষি আৰু পশু পালন পদ্ধতিবোৰ ক্ৰমে 'হাগ্ৰা এওনায়,' 'মায় গায়নায়' 'বংফাং দানায়,' 'অমানো আদাব হৗনায়'"মৌথৌ-গুমনায়' আদি নৃত্যৰ মাধ্যমেৰে প্ৰদৰ্শন কৰা হয়।

বড়োসকলৰ মাজত শাৰীৰিক ব্যায়াম, বেঁতৰ চালনা, যুদ্ধকৌশলৰ চৰ্চা, চৰাই-চিৰিকটি পোহ মনোৱা আদি অনুশীলনো হৈছিল। 'নেওলাই মৌচানায়,' থুংগ্ৰি চিবনায়' দাউৰী বিৰদবনায়' আৰু 'ৰাইদাং গেলেনায়' নৃত্যত এই অনুশীলন নীতিবোৰ প্ৰকাশ হয়।

বাণিজ্য প্ৰথাও বড়োসকলৰ মাজত প্ৰচলিত আছিল। 'গংগাৰ মৌচানায়' নৃত্যত ইয়াক প্ৰদৰ্শন কৰা হয়। বাণিজ্যিক সম্বন্ধ বিশেষকৈ ভূটীয়া সকলৰ সৈতে গঢ়ি উঠিছিল। ভূটীয়াসকলে তেওঁলোকৰ জাব্ৰাং, কমলা আদি বস্তুবোৰ বিনিময় কৰি বড়োসকলৰ পৰা চাউল এড়ী কাপোৰ আদি লৈ গৈছিল। ফলত তেওঁলোকৰ মাজত বন্ধুত্বও গঢ়ি উঠিছিল। অতিথিৰূপে ইজনে সিজনক পুনৰ আহ্বান কৰা, বন্ধুভাবাপন্ন মনেৰে একেলগে মদ পান কৰা আদি চৰিত্ৰ এই নৃত্যত প্ৰদৰ্শন কৰা হয়।



'হিচান গৌলাউ মৌচানায়' নৃত্যৰ মাধ্যমেৰে কাপোৰ বোৱা কামত বড়ো তিৰোতা সকলৰ নিপুনতা প্ৰকাশ কৰা হয়। মাওঁ চলোৱা প্ৰথা, গাওলিৰ মুখত গৰু নেজৰ চুলিৰে বান্ধি ৰখা, মাখিৰ টোপ দি বজোৱাই ৰাখি ৰং চোৱা, গা ধুই উঠি তিৰোতাসকলে চুলি আচৰোৱা শোভা বাঢ়িছে নে নাই দাপোনেৰে নিজকে পৰীক্ষা কৰা,আদি ক্ৰমে খেৰাই নৃত্যৰ 'নাওজানাই'. 'গান্দাওলা গেলেনয়', 'থালাই হনায়', 'আয়না নায়নায়' নৃত্যৰূপত পৰিস্ফুত কৰা হয়। 'চোথা হৗনায়' নৃত্যত প্ৰকাশ কৰা হয় পথাৰৰ শস্য খাবলৈ অহা পখীবোৰ ৰখীয়াই খেদি দিয়া প্ৰথা।

ইয়াৰোপৰি, ঐশ্বৰিক শক্তি সম্পন্ন বড়ো সকলৰ কাহিনী 'গন খালা জানায়' (অগ্নিভক্ষণ) আৰু 'ঠেঙ্গামালী মৌচানায়' নৃত্যত প্ৰদৰ্শন কৰা হয়। প্ৰথমটো নৃত্যৰ কাহিনী হ'ল মঙ্গোলী নামৰ এজনী বড়ো গাভৰুৰ কাহিনী। মঙ্গোলীয়ে হেনো 'বাথৌ'ৰ আৰাধনা কৰি এনেকুৱা শক্তি লাভ কৰিছিল যে দপ্ দপাই জ্বলা জুইত জাপ দিলেও তেওঁক অগ্নিয়ে দগ্ধ কৰিব নোৱাৰিছিল। সেয়ে আজিও বড়ো সকলে খেৰাই নৃত্যত ইয়াৰ নিদৰ্শন স্বৰূপে 'অগ্নিভক্ষণ' কৰি নৃত্য প্ৰদৰ্শন কৰে। ঠেঙ্গামালী নামৰ বড়ো তিৰোতা এজনীয়েও হেনো 'বাথৌব্ৰাই'ৰ কৃপাত ক্ষুদ্ৰ পকুৱা এটাও কটা যোৱা চোকা তৰোৱালৰ ওপৰত খোজ দি নৃত্য কৰিব পাৰিছিল। ইয়াকো 'ঠেঙ্গামালী মৌচানায়' নৃত্যত প্ৰদৰ্শন কৰা হয়। সচাকৈ আজিও চোকা তৰোৱালৰ ওপৰত খোজ দি নৃত্য প্ৰদৰ্শন কৰা দেখা যায়। সিদিনা মাথোন গড়চুক আহোমগাওঁ (গুৱাহাটীত)ও অনুষ্ঠিত হৈ যোৱা ২০তম বড়ো সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনৰ মুকলি সভাৰ দিনা এই নৃত্য প্ৰদৰ্শন কৰি এজন বড়ো শিল্পীয়ে বিস্ময় মনাইছিল।

ইয়াৰোপৰি চান্দ ৰজা, বাণ-ভগদত্ত বীৰ দৈমালু, আদা কাচিৰাম, জউলীয়া দেৱান, চিখনা জৗহৗলাউ আদি বীৰ, গাম্বাৰী চিখ্‌লা মঙ্গেলীছিখ্‌লা, উষা, বেওলা, সাবিত্ৰী আদি বীৰাঙ্গনাসকলৰ কাহিনী খেৰাই নৃত্যত খুব চুটিকৈ প্ৰদৰ্শন কৰা হয়। বোৱাৰীয়েকক বিচাৰি যোৱা 'জাবাফাগ্ৰা'ৰ কাহিনীকো গীত আৰু নৃত্যৰ যোগেদি আমোদজনক ভাবে প্ৰদৰ্শন কৰা হয়। বড়োসকলৰ ঐতিহ্যপূৰ্ণ নগৰ যেনে ডিমাপুৰ, মাইবং খাচপুৰ আদিৰ উল্লেখ কৰি গীত মাত গোৱা হয়।

সামৰণিঃ—বড়োসকলৰ খেৰাই নৃত্য অকল যে ঐতিহ্যৰ বাহন এনে নহয় ই বড়োসকলৰ ভাষা, সংস্কৃতিৰ ৰক্ষণতো প্ৰধান অৰিহনা যোগাই আহিছে। কিন্তু আজি বড়োসকলৰ অতি আদৰৰ খেৰাই নৃত্য ক্ৰমে লুপ্ত হব ধৰিছে। ইয়াৰ কাৰণ প্ৰধানতঃ দুটা (১) বড়োসকলৰ নিজ বাথৌ পূজা ত্যাগ আৰু (২) ৰাজকীয় পৃষ্ঠপোষকতাৰ অভাৱ।

বাথৌ পূজাৰ লগত খেৰাই নৃত্য ওতঃপ্ৰোত ভাবে জড়িত। য'ত বাথৌ পূজা অনুষ্ঠিত হৈছিল তাতেহে খেৰাই নৃত্য প্ৰদৰ্শন কৰা হৈছিল। কিন্তু বড়োসকলে নিজ ধৰ্ম্ম ত্যাগ কৰি অন্যান্য ধৰ্মত দীক্ষিত হোৱা হেতু

লগে লগে খেৰাই নৃত্য প্ৰদৰ্শন কৰিবৰ বাবে সুবিধাও হেৰাইছিল। কম সংখ্যক বড়ো সকলেহে বাথৌ পূজা কৰি খেৰাই নৃত্য প্ৰদৰ্শন কৰাই খেৰাই কৃষ্টিক জীয়াই ৰাখিছে। খেৰাই নৃত্য বাথৌ বেদীৰ সন্মুখত কৰা হয় যদিও অৱশ্যে আজিকালি বাথৌৰ দৃশ্য সজা নসজোৱাকৈও আধুনিক ৰঙ্গমঞ্চত নৃত্য কৰি ইয়াৰ বিকাশ আৰু বিস্তৃতি লাভ কৰিব পাৰে।

বড়ো সকলৰ খেৰাই নৃত্য আজিও শিক্ষিত লোকৰ হাতত পৰা নাই। নিৰক্ষৰ হোজা লোক সকলেই এই নৃত্য প্ৰদৰ্শন কৰা বাবে কোনোৱে মৰ্য্যাদা দিব নোখোজে। অসমৰ সংজ্ঞাবিদ সকলেও আদিম অধিবাসীৰ মাজত প্ৰচলিত নাচ গান বুলি হেয় জ্ঞান কৰে আৰু এইবোৰত উচ্চস্তৰৰ কোনো ধৰণৰ তাল মান নোহোৱা যেন বিবেচনা কৰে। বড়ো-জনজাতীয় সকলৰ 'খেৰাই নৃত্য' আদি লোক নৃত্যবোৰে চৰকাৰী পৃষ্ঠপোষকতা লাভ কৰিব পৰা নাই। কিন্তু কেবল শংকৰী বিহু বা দশাৱতাৰ নৃত্যই অসমৰ থলুৱা কৃষ্টি হব নোৱাৰে। বড়ো-জনজাতীয় লোকনৃত্য বোৰেও চৰকাৰী প্ৰচাৰ মাধ্যমৰূপে ৰজাঘৰীয়া চৰ্চাৰ সমাদৰ পাব লাগে। তাৰোপৰি অসমৰ থলুৱা জনজাতীয় গোষ্ঠীৰ কলা কৃষ্টিৰ বিকাশৰ বাবে সৰ্বপ্ৰকাৰে সহায় কৰিব লাগে।

খেৰাই নৃত্যত সম্যক গতি, সুৰ, তাল আৰু মানৰ অভাৱ নাই। এবাৰ দিল্লীত 'গণৰাজ্য দিবস' উপলক্ষে কৰা খেৰাই নৃত্যৰ দৃশ্যত মুগ্ধ হৈ ৰুচীয়াৰ সংস্কৃতি উপমন্ত্ৰী আৰু ছোভিয়েটৰ সংস্কৃতি বিভাগীয় নেতা মি, এন্ এন্ বেচগাল্‌ভে কৈছিল- "They are not wanting in rythm, verve end vigour. They proclaimed the peasants 'joiede virve' and their sponteneous an unhifted gesture endear them to the beholder." আক্ষেপৰ বিষয় যে অসম তথা ভাৰতৰ কোনো দেশীয়ে লোকৰ পৰাই খেৰাই বা লোক নৃত্যই এনে প্ৰশংসা কোনো দিনে পোৱা নাছিল। খেৰাই নৃত্যৰ এনে অন্তৰ্নিহিত গুণাগুণ ভাৰতৰ বাইজে বুজি উঠিলে কথাকলি, ভাৰত নাট্যম আদি উচ্চাংগ পৰ্য্যায়ৰ নৃত্যৰ দৰে ইও উচ্চ মূল্যায়ণৰ দাবী কৰিব পাৰিব।

*

'গিৰিন্দ্ৰ ব্ৰহ্ম দৈমাৰীৰ প্ৰকাশিত প্ৰবন্ধৰ সহায় লোৱা হৈছে।



# পৰিবৰ্ত্তন



সবিতা দেৱী
স্নাতক ১ম বাৰ্ষিক

নিনাদিত !
নহয়—আলোড়িত
গোটেই জগত—বুভুক্ষাত।
আৰ্ত্তনাদে জুমুৰি ধৰিছে—বসুধা বুকুত
ৰৈ আছে চামে চামে নিষ্পেষিত জনতাই
মৃত্যুৰ ক্ষন গনি।
তথাপি—
এই কঙ্কালৰূপী জনতাই
মোহ গৈছে—
অজ্ঞাতসাৰে- হয়তো জ্ঞাতসাৰে
শৰতৰ শেৱালীৰ
এটি মিছা আশ্বাসত
তথাপি—
তেওঁলোক অগ্ৰসৰ
স্ৰোতস্বিনীৰ দৰে।
অভিলাষ মাথো জীয়াই থকাৰ—
হাবুডুবু খাইছে তৰঙ্গত।
জোঁৱাৰ উঠিছে মাথো
মায়া মৰিচীকাৰ।
কিন্তু !
কালৰ সৰ্পিল গতিত
ব্যৰ্থ হ'ল আজি—
যাদুকৰৰ যাদু।
গতিপথ আজি ওভতমুখী
উদিত ভানু আজি
ৰঙা পতাকাত।
উশৃঙ্খল সোঁত আজি
ধীৰ-শান্ত হ'ল—
তিৰ্‌বিৰ্ কৰি উঠ
কৃষ্ণচূড়াৰ পাহিত।

প্ৰবন্ধ

# ভাৰতৰ ৰাষ্ট্ৰযন্ত্ৰ

## আৰু

## শোষিত জনগণৰ পথ

শ্ৰীঅনুপমা কলিতা
বি-এ ১ম বাৰ্ষিক

দুশ বছৰীয়া বৃটিছ শাসন শোষণে ভাৰতৰ সাংস্কৃতিক অৰ্থনৈতিক আৰু ৰাজনৈতিক জীৱন পঙ্গু কৰি পেলাইছিল। তাৰ পিছত আৰম্ভ হৈছিল বৃটিছৰ শাসন শোষণৰ আদৰ-কায়দাৰে পৰিপুষ্ট স্বদেশী কংগ্ৰেছী শাসন। তাৰ জলন্ত নিদৰ্শন জনগণে পালে। তাৰ পিছত ২১ মাৰ্চ '৭৭অত ক্ষমতালৈ আহিছিল নতুন দল জনতা। ১৯ মাহৰ বন্দীশাল আৰু নিশ্বাস ৰুদ্ধকাৰী দানবৰ কবলৰ পৰা জনগণে মুক্তি পালে, পালে এক মুক্ত বতাহ: এক ঐতিহাসিক ৰাজনৈতিক পৰিবৰ্ত্তন ঘটিল-কিন্তু চলিত অৰ্থনৈতিক ব্যৱস্থাৰ কোনো পৰিবৰ্ত্তন নহ'ল। বিগত ৪৭ চনৰ পৰা অৰ্থনৈতিক দাবী বিলাকক আগত ৰাখিয়েই ভাৰতৰ জনগণে ভাৰতৰ শাসক আৰু শোষক শ্ৰেণীৰ কবলৰ পৰা কিছু সকাহ পাবলৈ গণতান্ত্ৰিক আন্দোলন পৰিচালিত কৰিলে। সাম্ৰাজ্যবাদী, অৰ্দ্ধসামন্ততান্ত্ৰিক আৰু একচেটিয়া পুঁজীবাদী শোষণৰ ওপৰত প্ৰতিষ্ঠিত এই চলিত অৰ্থনীতিৰ ৰক্ষক শোষক শ্ৰেণীৰ দমন মূলক হাতিয়াৰ বুৰ্জোৱা জমিদাৰৰ ৰাষ্ট্ৰযন্ত্ৰই এইবোৰ আন্দোলনক কঠোৰ হাতেৰে দমন কৰি গৈছে, সংগ্ৰামী মানুহৰ ওপৰত পুলিচ মিলিটাৰীৰ জঘন্য নিৰ্য্যাতন জাপি দিছে। ক্ষেত্ৰ বিশেষে আইনী পন্থাৰে পৰিচালিত গণতান্ত্ৰিক আন্দোলনকো বে-আইনী ঘোষণা কৰিছে। অৰ্থাৎ স্পষ্ট হৈ পৰিছে যে আজি আৰু জন-সাধাৰণৰ কোনো দাবীকেই লাগিলে সি যিমান ন্যায়সংগত নহওক কিয় শাষক-শোষক শ্ৰেণীয়ে পূৰণ কৰিবলৈ সমৰ্থ নহয়। শোষণত আঘাট লগা, শোষণ বিৰোধী যি কোনো সংগ্ৰামকেই প্ৰতিক্ৰিয়াশীলসকলৰ সিহঁতৰ সামৰিক, অৰ্দ্ধ সামৰিক, ৰাষ্ট্ৰযন্ত্ৰৰ সহায়ত দমন কৰিবলৈ সাজু। ইয়াত আমি নিৰ্য্যাতিত মানুহে আচৰিত নহৈ তাৰ পৰা শিক্ষা লৈ ভৱিষ্যতৰ সংগ্ৰামৰ কাৰণে নতুন পথেৰে আগবাঢ়ি যোৱাটোৱে মুখ্য কাম হব। পূজিবাদী সমাজ ব্যৱস্থাৰ পতন এটা ঐতিহাসিক সত্য। সেয়েহে ভাৰত বৰ্ষৰ দৰে শোষিত দেশ এখনৰ জনগণে নিজৰ মুক্তিৰ বাবে নতুন প্ৰতিক্ৰীয়াশীল চক্ৰৰ প্ৰৰোচনাত আত্মজাহ নগৈ যি প্ৰক্ৰিয়াৰে বিশ্বৰ আন কেইখন ৰাষ্ট্ৰই সমাজ তন্ত্ৰ ৰচনা কৰি নিপীড়িত জনগণক শোষণৰ কবলৰ পৰা মুক্তি দি বিশ্বৰ ইতিহাস সৃষ্টি কৰি গৈছে সেই পথ লোৱাৰ বাহিৰে আন উপায় নাই। কাৰণ তেজপিয়া বাঘে যদি খদ্দৰ, এৰি. মাৰ্কিন পিন্ধি তেজপিয়া স্বভাৱ এৰা বুলি কোৱাতেই বিশ্বাস কৰো তেন্তে ই হব আমাৰ এক অক্ষমনীয় অপৰাধ।

আজিৰ এই সমাজ ব্যৱস্থাই এইটো স্পষ্ট প্ৰমাণ কৰে যে উৎপাদন ব্যৱস্থাত যিটো শ্ৰেণীয়ে আধিপত্য কৰে. ৰাষ্ট্ৰযন্ত্ৰ এই শ্ৰেণীটোৰেই নিয়ন্ত্ৰনাধীন হয়। আজি ভাৰতবৰ্ষ বা এনেকুৱা সমাজ ব্যৱস্থাৰ ৰাষ্ট্ৰবোৰত উৎপাদনৰ আহিলাবোৰৰ গৰাকী মালিক শ্ৰেণী। এই মালিক শ্ৰেণীৰ নিৰ্দেশত বা স্বাৰ্থত ৰাষ্ট্ৰযন্ত্ৰ উঠা বহা কৰি প্ৰকৃত উৎপাদনৰ গৰাকী শ্ৰমিক কৃষকক দমন কৰি ৰাখিছে। গতিকে প্ৰকৃত ক্ষমতা হস্তান্তৰ বা শ্ৰমিক কৃষকৰ মুক্তিৰ বাবে পুৰণি ৰাষ্ট্ৰযন্ত্ৰ আৰু মালিক শ্ৰেণীৰ বিৰুদ্ধে শ্ৰমিক কৃষকে সংগঠিত ভাৱে শক্তি প্ৰয়োগ কৰাটো অনিবাৰ্য্য হৈ পৰিছে। কাৰণ সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তনৰ বাবে চেষ্টা কৰা নতুন শ্ৰেণীটোৰ বিৰুদ্ধে শাসক চক্ৰই ৰাষ্ট্ৰযন্ত্ৰৰ সকলো শক্তিয়েই ব্যৱহাৰ কৰি আহিছে।

সংসদী গণতন্ত্ৰৰ মাধ্যমেৰে কেনো দিনেই শ্ৰমিক কৃষক দুখীয়া মানুহৰ মুক্তি অসম্ভৱ। সেইবাবে প্ৰত্যেক শোষিত মানুহক শ্ৰেণী চেতনাৰ মাধ্যমেৰে তীব্ৰ শ্ৰেণী সংগ্ৰামত লিপ্ত হোৱাৰ পথ দেখুৱাই শ্ৰেণীশত্ৰুক চিনাক্ত কৰি দিয়াটো বৰ্ত্তমান সমগ্ৰ প্ৰগতিশীল বুদ্ধিজীৱি আৰু সমাজ সচেতন ব্যক্তিৰ কৰ্ত্তব্য। তেখেত সকলে ব্যক্তি স্বাৰ্থ পৰিহাৰ কৰি দেশৰ দৰিদ্ৰ জনগণক মুক্তিৰ পথ দেখুৱাই দি প্ৰকৃত সমাজ বাদ গঢ়ি তুলিবলৈ তৎপৰ হওঁক। এই দায়িত্ব পালন নকৰিলে ইতিহাসে বা পৰবৰ্ত্তী বংশধৰ বোৰে তেওঁলোকক কেতিয়াও ক্ষমা নকৰিব।

ভাৰতৰ সংসদী গণতন্ত্ৰ বোলোতে সাধাৰণতে বৰ্ত্তমান অৱস্থাত চলিথকা ধনিক শ্ৰেণীৰ সংসদী গণতন্ত্ৰক বুজোৱা হয়। এই সংসদী গণতন্ত্ৰ ভাৰতত ১৯৪৭ চনৰ পিচত সৃষ্টি হয়। বিদেশী সাম্ৰজ্যবাদী শোষক বৃটিছক দেশৰ পৰা খেদাৰ বাবে যি শ্ৰমিক কৃষক, মধ্যবিত্তৰ মুক্তি সংগ্ৰাম আৰম্ভ হৈছিল তাক অতি সু-কৌশলেৰে আয়ত্বাধীন কৰি সেই সময়ৰ ভাৰতৰ ভাগ্যনিয়ন্তা সকলে পুজিবাদী ব্যৱস্থাৰ ৰক্ষাৰ বাবেহে সংগ্ৰামী শ্ৰমিক-কৃষক মধ্যবিত্তক বিপথে পৰিচালিত কৰিলে। জনগণৰ মুক্তি সংগ্ৰামৰ কাষত ঠিয় হোৱা ভাওঁ ধৰি শ্ৰমিক-কৃষকৰ প্ৰকৃত চিন্তাধাৰাৰ দুৰ্বলতাৰ সুযোগ লৈ সিহঁতৰ কান্ধত বন্দুক ৰাখি এই সুবিধাভোগী নেতৃত্বই সিহঁতৰ নিজ শ্ৰেণী-স্বাৰ্থ ৰক্ষা কৰে। ফলত বিদেশী শাসনৰ ঠাইত স্বদেশী শাসন প্ৰৱৰ্ত্তন হয় যদিও ৪৭ চনৰ পিচত ভাৰতৰ অশিক্ষিত নিৰক্ষৰ জনগণক ঠগোৱা বুৰ্জোৱাৰ মূল হাতিয়াৰ এই সংসদী গণতন্ত্ৰৰ মাধ্যমেৰে স্বদেশী আৰু বিদেশী দুয়োটা শোষণৰ দুৱাৰ পূৰ্ণভাৱে খোলা ৰখা হয়।

যদিও এই সংসদী গণতন্ত্ৰ বুৰ্জোৱা শ্ৰেণীৰ সৃষ্টি তথাপি সময়ত এই বুৰ্জোৱা শ্ৰেণীয়ে ইয়াক ধ্বংস কৰে। সামন্ত শ্ৰেণীৰ তুলনাত কিছু গণতান্ত্ৰিক আৰু প্ৰগতিশীল বুৰ্জোৱা শ্ৰেণীয়েই নিজৰ সুবিধা আৰু সংসদী আৱৰণৰ তলত নিজৰ শ্ৰেণী স্বাৰ্থ ৰক্ষাৰ কাৰণে গণতন্ত্ৰৰ সৃষ্টি কৰে। এইটো স্বীকাৰ কৰিবলগীয়া যে এই সংসদী মাধ্যমত জনসাধাৰণে যিখিনি সুবিধা পায় সেইখিনি গ্ৰহণ কৰে। সময়ত এই সংসদী গণতন্ত্ৰ বুৰ্জোৱা শ্ৰেণীৰ বাবে খাপ নোখোৱা হৈ পৰে। এই সংসদী প্ৰতিষ্ঠানে বুৰ্জোৱা শ্ৰেণীৰ স্বাৰ্থ ৰক্ষা কৰিব নোৱাৰা হৈ পৰে। তেতিয়া নিষ্ঠুৰ আঘাটেৰে বুৰ্জোৱা শ্ৰেণীয়েই নিজৰ সৃষ্টি সংসদী গণতন্ত্ৰ ধ্বংস কৰি তেওঁলোকৰ ফেঁচীবাদী নিৰ্লজ্জ নিৰ্দয় একনায়কত্ব প্ৰতিষ্ঠা কৰে। পৃথিবীৰ ইতিহাসত ইয়াৰ যথেষ্ট উদাহৰণ পোৱা যায়। তাৰ ভিতৰত ভাৰতত ১৯৭৫ চনত ইন্দিৰাৰ শাসনত এনে জনস্বাৰ্থ বিৰোধী নীতিয়ে স্পষ্ট আৰু চুৰান্ত অৱস্থা পায়গৈ। নিজৰ গাদী কটকটীয়া কৰাৰ উদ্দেশ্যে সৰ্ব্বপ্ৰকাৰ দুৰ্নীতি, উৎপীড়ণ, শোষণ চলালে। প্ৰায় দেশতে ইন্দিৰা চৰকাৰৰ বিৰুদ্ধে গণতান্ত্ৰিক আন্দোলন গঢ়ি উঠিল। সৰ্ব্বস্তৰৰ ৰাইজৰ যোগেদি। ইন্দিৰাৰ শাসনৰ গাদী কপি উঠিল। প্ৰগতিশীল সংগঠন ক্ৰমে সু-সংহত হৈ আছে। এনে অৱস্থাত সংকট যেতিয়াই তীব্ৰতৰ হৈ আহিল প্ৰতিক্ৰীয়াশীল সকলে নিজৰ শ্ৰেণী স্বাৰ্থ ৰক্ষাৰ বাবে বিভিন্ন কৌশল অৱলম্বন কৰাৰ দৰে ইন্দিৰা চৰকাৰেও জনসাধাৰণক বিভ্ৰান্ত কৰি আধা ফেঁচিবাদী ৰূপ ধাৰণ কৰে। ইন্দিৰাই ফেচিবাদী একনায়কত্ব প্ৰতিষ্ঠাৰ বাবে উঠি পৰি লাগে। মুচোলিনি আৰু হিটলাৰে ক্ৰমে ইটালী আৰু জাৰ্মানীত যি পথ লৈছিল ইন্দিৰাও একে পথ বাচি ললে।

আন হাতেদি পুঁজিবাঁদৰ বাবে এই সংসদী গণতন্ত্ৰই হৈছে যথা সম্ভৱ সৰ্ব্বশ্ৰেষ্ঠ ৰাজনৈতিক খোলা। গতিকে অতি শ্ৰেষ্ঠ খোলাটোৰ ওপৰত এবাৰ পুজিবাঁদে কৰ্তৃত্ব লাভ কৰিব পাৰিলে ইয়াৰ ক্ষমতা ইমান নিশ্চিত ৰূপে প্ৰতিষ্ঠা কৰে যে সংসদী গণতন্ত্ৰত ব্যক্তি প্ৰতিষ্ঠান অথবা পাৰ্টি যিয়েই পৰিবৰ্ত্তন নহওঁক ইয়াৰ অৰ্থনৈতিক কাঠামো পৰিবৰ্ত্তন কৰিব বা লৰাব নোৱাৰে। তাৰ প্ৰমাণ স্বৰূপে ত্ৰিশ বছৰে শাসন কৰা কংগ্ৰেছক এই সংসদী গণতন্ত্ৰৰ মাধ্যমেৰে পৰিবৰ্ত্তন কৰি জনতা শাসনৰ গাদী লৈ আহিছিল যদিও ভাৰতৰ অৰ্থনৈতিক অৱস্থা আগৰ দৰেই থাকিল। জমিদাৰ, একচেটিয়া পুজিপতি সাম্ৰাজ্যবাদীৰ স্বাৰ্থ ৰক্ষাকাৰী কংগ্ৰেছৰ স্বৈৰাচাৰী শাসনৰ ওৰ পেলাই ভাৰতীয় জনগণে যিটো দলক শান্তিপূৰ্ণভাৱে গাদীত বহুৱালে সেই দলৰ চৰকাৰেও জমিদাৰ পুজিপতি সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে মাত মাতিব নোৱাৰিলে। গতিকে এটা ৰাজনৈতিক পৰিবৰ্ত্তনৰ বাদে। ভাৰতীয় মানুহে তাতকৈ একো বেছি পোৱা নাছিল। চলিত ব্যৱস্থাত ধনী শ্ৰেণীৰ যি কোনো চৰকাৰে যিমানেই অৰ্থনৈতিক প্ৰগতিৰ জয়গান নেগাওক কিয় ইতিহাস বিশ্বাসী মেহনতী মানুহে জানে যে জমিদাৰ পুজিপতি শ্ৰেণীৰ উৎখাত অবিহনে শ্ৰমজীৱি জনসাধাৰণৰ মুক্তি অসম্ভৱ।



ভাৰতবৰ্ষৰ বৰ্ত্তমানৰ তথা কথিত স্বাধীনতা অৰ্থাৎ শাসন ক্ষমতাৰ ৰাজনৈতিক লেকামডাল জমিদাৰ পুজিপতি আৰু সাম্ৰাজ্যবাদক উৎখাত নকৰাকৈ পোৱা হস্তান্তৰ ক্ষমতা। গান্ধীজীৰ ভাষাত অহিংসা পথেৰে পোৱা স্বৰাজ। অৰ্থাৎ মাত্ৰ শাসনৰ লেকাম টনা মানুহখিনি বিদেশীৰ ঠাইত স্বদেশী কৰণ কৰা। তাৰ ফল স্বৰূপে বিদেশী বৃটিছে প্ৰকাশ্যে শাসন এৰি স্বদেশী শাসক আৰু শোষকৰ লগ হৈ বৰ্ত্তমানো ভাৰতবৰ্ষৰ অৰ্থনৈতিক ব্যৱস্থা নিয়ন্ত্ৰণ কৰি আছে। তাৰ জলন্ত নিদৰ্শন ভাৰতৰ মাটিত ভাৰতৰ কেচা মাল আৰু সস্তীয়া শ্ৰমিক নিয়োগ কৰি ভাৰততে বিভিন্ন বস্তু উৎপাদন কৰি সেই সামগ্ৰীবোৰ ভাৰতৰ বজাৰত বিক্ৰী কৰি বছৰি শ শ কোটি টকা অবাধভাৱে লুণ্ঠন কৰি বৃটিছ মালিকবোৰে নিয়েই আছে। তাৰ জলন্ত প্ৰমাণ বৰ্ত্তমান অসমৰ চাহ বাগিচাৰ পৰা বৃটিছ বিলাকে বছৰি ৭০০ কোটিৰো অধিক টকা লাভ লৈ যায়। আন হাতেদি ভাৰতৰ বুকুত প্ৰতিষ্ঠিত জেনেৰেল ইলেকট্ৰিক, 'গ্ৰেক্স লেবৰেতৰী' অশোক লিলেণ্ড লিমিটেড, ব্ৰুক বণ্ড ইণ্ডিয়া, ডানলপ ৰাবাৰ, গেষ্টকিন এণ্ড উলিয়ামচ' হিন্দুষ্টান লিভাৰ লিমিটেড, ইম্পিৰিয়েল টবেকো, ইন্দিয়ান অক্সিজেন, ইন্দোবাৰ্মা পেট্ৰোলিয়াম, মেটেল বক্স, বজিৰ টবেকো, আদি বৃহৎ উদ্যানবোৰৰ মালিক ইংৰাজ বিলাক। লগতে দেশীয় শাসকৰ অবিহনাত বিদেশী সাম্ৰাজ্যবাদ আমেৰিকা চুইজাৰলেণ্ড আদিৰ উদ্যোগ ক্ৰমে 'কেলটেক্সৱেল, গুডইয়াৰ আৰু বাটাচু কোম্পানী, চিবা ইণ্ডিয়া লিমিটেড, আদিয়ে ভাৰতত অবাধ ভাৱে চলাই ভাৰতৰ মানুহক শোষণ কৰিয়ে আছে। গান্ধীৰ আদৰ্শৰ গায়না লৈ বত্ৰিশ বছৰে শাসক শ্ৰেণীয়ে পুজিবাদৰ দালালি কৰি দেশীয় পুজি পতি জমিদাৰ সকলৰ স্বাৰ্থ ৰক্ষা কৰাৰ উপৰিও বিদেশী সাম্ৰাজ্যবাদী শক্তিবোৰক হাত বাউলি দি আনি দেশৰ ৰৰপিৰাত বহুৱাইছে। পুজিবাদ সামন্তবাদ, সাম্ৰাজ্যবাদৰ পুতলা চৰকাৰ পুৰ্ব্বৰ কংগ্ৰেছ, জনতা ভৱিষ্যতে যিয়ে নহওক ইহতে শ্ৰেণী স্বাৰ্থ অক্ষুণ্ণ ৰাখিবলৈ শোষণ বিৰোধী যি কোনো সংগ্ৰামকেই প্ৰতিৰোধ দি আহিছে আৰু ভৱিষ্যতেও তীব্ৰতৰ ভাৱে প্ৰতিৰোধ দিব। ই হ'ল শ্ৰেণী স্বাৰ্থ। ভাৰতবৰ্ষত সকলো ধৰণৰ শোষণ ৰোধ কৰিবলৈ হ'লে বৰ্ত্তমান চলিত ব্যৱস্থাটোক উৎখাত কৰি অৰ্থনৈতিক কাঠামো পৰিবৰ্ত্তন কৰিবই লাগিব। ই সংসদী গণতন্ত্ৰৰ মাধ্যমেৰে সমাধান হোৱাৰ উদাহৰণ পৃথিবীৰ ইতিহাসত নাই আৰু হবওঁ নোৱাৰে।

ভাৰতবৰ্ষৰ মানুহে এই সকলোবোৰ চলিত ব্যৱস্থাৰ লক্ষ্য কৰি সকলো ধৰণৰ শোষণৰ, গোলামীৰ পৰা মুক্ত হবলৈ হলে এটা মাত্ৰ পথ সন্মুখত আছে। এই পথ ইতিহাসে দেখুৱাই দি গৈছে। আমি ইতিহাসক বাদ দি চলিব নোৱাৰো। বিশ্বৰ এক তৃতীয়াংশ মানুহে বিশ্বত বাস্তৱ ইতিহাস সৃষ্টি কৰিছে—দেখুৱাই দিছে শ্ৰমিক-কৃষক, নিম্নমধ্যবৃত্তৰ মৈত্ৰাত এখন শ্ৰেণীহীন, শোষণ মুক্ত নতুন সমাজ সৃষ্টি কৰাৰ পথ। আমি ভাৰতবৰ্ষতো সেইবোৰ উদাহৰণৰ পৰা শিক্ষা

লৈ সাম্রাজ্যবাদ, পুজিবাদ আৰু সামন্তবাদ এই জনবিৰোধী তিনি শক্তিক ধ্বংস কৰি শ্ৰমজীৱি লোকৰ শাসন ব্যৱস্থা প্ৰতিষ্ঠা কৰিব লাগিব—আমাৰ শ্ৰেণী স্বাৰ্থ ৰক্ষাৰ বাবে। কিন্তু এই শোষণ হীন সমাজ ব্যৱস্থা অৰ্থাৎ সমাজবাদ শান্তি পূৰ্ণভাৱে নিৰ্ব্বাচনৰ মাধ্যমেৰে বা সংসদী মাধ্যমেৰে হোৱা পৃথিবীৰ ইতিহাসত নাই। বৰ্ত্তমান অৱস্থাত ভাৰতবৰ্ষৰ গাওঁ অঞ্চলৰ কৃষকসকল আৰু চহৰ অঞ্চলত অনুন্নত পৰিবেশৰ লোকসকল অৰ্থাৎ শতকৰা ৭০ জন মানুহে নিৰক্ষৰ আৰু দেশৰ ৰাজনীতিৰ বিষয়ে অজ্ঞান। এই অৱস্থাত আমি লক্ষ্য কৰিব লাগিব যে সাৰ্ব্বজনীন ভোটাধিকাৰ শোষক শাসক বুৰ্জ্জোৱা শ্ৰেণীৰ জনগণক ঠগোৱা এক হাতিয়াৰ। এই সাৰ্ব্বজনীন ভোটাধিকাৰৰ দ্বাৰা ধনী দালালবোৰে অজ্ঞ জনগণক ফুচুলাই ঠাগাই নিৰ্ব্বাচনত জয়ী হয়। তেওঁলোকে নিজে ভাৱে আৰু জনসাধৰণৰ মনত এই ভুৱা ধাৰণা সুমুৱাই দিয়ে যে আধুনিক ৰাষ্ট্ৰত শ্ৰমজীৱি মানুহৰ অধিকাংশই ইচ্ছা নিৰ্ণয় কৰিবলৈ আৰু সেই ইচ্ছা পুৰণ কৰিবলৈ সাৰ্ব্বজনীন ভোটাধিকাৰ পাবলৈ সক্ষম হয়।

ভাৰতৰ সকলো সমস্যা সমাধানৰ মূল চাবিকাঠি যে নিৰ্ব্বাচন নহয় তাৰ জলন্ত প্ৰমাণ একত্ৰিশ বছৰৰ অভিজ্ঞতাই দিয়ে। কিমান নিৰ্ব্বাচনত জনগণে ভোট দিলে, কিমান প্ৰতিশ্ৰুতি শুনিলে। কিন্তু জনগণে কিবা জানো পৰিবৰ্ত্তন পালে ? বা বিশ্বৰ পুজিবাঁদী দেশবোৰত নিৰ্ব্বাচনৰ মাধ্যমত দেশৰ অৰ্থনৈতিক পৰিবৰ্ত্তনৰ কিবা প্ৰমাণ আছে জানো? সেয়েহে বিশ্বৰ বিগত ইতিহাসে প্ৰমাণ কৰি দেখুৱাইছে সকলো সমস্যা সমাধানৰ মুল চাবি কাঠি হৈছে অৰ্থনৈতিক কাঠামোৰ আমুল পৰিবৰ্ত্তন বা ৰূপান্তৰ। নিশ্চয় চলিত ব্যৱস্থা উচ্ছেদ কৰিবলৈ হলে শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত শ্ৰমিক-কৃষক, নিম্নমধ্যবিত্তৰ মৈত্ৰীৰ ভিত্তিত সংগঠিত ভাৱে গণ বিপ্লৱ কৰাৰ বাবে প্ৰস্তুতি চলাব লাগিব। শ্ৰমিক-কৃষকক সংগঠিত কৰি সিইতক ৰাজনৈতিক ভাৱে পৰিপুষ্ট কৰি চাৰিও ফালে আৱাজ তুলিব লাগিব। নিৰ্ব্বাচনৰ মাধ্যমেৰে সমস্যা সমাধান হব নোৱাৰে। সমস্যা সমাধান হব গণতান্ত্ৰিক বিপ্লৱৰ মাধ্যমেৰে।

কিন্তু মাৰ্ক্স লেনিনে কৈছে, স্থান, কাল পাত্ৰ অনুযায়ী পাৰ্লিয়ামেণ্টৰ পদ্ধতিক গণআন্দোলনৰ ও সংগ্ৰামৰ কৌশল হিচাবে প্ৰয়োগ কৰা যাব পাৰে যি মুহুৰ্ত্তলৈকে জনগণ সচেতন নহয়। কিন্তু এই কৌশল চিৰদিনে বাহাল নাথাকিব। অৱশ্যে জনগণক সচেতন কৰাৰ বাবে প্ৰকৃত বিপ্লৱী পাৰ্টিয়ে অৰ্থনৈতিক দাবীৰ ভিত্তিত আগবঢ়াই নি তাক ৰাজনৈতিক ৰূপ দিয়াৰ প্ৰকৃত দায়িত্ব বহন কৰিবই লাগিব। ই অৰ্থনৈতিক বাদত সীমাবদ্ধ থাকিব নোৱাৰিব।

আকৌ আনহাতেদি শান্তিপূৰ্ণ সংসদী পথেৰে সমাজবাদলৈ উত্তৰণ মূৰ্খৰ অলিক কল্পনাৰ বাদে অইন একো নহয়। এই প্ৰশ্নৰ উত্তৰ 'চিলিৰ ঘটনাই সুন্দৰ ভাৱে দিয়ে। ১৯৭০ চনত চিলিত নিৰ্ব্বাচনৰ মাধ্যমেৰে



চোচিয়েলিষ্ট পাৰ্টিৰ নেতা ডঃ চলভেডাৰ এলেণ্ডিৰ নেতৃত্বত সংযুক্ত পপুলাৰ ইউনিটি চৰকাৰ প্ৰতিষ্ঠিত হয়। চোচিয়েলিষ্ট পাৰ্টি বুলিলেও আচলতে ডঃ এলেণ্ডি আছিল মাৰ্ক্স পন্থী নেতা। এই চৰকাৰে সমাজবাদ অনাৰ বাবে পৰিকল্পনা কৰে। ইতিমধ্যে কেইটামান খনিশিল্প ৰাষ্ট্ৰীয়কৰণ কৰে। মুল্যবৃদ্ধি যথেষ্ট পৰিমাণে হ্ৰাস হয়। শ্ৰমিকৰ বেতন বাঢ়ে। জমিদাৰী উচ্ছেদ, দুখীয়া আৰু ভূমিহীন কৃষকৰ মাজত বিনামুলীয়াকৈ মাটি বিতৰণৰ পৰিকল্পনা গ্ৰহণ কৰে; কিন্তু দুৰ্ভাগ্যৰ কথা এই চৰকাৰ প্ৰতিষ্ঠিত হোৱাৰ মাত্ৰ তিনি বছৰ পিছতেই ১৯৭৩ চনত সাম্ৰাজ্যবাদী আমেৰিকাই মিলিটাৰি অভ্যুত্থান ঘটাই ডঃ এলেণ্ডিক হত্যা কৰি পপুলাৰ ইউনিটি চৰকাৰক উচ্ছেদ কৰে। চিলিৰ এই ঘটনাই আমাক শিক্ষা দিয়ে যে এই বিষয়ে আলোচনা কৰাৰ যথেষ্ট গুৰুত্ব আৰু প্ৰয়োজন আছে। এই আলোচনাৰ মাজতে শান্তিপুৰ্ণ সংসদী পথেৰে সমাজবাদ সম্ভৱ হয়নে নহয় তাৰ উত্তৰ ওলাই পৰে। আনহাতে ইণ্ডোনেচিয়াৰ ঘটনায়ো এই সত্যতা দৃঢ় কৰে। ইণ্ডোনেচিয়াত সুকৰ্ণৰ শাসন কালত ইণ্ডোনেচিয়াস কমিউনিষ্ট পাৰ্টিয়েও চৰকাৰ গঠনত ভাগ লৈছিল। শেহত সংগঠিত প্ৰতি বিপ্লৱী শক্তিৰ দ্বাৰা সুকৰ্ণৰ শাসনৰ উচ্ছেদ কৰা হয় আৰু ৰাজপথত হেজাৰ হেজাৰ কমিউনিষ্টক হত্যা কৰা হয়।

এই বিলাক ঘটনা আৰু পৃথিবীৰ সমগ্ৰ সমাজবাদী দেশৰ বিপ্লৱী ইতিহাসে এই কথা দেখুৱাই দিয়ে যে জনসাধাৰণৰ সশস্ত্ৰ বিপ্লৱেহে কোনো দেশলৈ সমাজবাদ কঢ়িয়াই আনে। শান্তিপুৰ্ণ উপায়েৰে সমাজবাদলৈ উত্তৰণ কেতিয়াও হব নোৱাৰে।

এই সকলো কথাই দেখুৱাই দিছে যে বিপ্লৱৰ মাজেদি সমাজবাদ আহে। বিপ্লৱ বুলিলে মাৰ্ক্সবাদী দৃষ্টিভঙ্গীৰে বিপ্লৱী সূত্ৰনো কি ? লেনিনে উত্তৰ দিছে "এই বিপ্লৱ শ্ৰেণী সংগ্ৰামৰ ফলতে সৃষ্টি হয়। গৃহ যুদ্ধৰ যোগেদি এই বিপ্লৱ সমাধা হয়। শ্ৰেণী সংগ্ৰামে গৃহ যুদ্ধৰ অপৰিহাৰ্য্যতা প্ৰতিপন্ন কৰে। যিয়ে শ্ৰেণী সংগ্ৰামক স্বীকাৰ কৰি লয়, তেওঁ গৃহ যুদ্ধক অস্বীকাৰ কৰাৰ কথা থাকিব নোৱাৰে। গৃহযুদ্ধক নাকচ বা অস্বীকাৰ কৰিবলৈ যোৱাটো চৰম সুবিধাবাদৰ বাহিৰে আন একো নহয়।"

এইটো মন কৰিবলগীয়া যে আথৈ ফুটা সশস্ত্ৰ বিপ্লৱৰ গৰম লেকচাৰ বা লিখনিয়ে বিপ্লৱ আনিব বা সমাধান কৰিব নোৱাৰে। সশস্ত্ৰ বিপ্লৱ কৰিবলৈ বিপ্লৱী বনুৱা আৰু বিপ্লৱী পৰিবেশ সৃষ্টি কৰিব লাগিব। ভাৰত বৰ্ষৰ দৰে অন্ধ সংস্কাৰেৰে পৰিপূৰ্ণ দেশ এখনত বিপ্লৱ কৰিবলৈ হলে মাৰ্ক্সবাদী লেনিনবাদী পথেৰে গণ সংগঠনৰ মাধ্যমেৰে শ্ৰমিক কৃষকক একত্ৰিত কৰি লব লাগিব। বৰ্ত্তমান ভাৰতৰ পৰিস্থিতি লক্ষ্য কৰি গণ সংগঠনবোৰে কাম কৰিব লাগিব। গণতান্ত্ৰিক ঐক্যৰ ভেটি গঢ়ি তোলাৰ কামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। জনসাধাৰণৰ অৰ্থনৈতিক স্বাৰ্থবোৰ ৰক্ষা কৰাৰ সংগ্ৰামক ঠিকমতে ঐক্যবদ্ধ কৰি ৰাজনৈতিক ৰূপ দি পৰি-

চালনা কৰিব পাৰিলে এই সংগ্ৰামবোৰেই একচেতিয়া পুঁজিপতিৰ, জমিদাৰ সকলৰ অধিপত্যৰ বিৰুদ্ধে চলোৱা সংগ্ৰামত পৰিণত হৈ যাব আৰু সামাজিক অৰ্থনৈতিক অৱস্থা পৰিবৰ্ত্তনৰ সংগ্ৰামলৈ সম্প্ৰসাৰিত হৈ পৰিব।

ইয়াৰ বাবে প্ৰয়োজন ব্যাপক গণ সংগঠন। কৃষক শ্ৰমিক নিম্নমধ্যবিত্তৰ ঐক্য। শ্ৰমিক কৃষক শ্ৰেণীৰ বৈপ্লৱিক চেতনা বৃদ্ধি কৰাৰ বাবে বৈপ্লৱিক শিক্ষাৰ প্ৰয়োজন। সেয়েহে ভাৰতৰ প্ৰত্যেক প্ৰগতিশীল বাম আৰু গণতান্ত্ৰিক মানুহে এই দায়িত্ব পালন কৰাটো অত্যন্ত প্ৰয়োজন।

আনহাতে শোষিতৰ মুক্তি সংগ্ৰাম হ'ল বৃহত্তৰ জনসাধাৰণৰ স্বাৰ্থ জড়িত এক সামাজিক কাম। এই বিপ্লৱ ঐক্যবদ্ধ আৰু সুসংহত ভাবে হব লাগিব। কিন্তু সেই জনসাধাৰণক পৰিচালনা কৰাৰ বাবে সঠিক পথেৰে আগবঢ়াই নিয়াৰ কাৰণে বিপ্লৱী পাৰ্টিৰ প্ৰয়োজন। ভাৰতবৰ্ষৰ আগন্তুক বিপ্লৱৰ ক্ষেত্ৰতো সো আৰু বাওঁ বিচ্যুতি পৰিহাৰ কৰি বিপদত নপৰাকৈ বৃহত্তৰ জনসাধাৰণক নেতৃত্ব দিয়াৰ কাৰণে, সঠিক সঙ্কেত দিব পৰা বিপ্লৱৰ অগ্ৰগামী বাহিনী 'বিপ্লৱী পাৰ্টি" অপৰিহাৰ্য্য এই বিপ্লৱী পাৰ্টিৰ কাম হব বিভিন্ন ক্ষুদ্ৰ স্বাৰ্থৰে অন্ধ, আৰব্ধ আৰু বিচ্ছিন্ন জনসাধাৰণক সামূহিক শ্ৰেণীস্বাৰ্থৰে ঐক্যবদ্ধ কৰি শ্ৰেণী সংগ্ৰাম তীব্ৰতৰ কৰি নি সঠিক মুহূৰ্ত্তত চুৰান্ত আঘাট দিয়াৰ ব্যৱস্থা কৰা। গতিকে ভাৰতবৰ্ষৰ শোষিত বঞ্চিত জনসাধাৰণৰ মুক্তি সংগ্ৰামৰ বা অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক স্বাধীনতাৰ কাৰণে মাৰ্ক্সবাদ-লেনিনবাদৰ বিপ্লৱী তত্ত্ব আৰু বিপ্লৱী প্ৰেৰণাৰে পৰিপুষ্ট শ্ৰমিক শ্ৰেণী আৰু লগতে সহযোগী শক্তিবোৰেৰে গঠিত অগ্ৰগামী বাহিনী "বিপ্লৱী পাৰ্টি"ৰ দৰকাৰ।

☆





## মোৰ দুখন ছবিত

ৰবীন বৰ্মন
স্নাতক ১ম বাৰ্ষিক

মই শিল্পী,
মোৰ তুলিকাত এয়া এখন ছবি
মোৰ দেশৰ,..............
হেজাৰ হেজাৰ লোকৰ আৰ্ত্তনাদ.—
শোষকৰ বন্ধ কাৰাগাৰত
লাগে স্বাধীনতা, মুক্তি।
আনখনত—
এদল সৈনিকৰ মিছিল—
সিহঁতৰ যাত্ৰা এখন নতুন পৃথিবীলৈ
সিহঁতৰ কল্পনা, —এখন নতুন সমাজ।
সিহঁতৰ দুবাহুত এক নতুন
শক্তিৰ আলোড়ন,
শোষকৰ লোহ কাৰাগাৰ বিলুপ্ত
কৰিবলৈ আৰু
এক নতুন পোহৰ সনা
এখন নতুন পৃথিবী গঢ়িবলৈ
শান্তিৰ আৰু প্ৰগতিৰ।

প্ৰাচীৰ পত্ৰিকাৰ পৰা

## "আৰুনো কিমান দিন ?"

শ্ৰীযোগেশ্বৰ দাস
২য় বাৰ্ষিক, স্নাতক

গগন চুম্বি শিখা জ্বলিছে অগণি
মৰুভূমিৰ সেই মৰুদ্যানৰ সেমেকা বালিত
এই পানী, এই নাই,
মায়া মৰীচিকা।
পানী, পানী, এই যে হাচানৰ মাত
নহয় হোচেনৰ, এই কণ্ঠস্বৰ এক বৃদ্ধৰ
অনাহাৰত যেন তাৰ জীউ যায়!
ওচৰত উচুপনি....।
দূৰত এক মছ্‌গুল কল্লোল:
ভাহি আহে বতাহত—
চাহাৰা নহয় এই নহয় ভাৰতবৰ্ষ
আতঙ্ক মিশ্ৰিত যে বিশ্ব ব্ৰহ্মাণ্ড।
মেকঙত পানী আছে, নাই ব্ৰহ্মপুত্ৰত
চাহাৰাৰ উত্তপ্ত বালি তিয়াবলৈ—,
ক্ষুধাৰ্ত্ত জনতাৰ ক্ষুধা নিবাৰণলৈ
আৰুনো কিমান দিন.... ?
হাতত ভিক্ষাৰ পাত্ৰ, পেট পিঠি লগ লগা
থৰক-বৰক্ খোজে কঁপাই তোলে
ভবিৰ তলৰ ভূমণ্ডল।
বৃদ্ধৰ জানো শক্তি নাই ?
সহস্ৰ শৰতৰ পিচত নিশ্চয় ফলিব সপোন
চাহাৰা সাগৰ হব, ব্ৰহ্মপুত্ৰই সোণগুটি সিচি দিব
সেই ক্ষণ আহিবলৈ
আৰুনো কিমান দিন ?

# মৰীচিকাৰ পম খেদি

গীতালী শৰ্মা
২য় বাৰ্ষিক (স্নাতক)

আমাৰ পদূলিমুৰত থকা শেৱালিজোপা ফুলিবলৈ আৰম্ভ কৰিছে। এতিয়া শৰৎ কাল। ডালভৰি ফুলে শুকুলা শেৱালি ফুলবোৰ। দুপৰ নিশা, আমি যেতিয়া সকলো শুই পৰো টুপ্ টুপ্‌কৈ সৰি পৰে শেৱালি ফুলবোৰ এপাহ, দুপাহকৈ। তিঁতি থকা দুবৰি দলিচাখন এসময়ত উপচি পৰে শুকুলা ফুলবোৰেৰে। ডালভৰি ফুলা শেৱালিফুলৰ সুৰভিখিনি মই চিছনাৰ পৰাই পাওঁ. আৰু খিড়িকীখনেৰে দেখো তলসৰা শেৱালিবোৰ নিয়ৰসিক্ত দুবৰিডৰাৰ ওপৰত ঠেৰেঙা লাগি শুই পৰা— ।

আজিও খিড়িকীখন খুলি দিলোঁ। কাহিলি কাহিলি পোহৰ হৈছে। গোটেইখন পাতল কুঁৱলীৰে ভৰা। উঠি আহিলো বিছনাৰ পৰা। ঘৰৰ মানুহ কোনো উঠা নাই। আগফালৰ বাৰাণ্ডালৈ ওলাই আহিলোঁ। শেৱালিফুলৰ মিঠা সুবাস এটা নাকত লাগিলহি। অজ্ঞানিতে মনটো ভাল লাগি গ'ল। চাৰিওফালে চাই পঠিয়ালোঁ। গোটেইখন নিজম হৈ আছে। অ'ত ত'ত দুই এজন ৰাতিপুৱা ফুৰিবলৈ অহা মানুহৰ বাহিৰে ৰাষ্টাত কোনো নাই। ব্যস্ত চহৰখনৰ এই শান্ত ৰূপটো মোৰ বৰ ভাল লাগে। অলপ পিচতে যে ঠাইখন ফেৰীৱালা, ৰিক্সাৱালা, গাড়ী-মটৰৰ শব্দ, নানা চিঞঁৰ-বাখ-ৰেৰে মুখৰিত হৈ পৰিব, এতিয়া দেখিলে ভাবিবই নোৱাৰি।

অলপ ফুৰি আহিবলৈ মন গ'ল মোৰো। ভণ্টী উঠিলে ভাল আছিল-ভাবিলোঁ। সাধাৰণতে শেৱালিফুল ফুলা ৰতৰত তাই ৰাতিপুৱাই উঠে—ফুল বুটলিবলৈ। এনেয়ে ঠিয় হৈ আছোঁ। অলপ পিচতে ভণ্টীও উঠি আহিল—খৰাহিটো লৈয়ে আহিছে। 'নালাগে' ব'ল ভণ্টী, অলপ পিচত ফুল বুটলিবি। আগেয়ে অকমান ফুৰি আহোগৈ'। মোৰ কথাত অনিচ্ছা স্বত্বেও তাই মান্তি হ'ল। সাধাৰণতে মোৰ কথাত তাই প্ৰতিবাদ নকৰে। ৰাষ্টালৈ ওলাই আহিলো দুয়ো। দুজন মানুহে কিবা কথা পাতি আহি আছে। আমি মনে মনে থকা কাৰণে সিহঁতৰ কথাবোৰ এনেয়ে কানত পৰিল।

'বৰ বেয়া লাগে, এনেকুৱা কথাবোৰ শুনিলে।' এজনে কলে— 'কিয় যে এনেকৈ মৰে ছোৱালীবোৰ ?' অন্যজনে মন্তব্য কৰিলে।

'ক'ৰ বাৰু ছোৱালীজনী ?'

'ডিব্ৰুগড়ৰ ফালৰ বুলি শুনিছো দেখোন।' চিৰিংকৈ গ'ল বুকুখন। জানিবলৈ মন গ'ল মানুহ দুজনে কোৱা কথাখিনি। ৰ'ব নোৱাৰি সুধিয়েই পেলালো— 'কোন ছোৱালীৰ কথা কৈছে আপোনালোকে ?

নিজৰ কথাত বাধা পাই দুয়োজনে আমালৈ একেলগে ঘূৰি চালে। অলপ অস্বস্তি বোধ কৰিলোঁ। এজনে সুধিলে,

'কিয় তোমালোকে শুনা নাই হবলা ঘটনাটো ?'

'নাই শুনা একো।' উত্তৰ দিলো মই।

'সেই যে ছোৱালী হোষ্টেলটো আছে তাত বোলে যোৱা নিশা ছোৱালী এজনীয়ে আত্মহত্যা কৰিলে।' আগৰ কথাখিনি মনত পৰি চমকি উঠিলোঁ। মানুহজনে আৰু কিবা কৈছিল যদিও কানত নেসোমাল। আমাৰ চহৰখনৰ মাজ মজিয়াতে কলেজখন। হোষ্টেলো ওচৰতে। আমাৰ ঘৰৰ পৰা আধা মাইলমান হব। কথাখিনি চিন্তা কৰিলো এবাৰ। 'ডিব্ৰুগড়ৰ ফালৰ ছোৱালী।' আইভিলৈ মনত পৰিল। নাই, আইভিয়ে তেনে কাম নকৰে। জোৰ কৰি মনক প্ৰবোধ দিবলৈ চেষ্টা কৰিলোঁ। সাধাৰণতে বেয়া চিন্তাবোৰ আগেয়ে মনলৈ আহে। আমাৰ লগৰ ডিব্ৰুগড়ৰ ফালৰ কোন ছোৱালী আছে, একালৰ পৰা মনত পেলাবলৈ চেষ্টা কৰিলোঁ।

'তুমি চিনি পোৱা নেকি বাইদেউ, কোন ছোৱালী ?' ভণ্টীৰ মাতত সম্বিৎ ফিৰাই পালো। দেখিলো মানুহ দুজন ইতিমধ্যে বেছ কিছুদুৰ পাইছেগৈ।

'নাই অ' ভাবিবই পৰা নাই-- কোন হব পাৰে। অনামনস্ক ভাবে ভণ্টীক উত্তৰ দিলোঁ। খোজৰ গতি মন্থৰ হৈ পৰিছিল। কুঁৱলী পাতল হবলৈ আৰম্ভ কৰিছে। উভতি খোজ ললো ঘৰলৈ।

'আইভি বাইদেউৰ ঘৰ ডিব্ৰুগড়ত, নহয় নে বাইদেউ ?' ভণ্টীৰো মনত পৰিছে। আইভিলৈ। মনটো বেয়া লাগি গ'ল। আজি দুদিন কলেজলৈ যোৱা নাই— মানে আইভিক লগ পোৱা নাই। মাহীদেউহঁতৰ ঘৰলৈ গৈছিলোঁ। অৱশ্যে আইভিলৈ চিঠি এখন লিখি থৈ গৈছিলো– ভাইটিক দিবলৈ কৈ। বহুত কথা জমা হ'ল এই দুদিনতে। আজি আইভিক কম বুলি ভাবি আছো। চিন্তা কৰি কৰি ঘৰ পালোহি।

আটাইবোৰ উঠিছে তেতিয়া। একেলগে চাহ খাবলৈ বহিলো— আটাইৰে। ভণ্টীয়ে কলে কথাটো। মা'-দেউতা, ভাইটি আটায়ে আচৰিত হ'ল শুনি।

'ডিব্ৰুগড়ৰনো কোন ছোৱালী আছে অ' ?' মায়ে সুধিলে। উৎসুক দৃষ্টিৰে ভাইটি আৰু দেউতাই মোলৈ চাই আছে। সিহঁতৰ ধাৰণা, মই হোষ্টেলৰ আটাইবোৰ ছোৱালীকে চিনি পাওঁ। কাৰণ, আইভিৰ লগত প্ৰায়ে মই হোষ্টেললৈ যাওঁ। আচলতে মই আমাৰ ক্লাছৰ ছোৱালীখিনিৰ বাহিৰে বাকীবিলাকক

তেনেকৈ চিনি নাপাওঁ, আৰু যিবিলাকক পাওঁ—ক'ত যৰ সেইটো নাজানো।

"আমাৰ ক্লাছৰ আৰু নাই। অন্য ক্লাছৰে হব চাগে'। এটা উৎকণ্ঠাৰ ভাৰ লৈ পঢ়িবলৈ ললো যদিও মনটো যেন এটা সুস্থিৰ অৱস্থালৈ আনিব পৰা নাই। বতাহত কঁপা পানীৰ ঢৌৰ দৰে মনটো কঁপি আছে। খু-উব জানিবলৈ মন গৈছে। আচলতে মোৰ সকলোবোৰ চিন্তা একমাত্ৰ আইভিৰ বাবে। আইভি নহয় বুলি জানিলেই মই স্বস্তিৰ নিশ্বাস এটা পেলাব পাৰোঁ। কিতাপ খনৰ পাতবোৰ এনেয়ে লুটিয়াই গৈ আছোঁ। আখৰবোৰ যেন মোৰ চকুৰ আগত এটা ডাঙৰ প্ৰশ্নবোধক চিন হৈ থিয় দিছে।

ৰাতিপুৱা চাৰে সাত বজাৰ সময় সংকেত বাজি উঠিল। 'বাইদেউ, বাইদেউ' দূৰৰ পৰা ভাইটিৰ চিঞৰ শুনিলোঁ। কেতিয়া যে সি বাহিৰলৈ ওলাই গৈছিল গমেই পোৱা নাই। খবৰটো শুনি সি ৰবই নোৱাৰিলে। এনেয়ে বাহিৰলৈ ওলাই যাব পাৰিলেই সি ভাল পায়। তাতে আকৌ আজি দেখুৱাবলৈ কাৰণ এটাও আছে।

সশব্দে চকীখন ঠেলি ওলাই আহিলোঁ। ভাইটি বাৰান্দাত উঠিছেহি। ভাগৰত উশাহ চুটি হৈ পৰিছে। গা-টোও কঁপিব ধৰিছে। কি হৈছে সুধিবলৈ পোৱাৰ আগতেই সি কলে, 'বাইদেউ, ডুল দা'ই কৈছে আইভি বাইদেউ হেনো.......' শেষ নকৰাকৈ হুকুহুকাই কান্দি উঠিল সি। মোৰ আৰু বুজিবলৈ বাকী নাথাকিল।

'আইভি.......' চিঞৰি দিলো ... জোৰেৰে। তাৰ পিচত কি হ'ল আৰু ... নোৱাৰোঁ।.......

এটা সময়ত চকু মেলি দেখিলো, মা ... দেউতা আৰু ভণ্টী মোৰ ওচৰত থিয় ... আছে। মা'য়ে বাতৰি কাকত খনেৰে মোৰ ... বিচি আছে। মই তেতিয়া বিছনাত। আটা... হৰে চকু মেলেকা। ভাবিবলৈ চেষ্টা কৰিলো— কি হৈছিল। তৎক্ষণাত মনত পৰি গ'ল আইভিলৈ। বিছনাতে মুখ গুজি উচুপি উঠিলোঁ।

কিমান সময় এইদৰে কান্দিছো ক... নোৱাৰো। মোৰ কোঠাৰ পৰা মা'হঁত নিশ্চ... কেতিয়াবাই ওলাই গৈছে। ঘৰখন শান্ত হৈ আছে। দেউতা বোধহয় হোষ্টেললৈ গৈছে। এটা প্ৰচণ্ড অভিমান হ'ল আইভিৰ ওপৰত। কিছু সময় পিছত দেউতাই কোৱাত শুনিলো —বেছিকৈ 'শ্লিপিং টেবলেট' খাই আইভিয়ে আত্মহত্যা কৰিলে। 'ডেড্‌বডি'টো 'পোষ্ট মৰ্টেম'ৰ বাবে পুলিছে লৈ গৈছে। তাই লিখি থৈ গৈছে তাইৰ মৃত্যুৰ বাবে কোনেও দায়ী নহয় বুলি।

আইভিৰ মৃতদেহ। মই জানো কেতি... য়াও চাব নোৱাৰিম মই। যি জনী আইভিক মই হাড়ে হাড়ে চিনি পাইছিলো তাইৰ মৃত্যুশয্যাক দেখিলে মই কোনোমতেই সহ্য কৰিব নোৱাৰিম।

আইভি। আইভি বৰুৱা এটা শ্ৰুতিমধুৰ নাম। এই আইভি মোৰ আজিৰ চিনাকি নহয়। সম্পূৰ্ণ আঢ়ৈ বছৰ মই তাইক পাইছোঁ। নামটো যেনে ধুনীয়া দেখিবলৈও তেনে ধুনীয়া তাই। উজ্বল মিঠা বৰণ। আয়তা তাকাৰৰ উজ্বল চকুযুৰি আৰু ৰেলমৰ দৰে মিহি দীঘল চুলিটাৰিৰে আইভি আছিল সকলোৰে মৰমৰ পাত্ৰী। লগৰ ছোৱালীৰ ঈৰ্ষাৰ পাত্ৰী। ভাইটিয়ে অসম্ভৱ ভাল পাইছিল। সিওঁ চাগে' কান্দি কান্দি ভাগি পৰিছে। উঠি গৈ শান্ত্বনা দিবলৈ সাহস নহ'ল মোৰ। কাৰণ মই নিজকেই বুজাব পৰা নাই।

ডিব্ৰুগড়ৰ চিৰিংচাপৰিত ঘৰ আইভিৰ। খুব চহকী নহয় যদিও উচ্চ মধ্যবিত্ত পৰিয়ালৰ ছোৱালী। মাক দেউতাকৰ তিনিটা সন্তানৰ ভিতৰত আইভি আছিল প্ৰথম বেচেৰী মাক জনী! আইভি আছিল বুকুৰ জীউ। এনেয়ে প্ৰথম সন্তানৰ প্ৰতি মাক দেউতাকৰ মৰম অলপ বেছি। তাতে আইভিৰ নিচিনা এজনী ছোৱালী।

প্ৰাক্‌বিশ্ববিদ্যালয়ৰ ১ম বাৰ্ষিকৰ পৰাই তাই মোৰ নলেগলে লগা বান্ধৱী ক্লাছ আৰম্ভ হোৱাৰ দুদিন মান পিচত আহিছিল তাই। প্ৰথম দিনা দেখিয়েই মোৰ মৰম লাগি গৈছিল। খুউব চাইছিলো তাইলৈ। ডুবাৰমান চকুৰে চকুৰে পৰিছিল কাৰণ মোলৈও চাইছিল তাই। চিনাকি হবলৈ মন গৈছিল যদিও উপযাচি চিনাকি হোৱা নাছিলোঁ। কাৰণ স্থানীয় ছোৱালী যদিও কলেজত ময়োতো নতুন। দুদিনমান পাৰ হৈছিল। ইতিমধ্যে তাইৰ বিষয়ে আটাইখিনি খবৰ সংগ্ৰহ কৰিছিলোঁ।

এদিন লাইব্ৰেৰীৰ পৰা কিতাপ এখন চাই চাই আহি আছিলোঁ এনেতে খুব জোৰে খুন্দামাৰি দিলে কোনোবাই। খণ্ডত মূৰ তুলি চাই দেখিলো আইভি। 'খুউব দুখ পালা?' মিঠা হাঁহি এটি মাৰি সৰু ছোৱালীৰ দৰে মৰম লগাকৈ সুধিছিল।

'নাই পোৱা। যথেষ্ট দুখ পাইছিলো যদিও এনেয়ে কৈছিলো। মোৰ লগত তায়ো ওলাই আহিছিল। 'তাত গছৰ তলতে বহোগৈ বলা। কৃষ্ণচুড়া জোপাৰ ফালে দেখুৱাই তাই কৈছিল।

আগবাঢ়ি গৈছিলো দুয়ো। কিন্তু সেয়া আছিল আৰম্ভণি। তাৰপিচত দিনবোৰ সময়ৰ বুকুত লাহ গৈছিল। সদায় গছৰ তলৰ সেই নিৰ্দিষ্ট ঠাই খিনিত বহি আমি কথা পাতিছিলো আগগুৰি নোহোৱা কিছুমান কথা। কৃষ্ণচুড়াজোপা আমাৰ মৰমৰ সাক্ষী। আমাৰ কথাৰ নীৰৱ শ্ৰোতা।

সকলোৰে চকুত পৰিছিল আমাৰ দুয়োৰো এই বন্ধুত্ব। কেনেকৈ যে ইমান আন্তৰিকতা গঢ়ি উঠিছিল, আমাৰ মাজত-কব নোৱাৰো। আইভি য'ত মই ত'ত আৰু মই য'ত আইভি ত'ত। কলেজত সকলোৱে আমাক 'কাপ-প্লেট' বুলি জোকাইছিলো। আইভি নাহিলৰ দিনা খুব অকলশৰীয়া অনুভব কৰিছিলো।

আইভিয়ে নিজৰ বিষয়ে, ঘৰখনৰ বিষয়ে সকলো কথা কৈছিল ময়ো কৈছিলো তাইক ঘৰত খুব কৈছিলো তাইৰ কথা সেইকাৰণেয়া হতে তাইক চাবলৈ ইচ্ছা কৰিছিল। এদিন আবেলি তাইক আমাৰ ঘৰলৈ লৈ আহিছিলো। মাহতে ভাল পাইছিল। প্ৰথম দিনাই ভাইটিৰ মন জয় কৰিছিল তাই। ভাইটিৰ ওচৰত সদায়

অহাৰ প্ৰতিশ্ৰুতি দি গধুলি এটা সময়ত তাই গুছি গৈছিল।

প্ৰায়ে আহিছিল আইভি। অন্ততঃ তাই-টিৰ কাৰণে আহিবলৈ বাধ্য হৈছিল। ময়ো প্ৰায়ে তাইৰ ওচৰলৈ গৈ থকা কাৰণে চকী-দাৰ জনে মোক দেখাৰ পৰা নমা দেখিলেই 'আইভি দি দি বুলি চিঞৰিবলৈ লৈছিল।

তোমাক বহুদিনৰ পৰা এটা কথা কম বুলিও কব পৰা নাই বীন। আইভিয়ে এদিন কৈছিল। ভাবিছিলো, আইভিয়ে কি ক'ব খাক মোক।

কৈছিল আইভিয়ে। তাইৰ 'বিভাসদাৰ কথা কৈছিল। ডিব্ৰুগড়ৰ 'অসম মেডিকেল ৰ ফাইনেল ইয়াৰৰ ছাত্ৰ বিভাস চৌধুৰী আইভিৰ মোমায়েকৰ ৰুমমেট। তাইৰ 'জ্যোতি মামা ৰ লগত চিনাকি হৈছিলো যদিও বিভাসৰ কথা মোক সিহঁত দুয়োৰো কোনেও কোৱা নাছিল। বিভাসৰ লগত কেনেকৈ চিনাকি হ'ল আইভিয়ে মোক কৈছিল। এই চিনাকিয়ে ঘনিষ্ঠতাৰ ৰূপ ললে। মাজে মাজে জ্যোতি মামাৰ লগত সিহঁতৰ ঘৰলৈ গৈছিল বিভাস। মাকৰো ভাল লাগিছিল। বিভাসৰ নিচিনা লৰা এজনক ভাবী জোৱাই হিচাপে লবলৈ কোনেও আপত্তি কৰা নাছিল। এই ক্ষেত্ৰত জ্যোতি মামাই তাইক যথেষ্ট সহায় কৰিছিল। দশম মানত থাকোতে তাইৰ বিভাসৰ লগত চিনাকি হৈছিল। বিভাসৰ ভাল পোৱাই তাইক ভালদৰে পঢ়িবলৈ প্ৰেৰণা যোগাইছিল। কাৰণ বিভাস নিজেও এজন মেধাবী ছাত্ৰ আছিল।

কলেজলৈ কিছু দূৰ হয় কাৰণে সকলোৰে পৰামৰ্শ মতে প্ৰবেশিকা পৰীক্ষা পাচ কৰি আইভি ইয়ালৈ আহিছিল কলেজত পঢ়িবলৈ। বিভাসদাক এৰি আহিব লগীয়া হোৱাৰ দুখত আহিবৰ সময়ত তাই কান্দিছিল। মামাকে জোকাইছিল। তাৰ পিচত নিয়মিত ভাবে বিভাসৰ চিঠি পাই আছিল তাই। পিচলৈ দুয়ো একেলগে গছৰ তলত চিঠি পঢ়িছিলো। মই তাইক মাজে মাজে জোকাইছিলো যদিও তাই বেয়া পোৱা নাছিল। বেলেগ ছোৱালীও জানিছিল কথাটো।

খুব সোনকালে বছৰটোৱে বাগৰ সলাই-ছিল। পৰীক্ষা দি উঠি বিভাস আহিছিল আইভিৰ হোষ্টেললৈ। ওখ-পাখ সবল সুন্দৰ দেহৰ আৰু এটা বলিষ্ঠ মনৰ গৰাকী বিভাসৰ লগত চিনাকি হৈ মই আইভিৰ ভাগ্যক প্ৰশংসা কৰিছিলো। "আইভি অ'ৰু আইৰীন! সুন্দৰ মিলিছা দুয়ো।' প্ৰথম চিনাকি হৈ বিভাসে মোক কৈছিল। ভাল ৰিজাল্ট কৰিলে বিদেশলৈ যোৱাৰ মন আছিল তেওঁৰ। অৱশ্যে সুবিধাও আছিল। এনেয়ে চোকা লৰা। তাতে তেওঁ তাকো হাত দীঘল মানুহ।

আমাৰ প্ৰাক্‌বিশ্ববিদ্যালয়ৰ ফাইনেল পৰীক্ষাৰ দুমাহমান আগতে বিভাস আহিছিল জ্যোতি মামাৰ লগত। ইংল্যাণ্ডলৈ যাব তেওঁ। সেয়েহে মাত লগাবলৈ আহিছিল। ৰিজাল্ট পাই অৱশ্যে আমি আশা কৰিছিলো। খুব আবেগ প্ৰৱণ ছোৱালী আছিল আইভি। চকু চলচলীয়া হৈ পৰিছিল। দুয়ো ষ্টেচন-লৈ গৈছিলো। বহুত কথা পাতিছিল সিহঁতে। বিচ্ছেদৰ দুখ কিমান গভীৰ সিহঁতৰ লগত ময়ো উপলব্ধি কৰিছিলো। প্ৰথমে কলিকতালৈ



যাবগৈ। গৈয়ে চিঠি দিয়াৰ প্ৰতিশ্ৰুতি দি বিভাস ট্ৰেইনত উঠিছিল। দীঘলীয়া উকি মাৰি গাড়ীৰ চকা লাহে লাহে ঘুৰিবলৈ লৈছিল। চকুৰ পানীয়ে বাধা মানা নাছিল যদিও ৰুমাল জোকাৰিছিলো আমি। আইভিয়ে এমব্ৰয়ডাইৰী কৰা বিভাসদাৰ হাতৰ আকাশী বৰণৰ ৰুমালখনো এটা সময়ত অস্পষ্ট হৈ গৈছিল। দুচকুৰে বন্যা নামিছিল আইভিৰ। ভাৱাক্ৰান্ত মন এটা লৈ উভতি আহিছিলো।

বিভাসৰ উচ্ছাসপূৰ্ণ, নতুন নতুন অভি-জ্ঞতাৰে ভৰা চিঠি এইবাৰ দুয়ো পাইছিলোঁ। পৰীক্ষা দি উঠি আইভি ঘৰলৈ গৈছিল। অকলে অকলে ঘৰত থাকি খুব বেয়া লাগি-ছিল। বিভাসৰ চিঠি অৱশ্যে পাই আছিলোঁ। এটা সময়ত আমাৰ ৰিজাল্ট ওলাইছিল। খুব কৃতকাৰ্য্যতাৰে নহলেও ভালদৰে পাছ কৰিছিলোঁ। নম্বৰৰ পাৰ্থক্য আইভি আৰু মোৰ মাজত বৰ বেছি নাছিল। কোৱা-মেলা কৰি আমি দুয়ো একে বিষয়তে অনাৰ্চ লৈছিলোঁ।

স্নাতক মহলা পাই গহীন হবলৈ চেষ্টা কৰিছিলোঁ। আকৌ আৰম্ভ হৈছিল—কলে-জৰ আনন্দমুখৰ, ৰঙীন দিনবোৰ। নতুন নতুন ল'ৰা-ছোৱালীৰ লগ পাই আমাৰ মন বোৰো নতুন হৈছিল। এই সময়তে এটা ঘটনা ঘটিছিল। মাত্ৰ চাৰি নে পাঁচ মাহ মান আগৰ ঘটনা।

আমাৰ লগৰ নতুনকৈ অহা ল'ৰাবিলাকৰ ভিতৰত এজন আছিল আমাৰ 'অনাৰ্চমেট' বিপুল হাজৰিকা। খুব এটা ধুনীয়া পৰা নহলেও ল'ৰাজন দেখিবলৈ বেয়া নাছিল। কিন্তু ল'ৰাজনৰ চকুদুটা অলপ অস্বাভাৱিক আছিল। প্ৰয়োজন হলে যেন সেই ল'ৰা-জনে কৰিব নোৱাৰা কাম একো নাই—চকু দুটা দেখি তেনে লাগিছিল। ল'ৰাজন বিৰাট জেদী বুলি শুনিছিলোঁ। আমি বিপুলক প্ৰায়ে এৰাই ফুৰিছিলো যদিও আমাক বিশেষ-কৈ আইভিক কিন্তু বিপুলে প্ৰায়ে মাতি-ছিল। ময়ো ধেমালিতে কেতিয়াবা সেই কাৰণে আইভিক বিপুলৰ লগত জোকাই-ছিলো আৰু খণ্ডতে কিছুসময়ৰ বাবে তাই মোক নমতা হৈছিল। জোকোৱা কাৰণেই নেকি, আইভিয়ে হাজৰিকাক দুই চকু পাৰি দেখিব নোৱাৰিছিল।

'মিচ্ বৰুৱা', আপোনাৰ লগত এটা কথা আছে।' সেইদিনা ক্লাছৰ পৰা ওলাই আহোতে বিপুলৰ মাতত মোৰ হাতখনত খামুচি ধৰি আইভি থমকি ৰৈছিল। লগতে ময়ো। 'কি কথা?' কিঞ্চিৎ বিৰক্তিৰে সুধি-ছিল, আইভিয়ে। 'পিচত কম বাৰু, এতিয়া মোৰ ক্লাছ আছে।' কৈয়ে গুছি গৈছিল বিপুল।

যথেষ্ট চিন্তিত হৈছিল আইভি। সাধা-ৰণতে কথা এটা কম বুলি কোনোবাই নকলে সকলোৰে চিন্তা লাগে। মই আৰু ভাবি-ছিলো, বোধহয় মই থকা কাৰণেহে বিপুলে আইভিক কথাটো নকলে। তাৰপিচত আমি সেইটো কথা পাহৰি গৈছিলোঁ।

কেইদিনমান পিচত। মই এদিন কলে-জলৈ যোৱা নাছিলোঁ। পিচদিনা গৈ আই-

ভিক কলেজত নেদেখি দুটামান ক্লাছ কৰি-ছেই হোষ্টেললৈ গৈছিলোঁ। আইভি বিছ-নাত বাগৰি আছিল। মোক দেখি উঠি বহিল।

'তোমাৰ ওচৰলৈ আজি যাম বুলি ভাবি-ছিলো ৰীন।' 'কিয় ? কিনো ডাঙৰ ঘটনাটো হ'ল ? আৰু কলেজলৈ যোৱা নাই কিয় ?'

উত্তৰ নিদিয়াকৈ ফ্লাস্কৰ পৰা পানী বাকি ওভালটিন দুকাপ বনাবলৈ লৈছিল তাই। তাৰপিচত তাই মোক কৈছিল। আগদিনা-খন অফ্ পিৰিয়ডত বিপুলে তাইক কেন্টিনলৈ যাবলৈ লগ ধৰিছিল। তাই আপত্তি কৰি-ছিল। বিশেষ জোৰ নকৰি দুই এটা কথা পতাৰ পিচত তাইক কৈছিল যে তেওঁ তাইক ভাল পায় আৰু এই ক্ষেত্ৰত তাইৰ মতামত বিচাৰিছিল। কোনোদিনে উত্তেজিত নোহোৱা আইভিৰ খং উঠি গৈছিল। অলপ খঙকৈয়ে কিবা কিবি কৈছিল। তাৰপিচত একো নমতাকৈ বিপুল গুচি গৈছিল।

'কথাটো ভাল নকৰিলা নেকি আইভি। তুমি জানাই দেখোন সি অলপ বেলেগ ধৰণৰ ল'ৰা।'

মোৰ কথাত আইভিয়েও চিন্তা কৰিছিল। 'বাদদিয়া সেইবোৰ।' পৰিস্থিতিটো পাতল কৰিবলৈ মই কৈছিলোঁ। তাৰ পিচত বিপুলে আৰু আইভিক মতা নাছিল। অলপ সকাহ পাইছিল তাই। বিভাসলৈ কথাটো লিখিম বুলি কৈছিল।

কিছুদিন বিভাসৰ চিঠি পোৱা নাছিল তাই। মোলৈ অৱশ্যে নিয়মিত ভাবে নিদিয়ে। সাধাৰণতে হোষ্টেলত চুপাৰে চিঠি খোলে কাৰণে কলেজৰ ঠিকনাতে বিভাসে চিঠি দিয়ে। কিছুদিন পিচত সেয়ে তাই চিঠি এখন দিছিল বিভাসলৈ। কিয় বিভাসে চিঠি দিয়া নাই, ময়ো ভাবিছিলোঁ। মনত পৰিছিল, আইভিয়ে মাজে মাজে কৈছিল—

'বিভাস দা'ই যদি বিদেশী ছোৱালী এজনী বিয়া কৰাই পেলায়, তেতিয়া কি হব ৰীন ?'

'ধেৎ আঁকৰীজনী। বিভাস দা' কেতি-য়াবা তেনেকুৱা হব পাৰে নেকি ?' তথাপিও তাই কেতিয়াবা চিন্তা কৰিছিল। আইভিৰ কাৰণে ময়ো বিভাসলৈ চিঠি এখন লিখি-ছিলোঁ। উত্তৰ নাপাই আইভি হতাশ হৈছিল। ভিতৰি ভিতৰি ময়ো চিন্তিত হৈছিলো যদিও তাইক বুজাইছিলো, বিভাস দা' কিছুদিন পিচত আহিবই। এতিয়া কিজানি খুব ব্যস্ত আছে। সেয়ে চিঠি দিয়া নাই চাগে।'

জ্যোতি মামাই আইভিলৈ চিঠিত লিখি-ছিল—'তইঁতে বোলে আজিকালি বিভাসলৈ চিঠি নিদিয় ? ঘৰলৈ আহি দুয়োকো মজা দিব বোলে।' অবাক কৈছিলো—চিঠি পঢ়ি কিনো হব পাৰে। মানসিক ভাবে দুৰ্বল হৈ গৈছিল আইভি। মোৰ কিন্তু বিভাসলৈ খং উঠিছিল।

দুৱাৰ খোলাৰ শব্দত বিছনাৰ পৰা মূৰ দাঙি চালোঁ—ৰামুৱে চিঠি এখন লৈ আহিছে। এনেয়ে চিঠি পালে মই খুব আগ্ৰহ প্ৰকাশ কৰোঁ। মোৰ অৱস্থাটো বুজি সি মেজৰ ওপৰতে থৈ গ'ল চিঠিখন। নিৰ্বিকাৰ ভাবে চিঠিখন হাতত লৈ আখৰ কেইটা



দেখি চমকি উঠিলো। লৰালৰিকৈ খুলি পঢ়ি গলো—

মৰমৰ ৰীন,

মৰমবোৰ লবা। চিঠিখন তুমি যেতিয়া পাবা, মই তোমাৰ পৰা বহুত দূৰত থাকিম —য'ত তুমি মোক কোনোদিনেই বিচাৰি নাপাবা। মোক ক্ষমা কৰিবা ৰীন—এনেকৈ আঁতৰি যোৱা কাৰণে। তুমি মোৰ ওপৰত অভিমান কৰিবা, খং কৰিবা। ভাইটিয়ে দুখ পাব—সকলো জানো। কিন্তু মই আঁতৰি আহিবলৈ বাধ্য হলো—বিভাস দা'ৰ চিঠি-খন পাই। দি পঠালোঁ—পঢ়ি উঠি তুমি ফালি পেলাবা, আৰু লিখিব নোৱাৰোঁ।

মৰমেৰে তোমালৈ/দুৰ্ভগীয়া 'আইভি'

খামৰ ভিতৰত যে অন্য এখন কাগজ আছে তেতিয়াহে মন কৰিলোঁ। উলিয়াই আনিলোঁ।

মৰমৰ আইভি,

মোক ক্ষমা কৰিবা। মই ইতিমধ্যে বিয়া কৰাই পেলালো মিৰাণ্ডক। এতিয়া উভতি যোৱাৰ কথা ভৰা নাই। তুমি অন্য পথ বিচাৰি লবা। ইতি—

'বিভাস'

আকৌ উচুপি উঠিলো। ইমান নিষ্ঠুৰ বিভাস। ঠগ. নীচ, প্ৰবঞ্চক। এই দুমাহৰ ভিতৰতে ইমান পৰিবৰ্ত্তন। আৰু সেই কাৰণেই আইভি গুচি গ'ল। হয়তো মোক আগ-দিনা লগ পালে তাই আতৰি যাব নোৱাৰি-লেহেঁতেন। ইমান বেছি "চেন্টিমেণ্টেল' আইভি জনী। কি কৰিম ভাবি নাপালো। দুই বাজিবৰ হ'ল। মোক কোনেও আহি আমনি কৰা নাই। আজি চাগে কাৰো ভাত পানী খোৱা নহ'ল। মই জানো আমাৰ ঘৰৰ প্ৰত্যেকটো প্ৰাণীয়ে কিমান ভাল পাইছিল আইভিক। তেনেস্থলত কোনেও স্বাভাবিক অৱস্থালৈ আহিব পৰা নাই। বেচেৰা বিপুলৰো চাগে বেয়া লাগিব। আইভি বিহীন দিনবোৰ যে কেনেকৈ কটাম।

পিচদিনাখনো কলেজলৈ নগলো। মানে যাব নোৱাৰিলো। আইভিৰ কথাকে চিন্তা কৰি আছো। অটোগ্ৰাফ খুলি আইভিয়ে লিখাখিনি পঢ়ি চালো ইমান সুন্দৰকৈ লিখিছিল. দুয়ো একেলগে উঠা ফটো, মোৰ তাত থকা তাইৰ সকলোবোৰ ফটো, চিঠি আটাইবোৰ উলিয়াই লৈছো। ভন্টিয়ে চিঠি এখন দি গলহি। চিনি পালো বিভাসৰ চিঠি। খুলিবলৈ মন নগ'ল। জানো কি লিখা আছে। মোৰ ওচৰতো ক্ষমা বিচাৰিছে চাগে। তথাপিও কিছু সময় পিচত খুলি চালো দুটি চিঠি এখন।

মৰমৰ ৰীন,

মৰমবোৰ লবা দুয়ো। তোমালোকে চিঠি লিখিবলৈ এৰা কাৰণে ময়ো লিখা নাই। পঢ়া শুনাত বোধহয় খুব ব্যস্ত হৈ আছা। বেয়া পোৱা নাই মই। পিচে, তোমালোকে আৰু সময় নষ্ট কৰি মোলৈ চিঠি লিখিব নালাগে। আইভিকো কবা ২৫ তাৰিখে মই তোমালোকৰ সেইখিনি পামগৈ। কথাবোৰ তেতিয়া পাতিম। তোমালোক দুয়োলৈ মৰমেৰে।


'বিভাসদা'

চিঠিখন পঢ়ি যেন আকাশৰ পৰাহে পৰিলোঁ। কি হ'ল বাৰু ঘটনাটো। একো উৰাদিহ নাপালো। বিভাসে বাৰু ধেমালি কৰিছে নেকি ? আইভিলৈ লিখা চিঠিখন উলিয়াই ললোঁ। , এবাৰ, দুবাৰ, কেইবাবাৰো পঢ়িলোঁ। কিন্তু আখৰবোৰ দেখোন অলপ বেলেগ যেন লাগিল। ভালকৈ চাই দুয়োখন চিঠি মিলাই ললোঁ। নাই—এয়া বিভাসৰ আখৰ হবই নোৱাৰে। আইভিলৈ দিয়া চিঠিখন নিশ্চয় ফল্‌ছ। কি কৰো ভাবিলোঁ।

দুল আহিল মোৰ ওচৰলৈ। দুল মোৰ ক্লাছ মেট। আমাৰ ঘৰৰ ওচৰতে সিহঁতৰ ঘৰ। অইন দিনা হলে বাৰাণ্ডাৰ পৰাই মোক চিঞৰি আহে। আজি আহি বিচনাখনতে বহিল। ময়ে সুধিলো, 'আমাৰ লগৰ বিপুল হাজৰিকাক চিনি পাৱ নহয় দুল ?' 'সেইযে 'পিকুলিয়াৰ' চকুদুটা। নহয় জানো ?' 'ওঁ হয়। আহি আছেনে কলেজলৈ ল'ৰাজন ?' 'নাই কিজানি অ'। কেইদিনমান আগতে সি 'ট্ৰেন্সফাৰ' লৈ যোৱা বুলি শুনিছিলোঁ। কিয় সুধিলি ?'

'কি ? ট্ৰেন্সফাৰ লৈ গৈছে বিপুলে ?' আচৰিত হৈ সুধিলোঁ। এই, চা-চোন-চা —এই চিঠিখন। বিভাসে আইভিলৈ লিখা চিঠিখন আগবঢ়াই দিলো। কিন্তু দুল আচৰিত হৈ চিঞৰি উঠিল—এয়া দেখোন সেই বিপুল হাজৰিকাৰ আখৰ। কেনেকৈ আহিল তোৰ তালৈ এই চিঠিখন। ঘটনাটো মোৰ কাৰণে পৰিস্কাৰ হৈ পৰিল। দুলৰ কথাৰ উত্তৰ দিব নোৱাৰিলোঁ। এনেকৈ প্ৰতিশোধ ললে বিপুলে ?


বিভাসৰ চিঠিখন আকৌ চালোঁ। কেলেণ্ডাৰখন চাই দেখিলো আজি বাইশ তাৰিখ। তাৰমানে এই পচিশ তাৰিখে আহি পাব বিভাস। মেজত মূৰ থৈ সজোৰে উচুপি উঠিলোঁ। বিভাসক কি উত্তৰ দিম মই ?








B. Sarma,
Continue three year best literary man.



Dhiren Sarmah
Continue four years best Singer.



They were sent for Social Service Camp held at Uttar Gauhati College.
From L. to R.—Sitting—P. Baro. U. Kumar,
Standing—C. Baro. H. Baro.



Best Boy Athlete
1978-79
Sabedar Rahman.

মাও-চে-টুঙৰ অনুদিত কৱিতা

# কুন্‌লুন্[1]

মঃ নুৰ হুছেইন আলী
বি, এ ১ম বাৰ্ষিক

পৃথিৱী পাৰহৈ নীল আকাশত দানৱ কুন্‌লুনে
ভূমি-ৰঙীন প্ৰতিটো বসন্তৰ প্ৰতি দৃষ্টি ৰাখে;
ত্ৰিশ লাখ ভীষণ বগা ড্ৰেগনক[2] শূণ্যত উৰুৱাই
গোটে মৰা বৰফৰ সন্ধানত আকাশ ব্যতিব্যস্ত ।
গ্ৰীষ্মত বৰফ গলিছে
নদী আৰু সমুদ্ৰত বান
মানুহ কাছ আৰু মাছলৈ ৰূপান্তৰিত ।
তোমাৰ সহস্ৰ বসন্ত পাপ আৰু পূণ্যেৰে ভৰপুৰ ।
কোনে তোমাক তৰ্কত পৰাজিত কৰে ?
কুন্‌লুন্, তোমাক আজি কওঁঃ
সকলো উচ্চতাই যে আমাৰ প্ৰয়োজন
সেয়া নহয়, নাইবা অধিক তুষাৰৰ ।
আকাশত আউজি থকা অমূল্য তৰোৱাল[3]
মই কি কোষমুক্ত কৰিব পাৰো—
কুন্‌লুন্, তোমাক তিনি ভাগ কৰিবৰ বাবে:
যাৰ এভাগ যাব ইউৰোপলৈ
এভাগ আমেৰিকালৈ

আৰু তৃতীয় ভাগ চীন অথবা পূৰ্ব্বাঞ্চলৰ দেশসমূহলৈ ?

সময় আহিছে
সকলোৰে সমানে
সুখ দুখ কান্ধত তুলি লব ।

—অক্টোবৰ '১৯৩৫

(১) চিংকিয়াংৰ খোটান নদীৰ উৰ্দ্ধাঞ্চলত অৱস্থিত কাৰাকোৰমৰ চীনদেশীয় নাম ।

(২) দেশীয় লোক কথাত কোৱা হৈছে বান্দৰ-ঈশ্বৰে (Monkey God) যেতিয়া এই অঞ্চলেৰে গৈছিল তেতিয়া কুন্‌লুন্‌ অগ্নিশিখাৰ পাহাৰ আছিল । বান্দৰ-ঈশ্বৰে এখন তালপাতৰ বিচনীৰে বিচি জুই নুমাই পেলায়, আৰু কথিত যে, সেই কাৰণেই সমস্ত পাহাৰখন বগা হৈ গৈছিল ।

(৩) কবি লি পো আৰু চুণ্ড ইয়ুৰ কবিতা স্মৰণ কৰি কথাটো ব্যৱহাৰ কৰা হয় ।

[গল্প]

# ....নতুন দিন আহিছে....

শ্ৰীকামিনী দেৱী
প্ৰাক্‌বিশ্ববিদ্যালয়
১ম বাৰ্ষিক

কথাটো সি যিমানেই ভাবিবলৈ ধৰিলে— সিমানেই তাৰ উত্তেজনা বাঢ়িবলৈ ধৰিলে আৰু তাৰ হাতত থকা কাচি খনেওঁ মুক্ত আকাশৰ তলত সিমানেই লয়লাস গতিৰে নাচিবলৈ ধৰিলে । প্ৰত্যেকটো নাচোনৰ লগতে কাচিখনে একোমুঠি ধানসীহ জমা লগাই যাব ধৰিলে । ধানৰ মুঠিটো নৰাৰ মাজত অকল শৰীয়াকৈ ৰাখি সি আকাশৰ ফালে চালে - এবা বেলিটোও প্ৰখৰ গতিত উধাব ধৰিছে ।

অলপ পিচত ধান কটা চাবলৈ মালিক নিজেই আহিব । কি ঠিক, ধান কটাত ফাকি দিয়া বুলি তাক গালি গালাজো কৰিব পাৰে । আকৌ তাৰ হাতৰ কাচিখন দ্ৰুত লয়ে নাচিবলৈ ধৰিলে । কিন্তু কিন্তু কিয় জানো আজি তাৰ ঠিক মন লগা নাই ধান কাটিবলৈ । এনেকুৱা সময়ত হয়তো সি নিজেই সিহতৰ মাটিত হোৱা ধান কাটিব পাৰিলেহেতেন । কিন্তু সেই বজ্জাত মহাজন জন ।

ঘটনাটোৰ কথা ভাবিলে তাৰ এতিয়াওঁ গা গৰম হৈ আছে । ঠিক বৰ্ত্তমান সময়ত তাৰ যেনেকুৱা লাগিছে তেনেকুৱাই ।

মইনা । মানে গাওঁত তাক সেই বুলিয়েই মাতে সকলোৱে । কবলৈ গলে গাৱত 'হিৰো' । গাৱৰ মহাজন সৰ্বেশ্বৰ চৌধুৰীয়ে তাকেই আটাইতকৈ বেচি খাতিৰ কৰে । লাগ বুলিলে মইনাকে মহাজনে পঠিয়ায় । টাউনলৈ চোৰাংকৈ চাউল নিব লাগে —'মইনাক লৈ যা, টাউনৰ পৰা কেৰাচিন আনিব লাগে চোৰাংকৈ-'মইনা ক'ত । কাৰোবাৰ লগত কাজিয়া লাগিছে— বেছ, মইনাক খবৰ দে, ঠাণ্ডা কৰি দিব । মানে মহাজনৰ কাৰণে মইনা অতি দৰকাৰী মানুহ ।

হলেও মইনা খেতিয়কৰ লৰা হাল-কোৰ মাৰিব সিও জানে, দেড় মোনীয়া ভাৰ ডাঙি নিব মইনাই সহজে পাৰে ।

মইনা হতৰ ঘৰ ৰিজাৰ্ভ খনৰ ইটো মূৰত । সৰ্ব্বেশ্বৰ চৌধুৰী হতৰ পৰা বিশেষ আতঁৰত নহয় । ৰিজাৰ্ভ খনৰ ঠিক বিপৰীত মূৰত চৌধুৰীৰ ৰায়ত কেইঘৰ প্ৰায় দুশ ঘৰ মানুহ । অৱশ্যে ৰায়ত বুলি কলে ভুলেই হব, সৰুসুৰা জমিদাৰ চৌধুৰীৰ প্ৰায় দুহাজাৰ বিঘা মাটিত খেতি কৰিব লাগে কাৰণেই মানুহ কেইঘৰক চৌধুৰীয়ে নিজেই বহুৱাইছে ।

চৌধুৰী বুধিয়ক মানুহ । দুহাজাৰ বিঘা মাটি একেলগে নিজৰ নামত ৰাখি থলে চৰকাৰে কি কৰে কি ঠিক । চিলিং আইন বহুৱাই দিলে হাঁহাকাৰ হৈ যাব । গতিকে ইন্দিৰা গান্ধীয়ে উলিওৱা কুৰি দফাত সুবিধাটো পাই, মানে ভূমিহীনক ভূমি দিব লাগে বুলি যেতিয়া ব্যৱস্থা হ'ল, চৌধুৰীয়ে ঠিক সময়তে ৰবযুণ অহা যেন পাই কাগজে কলমে দুহাজাৰ বিঘা মাটি দুশঘৰ মানুহৰ মাজত বিলাই দিলে । দিলে মানে কি—দুশঘৰ মানুহক একঠা-একঠা মাটিত, ডাঙৰ মানুহৰ পাইখানা ঘৰৰ সমান ডাঙৰকৈ একোটা থকা ঘৰ সাজি লবলৈ দিলে । বাকীবোৰ ব্যৱস্থা আগৰ দৰেই থাকিল ।

মইনাহঁতক অৱশ্যে মহাজনে নিজৰঘৰৰ ওচৰতেই ৰাখিলে । কি ঠিক কুকুৰৰ জাত । সুবিধা পালে মানুহ মথাই মহাজনৰ বিৰুদ্ধে উঠিলে মহাজনৰ হৈ মাত দিওঁতাই নাইকীয়া হব । গতিকে সৰুকণ অৰ্থাৎ মইনাৰ বাপেক হঁত মহাজনৰ লগতেই থাকিল । দুশঘৰ কৃষকৰ পৰা সুকীয়াকৈ সিহঁতক খেতি কৰাৰ মাটি অকণমানো নিজাকৈ দিলে । ৰিজাৰ্ভৰ খেতিয়কবোৰে কৰাৰ নিচিনা সিহঁতৰ উৎপাদিত ফচল মহাজনৰ ভৰালত গৈ দিব নালাগে । খেতিয়কবোৰৰ মাজলৈ গৈ মহাজনক লাগ বুলিলেই সৰুকণে চামচুদ্দিন.

ইচলাম, চানাৰামহঁতৰ ঘৰৰ পৰা চৰাইটো, হাঁহটো ডাঙি লৈ আহে।

বিজাৰ্ডৰ খেতিয়কবোৰে নিৰ্ব্বিবাদে খেতি কৰি গ'ল। উৎপাদিত শস্য আটাইখিনি আনি মহাজন চৌধুৰীৰ ঘৰত জমা দিয়ে আৰু তাৰে পৰা চৌধুৰীয়ে যি দিয়ে তাকেই নিজৰ বুলি লৈ যায়। কোনো ক্ষোভ নাই, নাই কোনো প্ৰতিবাদ। পিছে বছৰৰ ছমাহ নুকুলাই। সেই ছয় মাহ দিন হাজিৰা নকৰিলে কাৰো পেট নচলে। সৰুকণ-মইনাহঁতৰ কথা অৱশ্যে সুকীয়া।

সৰুকণহঁতৰ অৱস্থা কিছু ভাল কাৰণেই মইনাই হাইস্কুলৰ কেইশ্ৰেণীমানলৈ পঢ়িছিল। পিচত পঢ়া বাদ দি দুদিনমান চৌধুৰীৰ জুৱাৰ আড্ডালৈ গ'ল—তাৰ পিচত মদৰ আড্ডা ঢুকি পালেগৈ। হলেওঁ মইনাই বহুত কথা বুজে। চৌধুৰীৰ ল'ৰা-ছোৱালী কেইটাৰ ব্যৱহাৰত তাৰ মন বিদ্ৰোহী হৈ উঠে। মহাজনৰ হৈ সি কি কৰা নাই। অথচ মহাজনৰ ঘৰত গলে চকীৰ কথাটো বাদেই শুদা পকীখন ফুৰাই লৈ বহিব লাগে অথচ মদৰ আড্ডাত চৌধুৰীৰ চকীৰ কাষতে সি বহে বেঞ্চত। মদ খাই জমিদাৰে কৰা প্ৰস্তাৱবোৰ শুনি মইনাৰ ভয় লাগে। চানাৰাম গাওঁবুঢ়াক মাৰিব পাৰিলে পাঁচশ টকা পুৰস্কাৰ, বেনুৰক খতম্ কৰিব পাৰিলে মাটি দহ বিঘা। পিছে চামচুদ্দিন চাচাক হলে একো কৰিব নকয়। চৌধুৰীয়ে জানে, অৱশ্যে মইনাইওঁ নজনা নহয় যে চাচা এসময়ত মিলিটেৰিত কাম কৰা মানুহ। মেজাজত কি কৰে একো ঠিক নাই।

সৰুকণৰ লগত বিজাৰ্ডৰ খেতিয়কৰ প্ৰায়ে কাজিয়া লাগে। মইনাই বাপেকক বুজাব খোজে— দুখীয়াই-দুখীয়াই কাজিয়া কৰি লাভ নাই। কাৰণ, সৰুকণৰ পৰা পোৱা উপকাৰৰ বিনিময়তহে মহাজন তেওঁলোকৰ বন্ধু হৈ আছে। পিচত সিহঁতক মাটিৰ পৰা উচ্ছেদ কৰিবও পাৰে। কথাটো সি সেইদিনা অলপ বেছিকৈ অনুভৱ কৰিছিল।

সেইদিনা সৰুকণ গৈছিল টাউনলৈ— চৌধুৰীৰ কিবা বস্তু আনিবলৈ। মইনাই এনেয়ে চকৰ ফালে ওলাই গৈছিল ৰাস্তাত মহাজনৰ মাজু পুতেকৰ লগত ভেটা-ভেটি হল। মইনাই তাক এনেয়েও দেখিব নোৱাৰে। কিছুদূৰ গৈ তাৰ মনত পৰিল যে সেইদিনা মাকো পথাৰলৈ গৈছে যেতিয়া ভনীয়েকজনী ঘৰত অকলে আছে আৰু মহাজনৰ মাজু পুতেকো বোধহয় তালৈকেই যাব। চকলৈ নগৈ সি ঘৰলৈয়ে খোজ ললে বেগাই। গৈ দেখে যে ভৱা কথাই ঠিক। মহাজনৰ পুতেকে ভনীয়েকৰ লগত চুপতি মাৰিবলৈ বিচাৰিছে, কিন্তু তাই প্ৰশ্ৰয় দিয়া নাই। মইনাই ঘৰলৈ সোমাই গৈ মহাজনৰ পুতেকৰ কান দুখনত ধৰি দুই গালে দুটা চৰ বহাই দিলে। সি ওলাই লৰ মাৰিলে।

সেইদিনাই মইনাৰ সন্দেহ ঘনীভূত হৈছিল —মুখত যিমানেই বন্ধুত্ব নেদেখুৱাওঁক লাগে সুবিধা পালেই ইহঁতে শত্ৰুতা কৰিবলৈ নেৰে।

সময়ৰ গতিৰ লগে-লগে বিজাৰ্ডৰ খেতিয়কৰ মাজতো এক বিৰাট পৰিৱৰ্ত্তনে দেখা



দিলে। মহাজনৰ লগত মৌখিক ভদ্ৰতা ৰখাৰ বাহিৰে যেন মহাজনক কোনেওঁ ভয় নকৰা হ'ল। ঘটনাটোত স্বয়ং মইনায়ো উৎসাহ জগালে। তাৰো অৱশ্যে কাৰণ নথকা নহয়।

সেইদিনা মদৰ আড্‌ডাত মহাজনে মইনাক খাটিলে—বিজাৰ্ডৰ লক্ষী বড়োৰ ভনীয়েকক ধৰি নি তাক দিব লাগে। মইনাৰ তেজ যেন হঠাতে উতলি আহিল। তাৰ মনত ভাহি উঠিল—মহাজনৰ পুতেকে তাৰ ভনীয়েকৰ ওপৰত পেলোৱা লোলুপ দৃষ্টিৰ কথা। সি কৈ উঠিল—অইন কাম তাৰ দ্বাৰা কৰালেওঁ যেন—তেনে কাম তাৰ দ্বাৰা কৰোৱাৰ ইচ্ছা নকৰে। মহাজনে হঠাতে হাঃ-হাঃ-হাঃ কৈ হাঁহি উঠিল।

ঠিক আছে, ঠিক আছে. মই জানো তই লক্ষীহঁতৰ ঘৰলৈ নেযাব। কিন্তু চামচুদ্দিনহঁতৰ ঘৰলৈতো যাবি চামচুদ্দিনৰ জীয়েক আচনাৰাকে ফুচুলাই আন তেনেহলে। পইচা যি লাগে লবি। মহাজনৰ কথা শেষ হবলৈ নাপালেই। "চালা-কুকুৰ, খাব নোপোৱা খেতিয়কৰ ভাগৰ ভাত খাই ভোক পলোৱা নাই. এতিয়া আচনাৰাকো লাগে হো!" বুলি মহাজনৰ ডিঙি চেপি ধৰিলে। মহাজনে "মৰিলো ঐ" বুলি চিঞৰ মাৰি দিয়াত ওচ-ৰতে থকা কাম কৰা মানুহজনে আহি মইনাৰ মূৰত বাঁহ এডালেৰে প্ৰচণ্ড কোব এটা মাৰিলে। মইনাৰ মূৰৰ পৰাহো-হোৱাই তেজ ওলাল।

ফটা মূৰটো লৈয়েই সি চামচুদ্দিন চাচাৰ ঘৰ ওলাল গৈ। আচ্‌নাৰাই তাৰ মূৰৰ তেজ দেখি চিঞৰি দিলে। সচাঁকৈ আচ্‌নাৰাই মইনাক খুব ভাল পায়। চাচাইওঁ মইনাকে জোৱাই ৰূপে বিচাৰে। এনেহেন আচ্‌নাৰাক লৈ মহাজনে অন্যায় বাসনা কৰিলে মইনাই সহ্য কৰে কেনেকৈ?

বিজাৰ্ডৰ কৃষক সভাখন গঠন কৰোতে মইনায়েই আগভাগ ললে। চামচুদ্দিন চাচা কৃষক সভাৰ সভাপতি হ'ল। কথাটো অৱশ্যে গোপনেই ৰখা হ'ল। টাউনৰ পৰাও বহুতো ডেকাৰ সহযোগ পালে। এওঁলোক কেনো কিবা এটা ছাত্ৰ সংগঠনৰ কৰ্মী। খেতিয়ক সকলে বৰ ভাল পালে। এই ল'ৰাবিলাকেই প্ৰথম বুজালে যে খেতিয়কৰ উৎপাদিত বস্তুবোৰ প্ৰকৃততে অইনেহে ভোগ কৰে। কথাটো সচাওঁ। বিজাৰ্ডৰে খেতিয়কে খেতি কৰে—অথচ ফল গৈ উঠে মহাজনৰ ভৰালত। নিজ দেহেৰে পৰিশ্ৰম কৰি পোৱা ধান মহাজনে বেচে ডাঙৰ ব্যৱসায়ীৰ দোকানত আৰু সিহঁতে মাত্ৰ ছমাহ নমৰি জীয়াই থাকে। সিহঁতে উৎপন্ন কৰা ফচলৰ টকাৰে মহাজনে টেক্সি কিনে, টাউনত বিল্ডিং সাজে, ল'ৰাক কলেজত পঢ়ায়, সভাই-সমিতিয়ে শ শ টকা চান্দা দি সমাজত প্ৰতিষ্ঠা লাভ কৰে। এম. এল. এ এম্-পি হবৰ বাবে ইলেক্‌চনত উঠে। সিহঁতে নিজে কুকুৰ মেকুৰীৰ দৰে জীৱন নিৰ্বাহ কৰি এচামক ধন-দৌলতে ভৰা জীৱন উপভোগ কৰিবলৈ দিয়ে। এয়েই হ'ল শোষণ। হয়ো—বেচেৰা ল'ৰা কেইটাই ঠিক কথাই কৈছে।

অলপতে বিজাৰ্ডৰ পৰা খেতিয়ক কেইজনমান গৈছিল সিহঁতে পতা স্কুলখনত মাষ্টৰ এজনক

নিযুক্তি দিবৰ কাৰণে চৰকাৰৰ ওচৰলৈ । পিচে মন্ত্ৰীয়ে হেনো তেওঁলোকক দেখাই নিদিলে । ল'ৰাহঁতে বুজালে—চৰকাৰখনো বোলে আচলতে সৰ্ব্বেশ্বৰ চৌধুৰীহঁতৰে কলীয়া । হওঁতো নহয়নো কি ? খেতিয়কৰ ল'ৰাবোৰে অ-আ, ক-খ কিবা-কিবি জনাবুজা হলে ইহঁতৰ নিচিনা মহাজনবোৰে ঠগ-ৰাজি কৰি খাব নোৱাৰিব । গতিকে স্কুল নিজে পাতিলেওঁ মাষ্টৰ দিব কিয় ? সজা স্কুলঘৰ সজাই থাকিল । হেজাৰ চেষ্টাইও কাম নিদিলে ।

কৃষক সভা হ'ল । ঘনাই খেতিয়ক বিলাকৰ মাজত আলোচনা চলিল । ছাত্ৰ-সংগঠনৰ কৰ্মী সকলেওঁ সহায় কৰিলে। ভূমি-হীনক ভূমি দিয়াৰ নামত যে আচলতে চৰকাৰী মাটি সৰ্ব্বেশ্বৰ চৌধুৰীয়ে ভোগ কৰি আছে তাক বিতংকৈ বুজালে কৰ্মী সকলে । খেতিয়ক সকলেও মাৰ বান্ধি উঠিল—“আমাক চৰকাৰী মাটি দিবই লাগিব ।” পিছে কৰ্মী সকলে বুজালে যে লাহে-লাহে প্ৰতিৰোধ দিহে সকলো কাম কৰিব পৰা হ'ব ।

সকলো ৰাজী হ'ল । মইনাওঁ কৃষক সকলৰ লগতেই থাকিল । আচ্নাৰাই তাক সাহস যোগালে । বাপেক সক্ৰুকণে মহাজনৰ বিৰুদ্ধে মেল-মিটিং কৰা বাবে মইনাক ঘৰৰ পৰা খেদি দিয়াত সি গৈ চামচুদ্দিন চাচা-হঁতৰ ঘৰতে থাকিলগৈ । চাচাইওঁ ভালেই পালে । একমাত্ৰ ছোৱালীজনীৰ দায়িত্ব চাচা নহলেওঁ অন্ততঃ মইনায়েই লব পাৰিব ।

প্ৰথম বছৰত অধিক ফচল মহাজনৰ পৰা কৃষক সভাই দাবী কৰিলে । মহাজনে ভাবিলে— ইহঁত কমিউনিষ্ট হ'ল । ফলত চামচুদ্দিন, বেনুৰ, লক্ষী, গাওঁবুঢ়াহঁতৰ ওপৰত মিছা কেচ্ জাপি দিলে । তথাপিও কৃষক সভাই কাম কৰি গ'ল আৰু অৱশেষত সেইদিনা—

অৱশেষত কৃষক সভাই সিদ্ধান্ত ল'লে— এইবাৰ ফচল ৰক্ষাৰ আন্দোলন চলাব । আৰু সিহঁতে মহাজনক ধান নিবলৈ নিদিয়ে। চৰকাৰী আইনমতে ফচল ৰক্ষা কৰিব পাৰিলে মাটিৰ দখলী স্বত্বওঁ পাব ।

কথামতে কাম । সিদ্ধান্ত লোৱা হ'ল- ওচৰৰ গাওঁবিলাকতো কৃষক সভাৰ সমৰ্থন-কাৰী সকলক খবৰ দিয়া হব আৰু নিৰ্দিষ্ট দিনত মুনিহ-তিৰোতাই একেলগে গৈ ধান কাটিব ।

মহাজনো কিন্তু বহি নাথাকিল। চোৰাং চোৰাৰ পৰা খবৰ লৈ কৃষক সভাই ধান কটাৰ আগদিনাই ধান কাটিবৰ সিদ্ধান্ত কৰিলে । কৃষক সভাই ছাত্ৰ-সংগঠনৰ কৰ্মী সকলৰ পৰামৰ্শ মতেই নিৰ্দ্ধাৰিত দিনৰ দুদিন আগতেই গৈ পথাৰত নামিল দুশ আঢৈশ মানুহ লৈ । খবৰ পায়েই অগ্নিশৰ্ম্মা হৈ জমিদাৰ খেদি আহিল। কিন্তু মানুহ দেখি ভয় খালে । প্ৰথমতে মইনাৰ নাম কাঢ়ি গালি-গালাজ কৰি উত্তেজিত কৰাৰ চেষ্টা কৰিলে । কিন্তু কৃষক সভাই নিৰ্ব্বিকাৰ ভাৱে ধান কাটি গ'ল,. লগতে অইন কালে হব পৰা ঘটনাৰ কাৰণে প্ৰস্তুত হৈ থাকিল। অৱশেষত জমিদাৰৰ নিৰ্দ্দেশত ভেৰোণীয়া গুণ্ডাইতে কৃষক সভাৰ মানুহক আক্ৰমণ



কৰিলে আৰু চাওতে-চাওতে দুয়ো দলৰ মাজত এখন প্ৰকাণ্ড খণ্ড যুদ্ধ লাগি পৰিল।

মাৰ খাই জমিদাৰৰ মানুহ পলাল। কিন্তু জমিদাৰৰ মানুহ এজন মৰিল সেয়া—সক্ৰুকণ। মইনাই কিন্তু নেকান্দিলে। বৰঞ্চ কৃষক সভাৰ মানুহক বুজালে যে- সক্ৰুকণহঁতৰ নিচিনা মূৰ্খবোৰক মহাজনবোৰে প্ৰলোভন দেখুৱাই খেতিয়কবোৰৰ বিৰুদ্ধে লগায়েই । সেয়া নিয়মেই। গতিকে দুখ কৰি লাভ নাই । ইতিমধ্যে পুলিচ আহি দুয়ো পক্ষৰে ভালে-খিনি মানুহক এৰেষ্ট কৰি নিলে আৰু ধান কটাওঁ বন্ধ কৰি দিলে ।

দুদিন পিছত পুলিচে হাতী লগাই সোণালী ধান গছকাই শেষ কৰি পেলালে। কাৰণ, মাটিখিনি কোন পক্ষৰ প্ৰমাণ নকৰাকৈ চৰকাৰী মাটিৰ ধান কোনো পক্ষকে দিয়া নহয় ।

সকলোৱে বুজিলে – সেয়া জমিদাৰ চৌধুৰীৰ বুদ্ধি । তত্ৰাচ কৃষক সভাই কিছু ধান কাটিলে । চৰকাৰ খন যে চৌধুৰীহঁতৰেই এইবাৰ কৃষক সকলে ভালদৰেই বুজি পালে। মইনায়ো বুজিলে । জেললৈ যাবৰ সময়ত চামচুদ্দিন চাচাই আচ্নাবাৰ দায়িত্ব লবলৈ মইনাক সকিয়াই থৈ গ'ল ।

এৰা— ছাত্ৰ কৰ্মী সকলৰ কথাই ঠিক। যেতিয়ালৈকে জমিদৰ চৌধুৰীহঁতৰ নিচিনা মানুহৰ স্বাৰ্থত কাম কৰা, পুঁজিপতিৰ স্বাৰ্থত কাম কৰা চৰকাৰ ভাঙি তাৰ ঠাইত কৃষক-শ্ৰমিকৰ চৰকাৰ স্থাপন কৰিব পৰা নাযায়, তেতিয়ালৈ কৃষক শ্ৰমিকৰ মুক্তি নহব ।

বেলিটোওঁ প্ৰখৰ গতিত উধাব ধৰিছে। মইনাৰ হাতৰ কাচিখন আকৌ লয়লাসে নাচিবলৈ ধৰিলে । নতুন দিন আহিছেই— ঠিক যেনেকৈ বেলিটো প্ৰখৰ হৈ আহিছে— মইনাই ভাবিলে ।

---

“বিপ্লৱী মতবাদ নাথাকিলে কোনো বিপ্লৱী আন্দোলন সম্ভৱ নহয় ।”

—লেনিন—

---

● কবিতা ●

# মুখাবোৰ মুখাবোৰ খুলি পেলোৱা পেলোৱা

ৰবীন্দ্ৰ ডেকা
স্নাতক ১ম বাৰ্ষিক

মুখাবোৰ খুলি পেলোৱা।
তোমালোকে—
ভদ্ৰতাৰ,
ভণ্ড সভ্যতাৰ পৰিচাৰক
সেই মুখাবোৰ খুলি পেলোৱা।
এন্ধাৰ আঁতৰি গৈছে—
জনতাৰ মাজৰ পৰা,
ন সূৰ্য্যৰ ন পোহৰত
উদ্ভাষিত আজি ধৰা।
সকলোৱে চিনিছে তোমালোকক
চিনিছে তোমালোকৰ সেই মুখাবোৰ
আজি শিলে সাৰ পাইছে
জনতা জাগ্ৰত হৈছে,
মুখাবোৰ খুলি পেলোৱা
অন্যথা খুলি দিব সিহঁতেই।
জনতাৰ বুকুত আজি
অনল জ্বলিছে—প্ৰজ্বলিত শিখাৰে
ক্ষুধাৰ, আশাভঙ্গৰে।
সিহঁতৰ ভেঙ্গুত দাবাগ্নি---
বিপ্লৱৰ।
মুখাবোৰ খুলি পেলোৱা
তোমালোকে ভণ্ডামীৰ সেই
মুখাবোৰ খুলি পেলোৱা। ❀



❀ প্ৰবন্ধ ❀

## ইতিহাসৰ এটি অবিস্মৰণীয় নাম : স্তালিন

শ্ৰীপ্ৰফুল্ল বৰ্মণ
স্নাতক মহলা ১ম বাৰ্ষিক

১৯৭৯-৮০ বছৰ স্তালিনৰ জন্ম শতবৰ্ষ। গোটেই বিশ্বই মহান কমিউনিষ্ট নেতা জে, ভি, স্তালিনৰ জন্ম শতবৰ্ষ পালন কৰিছে। স্তালিন জন্ম শতবৰ্ষ উপলক্ষে আমি আমাৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

—সম্পাদক—

বিশ্বৰ শ্ৰমিক শ্ৰেণী আৰু মেহনতী জনগণৰ মুক্তিৰ সন্ধান দিছে মাৰ্ক্স আৰু এঙ্গেলচে। শোষিত মানুহৰ মুক্তিৰ তত্ব. সমাজতান্ত্ৰিক বিপ্লৱৰ তত্ব আৰু শ্ৰমিক শ্ৰেণীৰ ৰাজনৈতিক ক্ষমতা দখলৰ তত্বৰ ভৱিষ্যতে মাৰ্ক্স এঙ্গেলচে দাঙি ধৰিলে এখন সমাজ ছবি. আৰু সেই একছবি বাস্তৱত অঙ্কিত কৰিলে লেনিনে। কথাত লেনিনে দিলে বিশ্বৰ মেহনতী মানুহৰ মুক্তিৰ পথ। লেনিনে দেখুৱা পথকে সৰোগত কৰি শ্ৰমিক শ্ৰেণীৰ মুক্তিৰ পথৰ অগ্ৰদূত হিচাবে যিয়ে নিজকে প্ৰতিষ্ঠিত কৰিলে তেঁৱে হ'ল স্তালিন। লেনিনে আৰম্ভ কৰিছিল এখন দেশত সমাজতন্ত্ৰ গঢ়াৰ কাম আৰু সেই কাম সমাপ্ত কৰিছিল স্তালিনে।

শ্ৰমিক শ্ৰেণীক লেনিনে নেতৃত্ব দিছিল সাম্ৰাজ্যবাদী যুগত, শ্ৰমিক বিপ্লৱৰ বিকাশীল যুগত। সেইবাবে লেনিনে মাৰ্ক্সবাদক বিকশিত কৰিছিল আৰু এই বিকশিত মাৰ্ক্সবাদক স্তালিনে আখ্যা দিছে 'লেনিনবাদ' বুলি। স্তালিনে কৈছে—"লেনিনবাদ হ'ল সাম্ৰাজ্যবাদ আৰু শ্ৰমিক বিপ্লৱৰ যুগৰ মাৰ্ক্সবাদ, সাধাৰণভাবে শ্ৰমিক বিপ্লৱৰ মতবাদ আৰু ৰণ কৌশল আৰু বিশেষ ভাবে ই হ'ল শ্ৰমিক শ্ৰেণীৰ একনায়কত্বৰ মতবাদ আৰু কৌশল।" সেয়ে স্তালিনে লেনিনৰ মৃত্যুৰ পাচত মাৰ্ক্সীয় তত্বত লেনিনৰ বিৰাট অৱদানক স্বীকৃতি দি মাৰ্ক্সবাদক "মাৰ্ক্সবাদক-লেনিনবাদ বুলি অভিহিত কৰিছে ৰাচিয়াত সমাজতন্ত্ৰ

গড়াৰ বিৰাট সাফল্যৰ গুৰিতে আৰু পিচৰ যুগত এচিয়া, ইউৰোপৰ বিভিন্ন সমাজতান্ত্ৰিক দেশৰ জনগণক সমাজতন্ত্ৰৰ পোহৰেৰে আলোকিত কৰাৰ মূলতে আছে এই মাৰ্ক্সবাদ লেনিনবাদ, আৰু এই ঐতিহাসিক কীৰ্ত্তিৰ মহান নায়ক হ'ল ষ্টালিন।

১৮৭৯ চনৰ ২১ ডিচেম্বৰ তাৰিখে ৰাচিয়াৰ জৰ্জিয়া প্ৰদেশৰ গোৰি নামৰ এখন সৰু চহৰত ষ্টালিনৰ জন্ম হয়। তেওঁৰ ল'ৰালিৰ নাম আছিল ভিচাৰিঅ'নোভিচ জুগোচভিলি জোচেফ। পিতাক ভিচাৰিঅ জুগোচভিলি আছিল এটা জোতা কাৰখানাৰ শ্ৰমিক। মাক কেথেৰিণ জৰ্জিভনা যুগোচভিলিয়ে ধুবুনী হিচাবে কাম কৰিছিল। মুঠতে এটা গৰীব পৰিয়ালৰ অভাৱ অনাটনৰ সোৱাদ বাল্য জীৱনতে ষ্টালিনে পাইছিল। পঢ়া-শুনাৰ প্ৰতি তীব্ৰ আগ্ৰহ দেখি অভাৱ অনাটন স্বত্বেও পুতেকক স্থানীয় পাদৰি সকলৰ পাঠশালাত নাম লিখি দিয়ে। ১৮৯৪ চনত ষ্টালিনক তিফলিচৰ পাদৰি সকলৰ চেমিনাৰিলৈ পঠোৱা হয়। ধৰ্মীয় বিদ্যালয়লৈ পঠাই মাক বাপেকে পুতেক ধৰ্মযাজক হ'ব বুলি ভাবিছিল। কিন্তু ষ্টালিন ধৰ্মযাজক হোৱা দূৰৈৰ কথা মাত্ৰ পোন্ধৰ বছৰ বয়সতে বিদ্যালয়তে বিপ্লৱৰ পথতহে আগ বাঢ়িছিল। ষ্টালিনে নিজেই কৈছে—"পোন্ধৰ বছৰ বয়সতে মই বৈপ্লৱিক আন্দোলনত যোগ দিঔ আৰু ট্ৰান্সককেচিয়াৰ ৰুচীয় মাৰ্ক্সপন্থী গুপ্ত দল বিলাকৰ প্ৰতি সহানুভূতিশীল হৈ পৰো। এই দল বিলাকে মোৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰে আৰু ইয়াৰ ফলতে মই নিষিদ্ধ মাৰ্কসবাদী সাহিত্য পঢ়িবলৈ আগ্ৰহী হৈ উঠো।"—

অত্যাচাৰী জাৰৰ আমোলত তেতিয়া একমাত্ৰ ধৰ্ম পুথিৰ বাহিৰে প্ৰায় সকলো বিষয়ক কিতাপ পত্ৰই আছিল নিষিদ্ধ। চেমিনাৰিত থাকোতে মাত্ৰ সোতৰ বছৰ বয়সত তেওঁ প্ৰথমে বে-আইনী মাৰ্কসীয় অধ্যায়ণ চক্ৰ প্ৰতিষ্ঠা কৰে। ১৮৯৮ চনত ষ্টালিনে গুপ্ত ৰাচিয়ান ছচিয়েল ডেমোক্ৰেটিক লেবাৰ পাৰ্টিৰ তিফলিচ শাখাত যোগ দিয়ে। এই সময়তে তেওঁ লেনিনৰ নাম শুনে আৰু তেওঁৰ ৰচনা অধ্যায়ণ কৰে। তদুপৰি কমিউনিষ্ট মেনিফেষ্টোকে ধৰি মাৰ্কস্ আৰু এংগেলচৰ প্ৰায় সমস্ত ৰচনাৱলী সেই সময়তে অধ্যায়ণ কৰে। কেৱল অধ্যায়ণ কৰিয়ে ক্ষান্ত থকা নাছিল, তাক প্ৰয়োগৰ উপযোগীকৈ সহজ ভাষাত শ্ৰমিক সকলৰ বাবে ইস্তাহাৰ ৰচনা কৰি প্ৰচাৰ আৰম্ভ কৰে। মাৰ্কস্'ৰ দৰ্শন অৰ্থনীতি, ইতিহাস অধ্যায়ণত ষ্টালিনৰ আগ্ৰহ আছিল অপৰিসীম।

তিফলিচৰ শ্ৰমিক শ্ৰেণীৰ মাজতেই আৰম্ভ হয় তেওঁৰ বিপ্লৱী কাম-কাজ। পৰৱৰ্ত্তী কালত ষ্টালিনে নিজেই স্বীকাৰ কৰিছে যে তিফলিচৰ শ্ৰমিক সকলেই তেওঁৰ বাবে আছিল বিপ্লৱৰ প্ৰথম শিক্ষক। ১৮৯৯ চনৰ ২৭ মে'ত ৰাজনৈতিক ভাবে বিশ্বাসযোগ্য নহয় বুলি জোচেফ জুগোচভিলিক চেমিনাৰিৰ পৰা বহিস্কাৰ কৰা হয়। জীৱিকাৰ বাবে কিছুদিন তেওঁ তিফলিচৰ ফিজিকেল অবজাৰভেটৰীত গাণনিক আৰু পৰিদৰ্শকৰ চাকৰি



কৰে যদিও এক মুহূৰ্ত্তৰ বাবেও তেওঁ বিপ্লৱী কামৰ পৰা বিৰত থকা নাছিল। এই সময়তে ষ্টালিনে তিফলিচৰ ছচিয়েল ডেমোক্ৰেটিক সংগঠনৰ অন্যতম সক্ৰীয় আৰু বিশিষ্ট সভ্য হৈ পৰে। ১৮৯৮—১৯০০ চনত তিফলিচ সংগঠনৰ কেন্দ্ৰীয় ছচিয়েল ডেমোক্ৰেটিক গোষ্ঠীৰ বৈপ্লৱিক প্ৰচাৰ আৰু সাংগঠনিক কামত নেতৃত্ব দিয়ে ষ্টালিনে।

১৯০০ চনৰ ডিচেম্বৰত লেনিনৰ 'ইস্ক্ৰা' প্ৰকাশিত হোৱাৰ পৰা ষ্টালিনে লেনিনৰ নীতিক সমৰ্থন কৰিবলৈ ধৰে, আৰু লেনিনৰ নেতৃত্বত যে মাৰ্কসবাদী পাৰ্টি গঢ়ি উঠিছে, সেই কথা ভালদৰে বুজি উঠিবলৈ সক্ষম হয়। অৱশ্যে সেই পৰ্য্যন্ত লেনিনৰ লগত তেওঁৰ কোনো প্ৰত্যক্ষ পৰিচয় হোৱা নাছিল। ১৯০১ চনতে ষ্টালিনৰ উদ্যোগত বাকুত গোপন ছপাখানাৰ পৰা 'ইস্ক্ৰা'ৰ অনুকৰণত প্ৰকাশিত 'বৰদজোলা' (সংগ্ৰাম) নামে প্ৰথম বে-আইনী ছচিয়েল ডেমোক্ৰেটিক কাকত যোগে লেনিনৰ 'ইস্ক্ৰা'ৰ নীতি আৰু আদৰ্শ অবিচ্ছিন্ন ভাবে প্ৰচাৰ কৰি থাকে। মাৰ্কসীয় পত্ৰিকা হিচাবে 'ইস্ক্ৰা'ৰ পিচতে সমগ্ৰ ৰাচিয়াতে স্থান পাইছিল 'বৰদজোলা'ই। 'বৰদজোলা'ৰ প্ৰথম সংখ্যাৰ সম্পাদকীয় স্তম্ভত ষ্টালিনে পত্ৰিকাৰ লক্ষ্য আৰু উদ্দেশ্য সম্বন্ধে লিখিছিল—"জাৰ্জিয়াৰ ছচিয়েল ডেমোক্ৰেটিক সংবাদ পত্ৰত শ্ৰমিক আন্দোলন সম্পৰ্কে সমস্ত প্ৰশ্নৰ উত্তৰ দিয়া হ'ব, নীতি সম্পৰ্কিত সমস্ত প্ৰশ্নৰ ব্যাখ্যা কৰা হ'ব, সংগ্ৰামত শ্ৰমিক শ্ৰেণীৰ ভূমিকা সম্বন্ধে তত্বগত ব্যাখ্যা দিয়া হ'ব আৰু শ্ৰমিক শ্ৰেণীয়ে যি সমস্ত বিষয়ৰ সন্মুখীন হয় তাৰ ওপৰত বৈজ্ঞানিক সমাজতন্ত্ৰৰ আলোকপাত কৰা হ'ব।"

'বৰদজোলা'ৰ ১৯০১ চনৰ নবেম্বৰ ডিচেম্বৰ সংখ্যাত 'ৰাচিয়াৰ ছচিয়েল ডেমোক্ৰেটিক পাৰ্টি আৰু তাৰ আশু কৰ্ত্তব্য' নামেৰে ষ্টালিনৰ এটি গুৰুত্বপূৰ্ণ প্ৰবন্ধ প্ৰকাশিত হয়। এই প্ৰবন্ধত তেওঁ বৈজ্ঞানিক সমাজতন্ত্ৰৰ লগত স্বতঃস্ফূৰ্ত্ত শ্ৰমিক শ্ৰেণীৰ আন্দোলনক যুক্ত কৰাৰ প্ৰয়োজনীয়তা আৰু গণতান্ত্ৰিক মুক্তি আন্দোলনত নেতা হিচাবে শ্ৰমিক শ্ৰেণীৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, আৰু শ্ৰমিক শ্ৰেণীৰ এটি স্বাধীন ৰাজনৈতিক পাৰ্টি প্ৰতিষ্ঠা কৰাৰ কথা ডাঙি ধৰে।

১৯০১ চনৰ নবেম্বৰৰ শেষত আৰ, এচ. ডি, এল, পি,ৰ তিফলিচ কমিতিৰ নিৰ্দেশত ষ্টালিনে বাটুমত শ্ৰমিক সকলৰ মাজত সাংগঠনিক কাম কৰিবলৈ যায়, আৰু তাত কেইবাটাও শ্ৰমিক ধৰ্মঘট পৰিচালনা কৰে ষ্টালিনে নিজে। ১৯০১ চনত তিফলিচৰ প্ৰথম মে-দিৱসৰ অভূতপূৰ্ব সমদল উলিয়ায়। এইদৰে ষ্টালিনে ট্ৰান্সককেচিয়াত পাৰ্টিৰ সংগঠন গঢ়ি তোলাৰ কাৰ্য্যত আত্মনিয়োগ কৰিছিল আৰু বিশিষ্ট সংগঠক আৰু নেতা হিচাবে ষ্টালিনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই সময়ছোৱাত হোৱা সফলো বৈপ্লৱিক কাম-কাজৰ অগ্ৰগতিত আতংকিত জাৰ চৰকাৰে ষ্টালিনৰ বিচিনা দলনেতাক ধৰিবলৈ গোয়েন্দা, পুলিচে সমগ্ৰ বাটুম চহৰত বিয়পি পৰে। এই সময়ছোৱাত তেওঁ গোপনে

কাম চলাব লগা হৈছিল। আনকি গোপনে প্ৰচাৰকাৰ্য্য চলাবলৈ তেওঁৰ লগত এটা ছপাখানাও লৈ ফুৰিছিল। তেতিয়া তেওঁ বিভিন্ন সময়ত বিভিন্ন ছদ্মনাম লব লগা হৈছিল। ১৯০২ চনৰ ৫ এপ্ৰিলৰ দিনা ষ্টালিন পুলিচৰ হাতত ধৰা পৰে। প্ৰথমে তেওঁক বাটুম জেলত ৰখা হৈছিল যদিও পিচত নৃশংস অত্যাচাৰৰ কুখ্যাত কুতাইচ জেললৈ স্থানান্তৰিত কৰে। তাত কয়েদী সকলৰ ধৰ্মঘটৰ নেতৃত্ব দিয়া বাবে ১৯০৩ চনৰ শৰৎকালত তেওঁক চাইবেৰিয়াৰ ইৰকুটস্কলৈ তিনিবছৰৰ বাবে নিৰ্ব্বাসিত কৰা হয়। কিন্তু ১৯০৪ চনৰ ৫ জানুৱাৰীত তাৰ পৰা পলাই আহে।

ষ্টালিনৰ বৈপ্লৱিক কাৰ্য্যকলাপত আতঙ্কিত অত্যাচাৰী জাৰ চৰকাৰে ১৯০২—১৯১৩ চনৰ ভিতৰত সাতবাৰ তেওঁক গ্ৰেপ্তাৰ কৰি ছয়বাৰ নিৰ্ব্বাসিত কৰিছিল। কিন্তু নিৰ্ব্বাসনৰ পৰা বাৰে বাৰে পলাই আহিছিল। ১৯১৩ চনত কাৰাগাৰত থাকোঁতেই দ্বিতীয় পাৰ্টি কংগ্ৰেছত ৰুচ ছচিয়েল ডেমোক্ৰেটিক দলৰ মাজত বলচেভিক আৰু মেনচেভিক সকলৰ মাজত গভীৰ মতভেদ আৰম্ভ হয়। লেনিনৰ নেতৃত্বত বলচেভিক দলে সুবিধাবাদী মেনচেভিক সকলৰ বিপক্ষে আপোচহীন সংগ্ৰাম গঢ়ি তুলিবলৈ দৃঢ় প্ৰতিজ্ঞ হয়। ষ্টালিনে লেনিনৰ নেতৃত্বধীন বলচেভিক দলৰ প্ৰতি দৃঢ় সমৰ্থন জনায়, আৰু লেনিনৰ নেতৃত্বৰ ওপৰত সন্দেহহীন ভাবে গভীৰ বিশ্বাস অটুট ৰাখে। ১৯০৩ চনত নিৰ্বাসিত অৱস্থাতে তেওঁ লেনিনৰ পৰা এখন চিঠি পায়, আৰু চিঠি যোগে লেনিনৰ লগত তেওঁৰ পৰিচয় ঘটে। এই পৰিচয় সম্পৰ্কে পিচত তেওঁ লিখিছে— "তেওঁৰ চিঠিত আছিল আমাৰ পাৰ্টিৰ বাস্তৱ কাম-কাজৰ বলিষ্ঠ আৰু নিৰ্ভীক সমালোচনা, অদূৰ ভৱিষ্যতে পাৰ্টিৰ কাৰ্য্যাৱলীৰ সমগ্ৰ পৰিকল্পনাৰ স্পষ্ট আৰু সংক্ষিপ্ত বৰ্ণনা।" লেনিনৰ সতে ষ্টালিনৰ প্ৰত্যক্ষ পৰিচয় হৈছিল ১৯০৫ চনৰ ডিচেম্বৰত টেম্মাৰফোৰ্চত (ফিনলেণ্ড) হোৱা বলচেভিক সন্মিলনত।

১৯০৪ চনৰ ডিচেম্বৰ মাহত ষ্টালিনে বাকুত শ্ৰমিক সকলৰ এটা ধৰ্মঘট পৰিচালনা কৰে। ১৩ ৰ পৰা ৩১ ডিচেম্বৰ পৰ্য্যন্ত চলা এই ধৰ্মঘটৰ বিষয়ে বলচেভিক পাৰ্টিৰ ইতিহাসত লিখা হৈছে— "এই ধৰ্মঘট আছিল ৰাচিয়াৰ বিৰাট বৈপ্লৱিক জোৱাৰৰ আগমন বাৰ্তা ঘোষণাকাৰী বজ্ৰনিনাদ সদৃশ।"

১৯০৫ চনত ষ্টালিনে বে-আইনী বলচেভিক বাতৰিকাকত 'সৰ্বহাৰাৰ সংগ্ৰাম' (The struggle of the proletariate) সম্পাদনা কৰিছিল। ১৯০৬ আৰু ১৯০৭ চনত জৰ্জিয়ান ভাষাত ৰচিত ষ্টালিনৰ 'নৈৰাজ্যবাদ নে সমাজতন্ত্ৰবাদ' নামৰ প্ৰবন্ধবোৰ বলচেভিক সংবাদ পত্ৰত প্ৰকাশিত হৈছিল। এই প্ৰবন্ধবোৰত ষ্টালিনে মাৰ্ক্সীয় দ্বন্দ্বমূলক বস্তুবাদ আৰু ঐতিহাসিক বস্তুবাদৰ সূত্ৰবোৰ সৰ্বসাধাৰণৰ উপযোগী ভাষাত ব্যাখ্যা কৰিছিল।

১৯০৬ চনত বহা ছচিয়েল ডেমোক্ৰেটিক দলৰ ষ্টকহলম কংগ্ৰেছত ষ্টালিনে তিফলিচৰ বলচেভিক সকলৰ প্ৰতিনিধিত্ব কৰিছিল। অৱশ্যে এই কংগ্ৰেছত বলচেভিক আৰু



মেনচেভিকৰ মাজৰ দ্বন্দ্ব আৰু তীব্ৰতৰ হৈ উঠে। ১৯০৭ চনত লণ্ডনত বহা পঞ্চম কংগ্ৰেছত বলচেভিক সকলে চূড়ান্ত বিজয় লাভ কৰে।

১৯০৭ চনৰ জুনত ষ্টালিনে লণ্ডনৰ পৰা ঘূৰি আহি পাৰ্টিৰ নিৰ্দেশক্ৰমে ট্ৰান্সককেচিয়াৰ বৃহত্তম শিল্পাঞ্চল বাকুত থাকিবলৈ লয়। তাত বলচেভিক সকলৰ প্ৰচাৰ অভিযান চলাই বহু সংখ্যক ছচিয়েল ডেমোক্ৰেটিক বলচেভিক দলৰ সপক্ষে আনি মেনচেভিকৰ প্ৰভাৱ উচ্ছেদ কৰিবলৈ সমৰ্থ হয়। এই চনতে লেনিনৰ সৈতে তেওঁ অতিবামপন্থী সকলৰ বিৰুদ্ধে মতাদৰ্শগত সংগ্ৰাম কৰিবলগীয়া হৈছিল। বাকুৰ শ্ৰমিক সকলৰ সংগ্ৰাম ষ্টালিনে পৰিচালনা কৰিছিল। তেওঁৰ নেতৃত্বতে বাকুৰ সৰ্বহাৰা শ্ৰেণীয়ে ৰাচিয়াৰ বিপ্লৱী আন্দোলনৰ পথৰ পৰা এক ঐতিহাসিক সংগ্ৰাম পৰিচালনা কৰে।

১৯১২ চনৰ আৰ, এচ, ডি, এল, পি,ৰ প্ৰাগ সন্মিলনত মেনচিভিক সকলক বহিষ্কাৰ কৰি এটি নতুন লেনিনবাদী বলচেভিক দল গঠন কৰা হয়। ষ্টালিন এই দলৰ কেন্দ্ৰীয় কমিটিৰ সদস্য নিৰ্বাচিত হয়। 'মাৰ্ক্সবাদ আৰু জাতীয় প্ৰশ্ন'— ষ্টালিনৰ এই শীৰ্ষক ৰচনাৱলীৰ ওপৰত লেনিনে সৰ্বাধিক গুৰুত্ব দিছিল। ১৯১৭ চনৰ মে মাহত সন্মিলনৰ শেষত কেন্দ্ৰীয় কমিটিৰ এটি পলিট ব্যুৰ' স্থাপিত হয়, আৰু ষ্টালিন ব্যুৰৰ সদস্য নিৰ্বাচিত হয়। ১৯১৭ চনৰ ২৪ অক্টোবৰত মহান অক্টোবৰ বিপ্লৱ আৰম্ভ হয়। ২৫ অক্টোবৰত অনুষ্ঠিত ছোভিয়েট বিলাকৰ দ্বিতীয় কংগ্ৰেছৰ পৰা ৰাষ্ট্ৰ ক্ষমতা ছোভিয়েটৰ হাতলৈ যায়। অক্টোবৰ বিপ্লৱৰ বিজয়ৰ পিচত ষ্টালিন সমগ্ৰ ৰাচিয়াৰ ছোভিয়েট কংগ্ৰেছত লেনিনৰ নেতৃত্বত গঠিত প্ৰথম গণপ্ৰতিনিধি পৰিষদৰ সদস্য আছিল।

১৯২২ চনৰ ৩ এপ্ৰিলত কেন্দ্ৰীয় কমিটিৰ পূৰ্ণাংগ অধিবেশনে ষ্টালিনক পাৰ্টিৰ সাধাৰণ সম্পাদক নিৰ্বাচিত কৰা হয়। ১৯২৪ চনৰ ২১ জানুৱাৰীত বলচেভিক পাৰ্টিৰ নেতা আৰু প্ৰতিষ্ঠাতা, বিশ্বৰ সমাজতান্ত্ৰিক বিপ্লৱৰ শ্ৰেষ্ঠ ৰণনীতিবিদ লেনিনৰ মৃত্যু হয়। লেনিনে সমাজতান্ত্ৰিক সমাজ গঠনৰ যি আঁচনি প্ৰস্তুত কৰিছিল, তাক তেওঁ বাস্তৱ জীৱনত দেখা নাপালে। লেনিনৰ মৃত্যুৰ পিচত সেই আঁচনি বাস্তৱায়িত কৰাৰ মহান দায়িত্ব পৰে তেওঁৰ যোগ্যতম উত্তৰাধিকাৰী ষ্টালিনৰ ওপৰত। হিটলাৰী ফেচীবাদী শক্তিক মষিমূৰ কৰি জাতীয় আৰু আন্তৰ্জাতিক জটিলতা অতিক্ৰম কৰি ষ্টালিনৰ নেতৃত্বত বলচেভিক দলে ছোভিয়েট ৰাচিয়াত সমাজতন্ত্ৰক সু-প্ৰতিষ্ঠিত কৰিছিল।


১৯৪১ চনত জাৰ্মান ফেচিষ্ট হিটলাৰী বাহিনীয়ে ছোভিয়েট ইউনিয়ন আক্ৰমণ কৰে আৰু আৰম্ভ হয় ৰাচিয়াৰ জনগণৰ মহান দেশপ্ৰেমিক যুদ্ধ। অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰৰ বিনিময়ত ফেচিষ্ট বাহিনীক পৰাভূত কৰি ছোভিয়েট ৰাচিয়াৰ জনগণেই কেৱল বিজয় ঘোষণা কৰা নাছিল, ফেচিবাদৰ কবলৰ পৰা সমগ্ৰ বিশ্বকে মুক্ত কৰাত মহত্তম অৰিহণা যোগাইছিল।

১৯৫৩ চনৰ ৫ মাৰ্চত ষ্টালিনৰ মৃত্যু হয়। মৃত্যুৰ পিচৰ পৰাই তেওঁৰ নাম ইতিহাসৰ পাতৰ পৰা মুচি পেলোৱাৰ দুঃসাহসিক অভিযান চলে সংসোধনবাদী ক্ৰুচেভৰ নেতৃত্বত। তেওঁৰ প্ৰতিমূৰ্ত্তি, ছবি আনকি ৰচনাৱলী পৰ্য্যন্ত দেশৰ পৰা অপসাৰিত কৰা হয়। শেষ বয়সত ষ্টালিনৰ কিছু দুৰ্বলতা আৰু বিচ্যুতি আছিল যদিও ৰাচিয়াত সমাজতান্ত্ৰিক বিপ্লৱ সু-প্ৰতিষ্ঠিত কৰা আৰু সমগ্ৰবিশ্বতে এই আদৰ্শ প্ৰসাৰিত কৰাত তেওঁৰ অবদান আছিল অপৰিসীম। ইয়াক অস্বীকাৰ কৰিবলৈ যোৱাটো হব মাৰ্ক্সবাদ লেনিনবাদক বিকৃত কৰি কৰিবলৈ কৰা অপচেষ্টা মাথো। বিশ্বৰ এজন শ্ৰেষ্ঠ বিপ্লৱী, শ্ৰেষ্ঠ মাৰ্ক্সবাদী লেনিনবাদী হিচাবে ষ্টালিনৰ নাম বিশ্বৰ প্ৰতিজন মেহনতী মানুহৰ মনত অবিস্মৰণীয় হৈ থাকিব। ☆

[ কবিতা ]

# সেই পোহৰ ৰক্ত সূৰ্য্যৰ

জাহানাৰা বেগম
প্ৰাকবিশ্ববিদ্যালয়
২য় বাৰ্ষিক



মোৰ অন্তৰত উমি উমি জ্বলা
একুৰা জুই—
যাৰ উত্তাপত দগ্ধ আজি মই !
তুমিতো নাজানা বন্ধু
এই জুই কিহৰ !
এই জুই বুভুক্ষ জনতাৰ
বুকুত জ্বলা বঞ্চনাৰ জুই।
তুমি জানানে বন্ধু,
এই জুই নুমাব কেতিয়া ?
নুমাব সেইদিনাই—
যিদিনা বুভুক্ষ জনতাই
শাণিত অস্ত্ৰ হাতত লৈ
কৰিব দমন দস্যুদল।
সেইদিনাই বন্ধু
অৱসান হব শোষণ যন্ত্ৰৰ
দেশৰ মাটিত নতুন যুগৰ
পোহৰ পৰিব—
সেই পোহৰ – ৰক্ত সূৰ্য্যৰ।



# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন....

প্ৰতিবেদনৰ আৰম্ভনীতে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মই মোৰ বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

খেল-ধেমালি শিক্ষাৰ এটা অপৰিহাৰ্য্য অংগ। খেল-ধেমালিয়ে আমাৰ শৰীৰ আৰু মন সুস্থ-সবল কৰাৰ উপৰিও শৃঙ্খলা আৰু ঐক্যৰ মনোভাৱ গঢ়ি উঠাত আমাক অৰিহনা যোগায়। কিন্তু আজি দেখিবলৈ পোৱা গৈছে যে খেল-ধেমালিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ যিমান উৎসাহ উদ্দীপনা থকাৰ আৱশ্যক আছিল, সিমানখিনি পৰিলক্ষিত হোৱা নাই। এই ক্ষেত্ৰত অৱশ্যে মই অকল ছাত্ৰ-ছাত্ৰী সকলকে দোষাৰোপ কৰিব নিবিচাৰো। যদি ভালকৈ বিচাৰ বিশ্লেষণ কৰি চোৱা যায় তেন্তে দেখিবলৈ পাম যে বৰ্ত্তমান প্ৰচলিত সমাজ ব্যৱস্থাই বিশেষকৈ ইয়াৰ বাবে দায়ী কাৰণ বৰ্ত্তমান প্ৰচলিত শিক্ষা ব্যৱস্থা তথা সমাজ ব্যৱস্থা ত্ৰুটিপূৰ্ণ।

বিশ্বৰ ক্ৰীড়া জগতত দেখা যায় পুঁজিবাদী দেশতকৈ সমাজতান্ত্ৰিক দেশ বিলাকে খেল-ধেমালিৰ দিশত এক আলোড়ণৰ সৃষ্টি কৰিব পাৰিছে। তাৰ কাৰণ এয়ে যে শিক্ষাৰ লগত খেল-ধেমালিকো সমান মৰ্য্যদা দিয়ে। আনহাতে পুঁজিবাদী দেশবোৰত তাৰ ব্যতিক্ৰমহে দেখা যায়।

বহুতো ৰাজনীবিদ আৰু শিক্ষাবিদে খেল-ধেমালিক শিক্ষাৰ এটা অপৰিহাৰ্য্য অংগ বুলি অভিহিত কৰিছে কিন্তু খেল-ধেমালি শিক্ষাৰ অংগ হিচাবে ছাত্ৰ-ছাত্ৰীসকলে যি ধৰণৰ সা-সুবিধা পাব লাগিছিল তেনে সা-সুবিধা আমাৰ দেশত আজিলৈকে পোৱা নাই। তাৰ কাৰণে বহুতো সম্ভাৱনাপূৰ্ণ খেলুৱৈয়ে আজি খেলজগতৰ পৰা আঁতৰি থাকিব লগা হৈছে।

মস্কো অলিম্পিক সম্পৰ্কেঃ—

ঐতিহাসিক ভাতৃত্ব আৰু সম্প্ৰীতিৰ খেল অলিম্পিক, প্ৰতি চাৰি বছৰৰ মূৰে মূৰে বিশ্বৰ প্ৰান্তৰে প্ৰান্তৰে জাগি উঠে খেলুৱৈ সকলৰ মনত প্ৰচুৰ আকাঙ্খা,উৎসাহ, উদ্দীপনা। প্ৰতিবাৰেই অলিম্পিক খেলৰ আৱৰ্ত্তণৰ চেলু লৈ বিশ্বৰ কুটনীতিবিদ, সাংবাদিক, ৰাজনৈতিক চাল-চাতুৰিৰো কুৎসিত খেল আৰম্ভ হয়। কোনোৱা হাৰে কোনোৱা জিকে। অলিম্পিকত, জীৱনৰ চৰম আকাঙ্খা বাস্তৱত ৰূপায়িত কৰিবলৈ খেলুৱৈ সকলে যিদৰে আগবাঢ়ে, ৰাজনৈতিক চক্ৰান্তৰ জালেও ঠিক সেইদৰে খেলুৱৈ সকলৰ আশা-আকাঙ্খাক দমন কৰে। তেওঁলোকৰ প্ৰতিবাদৰ কণ্ঠ ৰুদ্ধ হৈ যায়।

এইবাৰো মস্কো অলিম্পিক ৰাজনৈতিক

খেলৰ বাঘজৰীৰ মেৰপাকৰ পৰা সাৰি যাব পৰা নাই। আফগানিষ্ঠানৰ পৰা ৰুচ সৈন্য অপসাৰণ নকৰা পৰ্য্যন্ত অলিম্পিক খেল বৰ্জন কৰিবলৈ সাম্ৰাজ্যবাদী আমেৰিকাৰ ৰাষ্ট্ৰপতি কাৰ্টাৰে যি আহ্বান জনাইছিল তাৰ প্ৰতি ভালেমান দেশে সহাৰি জনালেও ইংলেণ্ড, ফ্ৰান্সকে আদি কৰি! অতি কমেও ৮১ খন দেশৰ মস্কো অলিম্পিকত যোগদান সচাকৈয়ে মনকৰিবলগীয়া।

মস্কো অলিম্পিকত আমেৰিকা যুক্ত-ৰাষ্ট্ৰকে আদি কৰি ভালেকেইখন দেশে ৰুচ সৈন্যৰ আফগানিস্থানৰ অজুহাত, মানৱতাৰ অজুহাত দেখুৱাই মস্কো অলিম্পিক বৰ্জন কৰিলে। দৰাচলতে এই ক্ষেত্ৰত মানৱতাৰ দোহাই মাথোন ৰাজনৈতিক চক্ৰান্তৰ অন্য এক নামান্তৰ।

খেল জগত ৰাজনীতি জগতৰ পৰা সদায় পৃথক হৈ থাকক। আমাৰ ইচ্ছা পৃথিৱীৰ সকলো খেলুৱৈৰ বীৰৰ মনৰ বাঞ্ছা, আশা, উদ্দীপনাক যেন কোনো বিভেদৰ ৰাজনীতিয়ে কাঢ়ি নিব নোৱাৰে।

কাৰ্য্যাৱলী:—

মই খেলবিভাগৰ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে আহি পৰিল আমাৰ মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ"। মহা-বিদ্যালয় সপ্তাহৰ অংশ হিচাবে আয়োজিত কৰা হয় ক্ৰীড়া সমাৰোহ। সাদিনীয়া কাৰ্য্য-সূচীৰে এই ক্ৰীড়া সমাৰোহ সুচাৰুৰূপে পালন কৰা হয়। বিভিন্ন কাৰ্য্য সূচী অনুসৰি ভিন ভিন খেলসমূহৰ প্ৰতিযোগিতাবোৰ নিয়াৰিকৈ সম্পাদন কৰা হয়।

উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ আন্তঃশ্ৰেণী ফুটবল আৰু ভলীবল প্ৰতিযোগিতাত ক্ৰমে প্ৰাক্ বিশ্ববিদ্যালয় ২য় বাৰ্ষিক দল আৰু স্নাতক ১য় বাৰ্ষিক 'ক' দলে চূড়ান্ত খেলত বিজয়ী বঁটা লাভ কৰে। আনহাতে ক্ৰীড়া সমাৰোহত অইন বাৰতকৈ অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। আশা ৰাখিছোঁ পৰবৰ্ত্তি বছৰত যেন প্ৰতি-যোগিৰ সংখ্যা বাঢ়ি গৈ থাকে।

অভাব-অভিযোগ:—

আমাৰ মহাবিদ্যালয়ত কিছুসংখ্যক খেলৰ সামগ্ৰী আছে যদিও প্ৰয়োজনৰ ভিত্তিত সি নিচেই তাকৰ। ক্ৰিকেটৰ এখন ভাল 'পিটচ' নোহোৱাটো মন কৰিবলগীয়া ইয়াৰ উপৰি এইবাৰ বিশ্ববিদ্যালয় আন্তঃ কলেজ ক্ৰীড়া সমাৰোহত যোগদান কৰা নহ'ল। বহুত চেষ্টা কৰিও পিচত বিফল হবলগীয়া হৈছে। এই ক্ষেত্ৰত অৱশ্যে আমাৰ মহাবিদ্যালয়ৰ আৰ্থিক দুৰ্ব্বল অৱস্থাকে দোষ দিব পাৰি। আশাকৰো কৰ্তৃপক্ষই এনে অভাৱ সমূহ দূৰ কৰিব।

কৃতজ্ঞতা স্বীকাৰ:—

মোৰ কাৰ্য্যকালত মাননীয় অধ্যক্ষ দেৱকে আদি কৰি আটাইকেইজন অধ্যাপক-অধ্যা-পিকাই যি আগ্ৰহ আৰু সহায়-সহানুভূতি দেখুৱাইছিল, তাৰ তেখেতসকলৰ ওচৰত চিৰ-কৃতজ্ঞ।

ছাত্ৰ-বন্ধু মোছাৰেফ হুচেইন (প্ৰাঃসাঃসঃ) ভগীৰথ শৰ্ম্মা (সাঃ সঃ), হৰেশ্বৰ বড়ো, পিজুষ বেনাৰ্জি, আবেদউদ্দিন, চৰিফুদ্দিন, ওৱাহিদ মণ্ডলেৰ, পদ্ম বড়ো, ৰমেশ, আবুতাহেৰ, ইব্ৰাহীম, তফিক, ছাত্ৰী বান্ধৱী সবিতা হাচনায়াৰা, অনুপমা, খিজু, বিমলা, অঞ্জলী আৰু আমাৰ মহাবিদ্যালৰ প্ৰাক্তন ছাত্ৰ বন্ধু বিবেকানন্দ অধিকাৰী, হৰি কলিতা আদিয়ে মোক যি সহায় সহযোগ আগবঢ়াইছিল তাৰবাবে তেওঁ-লোকৰ শলাগ লৈছোঁ।

তদুপৰি ক্ৰীড়া সমাৰোহত যিসকল প্ৰতি-যোগিয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি খেলৰ মান উন্নত কৰিছিল তেওঁলোককো অভিনন্দন ও কৃতজ্ঞতা জনাইছো।

সৰ্ব্বশেষত মোৰ অজানিতে হৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে সকলো অধ্যাপক অধ্যা-পিকা আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি, খেল বিভাগৰ ভবিষ্যত উজ্বল কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

অভিনন্দন সহঃ ধন্যবাদেৰে
নুৰুদ্দিন শইকীয়া
সম্পাদক, খেল বিভাগ
ৰঙিয়া মহাবিদ্যালয়
ছাত্ৰ একতা সভা



# Results of the Annual Sports, Rangia College.

## BOYS EVENT—1978-79

### 100 Mts. Race

| | | |
|---|---|---|
| Ist | Chandradhar Baro | B.A 1 yr. |
| 2nd | Ashok Baro | P.U. 11 |
| | Baikuntha Saloi | B.A. 11 |
| 3rd | Monoranjan Basumatary | p.u. 1 |

### 200 Mts. Race

| | | |
|---|---|---|
| Ist | Sabedar Rahman | p.u. 1 |
| 2nd | Baikuntha Saloi | B.A. 11 |
| 3rd | Moslehuddin Ahmed | p.u. 1 |

### 400 Mts. Race

| | | |
|---|---|---|
| Ist | Sabedar Rahman | p u 1yr. |
| 2nd | Chandradhar Baro | B.A. 1 |
| 3rd | Manoranjan Basumatary | P.U. 1 |

### 800 Mts. Race

| | | |
|---|---|---|
| Ist | Sabedar Rahman | P.U. 1 |
| 2nd | Chandradhar Baro | B A 1 |
| 3rd | Moslehuddin Ahmed | B.A. 11 |

Broad Jump

1st Moslehuddin Admed B.A. 11yr.
2nd Nuruddin Saikia B.A. 1
3rd Tamijuddin Ahmed B.A. 11

Shot Put

Ist Chandradhar Baro B.A. 1
2nd Saidur Rahman " "
3rd Tamijuddin Ahmed " 11

Javelin throw

Ist Baikuntha Saloi B A. 11
2nd Saheduddin Ahmed P.U. 11
3rd Dilip Talukdar P.U. 1

Discuss Throw

Ist Khagen Baro B.A. 1
2nd Tamijuddin Ahmed " 11
3rd Ashok Baro P U. 11

Hop Step & Jump

Ist Sabedar Rahman P.U. 1
2nd Moslehuddin Ahmed B A. 11
3rd Nuruddin Saikia " 1

1500 Mts Race

Ist Md. Sabedar Rahman P U. 1
2nd Chandradhar Baro B A. 1
3rd Manoranjan Basumatary P.U. 1
4th Moslehuddin Ahmed B.A. 1

4x 100 Mts. relay Race

(Ist Group)

(a) Chandradhar Baro B.A II
(b) Ashok Kr. Baro P.U. 11
(c) Pijus Banarjee B.A. 1
(d) Haresar Rahman P.U. 11

(2nd Group)

(a) Sabedor Rahman P.U. 1
(b) Mozzammil Haque P.U. 1
(c) Moslehuddin Ahmed B.A. 11
(d) Tamizuddin ,, "

(3rd Group)

(a) Sahebundin Ahmed p.u. 11 y
(b) Naimul Hussain 1
(c) Umes Das , 1
(d) Manoranjan Basumatari " 1

Hammer throw

Ist Abul Hussain p.u. 1 yr.
2nd Tamijuddin Ahmed B.B 11
3rd Chandradhar Baro B A 1

Pole Voult

1st Ashok Kr. Baro p.u. 11 yr.
1st Padma Ram Baro B.A. 1
2nd Khagen Baro B.A. 1
3rd Haresar Rahman p.u. 11

High Jump

1st Naimul Hussain p.u. 1 y

2nd Sabedor Rahman P.U. 1yr.
3rd Tamijuddin Ahmed B.A 11

Tug of war (Ist Grup)

Chandradhar Baro B.A. 1yr
Chandi Baro P.U. 1
Janmijay Basum tary B.A. 1
Monoranjan Basumatary p.u. 1
Tamijuddin Ahmed B A. 11
Pijus Banarjee B.A. 1

5000 mts. Race

Ist Sabedar Rahman p.u. 1
2nd Moslehuddin Ahmed B.A. 11
3rd Manoranjan Basumatary P.U 1
4th Chandradhar Baro B.A 1
5th Mozzammil Haque P.U. 1
Janmijay Basumatary B.A. 1
6th Chandi Ram Baro P.U. 1
7th Gobinda Kalita " II
8th Gonesh Basumatari " 1

Slow Cycle Race

1st Gonesh Basumatari P.U. 1 yr.

2nd Saheduddin Ahmed " IIyr.
3rd Jafaruddin Ahmed B.A. II

4X 400 mts. Relay Race

1st Group.

Chandradhar Baro B.A. 1
Pijus Banerjee " "
Naimul Hussain P.U. 1
Manoranjan Basumatary P.U. 1

2nd Group

Mozzammil Haque P.U. 1
Tamizuddin Ahmed B.A. II
Sabedor Rahman P.U. 1
Moslehuddin Ahmed B.A. 11

3rd Group

Makibar Rahman P.U. 1
Sahedur ddin Ahmed ; II
Janmijai Basumatary B A 1
Umes Das P U.I I

BEST ATHLATE

Md. Sabedar Rahman P.U. 1

GIRLS EVENT

80 mts. Race

1st Anjali Paul P.U II yr.
2nd Rashmi Devi " "
3rd Minati Kalita , 1

200 mts. race

1st Anjali Paul P.U II
2nd Rashmi Devi , yr.
3rd Minati Kalita " 1
Anima Devi B A "

400 mts race

1st Anjali Pul p.u. II
2nd Rinawara Bagum " "
3rd Anima Devi B.A. 1

### 1500 mts race (Walking)

1st Anima Devi B.A. I yr.
2nd Rashmi Devi p.u. II
3rd Bhaigwa Devi B.A. „
4th Dipa Das p.u. I

### Balance Race

1st Anima Devi B.A I
2nd Rashmi Devi p.u. II
3rd Bina Bania B.A. I

### Shot put

1st Anjali Paul p.u. II
2nd Bina Bania B.A. I
3rd Rashmi Devi p.u. II

### Broad Jump

1st Anjali Paul p.u. II
2nd Bina Bania B.A. I
3rd Rashmi Devi p.u. II

### Javelin throw

1st Rashmi Devi p.u. II
2nd Nirada Sarma B.A. I
3rd Chandika Baro „ II

### Discuss Throw

1st Chandika Baro B.A. II
2nd Anima Devi „ I
3rd Anjali Paul P.U. II

### Cricket ball throw

1st Bina Bauia B.A. I
2nd Rashmi Devi p.u. 2
3rd Anjali Paul „ „

### Tug of war

Kunja Kakati p.u. I yr.
Rejia Begum „ „
Alaka Deka „ „
Mira Rani Ray „ „
Era Bhattacharjee „ „

### Three Legged Race

1st Suria Ahmed P.U. II
Kunja Kakati „ I
2nd Anjali Paul „ II
Madhumita Basu „ „
3rd Mira Rani Ray „ I
Alaka Deka „ „

### Blind Hit

1st Anjali paul P.U. II
2nd Rinawara Bagum „ „

### Niddle & Threat Race

Ist Suria Ahmed P.U. II
2nd Anjali Paul „ „
3rd Rashmi Devi „ „

### Music Chair

1st Rinawara Begum P.U II
2nd Anjali Paul „ „
3rd Nibedita Majumdar „ „

### BEST LADY ATHLETE

Anjali Paul P.U. II

Nuruddin Saikia
Sec. Games & Sports
Rangia College Students Union

★



সাধাৰণ সম্পাদক আৰু সহকাৰী সাধাৰণ সম্পাদকৰ

# যুটিয়া প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণীতে ১৯৭৮/৭৯ চনৰ সাধাৰণ সম্পাদকৰূপে আমাক নিৰ্ব্বাচিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকলৈ আমাক বৈপ্লবিক অভিনন্দন জনালোঁ।

মহাবিদ্যালয় সপ্তাহ:—

বিগত বছৰবোৰৰ দৰে এইবাৰো ৯।১।৭৮ তাৰিখৰ পৰা ১৫।১২।৭৮ তাৰিখলৈ নিৰ্দ্দিষ্ট কাৰ্য্য-সূচীৰে "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয়। মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰিছিল ৰঙিয়া বান নিয়ন্ত্ৰণ কাৰ্য্যালয়, কাৰ্য্যবাহী অভিযন্তা শ্ৰীযুত বৈকুণ্ঠ শৰ্ম্মা ডাঙৰীয়াই। তেখেতে পতাকা উত্তোলন কৰি ছাত্ৰ ছাত্ৰী সকলক উৎসাহ উদ্দিপনাৰে কাৰ্য্য সূচীবোৰত ভাগ লবলৈ কয়। লগে লগে ছাত্ৰ-ছাত্ৰী সকলৰ দেহ আৰু মানসিক উন্নতিত এনেকুৱা সপ্তাহৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

কলেজ সপ্তাহৰ সামৰণি হিচাবে ১৫।১।৭৮ ইং তাৰিখে শ্ৰীযুত বীৰেন্দ্ৰ নাথ বৰদলৈ দেৱৰ সভাপতিত্বত মুকলি সভা হয়। সভাত নিৰ্দ্দিষ্ট বক্তা হিচাবে ভাষণ দিয়ে ৰঙিয়া সমষ্টিৰ বিধায়ক পূৰ্ণ বড়ো দেৱে।

ইং ১৪।৯।৭৯ তাৰিখে গতানুগতিকভাৱে আমাৰ মহাবিদ্যালয়ত উচ্চ শিক্ষা লবলৈ অহা ছাত্ৰ-ছাত্ৰীবোৰক আদৰণি জনাবলৈ আদৰণি সভাৰ আয়োজন কৰা হৈছিল। এই সভাৰ মাজেৰে পুৰণী চামে নতুন চামক আদৰিবলৈ তেওঁলোকৰ অৰ্জিত অভিজ্ঞতাৰে দু-আষাৰ কৈ আগতীয়াকৈ মহাবিদ্যালয়ৰ অভিজ্ঞতা দিয়ে। সভাত মুখ্য অতিথিৰ ভাৰ লয় শ্ৰীযুত ইন্দু মোহন দাস আৰু শ্ৰীযুত কামিনী মোহন শৰ্ম্মা দেৱে।

আমাৰ কাৰ্য্যকালছোৱাত কিমানখিনি আপোনালোকক সহায় আগবঢ়াবলৈ সক্ষম হৈছিলো সেয়া ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকলৰ হাতত।

ছাত্ৰ-ছাত্ৰীৰ সমস্যা সম্পৰ্কে দুষাৰ:—

ৰঙিয়াবাসীৰ একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান ৰঙিয়া মহাবিদ্যালয় ১৯৬৩ চনতে স্থাপিত হয়। কিন্তু আজিকোপতি ইয়াত বিজ্ঞান শাখা খোলা নহ'ল। তাৰোপৰি কলা শাখাৰো আটাইবোৰ বিষয় নথকাত দুখীয়া ছাত্ৰ-ছাত্ৰীয়ে ৰুচি অনুযায়ী শিক্ষা গ্ৰহণ কৰিব পৰা নাই।

স্নাতক মহলাৰ আৰবী বিভাগত অনাৰ্চ আৰু সংস্কৃত বিভাগ খুলিব লাগে।

মহাবিদ্যালয়ৰ অহা যোৱা ৰাষ্টাটো পকী কৰাৰ ব্যৱস্থা কৰিব লাগে।

চাইকেল গেৰেজৰ ব্যৱস্থা কৰি কলেজৰ

সৌন্দৰ্য্য বঢ়োৱাৰ লগতে "প্ৰাচীৰ পত্ৰিকা" পঢ়াৰ সুবিধা কৰিব লাগে।

ছাত্ৰ-ছাত্ৰীৰ সংখ্যালৈ লক্ষ্য ৰাখি শ্ৰেণী কোঠা সম্প্ৰসাৰণৰ ব্যৱস্থা কৰিব লাগে।

ছাত্ৰাবাসটোৰ নিৰ্ম্মান কাৰ্য্য আধৰুৱা নকৰি সোনকালে সম্পূৰ্ণ কৰি অধিক ছাত্ৰ থকাৰ উপযোগী কৰিব লাগে।

বৰ্ত্তমান ছাত্ৰাবাসৰ দুটা কোঠালীত ছাত্ৰ জিৰণী কোঠা নকৰি আচুতীয়াকৈ এটা ছাত্ৰ-জিৰণী কোঠা নিৰ্ম্মান কৰিব লাগে।

G. B. ত ছাত্ৰ প্ৰতিনিধি দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্ৰয়োজন অনুযায়ী শীঘ্ৰে তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে।

ওপৰোক্ত অভাববোৰ সমাধানাৰ্থে বহু বছৰৰ পৰাই ছাত্ৰ একতা সভাৰ তৰফৰ পৰা কৰ্তৃপক্ষক দাবী কৰি অহা হৈছে। কিন্তু আজিকোপতি দুই এটাত বাহিৰে প্ৰায়বোৰ ক্ষেত্ৰতে ভুৱা আশ্বাস দি আহিছে। তাতোকৈ দুখৰ কথা কৰ্তৃপক্ষৰ একাংশ আৰু মুষ্টিমেয় কেইজনমান ছাত্ৰই এই দাবীৰ পৰিপ্ৰেক্ষিতত "প্ৰতীক ধৰ্মঘট"ক অগণতান্ত্ৰিক আৰু অবৈধ বুলি প্ৰতিপন্ন কৰিবলৈ বিচাৰিছিল।

আমাৰ কাৰ্য্যকালৰ সময়তে অসমত "বহিৰাগত বিতাৰণ"ৰ আন্দোলনৰ কাৰ্য্য-সূচীৰ জোৱাৰ উঠে। সেয়েহে ইয়াৰ বিষয়ে কোৱাৰ প্ৰয়োজন নিশ্চয় আছে।

বহিৰাগতৰ সংজ্ঞা নিৰূপন নকৰাকৈ, সুনিশ্চিত সমাধান নুলিয়াকৈ, জনজাতি আৰু সংখ্যালঘুৰ স্বাৰ্থক উপেক্ষা কৰি, গণতান্ত্ৰিক লোক তথা গণ-সংগঠনবোৰৰ বাকৰুদ্ধ কৰি, বাস্তৱ দৃষ্টিভঙ্গী পৰিহাৰ কৰি, উগ্ৰ-জাতীয়তাবোধেৰে, পুজিবাদ সাম্ৰাজ্যবাদৰ দালালী কৰা লোকৰ নেতৃত্বৰ দ্বাৰা পৰিচালিত যি কোনো আন্দোলনেই সফল হোৱাৰ ইতিহাস পৃথিৱীত বিৰল। এই আন্দোলনবোৰ গতিবিধিলৈ লক্ষ্য ৰাখি অনুমান কৰিব পাৰি যে গৰীব ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ বাবে ই এটা চৰম দুৰ্যোগ আৰু দুৰ্ভাগ্যজনক।

ইয়াৰ পৰিনামত ছাত্ৰ ছাত্ৰীৰ শিক্ষাৰ ক্ষেত্ৰত অনিশ্চয়তা আৰু অমানসিকতাই দেখা দিছে। অৱশ্যে ধনী ঘৰৰ ল'ৰা-ছোৱালীয়ে চাকৰি-বাকৰি আৰু পঢ়া শুনাত পূৰামাত্ৰাই সুবিধা গ্ৰহণ কৰিছে। অসমবাসীৰ বিভিন্ন ভাষা-ভাষী, জাতি-উপজাতিৰ মাজত থকা ঐক্য সম্প্ৰীতি ওপৰত চৰম আঘাট হানিছে। অৱশ্যে স্বাধীনতাৰ ৩২ বছৰ পিছতো কেন্দ্ৰীয় চৰকাৰে অসমক অৱহেলা কৰাৰ দৃষ্টান্ত অলেখ। প্ৰত্যেকটো ন্যায্য প্ৰাপ্য আদায়ৰ বেলিকা অসমবাসীয়ে আন্দোলনৰ পথ লব লাগে।

আমাৰ অৰ্থনৈতিক, ৰাজনৈতিক ইত্যাদি আটাইবোৰ সমস্যাৰ গুৰিদাল বিচাৰিবলৈ বৈজ্ঞানিক দৃষ্টিভঙ্গী গ্ৰহণ কৰি সকলো সমস্যা সমাধানৰ বাবে সৰ্ববস্তৰৰ লোক ঐক্যবদ্ধ হোৱাটো প্ৰয়োজন।

শেষত মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ধন্যবাদেৰে

শ্ৰীভগীৰথ শৰ্মা—সাধাৰণ সম্পাদক

শ্ৰীআবুতাহেৰ হুচেইন— সহ: সাধাৰণ সম্পাদক

বৰ্ঙিয়া মহাবিদ্যালয় ছাত্ৰ-একতা সভা



# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে, ভাৰতৰ ছাত্ৰ ফেদাৰেচন'ৰ পক্ষৰ পৰা সমাজসেৱা বিভাগত মোক জয়যুক্ত কৰি আপোনালোকৰ সেৱা কৰাৰ সুবিধাকন দিয়া বাবে ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকললৈ বৈপ্লৱিক অভিনন্দন আৰু আন্তৰিক কৃতজ্ঞতা জনাইছো।

মোৰ কাৰ্য্যকালছোৱাত মহাবিদ্যালয়ৰ সামাজিক জীৱনলৈ কিবা নতুনত্ব আনিব পাৰিছো বুলি কোৱাৰ সাহস মোৰ নাই। তথাপি মোৰ কাৰ্য্যকালছোৱাত যি সামান্য সেৱা আপোনালোকলৈ আগবঢ়াব পাৰিছিলো, তাকে আজি মোৰ প্ৰতিবেদনত দাখিল কৰিছো।

আন আন বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ে উত্তৰ গুৱাহাটী মহা-বিদ্যালয়'ত অনুষ্ঠিত হোৱা N.S.S. অৰ চাৰিদিনীয়া বিশেষ শিবিৰত যোগদান কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ প্ৰায় ৩৩ খন মহাবিদ্যালয়ে এই শিবিৰত অংশ গ্ৰহণ কৰে। যাৱতীয় নানা সৰুসুৰা সেৱাত বাহিৰেও অন্যান্য সকলৰ লগতে আমিও ৰাস্তা মেৰামতি প্ৰাইমাৰী বিদ্যালয় মেৰামতি আদি কৰাটো'ও সমাজ সেৱামূলক কামত সক্ৰিয় অংশ লওঁ।

মোৰ সময়ছোৱাতে ৰঙিয়া মহাবিদ্যালয়ৰ পৰা মহাবিদ্যালয় খেল পথাৰলৈ যাব পৰাকৈ এটা ৰাস্তা নিৰ্ম্মাণ, মহাবিদ্যালয়ৰ চাৰিওকাষে বেৰা দিয়া কাম, গছপুলি ৰোপন, মহাবিদ্যালয়ৰ ওচৰতে অৱস্থিত পদুমকুঁৱৰী এম ই বিদ্যালয়ত মেৰামতিৰ কাম, গুৱাহাটীৰ আৰ্য্য-বিদ্যাপীঠ মহাবিদ্যালয়ৰ সহযোগত ৰঙিয়া ছোৱালী হাইস্কুলৰ ওচৰেদি ৰাষ্ট্ৰীয় পথৰ পৰা ৰঙিয়াৰ উপ-প্ৰতি সমাহৰ্ত্তাৰ কাৰ্য্যালয়লৈ এটা ৰাস্তা নিৰ্ম্মাণ আদি বিভিন্ন সেৱা আগবঢ়োৱা হয়। অৱশ্যে এইখিনি কৰিয়েই মই নিজকে সমাজসেৱক বুলি দাবী কৰিব নোৱাৰো। এইবিলাকৰ ওপৰিও সমাজত কৰিবলগীয়া আৰু বহুত কাম আছে যিবোৰ গোটেই জীৱনটো সম্ভৱ নহয়।

মোৰ কাৰ্য্যকালৰ ভিতৰত নানা দিহা পৰামৰ্শ দি কাৰ্য্যভাৰ সুকলমে পৰিচালনা কৰাত সহায় কৰা বাবে তত্বাৱধায়ক মাননীয় শিক্ষাগুৰু শ্ৰীযুত হীৰেণ শৰ্মা আৰু অন্যান্য বন্ধু-বান্ধৱীসকল যিসকলে নানাভাৱে সহায় কৰিছিল তেখেত সকললৈ কৃতজ্ঞতা জনাইছো।

সদৌ শেষত, মোৰ কাৰ্য্যকালছোৱাত কৰা অজানিত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি আৰু ৰঙিয়া মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

বৈপ্লৱিক অভিনন্দন সহ

শ্ৰীপদ্ম ৰাম বৰো

সম্পাদক, সমাজ সেৱা বিভাগ

১৯৭৮—'৭৯ চন

# কৃষ্টি বিভাগৰ সম্পাদকৰ প্ৰতিবেদন....

## ১৯৭৮/৭৯ ইং চন

প্ৰতিবেদনৰ আৰম্ভণীতে ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি আৰু উজ্জ্বল ভবিষ্যৎ কামনা কৰাৰ লগতে এই মহাবিদ্যায়লৰ কৃষ্টি বিভাগৰ উন্নতি কামনা কৰিলো। ১৯৭৮/৭৯ ইং চনৰ নিৰ্ব্বাচনত জয়ী হৈ এই মহাবিদ্যালয়ৰ কৃষ্টি বিভাগৰ সেৱা কৰিব পাই, মই আনন্দিত হৈছো আৰু মোক এই সুবিধাকণ দিয়া বন্ধু-বান্ধৱী সকলক মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

নিৰ্ব্বাচনৰ কিছুদিন পিছতেই বিভাগীয় সম্পাদক সকলৰ লগত ময়ো কলাগুৰু বিষ্ণুৰাভা আৰু ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ আশীষ শিৰোধাৰ্য্য কৰি কৃষ্টি বিভাগৰ কামত আগবাঢ়িলো। লগে লগে কলেজ সপ্তাহত ব্যস্ত হৈ কৃষ্টি বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহ বন্ধু-বান্ধৱী সকলৰ সহযোগিতাত পৰিচালনা কৰিলো। অইন বছৰৰ তুলনাত এইবাৰ প্ৰতিযোগিৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। উৎসৱমুখৰ পৰিৱেশেৰে কলেজ সপ্তাহ পাৰ হৈ যায় আৰু এই মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী সকলে সুশৃঙ্খলতাৰে এই উৎসৱ উপভোগ কৰে। শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিয়ে মোক উৎসাহিত কৰা বাবে মই তেখেত সকলৰ ওচৰত কৃতজ্ঞ। কলেজ সপ্তাহত আফজল, তৰুণ শইকীয়া, দ্বিপেন, হাচমত, জীয়া, মফিজ, চমেন, দিনদয়াল, খগেন, প্ৰদীপ, জ্যোতিষ আৰু দিপালী, ইৰা মীনা আদি বন্ধু বান্ধৱীৰ সহায়-সহযোগিতা সদায় মনত থাকিব। ইয়াৰ উপৰিও সাধাৰণ সম্পাদক শ্ৰীভগীৰথ শৰ্মাক মই কাহানীও পাহৰিব নোৱাৰিম। কলেজ সপ্তাহৰ মূল অধিবেশনৰ দিনা নিশা সংগীত সন্ধিয়া সুন্দৰভাৱে পৰিচালিত হয়। সেইদিনা স্থানীয় "জীৱন সংগীত" ক্লাবে নিমন্ত্ৰণ গ্ৰহণ কৰি অংশ গ্ৰহণ কৰা বাবে মোৰ আন্তৰিক শুভেচ্ছা জনালো। কোনো ধৰণৰ অশান্তিৰ সৃষ্টি নোহোৱাকৈ কলেজ সপ্তাহ পাৰ হৈ যোৱা বাবে মই বৰ আনন্দিত।

আমাৰ মহাবিদ্যালয় এতিয়াও আৰ্থিক দিশত সবল হব পৰা নাই। সেয়েহে অখিল ভাৰত বিশ্ববিদ্যালয়ৰ কৃষ্টি বিভাগৰ আন্তঃ কলেজ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব নোৱাৰা বাবে মই বৰ দুঃখ পাইছো। পৰবৰ্ত্তি সম্পাদকে ইয়াৰ ব্যৱস্থা কৰিব বুলি আশা কৰিলো।

কিছুদিন জিৰণি লোৱাৰ পিছতেই আকৌ আহি পৰিল নবাগত আদৰণি সভা। নবাগত আদৰণি সভাৰো কৃষ্টি বিভাগৰ কামখিনি পৰিচালনা কৰি মোৰ গোটেই বছৰৰ কাম শেষ কৰিলো। নবাগত আদৰণি সভাও আনন্দমুখৰ পৰিৱেশেৰে অতিবাহিত হয়।

আমাৰ ৰঙিয়া মহাবিদ্যালয়ৰ কৃষ্টি বিভাগৰ লাগতীয়াল বাদ্য-যন্ত্ৰ এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই। মই এইবাৰ এটা 'নাল' কিনিলো। পৰৱৰ্ত্তী সম্পাদক সকলেও এইদৰে দুই এপদকৈ বাদ্য যন্ত্ৰ কিনিব বুলি আশা কৰিলো। সদৌ শেষত পুনৰ ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতিৰ উপৰতে কৃষ্টি বিভাগৰো উজ্জ্বল ভবিষ্যৎ কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

অনুপ কুমাৰ লহকৰ
সম্পাদক, কৃষ্টি বিভাগ
ৰঙিয়া মহাবিদ্যালয়
১৯৭৮/৭৯ ইং চন



# সংগীত প্ৰতিযোগিতাৰ ফলাফল....

**আধুনিক গীত**

১ম ধীৰেণ শৰ্ম্মা
২য় মীনা শৰ্ম্মা
৩য় মঞ্জুলা কলিতা
তফিক্ আহমেদ

**জ্যোতি সংগীত**

১ম মীনা শৰ্ম্মা
ধীৰেণ শৰ্ম্মা
২য় টফিক্ আহমেদ
৩য় মঞ্জুলা কলিতা

**বড়গীত**

১ম মঞ্জুলা কলিতা
২য় মনোহৰি চৌধুৰী
৩য় ধীৰেণ শৰ্ম্মা

**গজল**

১ম মীনা শৰ্ম্মা
২য় ধীৰেণ শৰ্ম্মা
৩য় টফিক্ আহমেদ

**হিন্দী গীত**

১ম টফিক্ আহমেদ

২য় মীনা শর্মা

৩য় ধীৰেণ শৰ্মা

ভজন

১ম ধীৰেণ শৰ্ম্মা

২য় মীনা শৰ্ম্মা

৩য় টফিক্ আহমেদ

বড়োগীত

১ম হৰেশ্বৰ বড়ো

মীনা শৰ্ম্মা

২য় ধীৰেণ শৰ্মা

৩য় টফিক্ আহমেদ

গণেশ বসুমতাৰী

বিহুগীত

১ম মীনা শৰ্মা

২য় মনোহৰি চৌধুৰী

৩য় ধীৰেণ শৰ্মা

লোকগীত

১ম মঞ্জুলা কলিতা

২য় ধীৰেণ শৰ্মা

৩য় মনোহৰি চৌধুৰী

ৰাভা সংগীত

১ম ধীৰেণ শৰ্ম্মা

২য় মঞ্জুলা কলিতা

৩য় মীনা শৰ্মা

টফিক্ আহমেদ

বনগীত

১ম মীনা শৰ্মা

ধীৰেণ শৰ্ম্মা

মঞ্জুলা কলিতা

২য় টফিক্ আহমেদ

১ম শ্ৰেষ্ঠ গায়ক শ্ৰীধীৰেণ শৰ্ম্মা

২য় শ্ৰেষ্ঠ গায়িকা মীনা শৰ্ম্মা

## নাট প্ৰতিযোগিতাৰ ফলাফল

শ্ৰেষ্ঠ দল অহঁ তুকী স্বদেশ প্ৰীতি।

তৰুণ শইকীয়া, ভৰতোষ ডেকা, সঞ্জীৱ কলিতা, বিপুল সিং লহকৰ।

দ্বিতীয় শ্ৰেষ্ঠ দল—পগলা কাটেক।

খগেন দাস, হৰেণ তালুকদাৰ, মফিজুদ্দিন আহমেদ, প্ৰদীপ শৰ্মা, দেব কুমাৰ দত্ত, জিয়াউৰ ৰহমান বেগ।

৩য় শ্ৰেষ্ঠ দল—যাত্ৰী।

অনুপ কুমাৰ লহকৰ, চমেন পাঠক,

শ্ৰেষ্ঠ অভিনেতা—তৰুণ শইকীয়া।

শ্ৰেষ্ঠ পৰিচালক তৰুণ শইকীয়া

(অহঁ তুকী স্বদেশ প্ৰীতি)

## কৌতুক অভিনয়ৰ ফলাফল

১ম ভৰতোষ ডেকা

২য় বিপুল সিং লহকৰ

মফিজুদ্দিন আহমেদ

৩য় হাচ্নতৰ ৰহমান।

অনুপ কুমাৰ লহকৰ
সম্পাদক, কৃষ্টি বিভাগ
ৰঙিয়া মহাবিদ্যালয়
১৯৭৮/৭৯ ইং চন



# ছাত্ৰ জিৰণি কোঠাৰ
## সম্পাদকৰ প্ৰতিবেদন....

প্ৰথমতে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৈলে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। যি সকল বন্ধু-বান্ধৱীয়ে ১৯৭৮/৭৯ চনৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ বাবে নিৰ্ব্বাচিত কৰিছিল তেখেত সকলৈলে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ গধুৰ দায়িত্ব পালন কৰাত কিমানদূৰ কৃতকাৰ্য্য হব পাৰিছো, সেই বিচাৰৰ পাল ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ বন্ধু সকলৰ। ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সকলে বহু দিনৰ পৰা এটা স্থায়ী উন্নত জিৰণি কোঠাৰ অভাৱ অনুভৱ কৰি আহিছে। গতিকে মই কলেজ কৰ্ত্তৃপক্ষক টানি অনুৰোধ জনাও যাতে ছাত্ৰসকলৰ এই অতি প্ৰয়োজনীয় অসুবিধাটো অনতিপলমে পূৰণ কৰে। যদিও মহাবিদ্যালয়ৰ অৰ্থনৈতিক অৱস্থাৰ কাৰণে ছাত্ৰসকলৰ লাগতিয়াল খেলৰ সজুলি আৰু আলোচনী আদিৰ যোগান সম্পাদকে ধৰিব পৰা নাই; তথাপি এইটো স্বীকাৰ কৰিব লাগিব যে বহুত মহাবিদ্যালয়ৰ তুলনাত আমাৰ ছাত্ৰসকলে খেলাৰ বহুতো সুবিধাই পাইছে। লগতে এইটো দোহাৰো যে বছৰটোত মই ছাত্ৰসকলৰ প্ৰয়োজনীয় খিনি যোগান ধৰিবলৈ চেষ্টাৰ ক্ৰুটি কৰা নাই।

এটি আনন্দমুখৰ পৰিবেশৰ মাজেৰে "বাৰ্ষিক কলেজ সপ্তাহ" অনুষ্ঠিত হৈ যায়। গৌৰৱৰ কথা এই যে অইন বছৰৰ তুলনাত এই বছৰৰ প্ৰতিযোগিৰ সংখ্যা খুব বেছি আছিল। বহুনিশালৈ বেড্মিণ্টন খেল চলে। এইখিনিতে যি সকল খেলুৱৈয়ে হিম-

চেচা জাৰৰ মাজতো বহুনিশালৈ খেল-খেলি লোক সহায় কৰিছিল, তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। প্ৰতিযোগিতা অনুষ্ঠিত হৈ থকা সময়ত ছাত্ৰ-ছাত্ৰী আৰু দৰ্শক সকলৰ উপস্থিতিয়ে খেল-পথাৰ ৰজন্-জনাই আছিল। এইটো উল্লেখযোগ্য যে পোন প্ৰথমবাৰৰ কাৰণে অনুষ্ঠিত হোৱা ডবা-খেল প্ৰতিযোগিতাত বহু সংখ্যক প্ৰতিযোগিয়ে যোগদান কৰি খেলৰ সৌষ্ঠৱ বৃদ্ধি কৰে। কিন্তু মই নিৰুৎসাহিত হৈছিলো, যেতিয়া ছাত্ৰ-ছাত্ৰীৰ যুটীয়া কেৰম প্ৰতিযোগিৰ সংখ্যা নিচেই তাকৰীয়া হোৱা দেখিবলৈ পাইছিলো। ফলত মোৰ অনিচ্ছা স্বত্বেও এই প্ৰতিযোগিতা বাদ দিবলগীয়া হওঁ। আশাকৰো, ভৱিষ্যতলৈ যেন অধিক প্ৰতিযোগিয়ে এই প্ৰতিযোগিতাত যোগদান কৰি এই বিভাগৰ সম্পাদক সকলক উৎসাহিত কৰে।



সকলো সময়তে উপদেশ দি কামত আগবাঢ়ি যোৱাত সহায় কৰা বাবে অধ্যাপক মাননীয় শ্ৰীযুত ৰজত ডেকা দেৱলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছো। যি সকল বন্ধুৱে অক্লান্ত পৰিশ্ৰমে মোৰ কৰ্তব্যত বহুখিনি সহায় কৰিলে সেই সকল বন্ধু সৰ্বশ্ৰী মনোৰঞ্জন কলিতা (মুন্নু), আকেল আলি (দা), ভৱ, জ্যেতিষ, হাচমত, জিয়া, মফিজ, প্ৰদীপ, শশীন (বাপা), অনুপ, খগেন, আটোৱাৰ আৰু ভগীৰথ শৰ্ম্মাক মই পাহৰিব নোৱাৰো।

মোৰ কাৰ্য্যকালৰ অনিচ্ছাকৃত ভুলৰ বাবে বঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো। শেষত বঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণী মাৰিলোঁ।

অশেষ ধন্যবাদেৰে
শ্ৰীচমেন পাঠক
সম্পাদক, ছাত্ৰ জিৰণি কোঠা



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন....

১৯৭৮—'৭৯ ইং চন

প্ৰতিবেদনৰ আৰম্ভণীতে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ বৈপ্লবিক অভিনন্দন জনাইছো। লগতে সেই সকল বন্ধু-বান্ধৱীলৈ মই মোৰ কৃতজ্ঞতা জনাইছো, যি সকলে এচ, এফ আইৰ পক্ষৰ পৰা ছাত্ৰী জিৰণি কোঠাত মোক আৰু সাধাৰণ সম্পাদককে ধৰি আন সাতটা পদত এচ, এফ, আইৰ প্ৰাৰ্থীসকলক জয়ী কৰিছিল।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মই ছাত্ৰী জিৰণি কোঠাৰ অভাৱ অভিযোগ সমূহ দূৰীভূত কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হৈছিলো। অৱশ্যে এই দিশত মোৰ কৃতকাৰ্য্যতাৰ মাপকাঠি আপোনালোকৰ হাতত।

মোৰ কাৰ্য্যকালত বহুদিন ধৰি বন্ধ হৈ থকা 'দৈনিক অসম' আৰু লগতে নতুন 'অসমীয়া' বাতৰি কাকত দুখনৰ যোগান ধৰিছিলো। কিন্তু অতি দুখৰ কথা যে ছাত্ৰী বান্ধৱী সকলৰ কিছুমানে এইবিলাকৰ অপব্যৱহাৰ কৰাও চকুত পৰিছিল। কোৱা বাহুল্য যে কিছুমানে খেলৰ সামগ্ৰী সমূহো চেগ বুজি অপহৰণ কৰি আমাৰ নিজৰে ক্ষতি সাধন কৰে। এইন সম্পাদিকা সকলৰ দৰে মোৰো বিনীত অনুৰোধ, ছাত্ৰী বান্ধৱী সকলে যেন ভৱিষ্যতে এনে অন্তৰ্ঘাটী কামৰ পৰা বিৰত থাকে।

আজি মই বৰ আগ্ৰহেৰে জনাও যে, মোৰ কাৰ্য্যকালৰ ভিতৰত তিনিটা ডাঙৰ অভাৱ দূৰ কৰিলো। সেই তিনিটা হ'ল Urinal, Latrine আৰু Looking Glass ইয়াৰ ভিতৰত Urinal আৰু Latrine অৰ বাবে আমি বিশেষকৈ মোৰ আগৰ দুগৰাকী সম্পাদিকা বাইদেউ আৰু যোৱা দুবছৰৰ ছাত্ৰ একতা সভাৰ ওচৰত কৃতজ্ঞ, যিহেতু এই দুটা বস্তু হোৱাত তেখেত সকলৰ যথেষ্ট বৰঙণী আছে। এই বছৰ টেবুল ছাত্ৰী জিৰণি কোঠাত টেনিচৰ ব্যৱস্থা কৰিম বুলি কৈছিলো যদিও



2nd Row— A. Husain (A. G. S.) N. Saikia (Secy. G. & Sports) M. Ahmed, M. Rahman.

উপযুক্ত ঠাই তথা বিত্তীয় অভাবৰ বাবে ই হৈ নুঠিল। মই আশা কৰিছো, পৰবৰ্ত্তী সম্পাদিকাই ইয়াৰ ব্যৱস্থা লৈ ছাত্ৰী সকলক সুখী আৰু উৎসাহিত কৰিব।

এইবাৰৰ "মহাবিদ্যালয় সপ্তাহ" যথেষ্ট আড়ম্বৰপূৰ্ণ ভাবে হৈ যায়। এই 'সপ্তাহ'ত হোৱা খেলসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত, লগতে বিচাৰক হিচাপে থাকি মোক সহায় কৰা বাবে অক্ষয় বনীয়া, আ..বদ আহমেদ, ধীৰেণ শৰ্ম্মা আদিলৈ মোৰ কৃতজ্ঞতা জনাইছো। ইয়াৰোপৰি বিভিন্ন ভাবে সহায় সহযোগ আগবঢ়োৱা বাবে সবিতা, নুৰুদ্দিন, ৰুবিয়া আৰু জাহানাৰাৰ ওচৰতো মই কৃতজ্ঞ।

মোৰ কাৰ্য্যকালৰ বিভিন্ন সময়ত নানা ভাবে উপদেশ, পৰামৰ্শ আগবঢ়াই মোক সহায় কৰা বাবে পূজনীয় শিক্ষাগুৰু সকল আৰু বিভাগীয় তত্বাৱধায়িকা মাননীয়া শ্ৰীনীলিমা ৰাজবংশী বাইদেউৰ ওচৰত মই ঋণী হৈ থাকিম।

অৱশেষত, মোৰ চমু কাৰ্য্যকালত জ্ঞাতে বা অজ্ঞাতে কৰা নানা ধৰণৰ ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি আৰু ৰঙিয়া মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছো। ছাত্ৰ ঐক্য জিন্দাবাদ।

অভিনন্দন সহ

চৈয়দা হাচনা আৰা বেগম

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা।

## Prise distribution

কেৰম চিঙ্গল -

১ম অলকা শৰ্ম্মা } Runners-up
২য় ভানুমতী কাকতী }

কেৰম দবলচ্—

অলকা শৰ্ম্মা } প্ৰথম
নুৰেআছমা বেগম }

জাহানাৰা বেগম } দ্বিতীয়
ভানুমতী কাকতী }

চাইনিজ চেকাৰ—

১ম অঞ্জলী শৰ্ম্মা
২য় বীনা বনীয়া
৩য় নীৰদা দেৱী

ডবা প্ৰতিযোগিতা—

১ম অঞ্জলী চৌধুৰী—Runners.
২য় ৰেজীয়া চুলতানা—Ist Champion

বেড্মিণ্টন (চিঙ্গল)

বিজু চৌধুৰী (Champion)
বিজু কলিতা (Runners-up)

বেড্মিণ্টন (ডবলচ্)

বিজু কলিতা } ১ম (Champion)
সবিতা লহকৰ }


বিজু চৌধুৰী } ২য় Runners-up
ৰুবী চৌধুৰী }

বেড্মিণ্টন (ডবলচ্ মিক্স)

অক্ষয় বনীয়া আৰু সবিতা লহকৰ (Champion)
দিপালী শইকীয়া আৰু চমেন পাঠক (Runners-up)



Rangia College Students' Union, Session-1978-79



From Left to Right Sitting - B. Sarma (G. s.) U. C. Goswami (i/c Magazine) R. Deka (i/c B. C. room) S Ahmed (Treasurer) J. Pathak (i/c. G. & Sports) B. Deka (i/c. Debate) H. Das (i/c. M. & C. Affairs) T. Saik'a.
Standing - Ist Row=K. Kalita (Editor) P. Baro (Secy. S. service) H. Begum (Secy. G. C. Room) B. Kakati, S. Pathak (secy. B. C. R.) K. Lahkar. S. sarma. M. Tapadar A. Lahkar (secy. M. & C. Affairs) S. Kalita.
2nd Row— A. Husain (A. G. s.) N. saikia (secy. G. & sports) M. Ahmed. M. Rahman.